# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

# এটি অৱলোকন

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰকাশন

5

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
# এটি অৱলোকন


মুখ্য সম্পাদক

কৈলাস চন্দ্ৰ দাস

সম্পাদক

এম. হবিব উল্লাহ

ড° ৰজিতা কলিতা

ড° মিলন নেওগ



A.D.P. COLLEGE LIBRARY * NAGAON : ASSAM
Acc.no 34096
Dt 21-9-17



আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰকাশন

নগাঁও

**Anandaram Dhekial Phookan Mahavidyalaya : Eti Abalokan** : A glipse on the History of ADP College, Edited by Prof. K.C. Das, Chief Editor and Dr. Rajita Kalita & Dr. Milan Neog Editors and Published by Dr. S.U. Ahmed, principal, ADP College, Nagaon.26th August, 2017, Nagaon.

ISBN : 978-93-84679-74-3

A.D.P. COLLEGE LIBRARY * NAGAON : ASSAM *
Acc.no 34096
Dt 21-9-17

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ঃ এটি অৱলোকন

সম্পাদনা সমিতি

উপদেষ্টা
সহজানন্দ ওজা

Almirah

891.45 | DAS

সভাপতি
ড° ছবিফউদ্দিন আহমেদ

মুখ্য সম্পাদক
কৈলাস চন্দ্ৰ দাস

সম্পাদক
হবিব উল্লাহ
ড° ৰজিতা কলিতা
ড° মিলন নেওগ

আহ্বায়ক
অৰিন্দম বৰকটকী

প্ৰকাশ ঃ ২৬ আগষ্ট, ২০১৭

প্ৰকাশক
ড° ছবিফউদ্দিন আহমেদ
অধ্যক্ষ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও-২

প্ৰচ্ছদ ঃ মনোজ ৰাজকুমাৰ

মূল্য ঃ ২০০.০০ টকা

অক্ষৰ বিন্যাস আৰু মুদ্ৰণ
অজন্তা প্ৰেছ, হয়বৰগাঁও, নগাঁও, অসম, ফোন ঃ ৯৪৩৫০-৬১৭৪৫



আনন্দৰাম ঢেকিয়াল ফুকন
জন্ম ঃ ৫ আহিন, ১৭৫১ শক
মৃত্যু ঃ ৩ আষাঢ়, ১৭৮১ শক

## সূচী

মুখ্য সম্পাদকৰ একাষাৰ ▸ ৯
ঢেকিয়াল ফুকন কলেজ ▸ **যজ্ঞেশ্বৰ শৰ্মা** ১১
আনন্দৰাম ঢেকিয়াল ফুকন ▸ **ড° মিলন নেওগ** ১২
উচ্চ শিক্ষা আৰু নগাঁও ▸ **ড° ৰবী ভূএগ, ড° সবিতা দেৱী, অৰ্চনা তালুকদাৰ** ১৯
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম ঃ
নেপথ্যৰ তথ্য ▸ **ড° নাৰায়ণ চন্দ্ৰ বৰ্মন** ২৪
আনন্দৰাম ঢেকিয়াল ফুকন কলেজত
বিজ্ঞান শিক্ষাৰ আৰম্ভণি ▸ **ড° আবু হানিফা** ৪২
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ আৰম্ভণিক ৰূপ ঃ
এক অৱলোকন ▸ **ড° সোণাৰাম নাথ** ৫৫
খেলা-ধূলাৰ ঐতিহ্যৰে মহিমামণ্ডিত
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ▸ **সহজানন্দ ওজা** ৪৬
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ ঃ
এটি ৰেঙনি ▸ **হৃষিকেশ ভূএগ** ৬৬
Teacher Council, ADP College ▸ **Aminul Islam** ৭১
এ. ডি. পি. কলেজৰ ছাত্ৰ একতা সভাৰ ইতিহাস ▸ **জয়কুমাৰ সিংহ** ৭৫

স্মৃতিৰ জলগুৱৈদি

A Peep to the Past of ADP College ▸ **Baneswar Saikia** ৮১
মহাবিদ্যালয়ৰ স্মৃতি সুঁৱৰি ▸ **প্ৰভাত শৰ্মা বৰুৱা** ৮৭
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোট ▸ **সহজানন্দ ওজা** ৯১
স্মৃতিৰ জলগুৱৈদি ▸ **ড° ছবিৰউদ্দিন আহমেদ** ৯৯

প্ৰাক্তন ছাত্ৰৰ দৃষ্টিৰে

আমাৰ দিনৰ এডিপি কলেজ ▸ ড° ৰাজেন শইকীয়া ১০৭

আনন্দৰাম ঢেকিয়াল ফুকন কলেজ ঃ মোৰ স্মৃতিৰ জোলোঙাত সঞ্চিত এছোৱা ▸ যতীন্দ্ৰ কুমাৰ বৰগোহাঞি ১১৮

অধ্যক্ষ আৰু উপাধ্যক্ষসকল

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষসকল ▸ ১৩৩

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ উপাধ্যক্ষসকল ▸ ১৪৪

মহাবিদ্যালয়ৰ কেন্দ্ৰসমূহ আৰু অন্যান্য

আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰ ▸ ১৫৭

নাৰী অধ্যয়ন আৰু কল্যাণ কেন্দ্ৰ ▸ ১৫৯

নাৰী অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ ▸ ১৬২

বিবেকানন্দ অধ্যয়ন কেন্দ্ৰ ▸ ১৬৪

আম্বেদকাৰ অধ্যয়ন কেন্দ্ৰ ▸ ১৬৬

গান্ধী অধ্যয়ন কেন্দ্ৰ ▸ ১৬৮

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N.C.C) ▸ ১৭০

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ঃ ৰাষ্ট্ৰীয় সেৱা যোজনা গোট ▸ ১৭৩

Departmental Profiles ▸ ১৭৬

ৰূপালী জয়ন্তী উৎসৱত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদকৰ প্ৰতিবেদন ▸ ১৮৮

সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদকৰ নিবেদন ▸ ২০১

পৰিশিষ্ট

পৰিচালনা সমিতিৰ সভাপতিসকল (১৯৬৪-২০১৭) ▸ ২০৩

ছাত্ৰ একতা সভাৰ সভাপতিসকল ▸ ২০৪

ছাত্ৰ একতা সভাৰ উপ-সভাপতিসকল ▸ ২০৪

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ▸ ২০৫

# মুখ্য সম্পাদকৰ একাষাৰ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়। আধুনিক অসমৰ অন্যতম প্ৰধান নিৰ্মাতা স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-১৮৫৯ খ্ৰীঃ)ৰ পুণ্য স্মৃতিত ১৯৫৯ খ্ৰীঃৰ ৭ ছেপ্টেম্বৰত এই মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা হৈছিল। সেই বছৰৰে ফেব্ৰুৱাৰী মাহত নগাঁৱত অনুষ্ঠিত হৈছিল অসম সাহিত্য সভাৰ ২৭তম্ বাৰ্ষিক অধিৱেশন। লগতে আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু বাৰ্ষিকীও উদ্‌যাপন কৰা হৈছিল। সাহিত্য সভাৰ পক্ষৰপৰা নগাঁৱত শেষ নিশ্বাস পেলোৱা ফুকনদেৱৰ স্মৃতিত কিবা এক মহৎ কাৰ্যব্যৱস্থা হাতত ল'বলৈ নগএৱা ৰাইজক আহ্বান জনোৱা হৈছিল। তাৰে যথাযথ সঁহাৰি স্বৰূপেই, নগাঁও চহৰত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় স্থাপন কৰা হৈছিল নৈশ মহাবিদ্যালয় হিচাপে। কাৰণ সেই সময়ত নগাঁৱত জিলাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান 'নগাঁও মহাবিদ্যালয়ে' উচ্চ শিক্ষাৰ বৰ্জিত চাহিদা পূৰাব পৰা নাছিল আৰু দ্বিতীয়তে দিনৰ ভাগত কৰ্মৰত অথচ উচ্চ শিক্ষাৰ হাবিয়াস থকাসকলৰ বাবে নৈশ মহাবিদ্যালয় এখনৰ অতীৱ প্ৰয়োজন হৈছিল। মহাবিদ্যালয়খন ১-৪-১৯৬৪ তাৰিখে ঘাটিমঞ্জুৰী ব্যৱস্থাৰ অন্তৰ্ভুক্ত হয়। বিজ্ঞান শাখা খোলা হয় ১৯৭৮ খ্ৰীঃ (স্নাতক শ্ৰেণী) আৰু ১৯৭৯ খ্ৰীঃ (প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণী)। বিজ্ঞান শাখা ঘাটিমঞ্জুৰি ব্যৱস্থাৰ অধীনলৈ আহে ১-৯-১৯৮৩ তাৰিখে।

প্ৰাথমিক অৱস্থাত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ভূমিকা গুৰুত্বপূৰ্ণ আছিল। অসমৰ ভিতৰত এইখনেই আছিল দ্বিতীয়খন নৈশ মহাবিদ্যালয়। প্ৰথমখন আছিল গুৱাহাটীৰ ভোলানাথ বৰুৱা কলেজ। স্বৰাজোত্তৰ অব্যৱহিত কালছোৱাৰ দিনৰ ভাগত কৰ্মৰত ডেকা-আদহীয়াসকলক উচ্চ শিক্ষা গ্ৰহণৰ সুবিধা দি নগাঁও জিলাৰ বৃহত্তৰ অঞ্চলত এক সামাজিক পৰিৱৰ্তন সাধিত কৰিছিল। দ্বিতীয়তে এই মহাবিদ্যালয়খনত নগাঁও জিলাৰ ভিতৰতে পোন প্ৰথমে অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান আৰু ইতিহাস বিষয়ত অনাৰ্চ প্ৰৱৰ্তন কৰা হৈছিল ষাঠীৰ দশকৰ শেষৰ ফালে। তৃতীয়তে নগাঁও জিলাৰ ভিতৰত দ্বিতীয় বিজ্ঞান শাখা থকা মহাবিদ্যালয় হিচাপে এইখনে বিজ্ঞান শিক্ষা বিস্তাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। মহাবিদ্যালয়খনৰ পৰৱৰ্তী বিকাশৰ আৰু গুণোৎকৰ্ষৰ ইতিহাস প্ৰস্তুত গ্ৰন্থৰে বিধৃত হৈছে।

তথ্যবস্তুৰ সংগ্ৰহ সংৰক্ষণৰ প্ৰতি অনীহা অসমীয়া মানুহৰ এক বিশেষ চৰিত্ৰ। সেয়ে আমাৰ আনকি বিদ্যায়তনিক প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো History সলনি Storyৰ আধিপত্য। ভাগ্য ভাল, বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্বতন্ত্ৰ প্ৰতিষ্ঠান 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ' (NAAC - National Assessment and Accreditation Council)ৰ সন্মুখীন হ'বলগীয়া হোৱাত কলেজ-বিশ্ববিদ্যালয়সমূহে সংশ্লিষ্ট নথি-পত্ৰ সংগ্ৰহ কৰি সংৰক্ষণ কৰিবলৈ বাধ্য হ'ল। এই বাধ্যবাধকতাক ইতিবাচক দিশত গ্ৰহণ কৰি মহাবিদ্যালয়খনৰ আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰই ২০১৩ চনত মহাবিদ্যালয়ৰ ইতিহাস এখন প্ৰস্তুত কৰাৰ প্ৰস্তাৱ লয়। অধ্যক্ষ ড° ছৰিফউদ্দিন আহমেদদেৱৰ উদ্যমী প্ৰচেষ্টাত ইতিহাস সংকলনৰ প্ৰস্তাৱটোত পৰিচালনা সমিতিয়ে সন্মতি জনায় আৰু তাৰ বাবে আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰৰ কাৰ্যনিৰ্বাহকৰ সভাত এখন সম্পাদনা সমিতি গঠন কৰি দিয়া হয়। সেইমৰ্মেই সম্পাদনা সমিতিয়ে এখন প্ৰাথমিক খচৰা প্ৰস্তুত কৰি কামত আগবাঢ়ে। কিন্তু বাস্তৱত দেখা গ'ল এখন পূৰ্ণাঙ্গ ইতিহাস প্ৰণয়নৰ বাবে প্ৰয়োজনীয় তথ্যপাতি সংগ্ৰহ আৰু প্ৰণালীবদ্ধ বিন্যাসৰ বেলিকা নানা আহে-আহুকালে দেখা দিলে। সম্পাদনা সমিতিয়ে সম্পাদক-সদস্যসকলেও নিজৰ নিয়মীয়া কৰ্তব্য পালন কৰি উঠি ইতিহাসৰ তথ্য বিচৰা কামটো কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ল। অৱশেষত, এখন পূৰ্ণাঙ্গ ইতিহাসৰ সলনি বৰ্তমান ৰূপতে এখন ইতিহাসধৰ্মী গ্ৰন্থ প্ৰণয়নৰ বাবে অধ্যয়ন চক্ৰই সিদ্ধান্ত কৰে।

ইতিমধ্যে, আমাৰ আৰু অন্যতম সম্পাদক হবিব উল্লাহদেৱৰ অৱসৰপ্ৰাপ্তি ঘটে। স্বাভাৱিকতেই ই গ্ৰন্থখনৰ অগ্ৰগতিত কিছু অসুবিধাৰ সৃষ্টি কৰে। তৎসত্ত্বেও অধ্যয়ন চক্ৰৰ প্ৰযত্ন, অধ্যক্ষ মহোদয়ৰ আগ্ৰহ আৰু তৎপৰতা আৰু সম্পাদনা সমিতিৰ প্ৰচেষ্টাই গ্ৰন্থখনৰ প্ৰকাশ সম্ভৱ কৰি তোলে।

কৃতজ্ঞতা ঃ জয়জয়তে উক্ত গ্ৰন্থখনৰ প্ৰধান সম্পাদক হিচাপে আমাৰ ওপৰত দায়িত্ব ন্যস্ত কৰা কথাত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত ঋণী হৈ ৰ'লোঁ। সম্পাদনা সমিতিৰ সভাপতি, উপদেষ্টা, দিহা-পৰামৰ্শ আমাৰ পাথেয় হোৱাত কৃতজ্ঞতা জনালোঁ। সম্পাদক আৰু সদস্যসকলে নিৰন্তৰভাৱে লাগি থাকি গ্ৰন্থখনৰ প্ৰকাশ সম্ভৱ কৰি তোলাৰ বাবে তেওঁলোকৰ শলাগ ল'লোঁ। আমাৰ শাৰীৰিক সীমাবদ্ধতাক সহানুভূতিৰে চোৱা বাবে সংশ্লিষ্ট সকলোৰে ওচৰত আমাৰ কৃতজ্ঞতা নিৱেদন কৰিলোঁ।

গ্ৰন্থখনিত আমাৰ অনিচ্ছাকৃতভাৱে অজ্ঞাতভাৱে কিছু ত্ৰুটি ৰৈ যোৱাটো স্বাভাৱিক।

কৈলাস দাস

# ঢেকিয়াল ফুকন কলেজ

**যজ্ঞেশ্বৰ শৰ্মা**

তিনিকুৰি দহ বছৰতো মন যায়, সঁচাকৈয়ে কওঁ,
লৰাহঁতৰ লগত বেঞ্চিত বহি আকৌ যেন
কলেজৰ ক্লাছ কৰোঁ।
পঢ়িলে, কোনটো কলেজত?
ঢেকিয়াল ফুকন কলেজতেই নিশ্চয়।
কলঙৰ পাৰৰ ফুকনৰ মৰিশালিৰ এঙ্গাৰ
এটুকুৰাও নাই এতিয়া।
নগৰৰ সাত-ঘোঁকোটত শুকদেউ গোসাঁয়ে এই কলেজখন পাতিলে।
আধুনিক অসমৰ জাতীয় আদৰ্শৰ বাণী উচ্চাৰণ কৰোঁতা
আনন্দৰামৰ পবিত্ৰ সোঁৱৰণী এই কজেখনতহে
অকণমান ৰৈ আছে।
ইয়াৰ বেৰে-চালে, বাহিৰে-ভিতৰে, গছে-জেওৰাই
এটা নৈতিক সপোন বিয়পি আছে।
ইয়াত দুৰ্নীতি আৰু দেশ-দ্ৰোহিতাৰ ঠাই নাই। হ'ব নোৱাৰে।
ইয়াৰ বায়ু এফেৰা পূৰক-কুম্ভকেৰে ভিতৰলৈ সুমাই নিয়া।
তোমালোকৰ বুকুত এই সপোন সোমাবলৈ দিয়া;
তোমালোকৰ লগত মোকো ঠাই দিয়া,
ময়ো উশাহ লওঁ।

**(এই কবিতাটি ১৯৮০চনত প্ৰকাশিত শুকদেৱ গোস্বামী স্মৃতিগ্ৰন্থৰপৰা উদ্ধৃত।)**

# আনন্দৰাম ঢেকিয়াল ফুকন

ড° মিলন নেওগ

ঊনবিংশ শতিকাৰ অসমত প্ৰথমজন দেশীয় 'আধুনিক মানুহ'ৰূপে আনন্দৰাম ঢেকিয়াল ফুকনৰ বিকাশ এটা বৰ গুৰুত্বপূৰ্ণ ঘটনা। মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণে বিধ্বস্ত কৰি পেলোৱা আহোম সামন্ততান্ত্ৰিক ঐতিহ্যৰ কোলাতেই আনন্দৰামৰো জন্ম। আনন্দৰামৰ ককাক পৰশুৰাম ২৪০ খন বাণিজ্য নাও, বহু বিষয়া, নিজা সৈন্য আৰু চাকৰ-বাকৰেৰে এজন সম্ভ্ৰান্ত আৰু ক্ষমতাশালী ব্যক্তি আছিল। এই পৰশুৰামক লগ পাবলৈ ডেভিদ স্কট চাহাবে সাতদিন অপেক্ষা কৰিব লাগিছিল। পৰশুৰামৰ পুত্ৰ হলিৰাম আৰু যজ্ঞৰামক চন্দ্ৰকান্ত সিংহই ক্ৰমে ঢেকিয়াল ফুকন আৰু খাৰঘৰীয়া ফুকন উপাধি দিছিল। অৰ্থাৎ আনন্দৰামৰ উপৰিপুৰুষে আহোম ৰাজতন্ত্ৰৰ প্ৰশাসনিক কামত দক্ষতাৰে সেৱা আগবঢ়াইছিল। আলহীৰূপে আহি গৃহস্থ হৈ পৰা ব্ৰিটিছ শক্তিয়ে সেয়ে অভিজ্ঞতাপুষ্ট হলিৰাম-যজ্ঞৰামক 'পৰম বন্ধু'ৰূপে পাবলৈ বিচৰাটোৱেই স্বাভাৱিক; আৰু সেয়ে ঔপনিৱেশিক চতুৰতাৰে ডেভিদ স্কটে পৰশুৰামক লগ পাবলৈ সাতদিন অপেক্ষা কৰিবলৈ ভেম ধৰা নাছিল। ব্ৰিটিছে হলিৰামক প্ৰথমে দৰং আৰু নগাঁৱৰ ভূমি বন্দোৱস্তীকৰণৰ দায়িত্ব দি ক্ৰমে নামনি অসমৰ চিৰস্তাদাৰ আৰু শেষত মাহিলী ২৩০ টকা দৰমহাত এছিছটেণ্ট মেজিষ্ট্ৰেট পাতিছিল। (এইখিনিতে মনত ৰাখিব লাগিব, আহোম প্ৰশাসনতন্ত্ৰৰ আন এজন বুদ্ধিমান দক্ষ বিষয়া মণিৰাম দেৱানো ব্ৰিটিছ গোঁজডালৰ গজালি মেলা কালডোখৰৰ বৰ দৰকাৰী বন্ধু আছিল। কিন্তু চিৰদিন ব্ৰিটিছ পুঁজিৰ বাবে কাম নকৰি নিজাকৈ পুঁজি গঠনৰ প্ৰচেষ্টা কৰা বাবেই মণিৰামক হত্যা কৰা হ'ল। এই ঘটনাই অৱশ্যে তেতিয়া এটিও অসমীয়া প্ৰাণীৰ নোম এডালতো কঁপনি

নুতুলিলে। কাৰণ, স্বাভাৱিকভাৱেই ব্ৰিটিছৰ সুস্থিৰ শাসনত ৰাইজ আস্বস্ত হৈছিল।) ব্ৰিটিছ চৰকাৰৰ বিষয়া হলিৰামে প্ৰশাসনিক কামত দক্ষতাৰে আত্মনিয়োগ কৰাৰ সমান্তৰালভাৱে বাংলা ভাষাত 'আসাম বুৰঞ্জী' আৰু সংস্কৃত ভাষাত 'কামৰূপ যাত্ৰা পদ্ধতি' ৰচনা কৰিছিল; তেতিয়াই 'বংগদূত', 'সমাচাৰ দৰ্পণ' আৰু 'সমাচাৰ চণ্ডিকা' বাংলা কাকতৰ গ্ৰাহক হৈছিল; সতীদাহ প্ৰথাৰ বিৰোধিতা আৰু স্ত্ৰী-শিক্ষাৰ পোষকতা কৰি বাংলা কাকতত চিঠি লিখিছিল। আনন্দৰামৰ খুড়াক যজ্ঞৰামে পঢ়িছিল ৰামমোহন ৰায়ৰ ইংৰাজী স্কুলত। তেওঁ গুৱাহাটীত ইংৰাজী স্কুল পাতিবলৈ ১০০০.০০ টকা দান দিছিল। মুকলিকৈ মদ খাই এই যজ্ঞৰামেই নৈষ্ঠিক ব্ৰাহ্মণ শ্ৰেণীৰ মূৰৰ কামুৰণি হৈ পৰিছিল। আনন্দৰাম আছিল এইসকল উপৰিপুৰুষৰ সামাজিক-আৰ্থিক-বৌদ্ধিক উত্তৰাধিকাৰী। মন কৰিবলগীয়া, হলিৰাম ঢেকিয়াল ফুকন দেশীয় সামাজিক পৰম্পৰাৰ অনুগামী হোৱাৰ বিপৰীতে যজ্ঞৰাম খাৰঘৰীয়া ফুকন আছিল ওলোটা প্ৰকৃতিৰ। তথাপি ব্ৰিটিছ শাসনে দিয়া নতুন ব্যৱস্থাৰ সুফলবোৰৰ প্ৰতি দুয়োজনেই সজাগ আছিল। ব্ৰিটিছ শাসনযন্ত্ৰৰ ভিতৰপকীয়া মানুহ হিচাপে হলিৰামে পুতেক আনন্দৰামৰ বাবে শাসকপক্ষৰ সহযোগিতাৰ বাট উলিয়াব পাৰিছিল। সেয়ে আনন্দৰামে কেপ্টেইন জেমছ মেথি আৰু জেনকিন্সৰ দৰে উচ্চ পদস্থ বিষয়াৰ সহযোগত সুচলতাৰে ওপৰৰ স্তৰলৈ ইংৰাজী শিক্ষা ল'ব পাৰিলে। কলিকতা হিন্দু কলেজৰপৰা ঘূৰি আহিও মেথিৰ জৰিয়তে ৰেভাৰেণ্ট ব্ৰেগুৰ ওচৰত ইংৰাজী শিকে, আইন-ন্যায়িক ব্যৱস্থাৰ শিক্ষা লৈ জেনকিন্স আৰু মেথিৰ সহযোগতে গুৱাহাটী ক'ৰ্টত প্ৰশিক্ষণৰ সুযোগ পায়। কলিকতাত থাকোঁতে আনন্দৰামে বংগীয় নৱজাগৰণক গভীৰভাৱে নিৰীক্ষণ কৰিছিল। তেওঁ ব্ৰাহ্ম সমাজৰ উপাসনা চাবলৈ গৈছিল, বেথুন সভাত যোগ দিছিল আৰু দেবেন্দ্ৰ নাথ ঠাকুৰ, প্যাৰিচাঁদ মিত্ৰ, মতিলাল শীল আদি সেই সময়ৰ শিৰফুটা ব্যক্তিৰ স্নেহভাজন হৈছিল।

ওপৰৰ আলোচনাৰ পৰা এটা কথাই প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছে যে উত্তৰাধিকাৰ ৰূপে পোৱা সমল আৰু সুবিধাক কলিকতা-অভিজ্ঞতা, ইংৰাজ বিষয়াৰ গভীৰ সান্নিধ্য আৰু নিজৰ অনলস অধ্যয়ন সাধনাই আনন্দৰামৰ মানসিকতা গঠন কৰিছিল। স্বাভাৱিকতে আনন্দৰামৰ মানসিকতাত গঢ় লৈ উঠা আধুনিকতাৰ আদৰ্শ (model) ৰূপে প্ৰতিভাত হৈছিল একোজন ব্ৰিটিছ Gentleman আৰু পশ্চিমীয়া সভ্যতা। এই আধুনিকতাৰ আদৰ্শৰ বাবেই আনন্দৰামে মণিৰাম দেৱানৰ পশ্চাৎমুখী চিন্তাধাৰা সমৰ্থন কৰিব পৰা নাছিল। এই সন্দৰ্ভত প্ৰভাত বৰাৰ এটা মন্তব্য উদ্ধৃত কৰিব পাৰি— 'ব্ৰিটিছৰ পৰা মণিৰামে পুঁজিবাদৰ শিক্ষা গ্ৰহণ কৰি তাকেই ব্ৰিটিছৰ বিৰুদ্ধে ব্যৱহাৰ কৰি সামন্তবাদক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল কাৰণেই এই বিচক্ষণ

মানুহজন আমাৰ ইতিহাসৰ এজন ট্ৰেজিক নায়কত পৰিণত হৈছিল। বিপৰীতে আনন্দৰাম ঢেকিয়াল ফুকনে ব্ৰিটিছ্ শাসন কিছুদিন কায়েম হৈ থকাটো ঐতিহাসিক প্ৰয়োজন বুলি বুজি পাইছিল। কাৰণ ইয়াৰ অবিহনে সামন্তযুগৰপৰা আমাৰ আধুনিক যুগলৈ উত্তৰণ ঘটিবলৈ আমি আৰু অধিককাল অপেক্ষা কৰিবলগীয়া হ'লহেঁতেন।'

হীৰেন গঁগেয়েও কৈছে— 'কিন্তু ঊনবিংশ শতিকাটো আছিল অসমীয়া মধ্যশ্ৰেণীৰ উত্থানৰ যুগ আৰু ইংৰাজ প্ৰশাসনৰ অনুগ্ৰহ বা সহযোগিতাৰ মাজতেই সেই শ্ৰেণীৰ বিকাশৰ সম্ভাৱনাবোৰ লুকাই আছিল। ব্ৰিটিছ্ শাসকসকলৰ লগত অসমীয়া মধ্য শ্ৰেণীটোৰ দ্বন্দ্ব যে নাছিল তেনে নহয়, কিন্তু সেই দ্বন্দ্বৰ চৰিত্ৰ আছিল অশত্ৰুতামূলক (Non-antagonistic) আৰু পাৰস্পৰিক সহযোগিতাৰ মাজেদিয়েই সেই দ্বন্দ্ববোৰৰ সমাধান সম্ভৱ আছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ চিন্তাধাৰা আৰু কৰ্মৰাজিৰ মাজতেই অসমীয়া শিক্ষিত মধ্যশ্ৰেণীৰ চিন্তাদৰ্শ আৰু আশা-আকাংক্ষাৰ সঠিক আৰু নিভাঁজ প্ৰতিফলন ঘটিছিল।'

আনন্দৰামৰ তেনেই চুটি জীৱনটোত যিকেইটা কথা সবাতোকৈ মন কৰিবলগীয়া, সেইকেইটা হ'ল— কৰ্তব্যনিষ্ঠা, সময়নিষ্ঠা আৰু শ্ৰমশীলতা। আমাৰ ধাৰণা, আনন্দৰামৰ দেশাত্মবোধ প্ৰকাশক কামবোৰ মূলতঃ কৰ্তব্যনিষ্ঠাৰ প্ৰকাশকহে। প্ৰশাসনিক বিষয়াৰূপে আনন্দৰামে সেই সুযোগ লাভ কৰিছিল আৰু শিক্ষিত চিন্তাশীল ব্যক্তি হিচাপে কোনবোৰ কাম প্ৰাধান্য দি কৰা উচিত, এই ঔচিত্য বিচাৰত কাম কৰাৰ উদ্যম আনন্দৰামৰ মানসিকতাৰ এক তাৎপৰ্যপূৰ্ণ দিশ।

আনন্দৰামে ১৮৪৭ চনত নলবাৰীৰ খঁটা পৰগণাত জিম্মাদাৰৰূপে কৰ্মজীৱন আৰম্ভ কৰে। কিন্তু তেওঁ জমিদাৰী কাম ভাল পোৱা নাছিল বাবে সোনকালে সেই দায়িত্ব এৰি দিয়ে। পৰৱৰ্তী সময়ত (১৮৫৩ চনত) মোফাট মিলচ্‌ক দাখিল কৰা 'Observation on the Administration of the province of Assam-অত জমিদাৰী প্ৰথাৰ সুফল-কুফল বিশ্লেষণ কৰি পুৰণি ৰায়তোৱাৰী প্ৰথাৰ পোষকতা কৰিছে। ইয়াতে তেওঁ আধুনিক কৃষি পদ্ধতি প্ৰয়োগৰ পোষকতা কৰিছে। আনন্দৰামে নিশ্চয় ইউৰোপত কৃষিক্ষেত্ৰই কিদৰে গুৰুত্ব পাইছিল তাৰ খবৰ ৰাখিছিল। দক্ষ শ্ৰমিক আমদানি, উপযুক্ত জলসিঞ্চন, নলা-নৰ্দমাৰ ব্যৱস্থা আদিৰে কৃষিখণ্ডক সভ্যতাৰ এক অন্যতম আহিলাৰূপে গঢ়াৰ পোষকতা কৰিছিল বাবেই জমিদাৰী প্ৰথাৰ বিৰোধিতা কৰিছিল। কৃষিক পৰম্পৰাগত ধাৰণাৰপৰা আঁতৰাই আধুনিক চিন্তাৰে বাণিজ্যৰ লগতো কৃষিৰ সম্পৰ্ক মনত ৰাখিছিল। 'কৃষি কৰ্ম নেবাঢ়িলে বাণিজ্যও নেবাঢ়ে।' শীৰ্ষক টোকাটোত আনন্দৰামে উদ্যোগ স্থাপনৰ লগতে কাৰিকৰী স্কুল প্ৰতিষ্ঠা কৰাৰ কথাও

কৈছিল। স্বাভাৱিকতে মিল্‌চে কৃষি-উদ্যোগত আনন্দৰামে ইমান 'আধুনিক' চিন্তা কৰাটো ভাল পোৱা নাছিল। ব্ৰিটিছে আনন্দৰাম ব্ৰিটিছ প্ৰশাসন তথা শোষণযন্ত্ৰৰ লগৰীয়া হোৱাটোৱে বিচাৰিছিল। কিন্তু আনন্দৰামে নিষ্ঠাৰে এজন প্ৰশাসনিক বিষয়াৰ দায়িত্ব পালন কৰিছিল। আধুনিক শিক্ষা আৰু মননে আনন্দৰামক প্ৰশাসনিক বিষয়াৰূপে প্ৰজাৰ উন্নয়নৰ বাবে কাম কৰিবলৈ উৎসাহিত কৰিছিল। গতিকে কোনবোৰ কামে তেওঁৰ অধীনস্থ ৰাইজৰ জীৱন নিৰ্বাহত সকাহ দিব পাৰে, সেইবোৰ কাম কৰিবলৈ তেওঁৰ কৰ্তব্যনিষ্ঠাই উচটাইছিল। ইয়াত প্ৰবল দেশাত্মবোধৰ ৰহণ নালাগে।

ত্ৰিশ বছৰ অনুৰ্ধৰ এজন মানুহৰ সমাজ পৰ্যবেক্ষণ প্ৰচলিত ব্যৱস্থাৰ ইমান সৰ্বাত্মক বিশ্লেষণ উপৰিউক্ত টোকাটোত যিদৰে প্ৰকাশ পাইছে, সেয়া তৎকালীন সময়ৰ প্ৰেক্ষাপটত অত্যন্ত প্ৰেৰণাদায়ক। ব্ৰিটিছে যিবোৰ জনহিতকৰ কাম নিজৰ লুণ্ঠনৰ স্বাৰ্থত কৰিছিল, আনন্দৰামে তেনে বহু কৰণীয় কাম আঙুলিয়াই দিছিল এজন দায়িত্বপূৰ্ণ নিষ্ঠাবান বিষয়া হিচাপে। তেওঁ অসমৰ সকলোবোৰ গুৰুত্বপূৰ্ণ অংশ সামৰি দুটা বা তিনিটা ঘাইপথ নিৰ্মাণৰ প্ৰস্তাৱ দিছিল; কানিৰ কবলৰপৰা ৰাইজক উদ্ধাৰৰ ব্যৱস্থা ল'বলৈ আৱেদন জনাইছিল, ইউৰোপীয় চিকিৎসা বিজ্ঞানৰ আধাৰত মেডিকেল স্কুল প্ৰতিষ্ঠাৰ প্ৰস্তাৱ দিছিল। ন্যায়িক ব্যৱস্থাৰ দুৰ্নীতি আৰু অসম্পূৰ্ণতা সাহসেৰে দাঙি ধৰিছিল। চলিত ন্যায় ব্যৱস্থাটো সম্পৰ্কে কৈছিল— nothing but a vaxatious and harassing course of procedure extending over on unlimited length of time.

অসমীয়া ভাষা পুনৰ্প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আনন্দৰামৰ ভূমিকা যিমান বলিষ্ঠ সিমান মহত্বপূৰ্ণ। কিন্তু এইক্ষেত্ৰতো আনন্দৰামৰ মানসিকতাত 'ভাষিক জাতীয়তাবোধ'ৰ প্ৰেৰণাক জোৰ কৰি স্থাপন কৰাটো যুক্তিপূৰ্ণ নহয়। কাৰণ, সেই সময়ত অসমীয়া ভাষাকেন্দ্ৰিক জাতীয়তাবোধ এটা অবান্তৰ কথা। অসমীয়া ভাষা চহা মানুহৰ কথ্য ভাষাহে; 'সভ্য' লোকৰ মাত নহয়—। হেমচন্দ্ৰ বৰুৱাই স্বয়ং কৈছিল— 'অসমীয়া ভাষাক সকলোৱে ঘিনাইছিল। সকলোৱে ৰঙ্গিনী বঙ্গীয়াক সঙ্গিনী কৰি লৈছিল। ময়ো সেই নিয়মৰ বাজ নাছিলো।' হলিৰামেও 'আসাম বুৰঞ্জী' ৰচনা কৰিছিল বাংলা ভাষাত। আনন্দৰামৰ যুক্তিনিষ্ঠ নিৰপেক্ষ বিচাৰ-চিন্তাই অসমীয়া ভাষাৰ পুনৰ্প্ৰতিষ্ঠাৰ হকে সবলভাৱে ওকালতি কৰিবলৈ উৎসাহিত কৰিছিল। প্ৰথম কথা অসমীয়া ভাষা বাংলা ভাষাৰ অপভ্ৰংশ বোলা ব্ৰিটিছ myth টো অনৈতিহাসিক — এই অসত্য কথা নীতিনিষ্ঠ এজন দায়িত্বশীল ব্যক্তিৰূপে আনন্দৰামৰ বাবে অসহ্যকৰ। দ্বিতীয়তে, অসমত অসমীয়াৰ সলনি বাংলা ভাষাত শিক্ষা আৰু কাছাৰী চলোৱাটো চৰকাৰী নীতিৰে পৰিপন্থী। Act XXIX of 1837 অনুসৰি the vernacular language of

a district was directed to be used in the courts. তৃতীয়তে প্ৰাথমিক বিদ্যালয়ত মাতৃভাষা মাধ্যমত শিক্ষাৰ গুৰুত্ব সম্পৰ্কে আনন্দৰামৰ অধ্যয়নলব্ধ আধুনিক চেতনা। তেওঁ A few Remarks on the Assamese Language and on Vernacular Education in Assam শীৰ্ষক টোকাটোত স্পষ্টভাৱে কৈছে যে অসমৰ প্ৰাথমিক শিক্ষাত বাংলা কিতাপ চলোৱাটো গ্ৰেট ব্ৰিটেইনৰ প্ৰাথমিক বিদ্যালয়ত লেটিন বা ফৰাছী চলোৱাৰ দৰে কথা। (দুৰ্ভাগ্যৰ কথা, আনন্দৰামৰপৰা আজি ডেৰশ বছৰৰো অধিক কাল পিছত আমি আমাৰ সন্তানক মাতৃভাষাত প্ৰাথমিক শিক্ষা লোৱাৰপৰা বঞ্চিত কৰি আছোঁ- ইংৰাজী মাধ্যমৰ পোষকতা কৰি)। তেওঁ তথ্য-যুক্তিৰে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিপন্ন কৰিবলৈ 'কবিতা ৰত্নাকৰ'ৰ এটা অংশ অসমীয়া আৰু বাংলালৈ অনুবাদ কৰি পাৰ্থক্যবোৰ স্পষ্ট কৰিছে আৰু মিলবোৰৰ কাৰণ ব্যাখ্যা কৰিছে। একেদৰে হিন্দী, বাংলা আৰু অসমীয়াৰ একোটা অংশৰ উদাহৰণ দি দেখুৱাইছে যে ইয়াৰ প্ৰায় আধা শব্দ তিনিওটা ভাষাতে একে; বাকী অংশতো গভীৰ মিল আছে। ইয়াৰ কাৰণ, সংস্কৃত মূল। তেতিয়াহ'লে হিন্দীকো বাংলাৰে সৈতে একে বুলিম নে? সম্ভৱতঃ এয়াই অসমীয়াত তুলনামূলক ভাষাতত্ত্বৰ আৰম্ভণি। এই প্ৰসঙ্গতে আনন্দৰামে গধুৰ চৰকাৰী দায়িত্বৰ মাজতো প্ৰাচীন অসমীয়া পুথি সংগ্ৰহ কৰি বুৰঞ্জী, ভেষজ, গণিত, ভূগোল, অভিধান, আইন আদি বেলেগ বেলেগ শিতানত এখন গ্ৰন্থপঞ্জী সময়ানুসৰি সজাই তুলিলে। এইখনে অসমীয়া ভাষাৰ ঐতিহ্য আৰু সাহিত্যৰ ধাৰাবাহিকতা নিৰহ-নিপানীকৈ দাঙি ধৰিলে। ইয়াৰ সমান্তৰালভাৱে অৰুনোদই গোষ্ঠীৰ মিছনেৰীসকলক এই কাৰ্যত আনন্দৰামে দেহে-কেহে সহায় কৰিছিল। মন কৰিবলগীয়া, উচ্চস্তৰৰ শিক্ষাত কিন্তু আনন্দৰামে বাংলা বা ইংৰাজী মাধ্যমৰ বিৰোধিতা কৰা নাই। ভাৰতীয় ঐতিহ্যৰ পাৰমাৰ্থিক চিন্তাৰ ঠাইত আনন্দৰামে ইংৰাজী শিক্ষাই দিয়া ঐহিক সমৃদ্ধিত যি সাৰ্বিক গুৰুত্ব দিলে ইয়েই আধুনিক মনৰ মূল কথা। আনহাতে, গোষ্ঠীবদ্ধ জীৱন চেতনাৰ ঠাইত ব্যক্তি স্বাতন্ত্ৰ্যৰ জয়গান, ব্যক্তিগত উন্নতিৰ বাবে কৃচ্ছ্ৰ সাধনাক সভ্যতাৰ আধাৰ ৰূপে প্ৰতিষ্ঠা আনন্দৰামৰ আধুনিক চিন্তাৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ। 'অসমীয়া ল'ৰাৰ মিত্ৰ' গ্ৰন্থত ব্যক্তিগত উদ্যম, কৰ্তব্যনিষ্ঠা, শ্ৰমৰ ওপৰত গুৰুত্ব, কৃষি আৰু বাণিজ্যৰ প্ৰতি উৎসাহ সৰ্বোতোপৰি ভূগোল, বুৰঞ্জী, প্ৰাকৃতিক বিজ্ঞান, দৰ্শন, নৃতত্ত্ব আদি জ্ঞান-বিজ্ঞানৰ সকলো শাখাৰ প্ৰতি উন্মুখতাক আনন্দৰামে সভ্যতাৰ (হে ক্ৰিপাময় জগদীশ্বৰ... সভ্য কৰি তোলা) আধাৰৰূপে দাঙি ধৰিছে। ধৰ্মীয় পাৰলৌকিক চিন্তাৰ শিক্ষা, কানিৰ সৰ্বনাশী প্ৰভাৱ আৰু শ্ৰমবিমুখ অসমৰ প্ৰজাক আধুনিকতাৰ মন্ত্ৰেৰে জগাই তোলাৰ এই আগ্ৰহ আৰু সদিচ্ছাৰ বাবেই আনন্দৰামে ঊৰ্ধ্বতম

কৰ্তৃপক্ষক কৃষিৰ আধুনিকীকৰণ, উদ্যোগ স্থাপন, কাৰিকৰী স্কুল স্থাপন আৰু ইংৰাজী শিক্ষাৰ পোষকতা কৰি আবেদন কৰিছিল। এই সদিচ্ছাৰ বাবেই সঠিক শিক্ষাৰ বাবে প্ৰাথমিক বিদ্যালয়ত অসমীয়া মাধ্যম প্ৰতিষ্ঠাত তেওঁৰ সবল ভূমিকা। গ্ৰন্থখনৰ নামটোৱে (অসমীয়া ল'ৰাৰ মিত্ৰ) ইংগিত দিয়ে আনন্দৰামে অসমৰ নতুন প্ৰজন্মৰ জৰিয়তেই অদূৰ ভৱিষ্যতে ইউৰোপৰ দৰে অসমীয়া মানুহ সভ্য হোৱাৰ আশা কৰিছিল। বৰ্তমানেই ভৱিষ্যতৰ ভেটি। ভৱিষ্যতৰ ভেটি বান্ধিবলৈ তেওঁ নিজে তেনেই কম সময়তে যিখিনি কৰি গ'ল সেয়া অবিস্মৰণীয়।

এয়া সম্ভৱ, মূলত পূৰ্বতে উনুকিয়াই অহা কৰ্তব্যনিষ্ঠা, সময়জ্ঞান আৰু শ্ৰমশীলতাৰ বাবে। ঐকান্তিক কৰ্তব্যবোধৰ দ্বাৰাই আনন্দৰামে নিজৰ কৰণীয়ৰ মাজত থকা ভুল-ত্ৰুটি বস্তুনিষ্ঠভাৱে বিশ্লেষণ কৰিব পাৰিছিল। বিজনীৰ জমিদাৰৰ দেৱানৰূপে ফুকনে প্ৰত্যক্ষ কৰিছিল প্ৰশাসনিক বেমেজালি। একেই কৰ্তব্যবোধে সেই বেমেজালি দূৰ কৰাত নিজৰ শ্ৰম নিয়োগত তেওঁক আগবঢ়াই দিছিল। সেয়ে তেওঁ ৰচনা কৰিলে ফুকন দেৱান কাইদাবন্দি। কলিকতাৰ সদৰ দেৱানী আৰু নিজামত আদালতৰ ১৮৫০ চনৰ জানুৱাৰী-ফেব্ৰুৱাৰী মাহৰ ৰায়সমূহ আনন্দৰামে বাংলালৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল। ইয়াৰ আগলৈকে কোনো বঙালী ভদ্ৰলোকে এই কামটো কৰণীয় বুলি ভাবিব পৰা নাছিল। আনন্দৰামে কৰাৰ পিছত ই এটা অত্যন্ত দৰকাৰী কাম ৰূপে বিবেচিত হ'ল। কম বয়সতে বিস্তৰ প্ৰশাসনিক অভিজ্ঞতাই আনন্দৰামক সমাজ জীৱনৰ প্ৰয়োজন সম্পৰ্কে এক অনন্য বোধ দান কৰিছিল। তেওঁ এখন 'অসম বুৰঞ্জী' লিখাৰো পৰিকল্পনা কৰিছিল, কিন্তু সম্ভৱ নহ'লগৈ।

**নগাঁৱত আনন্দৰাম ঃ** ১১ নৱেম্বৰ ১৮৫০ চনত ২১ বছৰীয়া আনন্দৰামে নগাঁৱৰ তৎকালীন Sub Assistant Commissioner D.K. Strong চাহাবৰ সাময়িক ছুটীত নগাঁৱত একে পদত নিয়োজিত হয়। কেৱল অসমতে নহয়, সমগ্ৰ ভাৰততে তেতিয়া কোনো দেশীয় লোক এনে উচ্চ পদত অধিষ্ঠিত হোৱা নাছিল। ফেব্ৰুৱাৰী ১৮৫১ চনলৈ নগাঁৱত Acting Sub Assistant Commissioner ৰূপে কাৰ্যনিৰ্বাহ কৰাৰ পাছত আনন্দৰামে কিছুদিন একে পদত গোৱালপাৰাত কাৰ্যনিৰ্বাহ কৰে আৰু ৯ অক্টোবৰ ১৮৫২ চনত বৰপেটাত Sub Assistant Commissioner হৈ যায়। এই সময়ত—

'The salary of a Sub-Assistant at that time was Rs. 350, but Dhekial Phookan was given Rs. 250. Perhaps for being an Indian by birth. Dhekial Phookan was not given the same salary as the European. (N. Talukder / 141)

১৯ জুন, ১৮৫৩ চনত তেওঁক নগাঁৱলৈ বদলি কৰা হয়। নগাঁৱত তেওঁ কেবাবাৰো সাময়িকভাৱে Principal Assistant Commissioner অৰ্থাৎ উপায়ুক্ত ৰূপে জিলাখনৰ প্ৰধান বিষয়াৰ দায়িত্ব ল'বলগীয়া হৈছিল। ১৮৫৪ চনৰ ১১ এপ্ৰিলৰপৰা ৩০ এপ্ৰিললৈ বাটলাৰ চাহাব গুৱাহাটীলৈ DC হৈ যাওঁতে এবাৰ আৰু ১৮৫৫ চনত বাটলাৰ চাহাব বিলাতলৈ যাওঁতে এবাৰ এই গুৰু দায়িত্ব পালন কৰিবলগীয়া হৈছিল। এই সময়খিনিত আনন্দৰামে চম্ভালিবলগীয়া কামৰ এক চমু খতিয়ান যোগেন্দ্ৰ নাৰায়ণ ভূঞাই 'ঊনবিংশ শতিকাৰ অসম সংবাদ' গ্ৰন্থত সুন্দৰকৈ দাঙি ধৰিছে।

নগাঁৱত থকা কালচোৱাত প্ৰশাসনিক কাম-কাজত আনন্দৰামে অসামান্য দক্ষতা প্ৰদৰ্শন কৰাৰ কথা ব্ৰিটিছ বিষয়াই অকপটে স্বীকাৰ কৰি গৈছে। এজন উচ্চ পদস্থ চৰকাৰী বিষয়া হৈ চৰকাৰী প্ৰশাসনিক নীতিৰ আওতাৰ মাজতো আনন্দৰামে কৰা জনহিতকৰ কাম, দেশ আৰু মাতৃভাষাৰ হকে লোৱা অৰ্থপূৰ্ণ পদক্ষেপৰ কথা যোগেন্দ্ৰ নাৰায়ণ ভূঞা, নন্দ তালুকদাৰ, হেৰম্বকান্ত বৰপূজাৰী আদি বিদ্বানে বহলাই আলোচনা কৰিছে। ১৮৫৪ চনত নগাঁও জিলাৰ জনসংখ্যা আছিল, ২,৪৮,৯৬৫ জন। ১৮৪৭-৪৮ চনত নগাঁৱত স্কুল আছিল দুখন আৰু ১৮৫৫ চনত ই হ'লগৈ ৮৩৬ জন শিক্ষাৰ্থীৰে ১৪ খন। শিক্ষা ক্ষেত্ৰত নগাঁৱত আনন্দৰামৰ ভূমিকাৰ কথা যোগেন্দ্ৰ নাৰায়ণ ভূঞাই এনেদৰে কৈছে— 'জিলাখনৰ শিক্ষাৰ এই আদি পৰ্বটোৰ শেহৰ অধ্যায়টো নগাঁৱৰ প্ৰধান বিষয়া মেজৰ জন বাট্‌লাৰৰ দিনতে ৰচিত হৈছিল। পিছে অধ্যায়টোৰ প্ৰকৃত ৰচক বাট্‌লাৰ নহয়। আনন্দৰাম ঢেকিয়াল ফুকনহে। ...' (উৰলি যোৱা নথিৰ পৰা/১২)। ছাব্ এছিছটেণ্ট কমিছনাৰৰ দৰে দায়িত্বপূৰ্ণ কামত থাকি আনন্দৰামে মাত্ৰ ২৯ বছৰীয়া (মতান্তৰে ৩০ বছৰীয়া) জীৱনকালত অফুৰন্ত কৰ্মশক্তি, প্ৰখৰ পৰ্যবেক্ষণ ক্ষমতা আৰু গভীৰ কৰ্তব্যনিষ্ঠাৰে যিখিনি কাম কৰি গ'ল সেয়া বিস্ময়কৰ। আধুনিক অসমৰ আধুনিকতাৰ বাটকটীয়া আনন্দৰামে কাটি যোৱা বাটেৰেই হেমচন্দ্ৰ, গুণাভিৰামে ঊনবিংশ শতিকাৰ অসম আৰু অসমীয়া সমাজত স্বাধীন চিন্তাক প্ৰসাৰিত কৰিলে। এই পৰম্পৰা আছিল বাবেহে আমি জোনাকী যুগত (বেজবৰুৱা যুগত) অসমীয়া জাতীয় চেতনাৰে সমৃদ্ধ হ'ব পাৰিলোঁ।▸▸

# উচ্চ শিক্ষা আৰু নগাঁও


## ড° ৰবী ভূঞা, ড° সবিতা দেৱী, অৰ্চনা তালুকদাৰ


"Education is the mirror of society" –Mahatma Gandhi

অসমত উচ্চ শিক্ষাৰ গতি প্ৰকৃতি সম্পৰ্কে অধ্যয়ন কৰিলে যিখন ছবি ফুটি উঠে সেই ছবিখনে অসমৰ উচ্চ শিক্ষাৰ ইতিহাসৰ চহকী আৰু সমৃদ্ধ ছবি এখন দাঙি ধৰিব নোৱাৰে। নক'লেও হ'ব শৈক্ষিক দিশত অসম এতিয়াও পিছ পৰি আছে। আজিৰ তাৰিখতো আনকি অসমৰে উচ্চ শিক্ষাৰ বাবে আগবঢ়া ছাত্ৰ-ছাত্ৰীৰ বাবে অসম পছন্দৰ শৈক্ষিকক্ষেত্ৰ হিচাপে আকৰ্ষণৰ কেন্দ্ৰ হৈ উঠিব পৰা নাই। এই যে অসমৰ শৈক্ষিক জগতখনৰ এশ এবুৰি সমস্যা এইবোৰৰ নিৰ্মোহ বিশ্লেষণতেই লুকাই আছে অসমত উচ্চ শিক্ষাৰ উত্তৰণৰ গুৰুত্বপূৰ্ণ অধ্যায়।

অসমত উচ্চ শিক্ষাৰ ইতিহাসত ১৯০১ চনত প্ৰতিষ্ঠিত কটন কলজকে প্ৰথমখন কলেজ বুলি কোৱা হয় যদিও এই কলেজখন প্ৰতিষ্ঠা হোৱাৰ বহুবছৰে আগৰে পৰা অসমত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান খুলিবলৈ যো-জা আৰম্ভ হৈছিল। গবৰ্ণৰ জেনেৰেল জেনকিন্সে বংগ চৰকাৰৰ ওচৰত অসমত এখন কলেজ খুলিবলৈ প্ৰস্তাৱ দাঙি ধৰিছিল। গবৰ্ণৰ জেনেৰেল জেনকিন্সৰ প্ৰস্তাৱমৰ্মে উইলিয়াম ৰবিনছনৰ উদ্যোগত ব্ৰিটিছ চৰকাৰে ১৮৩৪ চনত গৌহাটী ছেমিনাৰী নাম দি এখন স্কুল আৰম্ভ কৰে। এয়াই অসমৰ উচ্চ শিক্ষাৰ প্ৰথম আৰম্ভণি। এই গৌহাটী ছেমিনাৰীয়েই পিছত কটন কলেজিয়েট নাম লয়। কলিকতা বিশ্ববিদ্যালয়ৰ লগত সংলগ্ন হৈ থকা গৌহাটী ছেমিনাৰীৰ পৰীক্ষা সম্বন্ধীয় সকলো কাম চম্ভালিছিল বিশ্ববিদ্যালয়ে। পৰীক্ষাত নিম্ন মানৰ প্ৰদৰ্শন, কম সংখ্যক ছাত্ৰ-ছাত্ৰী, ব্যয়ৰ মাত্ৰা অধিক আদি কাৰণ দেখুৱাই ১৮৭৬ চনত এই fine artsৰ শ্ৰেণী তুলি দিয়া হৈছিল। অৱশ্যে এইখিনি

সময়ত অসমত কলেজ পৰ্যায়ৰ অনুষ্ঠান পাতিবলৈ অসমীয়া মানুহে আবেদন নিবেদন পৰ্যাপ্ত পৰিমাণে কৰিছিল যদিও অসমৰ কমিচনাৰ চাৰ্লচ ইলিয়ট চাহাবে অসমত কলেজ প্ৰতিষ্ঠাৰ বাবে আগ্ৰহ প্ৰকাশ কৰাৰ পৰিবৰ্তে ছাত্ৰক বৃত্তি দি উচ্চ শিক্ষাৰ বাবে কলিকতালৈ প্ৰেৰণ কৰিছিল। সেইখিনি সময়ত অৰ্থাৎ ১৮৯২ চনত অসমৰ অংগবিশেষ চিলেট জিলাৰ (আজিকালি বাংলাদেশ) সুৰমা উপত্যকাত প্ৰতিষ্ঠা হোৱা মুৰাৰী চাঁদ (Murari Chand College) কলেজখনক অসমৰ উচ্চ শিক্ষাৰ আৰম্ভণিৰ আন এক মাইলৰ খুঁটি হিচাপে গণ্য কৰিব পাৰি। প্ৰথম পৰ্যায়ত জমিদাৰী পৰিয়ালৰ প্ৰচেষ্টাত প্ৰতিষ্ঠা লাভ কৰা এই কলেজখন পিছত বৃটিছ চৰকাৰে দায়িত্ব লয়।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত বৃহত্তৰ নগাঁৱৰ অৰিহণা অনস্বীকাৰ্য। ১৯৪৪ চনৰ ৭ আগষ্ট তাৰিখে ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱালৈকে নগাঁৱত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নাছিল। স্বাধীনতাৰ পূৰ্বেই প্ৰতিষ্ঠা হোৱা নগাঁও মহাবিদ্যালয়ে হ'ল নগাঁও জিলা তথা মধ্য অসমৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। ১৯৬৪ চনত বিজ্ঞান শাখাৰো আৰম্ভ হয় নগাঁও মহাবিদ্যালয়ত। নগাঁও জিলাৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশেষ সেৱা আগবঢ়াই যোৱা জননেতা মতিৰাম বৰা, প্ৰতিষ্ঠাপক অধ্যক্ষ সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা আদিৰ নিৰলস প্ৰচেষ্টাত মাথোঁ ১৪০ জন ছাত্ৰৰে আৰম্ভ কৰা নগাঁও মহাবিদ্যালয়খন বৰ্তমান প্ৰায় তিনি হাজাৰ (৩০০০) ছাত্ৰ-ছাত্ৰী আৰু প্ৰায় এশজন (১০০) শিক্ষক-শিক্ষয়িত্ৰীৰে মধ্য অসমৰ এখনি উল্লেখনীয় মহাবিদ্যালয়। কলা, বিজ্ঞান, বাণিজ্য শাখাৰে সমৃদ্ধ মহাবিদ্যালয়খনত কেবাটাও বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ হোৱাটো মহাবিদ্যালয়খনৰ এক গৌৰৱময় অধ্যায়। নগাঁও জিলাৰ দ্বিতীয়খন মহাবিদ্যালয় লামডিং মহাবিদ্যালয় প্ৰতিষ্ঠা হয় ১৯৫৯ চনৰ ১৪ আগষ্ট তাৰিখে। ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখে পণ্ডিত শুকদেৱ গোস্বামীকে মুখ্য কৰি কেইজনমান শিক্ষানুৰাগীৰ আশাশুধীয়া প্ৰয়াসৰ ফচল হ'ল আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়। আৰম্ভণিতে নৈশ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা হোৱা আনন্দৰাম ঢেকিয়াল ফুকন বৰ্তমান কলা আৰু বিজ্ঞান শাখাৰ উপৰি ২০১৭ বৰ্ষৰ পৰা আৰম্ভ কৰা বাণিজ্য শাখাৰ এখনি পূৰ্ণাঙ্গ মহাবিদ্যালয় হিচাপে গৌৰৱময় ধৰাবাহিকতা ৰক্ষাত সফল হোৱাৰ লগতে কলা, সাহিত্য, সংস্কৃতিৰ পথাৰতো মহাবিদ্যালয়খনে এক সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। বৰ্তমান অসমীয়া হিন্দী আৰু ভেষজ বিদ্যা বিষয়ত স্নাতকোত্তৰ শ্ৰেণীৰ লগতে কেবাটাও বৃত্তিমূলক পাঠক্ৰম সুন্দৰভাৱে চলি থকাটো আনুষ্ঠানিক শিক্ষাৰ এক গৌৰৱৰ বিষয়। অসম তথা নগাঁও জিলাৰ উত্তৰণৰ বাটকটীয়া আনন্দৰাম

ঢেকিয়াল ফুকনৰ নামত উৎসৰ্গিত এই মহাবিদ্যালয়খনি বৰ্তমান প্ৰায় ২০০০ ছাত্ৰ-ছাত্ৰী আৰু প্ৰায় আশী (৮০) গৰাকী শিক্ষক, শিক্ষয়িত্ৰীৰে পৰিপূৰ্ণ।

অসমত মহিলাই প্ৰথম পৰ্যায়ত উচ্চ শিক্ষাৰ বাবে আগবাঢ়ি অহা নাছিল। সমাজৰ সংৰক্ষণশীল পৰিৱেশৰ প্ৰতি একপ্ৰকাৰ বিদ্ৰোহ আৰম্ভ কৰি সহশিক্ষাৰ দুৱাৰ মুকলি কৰি ১৯২৯ চনত কটন কলেজলৈ উচ্চ শিক্ষাৰ বাবে প্ৰথমগৰাকী নাৰী আগবাঢ়ি আহে। ১৯৩৫ চনত শ্বিলঙত প্ৰতিষ্ঠা হোৱা লেডীকিন কলেজ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ মহিলাৰ বাবে প্ৰতিষ্ঠা হোৱা প্ৰথমখন মহিলা কলেজ। ১৯৩৯ চনত গুৱাহাটীত নাৰী শিক্ষাৰ বাবে সন্দিকৈ মহিলা মহাবিদ্যালয় খোলা হয়। ১৯৩৭ চনত ৩৬ গৰাকী মহিলাই কটন কলেজত নামভৰ্তি কৰিছিল।

স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত উৎসাহ যোগাবলৈ ১৯৬২ চনৰ ১২ ছেপ্টেম্বৰ তাৰিখে পণ্ডিত মহেশচন্দ্ৰ দেৱগোস্বামীৰ সবল নেতৃত্বত আত্মপ্ৰকাশ কৰে নগাঁও ছোৱালী মহাবিদ্যালয়। প্ৰতিষ্ঠা কালৰেপৰা মহাবিদ্যালয়খনে বৃহত্তৰ নগাঁও জিলাৰ মহিলাৰ উচ্চশিক্ষাৰ ক্ষেত্ৰত এক বিশিষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰায় এহাজাৰ ছাত্ৰী আৰু ৫০ জন শিক্ষক-শিক্ষয়িত্ৰীৰে পৰিপূৰ্ণ নগাঁও ছোৱালী মহাবিদ্যালয়ৰ উত্তৰণো জিলাখনৰ শৈক্ষিক ইতিহাসত এক আদৰণীয় অধ্যায়। ১৯৬৭ চনত জননেতা হলধৰ ভূএগ্ৰা, প্ৰয়াত গোপাল বৰা, প্ৰয়াত তৰুণ ফুকন আদিৰ উদ্যোগী প্ৰয়াসত গঢ় লৈ উঠিছিল নগাঁও আইন মহাবিদ্যালয়। শিক্ষণৰ ক্ষেত্ৰত জিলাখনক আগবঢ়াই নিবলৈ ১৯৬৮ চনত নগাঁৱত স্থাপন হয় নগাঁও চৰকাৰী শিক্ষণ মহাবিদ্যালয়। প্ৰয়াত ভকতৰাম শইকীয়া, লীলাধৰ শইকীয়া, ফণী বৰা, মহেশ চন্দ্ৰ দেৱগোস্বামী, বংশী শৰ্মা, সুৰেন্দ্ৰ নাথ বৰা, মহম্মদ ইমাম ৰব্বানী, মহম্মদ ইমদাদুল হক্, প্ৰেম গোস্বামী আদি দৰদী আৰু শিক্ষানুৰাগী লোকসকলৰ প্ৰয়াসত গঢ় লৈ উঠা নগাঁও শিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল মহেশ চন্দ্ৰ দেৱগোস্বামী। ১৯৭২ চনত খাগৰিজান মহাবিদ্যালয় প্ৰতিষ্ঠা হয়। নগাঁৱৰ পুৰণি নাম খাগৰিজান নামেৰে প্ৰতিষ্ঠিত মহাবিদ্যালয়খনিয়ে নগাঁৱৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। অসমৰ শৈক্ষিক ইতিহাসৰ প্ৰথমচোৱা সময়ত কলা বিজ্ঞানৰ লগতে বাণিজ্য শিক্ষাৰ প্ৰচলন হোৱাটোও এক উল্লেখযোগ্য ঘটনা আছিল। প্ৰথমে ১৯৪৪ চনত যোৰহাটৰ জগন্নাথ বৰুৱা কলেজতে অসমৰ বাণিজ্য শিক্ষাৰ প্ৰচলন আৰম্ভ হয়। পিছত ১৯৬২ চনত গুৱাহাটীত এখন পূৰ্ণ পৰ্যায়ৰ বাণিজ্য মহাবিদ্যালয় আৰম্ভ হয়গৈ। বাণিজ্যৰ দিশত আগবঢ়া চহৰ নগাঁৱত ১৯৮৪ চনলৈ বাণিজ্য শাখাৰ বাবে সুকীয়াকৈ বাণিজ্য শিক্ষাৰ অনুষ্ঠান নাছিল। ১৯৮৪ চনৰ ২৪ ছেপ্টেম্বৰ তাৰিখে নগাঁও বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা হয়। বাণিজ্য শিক্ষাৰ

প্ৰাণকেন্দ্ৰ নগাঁও বাণিজ্য মহাবিদ্যালয়ে বৰ্তমান বাণিজ্যৰ আটাইবোৰ বিভাগতে আনুষ্ঠানিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰাটো জিলাখনৰ শৈক্ষিক ইতিহাসৰ এক সুখৰ বতৰা। বৰ্তমান মহাবিদ্যালয়খনৰ নাম গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়।

নগাঁও জিলাৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত কেইবাখনো উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ় লৈ উঠাটো জিলাখনৰ বাবে উল্লেখযোগ্য দিশ। ১৯৬৪ চনত মৰিগাঁও চহৰত (বৰ্তমান জিলা) মৰিগাঁও মহাবিদ্যালয় স্থাপন হয়। ১৯৬৪ চনত ৰহা চহৰৰ ওচৰত ৰহা মহাবিদ্যালয়, ১৯৬৫ চনত ধিং চহৰত ধিং মহাবিদ্যালয়ত, ১৯৬৪ চনত হোজাইত হোজাই মহাবিদ্যালয়, ১৯৬৭ চনত কামপুৰত কামপুৰ মহাবিদ্যালয়, ১৯৬৯ চনত কলিয়াবৰত কলিয়াবৰ মহাবিদ্যালয়, ১৯৭৯ চনত লংকা চহৰত লংকা মহাবিদ্যালয়, ১৯৬৭ চনত পুৰণিগুদামত ড° বিৰিঞ্চিকুমাৰ বৰুৱাৰ নামত ড° বি.কে.বি মহাবিদ্যালয়, ১৯৮১ চনত ৰূপহী মহাবিদ্যালয়, ১৯৮৬ চনত হাজি আনফৰ আলিৰ নামত ডবকাত হাজি আনফৰ আলি মহাবিদ্যালয়, ১৯৮৫ চন ননৈত ননৈ মহাবিদ্যালয় আদি উচ্চ শিক্ষা অনুষ্ঠানসমূহে নিৰ্দিষ্ট অঞ্চলত শৈক্ষিক প্ৰসাৰৰ দিশত বিশেষ ভূমিকা পালন কৰি আহিছে। শিক্ষণ গৱেষণাৰ ক্ষেত্ৰত চামগুৰি DIET আৰু শিক্ষক প্ৰশিক্ষণৰ ক্ষেত্ৰত ৰহা নিম্ন বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰইয়ো জিলাখনত শৈক্ষিক উত্তৰণৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ পুণ্যভূমিত নগাঁৱত উচ্চ শিক্ষাৰ বাবে কোনো বিশ্ববিদ্যালয়ৰ নাছিল, যিটো আছিল জিলাখনৰ বাবে এক পুৰণি অভাৱ। ২০১৩ চনত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় আইনৰ অধীনত বৰদোৱাৰ ওচৰত শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই এক সবল ভূমিকা গ্ৰহণ কৰে। ২০১৩ চনৰপৰা নগাঁৱৰ কলঙৰ পাৰত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মূল কাৰ্যালয়ত অস্থায়ীভাৱে বিশ্ববিদ্যালয়ৰ কাম-কাজ চকুত লগাকৈ আগবাঢ়িবলৈ ধৰে। পবিত্ৰ আৰু গুণগত শিক্ষা প্ৰদানকে ব্ৰত হিচাপে লৈ প্ৰতিষ্ঠা হোৱা বিশ্ববিদ্যালয়খনৰ প্ৰথমজন উপাৰ্চায অধ্যাপক কন্দৰ্প কুমাৰ ডেকাৰ নেতৃত্বত ৫টা বিভাগত স্নাতকোত্তৰ, চাৰিটা বিভাগত এমফিল আৰু ৪টা বিভাগত পি. এইচ. ডিৰ পাঠ্যক্ৰম আৰম্ভ হোৱাটো জিলাখনৰ শৈক্ষিক বিকাশৰ বাবে এক উল্লেখনীয় অধ্যায়।

এটি কথা অনস্বীকাৰ্য যে সাধাৰণ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত নগাঁৱৰ উচ্চ শিক্ষাৰ জগতখন বেছ বিস্তৃত যদিও কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত নগাঁও জিলা এতিয়াও যথেষ্ট পিছ পৰি আছে। নগাঁও জিলাত চৰকাৰী বা বেচৰকাৰী খণ্ডত কেবাখনো কাৰিকৰী শিক্ষা প্ৰসাৰৰ থল আছে যদিও কাৰ্যত হৈ উঠা নাই। ১৯৮৮ চনত ৰহাত স্থাপিত মীন

মহাবিদ্যালয়খনিয়ে বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত এক উল্লেখনীয় বৰঙণি আগবঢ়াই আহিছে। ২০১০ চনতেই নগাঁও চিকিৎসা মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্তগ্ৰহণ কৰা হয় যদিও বৰ্তমানলৈ চিকিৎসা মহাবিদ্যালয়খনিৰ প্ৰগতি ত্বৰান্বিত হ'বলৈ বাকী আছে। নগাঁও জিলাখন ভৌগোলিকভাৱে বেছ সুচল হোৱা বাবে মানৱসম্পদ বিকাশৰ বাবে যথেষ্ট সম্ভাৱনা আছে। স্বাধীনতাৰ ঠিক তিনি বছৰ আগতেই প্ৰতিষ্ঠা হোৱা নগাঁও মহাবিদ্যালয়ে আৰম্ভ কৰা কলেজীয়া শিক্ষা আজিৰ তাৰিখত বেছ সুন্দৰকৈ প্ৰসাৰতা লাভ কৰাটো শুভ লক্ষণ।

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ পৰামৰ্শ অনুসৰি গুণগত উচ্চ শিক্ষাৰ মূল্যাংকনৰ বাবে ১৯৯৪ চনত বাংগালোৰত প্ৰতিষ্ঠা হোৱা ৰাষ্ট্ৰীয় পৰ্যালোচনা আৰু মূল্যাংকন পৰিষদ চমুকৈ NAAC প্ৰতিষ্ঠা হোৱাৰ পিছৰপৰা প্ৰতিখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ গুণগত দিশত চকু দিয়াৰ দৰে গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদিত হয়। বৰ্তমান নগাঁও জিলাৰ প্ৰতিখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান NAACৰ দ্বাৰা মূল্যাংকন কাৰ্য কৰোৱা হৈছে। এই মূল্যাংকনত নগাঁও মহাবিদ্যালয়, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও ছোৱালী মহাবিদ্যালয় আৰু কলিয়াবৰ মহাবিদ্যালয়ে 'এ' গ্ৰেড স্থান লাভ কৰাটো জিলাখনৰ বাবে সঁচাকৈ উৎসাহজনক বতৰা।

১৯৯১ চনৰ পিছত সমগ্ৰ দেশৰে ব্যক্তিগতকৰণত যি প্ৰভাৱ আহিল তাৰ ফলশ্ৰুতি হিচাপে উচ্চ শিক্ষাক এক অনা গুণসম্পন্ন (Non merit good) বস্তু অথবা ব্যৱসায়ীকৰণৰ বাবে উন্মুক্ত পৰিৱেশ থকা বিষয় হিচাপে গণ্য কৰা হয়। এই প্ৰৱাহে সমগ্ৰ দেশৰ লগতে নগাঁও জিলাখনকো স্পৰ্শ কৰে আৰু তাৰ আওতাত বৰ্তমান ভালেকেইখন ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয় গা কৰি উঠাটো শৈক্ষিক প্ৰসাৰৰ আন এটি নিদৰ্শন। সম্প্ৰতি নগাঁও চহৰতে প্ৰায় সত্তৰখনমান ব্যক্তিগত খণ্ডৰ কনিষ্ঠ মহাবিদ্যালয় আছে আৰু ইয়াত সমগ্ৰ অসমৰে কেবা হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে।

উচ্চ শিক্ষাৰ প্ৰসাৰে এখন ঠাইৰ গতি প্ৰকৃতি নিৰ্ণয়ৰ নিৰ্ভৰযোগ্য পৰিকাঠামো/পৰিমাপক হোৱা বাবে এই প্ৰসাৰে সভ্যতা সংস্কৃতিকো উচিত দিশত পৰিচালিত কৰে। বৃহত্তৰ নগাঁও জিলা শিক্ষা প্ৰসাৰৰ বাবে এখনি উৰ্বৰা ক্ষেত্ৰ হিচাপে ইতিহাসে নিৰ্ধাৰণ কৰিলেও জিলাখনত এতিয়াও উচ্চ শিক্ষাৰ প্ৰসাৰৰ বাবে যথেষ্ট সম্ভাৱনা আছে। নগাঁও জিলাৰ শৈক্ষিক ইতিহাসে জিলাখনৰ শৈক্ষিক উত্তৰণৰ বাবে এক দীৰ্ঘম্যাদী ফলপ্ৰসূ আঁচনিৰ কথাকেই সোঁৱৰাই দিয়ে। ▸▸

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম ঃ নেপথ্যৰ তথ্য

## ড° নাৰায়ণ চন্দ্ৰ বৰ্মন

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম লগ্নৰ নেপথ্যৰ তথ্য সম্পৰ্কে লিখিবলৈ যোৱাৰ লগে লগে মোৰ মনটো উৰা মাৰিলে দুকুৰি চৈধ্য বছৰ পূৰ্বৰ ১৯৬০ চনৰ ১ লা ছেপ্টেম্বৰ তাৰিখলৈ। এই দিনটোতে অধ্যক্ষৰপৰা টেলিগ্ৰাম যোগে পঠিওৱা নিযুক্তিপত্ৰ লাভ কৰি প্ৰখ্যাত নেহৰুবালিৰ সমীপত অৱস্থিত অধ্যক্ষৰ বাসভৱনত উপস্থিত হৈ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক পূৰ্ণকালীন অধ্যাপক ৰূপে যোগদান কৰিছিলোঁ। উল্লেখযোগ্য যে একে সময়তে বিশ্বনাথ চাৰিআলি কলেজ, গড়গাঁও কলেজ আৰু গোৱালপাৰা কলেজতো মই নিযুক্তিপত্ৰ লাভ কৰিছিলোঁ। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত যোগদান কৰাৰ আগ্ৰহ মোৰ দুটা কাৰণত— প্ৰথমতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা নগাঁও চহৰৰ সমীপত অৱস্থিত আৰু দ্বিতীয়তে মহাবিদ্যালয়খনৰ নামকৰণ কৰা হৈছে এনে এজন পুৰুষৰ নামেৰে যিজন অসমৰ অন্য এগৰাকী মহাপুৰুষ অসমীয়া ভাষাৰ ত্ৰাণকৰ্তা প্ৰাতঃস্মৰণীয় আনন্দৰাম ঢেকিয়াল ফুকন।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম-লগ্ন সম্পৰ্কীয় মোৰ চকুৰ আগত বিৰাজমান ব্যক্তিগত তথ্য নাই কাৰণ এই মহাবিদ্যালয়ৰ জন্মৰ প্ৰায় এবছৰ পিছতহে অধ্যাপকৰ পদত যোগদান কৰিছিলোঁ। তদুপৰি মহাবিদ্যালয়ৰ কাৰ্যালয়তো জন্মলগ্নৰ সম্পূৰ্ণ তথ্য ৰক্ষিত হোৱা নাই। মহাবিদ্যালয়ৰ ১৯৮৩ চনৰ ৰূপালী

জয়ন্তী স্মৃতিগ্ৰন্থত প্ৰকাশিত অধ্যক্ষ তথা পৰিচালনা সমিতিৰ সম্পাদকৰ প্ৰতিবেদন, নগাঁও কলেজৰ প্ৰাক্তন বুৰঞ্জী বিভাগৰ অধ্যাপক ললিত শইকীয়া, মহাবিদ্যালৰ ছাত্ৰ একতা সভাৰ প্ৰথম সাধাৰণ সম্পাদক উপেন্দ্ৰ নাথ বৰা আৰু ২০০৯ চনত সোণালী জয়ন্তী স্মৃতিগ্ৰন্থত প্ৰকাশিত নগাঁৱৰ বিশিষ্ট লেখক আৰু বিজ্ঞানী ড° গকুল গোস্বামী প্ৰমুখ্যে বিভিন্নজনৰ ৰচিত প্ৰবন্ধৰ আধাৰত কলেজৰ জন্মলগ্নৰ আঁৰৰ তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। এই তথ্যসমূহ ৰূপায়ণৰ ক্ষেত্ৰত যদি কিবা বিসঙ্গতি ঘটিছে তাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰা হ'ল।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্মৰ গুৰিতে আছিল এচাম জ্ঞান পিপাসু চাকৰীজীৱী প্ৰবল উৎসাহী উচ্চ শিক্ষাৰপৰা বঞ্চিত আদহীয়া যুৱক। তেওঁলোকৰ সৰহ ভাগেই অবিভক্ত নগাঁও জিলাৰ বিভিন্ন চৰকাৰী কাৰ্যালয়ৰ কৰ্মচাৰী, বিভিন্ন শিক্ষানুষ্ঠানত কৰ্মৰত শিক্ষক আৰু পুত্ৰ-কন্যা সমন্বিতে সাংসাৰিক বোজা বহনকাৰী উচ্চ শিক্ষাভিলাষী লোক। তেওঁলোকৰ অদম্য উৎসাহ আৰু অবিৰত প্ৰবল ঐকান্তিক প্ৰচেষ্টাৰ ফলত এই মহাবিদ্যালয়ৰ জন্ম। তেওঁলোকে প্ৰথমতে অবিভক্ত নগাঁও জিলাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান নগাঁও কলেজত এটা নৈশ কলা শাখা প্ৰৱৰ্তনৰ বাবে বিভিন্ন শিক্ষানুৰাগী ব্যক্তিক সাক্ষাৎ কৰে আৰু এই ক্ষেত্ৰত দিহা-পৰামৰ্শ বিচাৰে। এই দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা উদ্যমী লোকৰ ভিতৰত— হৰকান্ত গায়ন, উপেন বৰা, ললিত হাজৰিকা, নেত্ৰ বৰা, বিদ্যা হাজৰিকা, ললিত শৰ্মা, হৰেন দাধৰা, আনন্দ বৰা, পদ্ম বৰা, অনন্ত সভাপণ্ডিত, গোপী কাকতি, তক্ষেশ্বৰ বৰা, পুলিন বৰকটকী, নগেন কটকী, কুমুদ দাস, ক্ষীৰ বৰা, অনেশ্বৰ শইকীয়া, শৰৎ বৰুৱা, ৰোহিণী বৰা, কৃষ্ণ শৰ্মা, সদানন্দ শৰ্মা উল্লেখযোগ্য। এইসকলৰ উপৰি মহাবিদ্যালয়ৰ জন্মলগ্নৰ লগত জড়িত অনেক উৎসাহী ব্যক্তি আছে যিসকলৰ নাম তথ্যৰ অভাৱত উল্লেখ কৰিব পৰা নাই আৰু একে কাৰণতে এই লেখাত উল্লিখিত ব্যক্তিসকলৰ নামৰ আগত শ্ৰী বা প্ৰয়াত শব্দ ব্যৱহাৰ কৰা নাই। বিভিন্ন কাৰণত উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত এইসকল শিক্ষানুৰাগী ব্যক্তিয়ে নগাঁও কলেজত এটা নৈশ কলা শাখা প্ৰৱৰ্তনৰ কাৰণে নগাঁও কলেজৰ মহিম বৰা, জগৎ শৰ্মা, ললিত শইকীয়া, মহেশ চন্দ্ৰ দেৱগোস্বামী, আব্দুল হাই, বসন্ত ভূঞা, ফনিলাল দত্ত প্ৰমুখ্যে বিশিষ্ট অধ্যাপকসকলক লগ ধৰি পৰামৰ্শ বিচাৰে আৰু তেখেতসকলৰ সহযোগত নগাঁও কলেজত নৈশ কলা শাখা প্ৰৱৰ্তনৰ বাবে অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্মাক অনুৰোধ জনায়। তেখেতৰপৰা ইতিবাচক সঁহাৰি নাপাই সেইসকল উদ্যোগী লোকে নগাঁও চহৰত এখন নৈশ কলেজ স্থাপনৰ বাবে চিন্তা-চৰ্চা আৰম্ভ

কৰে আৰু সেই উদ্দেশ্যে লোকসেৱক হলধৰ ভূঞা, প্ৰসিদ্ধ আইনজীৱী নুৰুল ইছলাম, আতাউৰ ৰহমান, কুশদেৱ গোস্বামী, আব্দুল মুচাব্বীৰ চৌধুৰী, আবু চামা, গিৰিকান্ত বৰুৱা, সমাজকৰ্মী চামচুল হুদা প্ৰমুখ্যে বিদ্যোৎসাহী গণ্যমান্য ব্যক্তিসকলক সাক্ষাৎ কৰি নগাঁও চহৰত কলা শাখাৰ এখন নৈশ কলেজ প্ৰতিষ্ঠাৰ বাবে দিহা-পৰামৰ্শ বিচাৰে। তেখেতসকলে এনে এটি আদৰ্শনীয় প্ৰচেষ্টাৰ শলাগ লয় আৰু এইক্ষেত্ৰত সক্ৰিয় সহযোগৰ আশ্বাস দিয়ে। মুঠতে নগাঁৱৰ বিদ্বৎমণ্ডলীৰ মাজত এখন পূৰ্ণ পৰ্যায়ৰ কলা শাখাৰ নৈশ কলেজ প্ৰতিষ্ঠাৰ বাবে এটি প্ৰবল জাগৰণৰ সৃষ্টি হয়। আনকি দূৰদৃষ্টিসম্পন্ন ব্যক্তিসকলে নৈশ কলেজখন অসমৰ নৱজাগৰণৰ হোতা সিংহ পুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত উৎসৰ্গা কৰিবৰ বাবেও মত পোষণ কৰে। ইতিমধ্যে নগাঁও চহৰত ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত অসম সাহিত্য সভাৰ সপ্ত বিংশতিতম অধিৱেশন অনুষ্ঠিত হয় আৰু সেই অধিৱেশনত আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শতবাৰ্ষিকী উৎসৱো পালন কৰা হয়। উল্লেখযোগ্য যে প্ৰশাসনিক ক্ষেত্ৰত নগাঁও জিলাৰ ‘সম্পূৰ্ণ ভাৰ’ প্ৰাপ্ত বিষয়া অৰ্থাৎ প্ৰিন্সিপাল এছিষ্টেণ্ট, বৰ্তমান কালৰ উপায়ুক্ত পদত অধিষ্ঠিত হৈ কৰ্মৰত অৱস্থাতে ১৮৫৯ চনৰ ১৬ জুন তাৰিখে ২৯ বছৰ ৯ মাহ ২৯ দিন বয়সত এই মহাপুৰুষ গৰাকীয়ে ইহলীলা সম্বৰণ কৰে আৰু কলংপাৰত অৱস্থিত উপায়ুক্তৰ বাসভৱন চৌহদৰ কোনোবা এটি স্থানত তেখেতৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। সাহিত্য সভাৰ এই নগাঁও অধিৱেশনতে আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে বিশেষ পদক্ষেপ গ্ৰহণৰ বাবে নগএগা ৰাইজলৈ অনুৰোধ জনাই সভাই এটি প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱৰ ফলশ্ৰুতি ৰূপে মহানুভৱ দূৰদৃষ্টিসম্পন্ন নগএগা ৰাইজৰ উদ্যমত লোকসেৱক হলধৰ ভূঞাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয় আৰু সেই সভাতেই অধ্যাপক মহেশ চন্দ্ৰ দেৱগোস্বামীৰ প্ৰস্তাৱ মৰ্মে সিংহপুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত এখন নৈশ কলেজ স্থাপনৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয় আৰু এই উদ্দেশ্যে এখন তদৰ্থ সমিতি গঠন কৰা হয়। লোকসেৱক হলধৰ ভূঞা সমিতিৰ সভাপতি, অধিবক্তা নুৰুল ইছলাম আৰু শুকদেৱ গোস্বামী উপ-সভাপতি, অধ্যাপক ললিত শইকীয়া সম্পাদক, অধিবক্তা যোগেশ চন্দ্ৰ শৰ্মা ধন ভঁড়ালী আৰু অন্যান্য সদস্য সহ মুঠ বাইশজনীয়া সমিতিখন গঠিত হয়। অধ্যক্ষ তথা সম্পাদকৰ প্ৰতিবেদনত এই সমিতিখনক মহাবিদ্যালয় পৰিচালনা সমিতি আখ্যা দিয়া হৈছে। এই সমিতিৰ প্ৰচেষ্টাতে চাকৰীজীৱী উচ্চ শিক্ষাভিলাষী এচাম ব্যক্তিৰ নৈশ কলেজ প্ৰতিষ্ঠাৰ সপোন দিঠকত পৰিণত হোৱাৰ

পথ প্ৰশস্ত হ'ল। পৰৱৰ্তী কালত অধিবক্তাদ্বয় শুকদেৱ গোস্বামী আৰু আতাউৰ ৰহমানক যুটীয়া সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰি সমিতিখন পুনৰ্গঠিত হয়। সেই সময়ত কলেজ সম্পৰ্কীয় কাম-কাজ পৰিচালনাৰ বাবে অধিবক্তা নুৰুল ইছলামৰ বাসগৃহতেই কলেজৰ কাৰ্যালয় চলোৱা হয়। উক্ত সমিতিৰ সিদ্ধান্ত ক্ৰমে অৰ্থনীতি বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ ১৯৪৮ চনত বিলাতৰপৰা স্বগৃহলৈ উভতি অহা শুকদেৱ গোস্বামীৰ ওপৰত অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰা হয়। আৰু তেতিয়া নেহৰুবালিৰ সমীপত কলংপাৰত অৱস্থিত অধ্যক্ষৰ বাসগৃহলৈ মহাবিদ্যালয়ৰ কাৰ্যালয় স্থানান্তৰিত কৰা হয়। উল্লেখযোগ্য যে অধ্যক্ষ মহোদয়ে অবৈতনিকভাৱে অধ্যক্ষৰ দায়িত্ব মূৰ পাতি লৈছিল।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্মলগ্নৰ লগত জড়িত যিখন ৰাজহুৱা সভাৰ তথ্য ওপৰত উল্লেখ কৰা হৈছে সেই সভাৰ তথ্য-পাতি সম্পৰ্কে সুকীয়া বৰ্ণনা এটি ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থত প্ৰকাশিত অধ্যাপক ললিত শইকীয়া ৰচিত প্ৰবন্ধত পোৱা যায়। প্ৰসঙ্গক্ৰমে এই বৰ্ণনা উত্থাপন কৰা হ'ল।

"The meeting was held in the Bardoloi Hall of Nagaon College under the presidentship of Late Nurul Islam (I cannot remember the date now). This meeting attend by largers college teachers and some of the students who were keen of join the night classes adopted a resolution to start a night college who named after Ananda Ram Dhekial Phookan a noted literature of Assam. An Ad-hoc committee was formed with Sri Ataur Rahman (Advocate) and my humble self as joint secretaries and Sri Nurul Islam as president. In the same meeting Late Sukdev Goswami was appointed principal-in-charge of the college."

এইখন ৰাজহুৱা সভাৰ তথ্যৰ ভিত্তিত অনুমান কৰিব লগা হয় যে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰতিষ্ঠা সম্পৰ্কে সম্ভৱতঃ দুখন সুকীয়া ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছিল, অথবা অধ্যাপক শইকীয়াৰ প্ৰবন্ধত উল্লিখিত তথ্য প্ৰকাশৰ ক্ষেত্ৰত কিবা বিসঙ্গতি সংঘটিত হৈছিল।

১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰ সোমবাৰ। মহাবিদ্যালয়ৰ ইতিহাসৰ মহিমামণ্ডিত স্মৰণীয় দিন। সন্ধিয়া পাঁচ বজাৰ লগে লগে আন্ধাৰ নামি আহিল। লগে লগে বিজুলী-গাজনিৰে এজাক বৰষুণো আহিল। এনে হেন লাগিল যেন আনন্দৰাম

ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ উদ্বোধনী দিৱসৰ শুভ মুহূৰ্তত ঢোল-খোলৰ বাদ্যধ্বনিৰে পুষ্প-বৃষ্টিহে হ'ল। এনে এটি শুভক্ষণত নগাঁও জিলাৰ চেচনজজ বিশ্বদেৱ শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত আনুষ্ঠানিকভাৱে সন্ধিয়া ছয় বজাত এগছি বন্তি জ্বলাই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ শুভ উদ্বোধন কৰা হয় ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত। নৈশ শাখাৰ কলেজ হিচাপে অবিভক্ত নগাঁও জিলাৰ বিভিন্ন স্থানৰপৰা অহা ২৪২ জন ছাত্ৰৰ উপস্থিতিত আই এ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ পাঠদান কাম আৰম্ভ হ'ল ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱনত। পাঠদান কাৰ্য সম্পন্ন কৰিলে নগাঁও মহাবিদ্যালয়ৰ বিভিন্ন বিষয়ৰ অভিজ্ঞতা সম্পন্ন অধ্যাপকসকলে সম্পূৰ্ণ অবৈতনিকভাৱে। পিছলৈ অৱশ্যে মাহিলী পঞ্চাশ টকীয়া সামান্য পাৰিশ্ৰমিক লৈ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত অংশকালীন প্ৰতিষ্ঠাপক অধ্যাপক হিচাপে পাঠদান কাৰ্য নিয়মিতভাৱে সম্পন্ন কৰি যায়। সেই হৃদয়বান অংশকালীন অধ্যাপকসকলৰ ভিতৰত ইংৰাজী বিভাগত অমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্তী, এছ চৌধুৰী, অসমীয়া বিভাগত মহিম বৰা, তাৰিণী শৰ্মা, সৰ্বেশ্বৰ ৰাজগুৰু, সংস্কৃত বিভাগত ফণিলাল দত্ত, দীনেশ দত্ত, অৰ্থনীতি বিভাগত জগৎ চন্দ্ৰ শৰ্মা, বুৰঞ্জী বিভাগত আব্দুল হাই, ললিত শইকীয়াৰ নাম উল্লেখযোগ্য। অৰ্থনীতি বিভাগত কিছুদিন অধিবক্তা হেম চন্দ্ৰ শৰ্মাই, ইংৰাজী বিষয়ত গংগাপদ চৌধুৰীয়ে অংশকালীন অধ্যাপক হিচাপে সেৱা আগবঢ়ায়। দৰ্শন বিভাগত অধিবক্তা আবুবক্কৰ চিদ্দিকে কলেজৰ প্ৰতিষ্ঠা কালৰেপৰা অংশকালীন অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল আৰু পিছত পূৰ্ণকালীন অধ্যাপক হিচাপে নিযুক্ত হয়। পৰৱৰ্তী কালত নগাঁও ছোৱালী কলেজৰ ড° যোগেন্দ্ৰ নাৰায়ণ ভূঞা আৰু ইদ্ৰিছ আলিয়ে অংশকালীন অধ্যাপক হিচাপে সেৱা আগবঢ়ায়।

১৯৬০ চনৰ কথা। ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত উন্মোচন কৰা আই এ শ্ৰেণীৰ পাঠদান কাৰ্য পূৰ্ণগতিত চলি আছে ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱনত। যিহেতু আই এই শ্ৰেণীৰ ছাত্ৰই চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা যথোচিত অনুমতি (Permission) আৰু স্বীকৃতি (Affiliation) কলেজ কৰ্তৃপক্ষই লাভ কৰিব লাগিব গতিকে পূৰ্ণ পৰ্যায়ৰ অধ্যাপক নিযুক্তিৰ প্ৰয়োজন হোৱাত বিভিন্ন বিভাগত পূৰ্ণ পৰ্যায়ৰ অধ্যাপক নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল আৰু ফলস্বৰূপে ১৯৬০ চনত প্ৰথম পাঁচ গৰাকী যেনে শিক্ষা বিভাগত হৰেশ্বৰ গোস্বামী, সংস্কৃত বিভাগত ড° নৰেন্দ্ৰ নাথ শৰ্মা, বুৰঞ্জী বিভাগত কন্দৰ্পেশ্বৰ দেৱগোস্বামীয়ে ১৬-৬-৬০ তাৰিখে, অৰ্থনীতি বিভাগত বাণেশ্বৰ শইকীয়াই ১৭-

১১-৬০ তাৰিখে আৰু নাৰায়ণ চন্দ্ৰ বৰ্মনে অসমীয়া বিভাগত ১-১১-৬০ তাৰিখে পূৰ্ণ পৰ্যায়ৰ প্ৰতিষ্ঠাপক অধ্যাপক হিচাপে যোগদান কৰে মাহিলী মাত্ৰ ১৭৫ টকা বেতনত। কলেজ কৰ্তৃপক্ষই যথা সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা আৱশ্যকীয় অনুমতি আৰু স্বীকৃতি লাভ কৰে আৰু ১৯৬০-৬১ শিক্ষাবৰ্ষত এ. ডি. পি কলেজৰ প্ৰথম আই এ পৰীক্ষাৰ্থীয়ে নিয়মীয়া ছাত্ৰ হিচাপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হয়। ১৯৬১-৬২ শিক্ষাবৰ্ষত কলা শাখাৰ স্নাতক শ্ৰেণী ৬৬ জন ছাত্ৰৰ সৈতে আৰম্ভ কৰা হয় আৰু তেতিয়া পূৰ্ণ পৰ্যায়ৰ অধিক অধ্যাপক নিযুক্তিৰ প্ৰয়োজন হোৱাত ক্ৰমান্বয়ে বিভিন্ন বিভাগত বিভিন্ন জন অধ্যাপকে নিযুক্তি লাভ কৰে। যেনে ৰাজনীতি বিভাগত পুষ্পকান্ত বৰা (১৭-৭-৬১); আৰবী বিভাগত আবু নাছাৰ ওৱাহিদ (১৭-৭-৬১); বাংলা বিভাগত ড° মলয় কুমাৰ ৰয় (১-৭-৬২); দৰ্শন বিভাগত ৰবীন্দ্ৰ নাথ শৰ্মা (১-৮-৬২); সংস্কৃত বিভাগত শৰৎ মাধৱ কুম্রে (১-৮-৬২); শিক্ষা বিভাগত অধ্যাপক নৰেন্দ্ৰ নাথ শইকীয়া (৫-৮-৬২); অৰ্থনীতি বিভাগত কৃষ্ণকান্ত ফুকন (৯-৯-৬৩); ৰাজনীতি বিজ্ঞান বিভাগত শশীকান্ত বৰা (৩-৮-৬৪); অসমীয়া বিভাগত হীৰেন্দ্ৰ নাথ শইকীয়া (৭-৮-৬৪) আৰু দেবেন্দ্ৰ নাথ শইকীয়া (১৭-৮-৬৪); বুৰঞ্জী বিভাগত ধৰ্মেশ্বৰ বৰা (১-৯-৬৪); শিক্ষা বিভাগত জিতেন্দ্ৰ নাথ বৰা (৩-১০-৬৪) ইত্যাদি।

এইখিনি সময়ত বিভিন্নজনে এই কলেজৰ অধ্যাপকৰ পদ এৰি অন্য কৰ্ম-সংস্থানত ব্ৰতী হোৱা উদাহৰণ যথেষ্ট আছে। এই অনুষ্ঠান এৰি গ'লেও তেখেতসকলে আগবঢ়োৱা সেৱাৰ স্মৃতি মহাবিদ্যালয়ৰ লগত জড়িত হৈ আছে। সেইসকল ব্যক্তিৰ ভিতৰত উল্লেখযোগ্য— প্ৰতিষ্ঠাপক অধ্যাপক হৰেশ্বৰ গোস্বামী আৰু ড° নৰেন্দ্ৰ নাথ শৰ্মা, হৰেন্দ্ৰ নাথ দেৱগোস্বামী, ড° কেশৱানন্দ দেৱগোস্বামী, ৰেব হাজৰিকা, অতুল বৰা, ত্ৰিভুবন নাথ বাজপেয়ী, ভৰত চন্দ্ৰ মিশ্ৰ ভাগৱতী, লক্ষেশ্বৰী প্ৰসাদ, ড° যামিণী ফুকন, এম্ কে মিত্ৰ, চিত্তৰঞ্জন সামাদ্দাৰ, মৃণাল কুমাৰ বৰুৱা, জ্যোতি দেৱগোস্বামী, অৰুণ ভট্টাচাৰ্য, অসীম কুমাৰ ভট্টাচাৰ্য, তৰুণ মিশ্ৰ ভাগৱতী, অমলেন্দু ভট্টাচাৰ্য, ড° থানেশ্বৰ শৰ্মা, উত্তম পাঠক, পাৰবীন আখতাৰ, ৰাইনা মজুমদাৰ, ড° লীলাৱতী শইকীয়া ইত্যাদি।

১৯৬০ চনৰ ১ লা নৱেম্বৰত অধ্যক্ষৰ বাসভৱনত অধ্যাপকৰ পদত যোগদান কৰা শুভক্ষণৰ স্মৃতি আজিও মনত সজীৱ হৈ আছে। অধ্যক্ষ গোস্বামীদেৱৰ চুটি চোলা আৰু চুৰীয়া পৰিহিত শুভ্ৰী দেহাৱয়ব আৰু তেখেতৰ সহাস্য মুখ নিসৃত মধুৰ 'বোপাই' সম্বোধনে মোক মোহিত কৰিলে। তদুপৰি মেখেলা-চাদৰ পৰিহিতা

মেম পত্নী শ্ৰীমতী ছাৰা গোস্বামীৰ মিচিকিয়া হাঁহিটিও মোৰ স্মৃতিত জিলিকি আছে। অধ্যক্ষ মহোদয়ে মোক উষ্ম আদৰণি যাচিলে আৰু সন্ধিয়া ছয় বজাত পাঠদান কাৰ্যৰ বাবে ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যোৱাৰ নিৰ্দেশ দিলে আৰু তেতিয়াহে মই গম পালোঁ যে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় এখন নৈশ শাখাৰ অনুষ্ঠান। যথা সময়ত মই যথা স্থানত উপস্থিত হ'লোঁ। অধ্যাপকৰ জিৰণি কোঠালৈ গৈ মই দুগৰাকী অধ্যাপক লগ পালোঁ। পৰিচয় আদান-প্ৰদানৰ অন্তত জানিব পাৰিলোঁ এগৰাকী শুধ বগা ধুতি-পাঞ্জাবী পৰিহিত ইংৰাজী বিভাগৰ অধ্যাপক সমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্তী আৰু আন গৰাকী অসমীয়া বিভাগৰ অধ্যাপক মহিম বৰাদেৱ। ইতিমধ্যে শ্ৰেণী কোঠাৰপৰা উভতি অহা আন গৰাকী শিক্ষা বিভাগৰ অধ্যাপক হৰেশ্বৰ গোস্বামীৰ লগতো মোৰ পৰিচয় ঘটিল। হৃদয়বান অধ্যাপক মহিম বৰাদেৱে অধ্যাপনাৰ ক্ষেত্ৰত আৰু ব্যক্তিগত জীৱনত উৎসাহ-উদ্দীপনা যোগাই অনুপ্ৰাণিত কৰিছিল। এইসকল ব্যক্তিৰ আদৰ্শৰ দ্বাৰা আপ্লুট হৈ সেৱাৰ মনোভাৱেৰে শিক্ষকতাকে জীৱনৰ ব্ৰতৰূপে গ্ৰহণ কৰিলোঁ।

নৈশ কলেজ, পৰিৱেশটো গহীন, শিশু কালৰেপৰা সন্ধিয়াপৰত ভগৱানৰ নাম-গুণ গাই পাঠ আৰম্ভ কৰা এটা অভ্যাসত পৰিণত হৈছিল। চাকৰী জীৱনতো ঠিক তেনেকৈ সন্ধিয়াপৰত বিদ্যামন্দিৰ সদৃশ শ্ৰেণীকোঠাত আৰম্ভ কৰা পাঠদান কাৰ্য প্ৰকৃততে প্ৰাৰ্থনা যেন লাগিছিল। এটি মোহময়ী অবিস্মৰণীয় উপলব্ধি। ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হলঘৰটোত প্ৰথম পাঠদান কাৰ্য আৰম্ভ হ'ল।

গুৰু-শিষ্যৰ প্ৰথম মিলন। এই মিলনক্ষেত্ৰ আশ্ৰম সদৃশ। গুৰু পঁচিশ বছৰীয়া ডেকা ল'ৰা আৰু শিষ্যসকলৰ সৰহভাগেই পিতৃসম বয়োজ্যেষ্ঠ। শিক্ষাদান কাৰ্য নিয়মিতভাৱে চলি থাকিল। পাঠ-গ্ৰহণত আগ্ৰহী এই ছাত্ৰসকলৰ উপস্থিতি অতি সন্তোষজনক। সমূহ ছাত্ৰৰ উপস্থিতিত হলঘৰ সদায় গিজ্‌গিজাই থাকে। গুৰুৰ প্ৰতি ছাত্ৰসকলৰ শ্ৰদ্ধা-ভক্তি দেখি মই বিমোহিত। ছাত্ৰসকলক 'আপুনি' সম্বোধনেৰে ব্যৱহাৰ কৰোঁ। গুৰু-শিষ্যৰ এই মধুৰ সম্পৰ্ক মহাবিদ্যালয়ৰ ঐতিহ্য আৰু এই সম্পৰ্ক বহু বিদ্যালয়ত সদা বিদ্যমান। অনুসন্ধিৎসু শিষ্যসকলৰ পাঠ সম্পৰ্কীয় প্ৰাসঙ্গিক প্ৰশ্নৰ যথোচিত উত্তৰৰ বাবে শ্ৰেণীত সদায় পাঠদানৰ পূৰ্বে অধ্যয়নপুষ্ট হৈ পাঠদান কাৰ্য সম্পাদন কৰা হৈছিল। কাৰণ শিষ্যৰ সন্দেহ ভঞ্জন কৰা গুৰুৰ কৰ্তব্য। নগাঁও কলেজ আৰু নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়তো কলেজৰ পাঠদান কাৰ্য সম্পাদিত হৈছিল। নগাঁও কলেজৰ বৰদলৈ ভৱনত পাঠদান কাৰ্য সম্পাদন কৰা সময়ৰ এটা নৈমিত্তিক ক্ষুদ্ৰ কথা আজিও মোৰ মনত পৰে।

তেতিয়া নগাঁও কলেজত বাণিজ্য শাখাৰ নৈশ শ্ৰেণীৰ পাঠদান কাৰ্যও চলিছিল। একেখন মহাবিদ্যালয়ৰ চৌহদত দুখন কলেজৰ পাঠদান কাৰ্য সমাপন কৰা হৈছিল একে সময়তে। সময়ৰ সঙ্কেত দিবলৈ দুখন কলেজৰ দুটা বেল বাজিলে বিসঙ্গতি হোৱাৰ সন্দেহত আমাৰ কলেজৰ বাবে অন্য এটি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। নিৰ্দিষ্ট সময়ত আমাৰ কলেজৰ চকীদাৰ বৰদলৈ ভৱনৰ বাৰাণ্ডালৈ গৈ কলিংবেল এটা বজাই দিছিল। কলিং বেলৰ কিৰিং কিৰিং ধ্বনিটোৱে শিক্ষক-ছাত্ৰ সকলোকে আমোদ দিছিল। এইদৰে ১৯৫৯ চনৰ ৭ ছেপ্তেম্বৰৰপৰা ১৯৬১ চনৰ ছেপ্তেম্বৰ মাহলৈকে এ. ডি. পি কলেজৰ পাঠদান কাৰ্য ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়, নগাঁও কলেজ আৰু নগাঁও বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈছিল।

১৯৬০ চনত অধ্যক্ষ শুকদেৱ গোস্বামীয়ে কলঙৰ পাৰত অৱস্থিত দক্ষিণ হয়বৰগাঁও ডাকোৱাল গাঁৱত নগৰৰ 'সাত ঘোঁকোটত' এবিঘা একঠা মাটি চাৰি হেজাৰ টকাত ক্ৰয় কৰে। মাটিখিনি চোৰাতনি আৰু জাৰণি। 'অসম হাবি গুচি ফুলবাৰি হ'ব' এই সপোন দ্ৰষ্টা আনন্দৰাম ঢেকিয়াল ফুকনৰ আদৰ্শেৰে অনুপ্ৰাণিত অধ্যক্ষ গোস্বামীদেৱে পিছপৰা এটি অঞ্চলত ভৱিষ্যতে ফুলনি কৰাৰ সপোনেৰে উদ্দীপ্ত হৈ মহাবিদ্যালয় ভৱন নিৰ্মাণৰ বাবে এই স্থান নিৰ্ণয় কৰে। অৱশ্যে এই কাৰ্যৰ অন্তৰালত অধ্যক্ষদেৱৰ এটি সুদূৰপ্ৰসাৰী লক্ষ্য নিহিত আছিল। ক্ৰয় কৰা মাটিখিনিৰ লগত সংলগ্ন আছিল চহৰৰ জাবৰ-জোথৰ পেলোৱা পৌৰসভাৰ দখলত থকা এটি বিস্তৃত উন্মুক্ত অঞ্চল। ভৱিষ্যতে নগাঁও পৌৰসভাৰ পৃষ্ঠপোষকতাত সেইখিনি মাটি মহাবিদ্যালয়ে লাভ কৰাৰ আশাত সেই স্থানতেই মহাবিদ্যালয় ভৱন নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু পৰিতাপৰ কথা যে পৌৰসভাৰ তদানিন্তন কৰ্তৃপক্ষৰ অদূৰদৰ্শী সিদ্ধান্ত ক্ৰমে সেই বিস্তৃত অঞ্চলৰ সৰহভাৱেই জনজাতি ছাত্ৰাবাস আৰু হৰিজন কলনীৰ নামত হস্তান্তৰ কৰাৰ ফলত মহাবিদ্যালয়ৰ ভৱিষ্যৎ প্ৰসাৰ প্ৰক্ৰিয়াত প্ৰচণ্ড বাধাৰ সৃষ্টি হয়। উপায়ন্তৰহীন হৈ লেচা লেচাকৈ মহাবিদ্যালয় সংলগ্ন মাটি ক্ৰয় কৰি মহাবিদ্যালয় ভৱনৰ সম্প্ৰসাৰণ ঘটোৱা হয়। ৰাইজৰপৰা দান-বৰঙণিৰ বাবে হাত নপতাকৈ ভৱন নিৰ্মাণৰ বাবে লেচা লেচাকৈ মাটি ক্ৰয় কৰি অসমত মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা একমাত্ৰ উদাহৰণ বোধ হয় অসমৰ এগৰাকী মহাপুৰুষৰ নামত উৎসৰ্গিত এই মহাবিদ্যালয়খনেই হ'ব। অৱশ্যে উল্লেখযোগ্য যে দক্ষিণ হয়বৰগাঁও নিবাসী তিনিগৰাকী সদাশয় ব্যক্তি (যি সকলৰপৰা মহাবিদ্যালয়ে মাটি ক্ৰয় কৰিছিল) তৰুণ বৰদলৈ, ইউচুফ আলি আৰু গোপাল দাসে মাটি বিক্ৰী কৰা সন্দৰ্ভত মহাবিদ্যালয়লৈ ক্ৰমে পাঁচ হাজাৰ, আঢ়ৈ হাজাৰ আৰু এহেজাৰ টকাৰ

আৰ্থিক দান আগবঢ়াই শলাগৰ পাত্ৰ হয়।

অধ্যক্ষই ক্ৰয় কৰা হাবি-জঙ্গলেৰে ভৰা মাটিখিনি অধ্যক্ষ, অধ্যাপক আৰু ছাত্ৰ সকলোৱে মিলি হাতত দা-কুঠাৰ লৈ পৰিষ্কাৰ কৰি গৃহ নিৰ্মাণৰ বাবে সাজু কৰি উলিয়ায়। পিছত অধ্যক্ষৰ অদম্য উৎসাহৰ ফলত ক্ৰমান্বয়ে পূব-উত্তৰ দিশত অধ্যক্ষ আৰু অধ্যাপকসকলৰ বাবে দুটা কোঠাযুক্ত এটি পকা ঘৰ আৰু পাঠদানৰ বাবে দক্ষিণ দিশত আন এটি পকা ঘৰ নিৰ্মাণ কৰা হয়। পাঠদানৰ বাবে উত্তৰ দিশত অন্য এটি অৰ্দ্ধনিৰ্মিত পকা বেৰৰ ঘৰো নিৰ্মাণ কৰা হৈছিল। সেই ঘৰটোৰ ওপৰভাগ টিন আৰু ত্ৰিপালেৰে আবৃত কৰা হৈছিল। আৰু টিনৰ অস্থায়ী বেৰেৰে তাৰ ভিতৰত চাৰিটা কোঠাৰ ব্যৱস্থা কৰি পাঠদান কাৰ্য চলোৱা হৈছিল। ফৰকাল বতৰত পাঠদান কাৰ্য ঠিকেই চলিছিল, কিন্তু বৰষুণৰ বতৰত পাঠদানৰ ক্ষেত্ৰত বিসঙ্গতি ঘটিছিল। এনে পৰিৱেশত ১৯৬১ চনৰ ১৭ ছেপ্টেম্বৰ তাৰিখৰপৰা নিয়মীয়া পাঠদান কাৰ্য মহাবিদ্যালয়ৰ নিজা ভৱনত অনুষ্ঠিত হৈছিল। তেতিয়া পূব দিশত মহাবিদ্যালয়ৰ মূল প্ৰৱেশ পথ আছিল। নগৰৰ মূল পথৰপৰা মহাবিদ্যালয়লৈ যাতায়াত কৰা পথটোৰ অৱস্থাও আছিল তথৈবচ। বিজুলী বাতিৰ ব্যৱস্থা নাই। লেম্পপোষ্টত সন্ধিয়া একোটা লেম্প জ্বলাই দিয়া হয়। শ্ৰেণীকোঠাত পাঠদান কাৰ্য চলোৱা হৈছিল পেট্ৰোমাক্সৰ পোহৰত। পাঠদান চলি থাকোতে কেতিয়াবা হঠাতে জলন্ত পেট্ৰোমাক্সটোৱে ঢিমিক ঢামাক কৰে। তেতিয়া চকীদাৰ দৌৰি আহি পেট্ৰোমাক্সটোত হেঁচি হেঁচি পাম্প দিয়ে আৰু পেট্ৰোমাক্সটো সঞ্জীৱিত হয়। কেতিয়াবা আকৌ এই প্ৰক্ৰিয়া বিঘ্নিত হয় ফলত শ্ৰেণীকোঠা অন্ধকাৰাচ্ছন্ন হৈ পৰে। এনে বিভিন্ন ধৰণৰ প্ৰতিকূল পৰিৱেশৰ মাজতো মহাবিদ্যালয়লৈ নিয়মিতভাৱে গুৰু-শিষ্যৰ আহ-যাহ চলিছিল আৰু শিক্ষাদান-শিক্ষাগ্ৰহণ কাৰ্য পূৰ্ণ গতিত আগবাঢ়িছিল।

১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ত অৰুণাচলৰ পৰা ভাগি অহা শৰণাৰ্থীসকলৰ বাবে জিলা কৰ্তৃপক্ষই চহৰৰ সমস্ত শিক্ষানুষ্ঠানত আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰিছিল। এ ডি পি কলেজতো তেনে শিবিৰ চলিছিল আৰু অধ্যক্ষ-অধ্যাপকসকলৰ তত্ত্বাৱধানত ছাত্ৰসকলে স্বেচ্ছাসেৱকৰ দায়িত্ব পালন কৰিছিল। আশ্ৰয় শিবিৰ উঠি যোৱাৰ পিছত ছাত্ৰসকলে সিদ্ধান্ত গ্ৰহণ কৰিলে যে তেওঁলোকে কলেজৰ কাৰণে হৰিজনসকলৰ বাবে সজা ঘৰসহ মাটিখিনি দখল কৰিব। কিন্তু অধ্যক্ষ আৰু অধ্যাপকসকলৰ হস্তক্ষেপত ছাত্ৰসকলে সেই সিদ্ধান্ত প্ৰত্যাহাৰ কৰে।

এ ডি পি কলেজৰ জন্মলগ্নৰ স্মৃতিৰ লগত জড়িত দুটা স্মৰণীয় দিনৰ কথা উল্লেখ কৰিব বিচাৰিছিলোঁ। প্ৰথমতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড°

জন হেৰগু টেইলৰ চাহাবৰ মহাবিদ্যালয়লৈ সস্ত্ৰীক আগমন। এই উপলক্ষে উত্তৰ দিশৰ অৰ্দ্ধনিৰ্মিত হলঘৰটোত এখন সভাৰ আয়োজন কৰা হৈছিল। উপাচাৰ্য মহোদয়ৰ সহধৰ্মিণী শ্ৰীমতী টেইলৰ আৰু আমাৰ অধ্যক্ষ মহোদয়ৰ মেম পত্নী শ্ৰীমতী ছাৰা গোস্বামীৰ উপস্থিতিত অনুষ্ঠিত সভাখনত বিপুল দৰ্শকৰ সমাগম ঘটিছিল আৰু টেইলৰ দম্পতী অভিভূত হৈ পৰিছিল। উপাচাৰ্য গৰাকীয়ে এটি চমু তেজস্বী ভাষণেৰে ছাত্ৰসকলক উৎসাহিত কৰিছিল। দ্বিতীয়তে অসমৰ প্ৰাক্তন শিক্ষা মন্ত্ৰী দেৱকান্ত বৰুৱা মহাবিদ্যালয়লৈ শুভাগমন। প্ৰতিষ্ঠা কালৰেপৰা কলেজখনৰ প্ৰতি বৰুৱাদেৱৰ এটি সুকীয়া আকৰ্ষণ আছিল। কলেজখন ঘাটিমঞ্জুৰিপ্ৰাপ্ত অৱস্থালৈ উন্নীতকৰণৰ বাবে তেখেতৰ ওচৰত আবেদন-নিবেদন কৰা হৈছিল। সেই সূত্ৰে অধ্যক্ষ আৰু ছাত্ৰসকলৰ নিমন্ত্ৰণ ক্ৰমে বৰুৱাদেৱে ছিলঙৰপৰা তদানীন্তন শিক্ষাধিকৰ্তা গোপাল চন্দ্ৰ শৰ্মা বৰুৱাক লগত লৈ কলেজত উপস্থিত হৈছিল। এ ডি পি কলেজৰ দক্ষিণ দিশত অৱস্থিত পকা ভৱনটোৰ এটি মুকলি আহল বহল কোঠাত সন্ধিয়া পৰত অনুষ্ঠিত সভাত মহাবিদ্যালয়খনি ঘাটি মঞ্জুৰিপ্ৰাপ্ত অৱস্থালৈ উন্নীত কৰিবৰ বাবে প্ৰয়োজনীয় নথি-পত্ৰ সংগ্ৰহ কৰিবলৈ শিক্ষামন্ত্ৰী বৰুৱাদেৱে উচ্চ শিক্ষাধিকৰ্তা গৰাকীক নিৰ্দেশ দিয়ে। ১-৪-৬৪ তাৰিখৰপৰা এ ডি পি কলেজ অসমৰ অন্যতম ঘাটি মঞ্জুৰি প্ৰাপ্ত কলেজ ৰূপে পৰিগণিত হ'ল। ঘাটি মঞ্জুৰি পোৱাৰ লগে লগে অধ্যাপকসকলৰ লগতে তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ চাকৰী স্থায়ীকৰণ নিয়মীয়া নিৰিখত বনাচসহ দৰ্মহা আদায়, প্ৰতি গৰাকী কৰ্মচাৰীৰ বাবে Service Book প্ৰচলন, প্ৰভিডেণ্ট ফাণ্ডৰ সুবিধা আৰু বিভিন্ন বিভাগৰ মুৰব্বী অধ্যাপকৰ নিযুক্তি প্ৰভৃতি নানা ধৰণৰ সা-সুবিধাৰ ব্যৱস্থা কৰা হয়। পৰিচালনা সমিতিৰ সিদ্ধান্ত ক্ৰমে মাহিলী ২৫ টকা ভাট্টা সহ নিম্নলিখিত অধ্যাপকসকলক ১-৬-৬৪ তাৰিখৰপৰা প্ৰযোজ্য হোৱাকৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক ৰূপে নিয়োগ কৰা হয়।

১) কন্দৰ্পেশ্বৰ দেৱগোস্বামী — বুৰঞ্জী বিভাগ
২) নাৰায়ণ চন্দ্ৰ বৰ্মন — অসমীয়া বিভাগ
৩) বাণেশ্বৰ শইকীয়া — অৰ্থনীতি বিভাগ
৪) পুষ্পকান্ত বৰা — ৰাজনীতি বিভাগ
৫) আবু নছৰ ওৱাহিদ — আৰবী বিভাগ
৬) মলয় কুমাৰ ৰয় — বাংলা বিভাগ
৭) শৰৎ মাধৱ কুস্রে — সংস্কৃত বিভাগ

৮) ৰবীন্দ্ৰ নাথ শৰ্মা — দৰ্শন বিভাগ

৯) নৰেন্দ্ৰ নাথ শইকীয়া — শিক্ষা বিভাগ

উল্লেখযোগ্য যে ইংৰাজী বিভাগত স্থায়ীপদত নিয়োজিত হোৱাৰ পিছতো কোনো জনেই সৰহ দিন উপস্থিত নথকাৰ বাবে মুৰব্বী অধ্যাপকৰ পদ বহুদিনলৈ খালী হৈ আছিল। অধ্যক্ষৰ বাস-ভৱনত মহাবিদ্যালয়ৰ কাৰ্যালয় চলি থকা অৱস্থাত মই প্ৰথম কাৰ্যালয়ৰ কৰ্মচাৰী হিচাপে লগ পাইছিলোঁ বিনোদ গোস্বামীক। তাৰ পিছত কাৰ্যালয় কৰ্মচাৰী ৰূপে নিয়োজিত হয় পোনাৰাম বৰুৱা। কিছুদিন পিছত তেওঁ সেই পদৰপৰা ইস্তফা দিয়ে। নগাঁও কলেজৰ মহেশ্বৰ ভট্ট নামৰ এগৰাকী কৰ্মচাৰীয়ে অংশকালীন হিচাপৰক্ষক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি প্ৰকৃততে কাৰ্যালয়ৰ কাম-কাজ সঠিক দিশত ৰূপায়ণ কৰে। পৰিচালনা সমিতিৰ সিদ্ধান্ত ক্ৰমে প্ৰথম নিয়মীয়া কৰ্মচাৰী নিয়োজিত হয় ১৯৬৪ চনত। সেই মৰ্মে তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী হিচাপে নিযুক্তি লাভ কৰে প্ৰভাত চন্দ্ৰ শৰ্মা বৰুৱাই ১-৬-৬৪ তাৰিখে আৰু ৰোহিত চন্দ্ৰ মহন্তই ১-৭-৬৪ তাৰিখে। লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী ৰূপে সীতাৰাম (চকীদাৰ) ভাৰত (চকীদাৰ) আৰু সন্তৰাম (পিয়ন) নিযুক্ত হয়।

ঘাটি মঞ্জুৰি লাভৰ ফলত পূৰ্ণকালীন অধ্যাপকসকলৰ চাকৰি স্থায়ীকৰাৰ পিছত মহাবিদ্যালয়ৰ জন্মলগ্নৰ লগত জড়িত অংশকালীন অধ্যাপকসকলৰ মহাবিদ্যালয়লৈ আগবঢ়োৱা সেৱা বাতিল কৰা হয় ১৯৬৪ চনৰ ১লা ছেপ্টেম্বৰ তাৰিখৰ পৰা। এই সংক্ৰান্তত কলেজ পৰিচালনা সমিতিৰ ৬-৮-৮৪ তাৰিখে অনুষ্ঠিত সভাত গৃহীত ৫ নং প্ৰস্তাৱৰ প্ৰতিলিপি উল্লেখ কৰা হ'ল।

"While recording appreciation of the services rendered by the part time professors with college since its inception the GB is compelled of take the painful decision of dispensing with their services w/e from 1.9.64 and they be paid one month's salary in advance in liew of one months notice."

১৯৬২ চনৰ চীনা আক্ৰমণৰ পিছত ভাৰত চৰকাৰে সমগ্ৰ ভাৰতবৰ্ষৰ শিক্ষানুষ্ঠানসমূহত NCC (ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী)ৰ প্ৰচলন কৰে। এডিপি কলেজতো নগাঁৱৰ 8 Assam Bn. NCCৰ তত্ত্বাৱধানত NCC সূচনা কৰা হয়। এই উদ্দেশ্যে অধ্যক্ষ গোস্বামীদেৱৰ নিৰ্দেশত নাগপুৰক Kamptee Contenmentঅত তিনিমহীয়া Pre commission Trainingসম্পন্ন কৰি অংশকালীন NCC Commissioned officer হিচাপে নিয়োজিত হৈ মই দুশজন

ছাত্র কেডেটক লৈ গঠিত Company এটাৰ যোগেদি এ ডি পি কলেজত প্ৰথম NCC (ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী) প্ৰতিষ্ঠা কৰোঁ। উল্লেখযোগ্য যে তেজপুৰত অৱস্থিত NCC group commandant officerৰ নিৰ্দেশত NCC officer সকলৰ মাজৰ পৰা মই আৰু কেডেটসকলৰ মাজৰপৰা আমাৰ কলেজৰ Senior cadet কৃষ্ণ শৰ্মা আমি দুয়ো ১৯৬৪ চনত দাৰ্জিলিঙৰ বিখ্যাত Jawaharlal Nehru Mountaining Institute অত পৰ্বত আৰু বৰফ বগোৱা প্ৰশিক্ষণ লোৱাৰ সুযোগ পাইছিলোঁ। এই দুঃসাহসিক প্ৰশিক্ষণৰ সুযোগ লাভৰ খবৰ পাই আমাৰ অধ্যক্ষ মহোদয় বৰ উৎফুল্লিত হৈ পৰিছিল। ১৯৬৪ চনৰ ছেপ্তেম্বৰ মাহৰ আৰম্ভণিতেই অধ্যক্ষ মহোদয়ক সাক্ষাৎ কৰি তেখেতক নতশিৰে প্ৰণাম জনাই বিদায় মাগিলোঁ। অধ্যক্ষ মহোদয়ে দুয়োজনৰে সাফল্য কামনা কৰি উৎসাহজনক আশীৰ্বাদেৰে অনুপ্ৰাণিত কৰে। যথাসময়ত দাৰ্জিলিঙত Mountaining Instituteঅত এসপ্তাহ Theoretical Training লোৱাৰ পিছত Practical Trainingৰ বাবে Field Director এভাৰেষ্ট বিজয়ীবীৰ টেনজিং নৰ্কেৰ তত্বাৱধানত দাৰ্জিলিঙৰ পৰা নব্বৈ মাইল আঁতৰত অৱস্থিত চৌৰীকিয়াং নামৰ Base campঅত উপস্থিত হ'লোঁগৈ। এই নব্বৈ মাইল দূৰত্ব আমি নদিনত খোজ কাঢ়ি অতিক্ৰম কৰিছিলোঁ। এই Base campঅত অৱস্থান কৰি দৈনিক হিমালয়ৰ বিশাল শিলাময় স্থানত পৰ্বত বগোৱা আৰু স্তুপীকৃত বৰফৰ সীমাহীন ৰাজ্যত বৰফ বগোৱা প্ৰশিক্ষণ লৈছিলোঁ। ডেৰমাহ জোৰা এই প্ৰশিক্ষণৰ অন্তত আমাৰ এই সাফল্যৰ বতৰা জনাবলৈ কলেজলৈ উভতি আহি মৰ্মাহত হ'লোঁ, কাৰণ আমাৰ যাত্ৰাকালত যি গৰাকী মহান ব্যক্তিয়ে বিভিন্ন উৎসাহপূৰ্ণ বাণীৰে আমাক সহাস্যবদনে বিদায় দিছিল সেইগৰাকী স্বনামধন্য ব্যক্তি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পিতৃস্বৰূপ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামী আৰু নাই। ১৬-১০-৬৪ তাৰিখে তেখেতে ইহলীলা সম্বৰণ কৰিলে। অধ্যক্ষ গোস্বামী ছাৰ ইহজগতত নাই, কিন্তু তেখেতৰ জীৱনৰ কীৰ্তিস্তম্ভ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ যোগেদি তেখেতৰ নাম চিৰযুগমীয়া হৈ ৰ'ব।

### ছাত্ৰ একতা সভাৰ জন্ম

১৯৫৯-৬০ চনত প্ৰথম ছাত্ৰ একতা সভাৰ সূচনা কৰা হয়। ছাত্ৰ একতা সভাৰ প্ৰথম সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল উপেন্দ্ৰ নাথ বৰা। ছাত্ৰ একতা সভাৰ যোগেদি মহাবিদ্যালয়ত প্ৰতি বছৰে নবাগত আদৰণি সভা, সৰস্বতী পূজা, নবী উৎসৱ, শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি মহোৎসৱ আদি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত

হৈছিল। পৰৱৰ্তী সাধাৰণ সম্পাদকসকল— ললিত চন্দ্ৰ হাজৰিকা, খগেন্দ্ৰ নাথ ভূঞা বৰা, চন্দ্ৰ কুমাৰ শইকীয়া, অনেশ্বৰ শইকীয়া, মোহন চন্দ্ৰ হাজৰিকা ইত্যাদি।

### মহাবিদ্যালয়ৰ আলোচনী

১৯৬০-৬১ চনত মহাবিদ্যালয়ৰ প্ৰথম আলোচনী প্ৰকাশিত হয়। কিন্তু এই আলোচনীখনি দ্বিতীয় সংখ্যা ৰূপে প্ৰকাশ কৰা হৈছে। আলোচনীখনিত প্ৰকাশিত সম্পাদনা সমিতিৰ হুবহু উল্লেখ এনেধৰণৰ—

আনন্দৰাম ঢেকিয়াল ফুকন কলেজ আলোচনী।
দ্বিতীয় প্ৰকাশ ১৯৬০-৬১ চন।

সম্পাদনা সমিতি ঃ

শ্ৰীহৰেশ্বৰ গোস্বামী
শ্ৰীসৌজন্যময়ী দেৱী
শ্ৰীৰমেশ ফুকন
শ্ৰীললিত হাজৰিকা

সম্পাদক ঃ

শ্ৰীভূমিকান্ত ফুকন

সহঃ সম্পাদক ঃ

শ্ৰীনৰেন্দ্ৰ চন্দ্ৰ কলিতা

১৯৬০-৬১ চনৰপৰা বৰ্তমান কাললৈকে মহাবিদ্যালয় আলোচনী প্ৰতি বছৰে প্ৰকাশিত হৈ আহিছে। আৰম্ভণিৰেপৰা আলোচনীখনি 'আনন্দৰাম ঢেকিয়াল ফুকন কলেজ আলোচনী' নামেৰে প্ৰকাশিত হৈছিল। কিন্তু ১৯৬৪-৬৫ চনৰ ষষ্ঠ সংখ্যা আলোচনীখন প্ৰকাশিত হ'ল 'এডিপিয়ান' নামেৰে। এই নামকৰণ কাৰ নিৰ্দেশত কৰা হ'ল— এই কথা অজ্ঞাত হৈ ৰ'ল। উক্ত সংখ্যাৰ আলোচনীখনিৰ সম্পাদক আছিল গণেশ চন্দ্ৰ বৰা আৰু ভাৰপ্ৰাপ্ত অধ্যাপক আছিল দেৱকুমাৰ শইকীয়া। এডিপিয়ান শীৰ্ষক এই আলোচনীখন ১৯৭০-৭১ চনলৈ প্ৰকাশিত হয়। ১৯৭০ চনৰ ৭ ছেপ্তেম্বৰ তাৰিখে কলেজৰ নবাগত আদৰণি আৰু কলেজ প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত সভাত বিশিষ্ট অতিথিৰূপে নিমন্ত্ৰণ কৰা হৈছিল অসমৰ সুসন্তান মহেন্দ্ৰ নাথ মইহেংদান ডেকা ফুকনদেৱক। সভাৰ অন্তত তেখেতৰ হাতত তুলি দিয়া হ'ল 'এডিপিয়ান'ৰ এটা সংখ্যা। তেখেতে আলোচনীখন হাতত লৈ চকু ফুৰাই ব্যক্ত কৰিলে 'আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ আলোচনী নাম এডিপিয়ান, নামটো ৰজিতা খোৱা নাই' আমি লগে লগে এটা উপযুক্ত নাম আগবঢ়াবলৈ অনুৰোধ

জনালোঁ। তেখেতে আলোচনীখনৰ পাত লুটিয়াই উচ্চাৰণ কৰিলে 'আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ আলোচনীৰ নামটো আনন্দলেখা হওক।' আমি সকলোৱে হাত চাপৰি বজাই তেখেতৰ বাক্যত সমৰ্থন জনালোঁ। ১৯৭১-৭২ চনৰ মহাবিদ্যালয় আলোচনীৰ ত্ৰয়োদশ সংখ্যাটো 'আনন্দলেখা' নামেৰে প্ৰকাশিত হ'ল সুভাষ চন্দ্ৰ ডেকাৰ সম্পাদনাত। ভাৰপ্ৰাপ্ত অধ্যাপক আছিল হীৰেন্দ্ৰ নাথ শইকীয়া আৰু নৰেন চন্দ্ৰ কলিতা। ১৯৭১-৭২ চনৰ পৰা বৰ্তমান কাললৈকে আনন্দৰাম ঢেকিয়াল ফুকন কলেজ আলোচনীখন 'আনন্দলেখা' নামেৰে প্ৰকাশিত হৈ আহিছে।

## মহাবিদ্যালয় সঙ্গীত

মহাবিদ্যালয় সঙ্গীতৰ ৰচক অসমীয়া বিভাগৰ অধ্যাপক হীৰেন্দ্ৰ নাথ শইকীয়া। অধ্যাপক শইকীয়াই অধ্যাপকৰ পদত ৭-৮-৬৪ তাৰিখে যোগদান কৰে আৰু ১-৩-১৯৯৪ তাৰিখে অৱসৰ গ্ৰহণ কৰে। তদানীন্তন অধ্যক্ষ আব্দুল হাইৰ নিৰ্দেশত অধ্যাপক শইকীয়াই এই সঙ্গীত ৰচনা কৰে। মই তেতিয়া উপাধ্যক্ষ ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ। অধ্যক্ষ মহোদয়ে বঙালী বিভাগৰ অধ্যাপক মলয় ৰয়, সংস্কৃত বিভাগৰ অধ্যাপক শৰৎ মাধৱ কুম্ৰে আৰু উপাধ্যক্ষ ৰূপে মোক এই সঙ্গীতটো মহাবিদ্যালয় সঙ্গীত হিচাপে বিবেচনা কৰিবলৈ দায়িত্ব দিয়ে। আমি আটাইকেইজনে অধ্যাপক শইকীয়াৰ লগত আলোচনা ক্ৰমে দুই এটা শব্দ যোগ-বিয়োগ কৰি মহাবিদ্যালয় সঙ্গীত ৰূপে উপযুক্ত বুলি অধ্যক্ষ মহোদয়ক জনোৱাত তেখেতৰ সন্মতিক্ৰমে এই সঙ্গীতটো মহাবিদ্যালয় সঙ্গীতৰূপে মৰ্যাদা দিয়া হয়। উল্লেখযোগ্য যে এই সঙ্গীতৰ সুৰকাৰ আছিল অধ্যাপক মলয় ৰয় আৰু অধ্যাপক শৰৎ মাধৱ কুম্ৰে। ১৯৭৮ চনত প্ৰকাশিত মহাবিদ্যালয় আলোচনী 'আনন্দলেখা'ত মহাবিদ্যালয় সঙ্গীতৰ প্ৰথম প্ৰকাশ দেখা যায়। তেতিয়াৰে পৰা মহাবিদ্যালয়ৰ সকলো অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয় সঙ্গীত পৰিৱেশন কৰা ৰীতি প্ৰৱৰ্তিত হয়।

## মহাবিদ্যালয় প্ৰতীক

অধ্যাপক ভৰত চন্দ্ৰ মিশ্ৰ ভাগৱতী মহাবিদ্যালয় প্ৰতীকৰ স্ৰষ্টা। অধ্যাপক মিশ্ৰ ভাগৱতীয়ে ১৯৬৪ চনত ইংৰাজী বিভাগৰ প্ৰবক্তাৰূপে যোগদান কৰে। প্ৰতীক সৃষ্টিৰ ক্ষেত্ৰত সংস্কৃত বিভাগৰ অধ্যাপক শৰৎ মাধৱ কুম্ৰেৰ অৱদানো অনস্বীকাৰ্য।

গোলাকৃতি সুদৃশ্য প্ৰতীকটো গভীৰ অৰ্থব্যঞ্জক। প্ৰতীকটোৰ অধোভাগত অঙ্কিত হৈছে A.D.P COLLEGE শীৰ্ষক সুবলিত দুই আধাৰ ৰেখা। তাৰ ওপৰত দীঘলীয়াকৈ অতি ৰমণীয় ভাৱে

অঙ্কিত হৈছে দুলানি পল্লবিত ঠালি যিয়ে সূচাইছে এ ডি পি কলেজৰ চিৰ সেউজীয়া স্থিতি। তাৰ ওপৰত আৰম্ভ হৈছে দিগবলয়ৰূপী বৃত্তাকাৰ আবৰণ ৰেখা। এই ৰেখাৰ নিম্ন ভাগত খোদিত হৈছে মহাবিদ্যালয়ৰ জন্ম লগ্ন Estd. 1959 তাৰ ওপৰত ৰূপায়িত হৈছে নবোদিত প্ৰভাকৰৰ বিকীৰ্ণ কিৰণ মালা, যিয়ে সূচাইছে মহাবিদ্যালয়ৰ বিপুল বিকাশ আৰু দিগন্ত প্ৰসাৰী যশ প্ৰতিভা। সোঁ মাজত অঙ্কিত হৈছে এগছি প্ৰজ্বলিত প্ৰদীপ জ্ঞানৰ জলন্ত প্ৰতীক ৰূপে। বন্তি গছিৰ দুয়ো কাষে বিকশিত হৈছে দুলানি পৰিপক্ক শস্য পংক্তি, যিয়ে সূচাইছে সাফল্য প্ৰাচুৰ্য। উপৰিভাগত অঙ্কিত হৈছে কলেজৰ নাম আৰু স্থান, 'আনন্দৰাম ঢেকিয়াল ফুকন কলেজ নগাঁও' প্ৰতীকটোৰ মধ্য ভাগত খোদিত হৈছে উপনিষদৰ মন্ত্ৰদ্ৰষ্টা ঋষিৰ অমৃত বাণী 'বিদ্যয়াৎমৃতমশ্নুতে' ব্যুৎপত্তিগত অৰ্থ বিদ্যাৰ দ্বাৰা অমৃত পান কৰা হয়। ভাবাৰ্থ— বিদ্যাই অমৰত্ব প্ৰদান কৰে।

উল্লেখযোগ্য যে এই প্ৰতীক ১৯৭০ চনত প্ৰকাশিত মহাবিদ্যালয় আলোচনীৰ দ্বাদশ সংখ্যাত প্ৰথম প্ৰকাশ পায়। উক্ত সংখ্যাৰ সম্পাদক আছিল বিমল চন্দ্ৰ বৰবৰা, ভাৰপ্ৰাপ্ত অধ্যাপক আছিল শৰৎ মাধৱ কুম্ৰে, ৰবীন চন্দ্ৰ বৰা আৰু ধীৰেন বৰদলৈ। তেতিয়াৰেপৰা মহাবিদ্যালয়ৰ সমস্ত নথি-পত্ৰত প্ৰতীক ব্যৱহাৰ কৰা হয়।

## মহাবিদ্যালয় পৰিচালনা সমিতি

মহাবিদ্যালয়ৰ শৈক্ষিক আৰু আৱয়বিক সমস্ত দিশকে সামৰি অধ্যক্ষ প্ৰমুখ্যে শিক্ষক ছাত্ৰ আৰু কৰ্মচাৰী সমন্বিতে মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে সৰ্বাঙ্গীণ উন্নতিকল্পে বিভিন্ন দিশৰ সুপৰিচালনাৰ বাবে এখন পৰিচালনা সমিতিৰ ব্যৱস্থা কৰা হয়। এই সমিতিখন এটা নিৰ্দিষ্ট সময় সীমাৰ বাবে উচ্চ শিক্ষাধিকৰ্তাৰ যোগেদি চৰকাৰৰ মনোনীত সভাপতি আৰু আন সদস্য, বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য, শিক্ষক প্ৰতিনিধি, অভিভাৱকৰ প্ৰতিনিধি, দাতাসকলৰ প্ৰতিনিধি, কাৰ্যালয়ৰ প্ৰতিনিধি আদি বিভিন্ন সদস্যৰ দ্বাৰা গঠিত হয়। এই সমিতিৰ সভাত সৰ্বসন্মতিক্ৰমে গৃহীত প্ৰস্তাৱৰ ভিত্তিত মহাবিদ্যালয়ৰ সমস্ত কাম-কাজ সম্পাদিত হয়। গতিকে পৰিচালনা সমিতিৰ লিখিত সিদ্ধান্তসমূহ মহাবিদ্যালয়ৰ ইতিহাসৰ দলিল স্বৰূপ অমূল্য সম্পদ। ১৯৬৩ চনৰ জুলাই মাহৰ পৰা এ ডি পি কলেজে চৰকাৰৰপৰা মাহিলী ১৫০০

টকাৰ এটি তদৰ্থ মঞ্জুৰি লাভ কৰে আৰু তেতিয়া বিধিগতভাৱে কলেজৰ পৰিচালনা সমিতি গঠিত হয়। এই সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয় ২৪-১-৬৪ তাৰিখে। এই বৈঠকৰ হুবহু প্ৰতিলিপি উল্লেখ কৰা হ'ল।

First Meeting of the Governing Body ADP College held on 24.1.64.

Members Present :

1. Mrs. P. Devi, *Govt. Nominee*
2. Sri L.K. Bora, MA, BL, MLA, *Govt. Nominee*
3. Sri L. P. Goswami, BL, MLA, *University Nominee*
4. Prof. M.C. Devgoswami, MA, *University Nominee*
5. Prof. B. Saikia, MA, LLB, *Teachers' Representative*
5. P.K. Bora, MA, LLB, *Teachers' Representative*
7. Principal, S. Goswami.

Sri LK Bora was voted to the chair. After discussion the following gentlemen were co-opted as members of the newly constituted governing body.

1. D.C.
2. Chairman, Municipality
3. Sri Shamsul Huda, BL
4. Sri Girikanta Barua, BL
5. Sri Rupram Sut.BL, MLA

S.L. Bora, President
24.1.64

প্ৰকৃতাৰ্থত পৰিচালনা সমিতিৰ দ্বিতীয়খন বৈঠকহে সমিতিৰ পূৰ্ণাঙ্গ বৈঠক। এই বৈঠকৰ প্ৰতিলিপি উল্লেখ কৰা হ'ল।

Meeting of Governing Body held on 24.2.64 at 5.30 PM members present :

1. Sri Girikanta Barua
2. Sri Rupram Sut, MLA
3. L.K. Bora, MLA

4. Sri Shamsul Huda
5. Prof M.C. Devgoswami
6. B. Saikia
7. P.K. Bora
8. Sri Golok Chandra Barua
9. Sri L.P. Goswami, MLA

Sri Giri Kanta Barua was voted to the chair Res No. 1. Deputy Commissioner was elected president of the G. B. unanimously as proposed by B. Saikia and supported by Prof. M.C. Debgoswami Res. No. 2 Sri Rupram Sut was elected Jt. secretary as proposed by Sri L.K. Bora and supported by Prof B. Saikia. Res. No. 3 Sri Giri Kanta Barua was elected Treasurer unanimously as proposed by Principal S.D. Goswami and supported by Prof B. Saikia. Res. No. 5. Resolved that a sub-commitee be formed with the following members for framing rules for conducting the proceedings of the G.B. and the rules be placed before the G.B. as early as possible.

1. Sri R. Sut. Jt. Secretary
2. Prof. M.C. Debgoswami
3. Principal Sukdev Goswami
4. Prof B. Saikia

S.G. Baruah,President
21.2.64

উক্ত সভাৰ সিদ্ধান্ত মৰ্মে পৰৱৰ্তী বৈঠকৰ সিদ্ধান্তসমূহ বিধিসন্মতভাৱে প্ৰস্তাৱ আকাৰে লিপিবদ্ধ কৰা হয় আৰু পৰিচালনা সমিতিৰ কাৰ্য ৰূপায়ণৰ স্পষ্ট নীতি প্ৰবৰ্তিত হয়। পৰৱৰ্তী পৰিচালনা সমিতিসমূহৰ তথ্য চমুকৈ উল্লেখ কৰা হ'ল। ১৯৬৪ চনৰপৰা ২৮-৪-৬৬ তাৰিখলৈ নগাঁও জিলাৰ উপায়ুক্ত চি আৰ. কৃষ্ণমূৰ্তি সভাপতি আৰু ৰূপৰাম সুত যুটীয়া সম্পাদক হিচাপে পৰিচালনা সমিতিৰ কাৰ্য সম্পাদিত হয়। ১৯৬৬ চনত ৰূপৰাম সুত পৰিচালনা সমিতিৰ সভাপতি আৰু অধ্যক্ষ আব্দুল হাই সম্পাদক ৰূপে সমিতিখন গঠিত হয়। তেতিয়াৰেপৰা যুটীয়া

সম্পাদকৰ পদৰ অন্ত পৰে। ১৯৮০ চনৰপৰা ১৯৮২ চনলৈ ভুবনেশ্বৰ গোস্বামী, ১-১০-৮২ তাৰিখৰপৰা উপায়ুক্ত এচ. কবিলন, ৯-৪-৮৩ তাৰিখৰপৰা উপায়ুক্ত এচ. চেটাৰ্জী সভাপতি আৰু অধ্যক্ষ আব্দুল হাই সম্পাদক হিচাপে পৰিচালনা সমিতি গঠন হয়। ৮-৮-৮৫ তাৰিখৰপৰা উপায়ুক্ত বাবু ৰাজীৱ, ২-৭-৮৬ তাৰিখৰপৰা ভুবনেশ্বৰ কলিতা, ২১-১-৮৮ তাৰিখৰপৰা উপায়ুক্ত উপেন্দ্ৰ নাথ ভূঞা, ১৩-৩-৮৯ তাৰিখৰপৰা উপায়ুক্ত সুভাষ দাস, ১৮-৯-৯০ তাৰিখৰপৰা ধ্ৰুৱ কুমাৰ শইকীয়া, ২২-৬-৯৪ তাৰিখৰপৰা দেবেন্দ্ৰ নাথ বৰা সভাপতি আৰু অধ্যক্ষ ড° নাৰায়ণ চন্দ্ৰ বৰ্মন আৰু ১-৯-৯৪—৩১-১২-৯৬তাৰিখলৈ নৰেন্দ্ৰ নাথ শইকীয়া সম্পাদক হিচাপে পৰিচালনা সমিতি গঠিত হয়। ৩০-৬-৯৭ তাৰিখৰপৰা মহেশ চন্দ্ৰ দাস, ১৯-৯-০২ তাৰিখৰপৰা উপায়ুক্ত প্ৰতীক হাজেলা, ২৮-২-০৬ তাৰিখৰপৰা উপায়ুক্ত জে.বি. এক্কা, ২৮-২-০৬ তাৰিখৰপৰা উপায়ুক্ত ড° জে বালাজী সভাপতি আৰু অধ্যক্ষ জিতেন্দ্ৰ নাথ বৰা, ৰবীন্দ্ৰ চন্দ্ৰ বৰা, ড° ৰামচন্দ্ৰ ডেকা, সহজানন্দ ওজা, নগেনচন্দ্ৰ নাথ অধ্যক্ষৰ দায়িত্বত থকা বাবে সম্পাদক হিচাপে পৰিচালনা সমিতি গঠিত হয়। ১৫-৫-৯০ তাৰিখৰপৰা ড° নাৰায়ণ চন্দ্ৰ বৰ্মন সভাপতি আৰু অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদে সম্পাদক হিচাপে পৰিচালনা সমিতিয়ে কাৰ্যনিৰ্বাহ কৰে। ছেপ্তেম্বৰ ২০১৫ তাৰিখৰ পৰা সহজানন্দ ওজাই পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰে।▸▸

# আনন্দৰাম ঢেকিয়াল ফুকন কলেজত বিজ্ঞান শিক্ষাৰ আৰম্ভণি

ড° আবু হানিফা

ওচমান আলি সদাগৰ যোৱা দুটা শতিকাৰ আগতেই ভাগ্যৰ অন্বেষণত সেই সময়ৰ পূব বংগৰপৰা অসমলৈ আহি অসমতেই থাকি গ'ল। শ্ৰীমন্ত শঙ্কৰদেৱৰ পদ ধূলিৰে ধন্য হোৱা বৰদোৱাৰ কাষৰে আলিটাঙনিত কুৰি শতিকাৰ আৰম্ভণিতে স্থাপন কৰিলে অসমীয়া মাধ্যমৰ স্কুল, সেই স্কুল আজিও আছে। ওচমান আলি সদাগৰ মনেৰে লগতে ধনেৰেও সঁচা অৰ্থতেই সদাগৰ আছিল।

তেওঁৰেই সুযোগ্য সন্তান আব্দুল হাই। আলিটাঙনিৰ দৰে পাচপৰা এটা এলেকাৰপৰা গৈ তেওঁ কলকতাৰ ৰিপন কলেজৰপৰা স্নাতক আৰু তাৰ পাছত আলিগড় বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ লগতে আইনৰ ডিগ্ৰীও লাভ কৰিবলৈ সক্ষম হয়। এইজন আব্দুল হাইয়ে প্ৰথমে অংশকালীন অধ্যাপক হিচাপে ঢেকিয়াল ফুকন কলেজত যোগদান কৰি পাছত ১৯৬৫ চনৰপৰা ১৯৮৫ চনলৈ কলেজৰ অধ্যক্ষৰ দায়িত্বও সুকলমে পালন কৰে।

অধ্যক্ষ আব্দুল হাইৰ কাৰ্যকালতে ১৯৭৮ চনত আৰম্ভ হয় স্নাতক শ্ৰেণীৰ বিজ্ঞানৰ পাঠদান আৰু ১৯৭৯ চনত প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীৰ পাঠদানো আৰম্ভ কৰা হয়। উল্লেখযোগ্য যে সেই সময়ত অবিভক্ত নগাঁও জিলাত একমাত্ৰ নগাঁও কলেজতে বিজ্ঞান শাখাৰ ব্যৱস্থা আছিল, গতিকে বিজ্ঞান শাখা কলেজত আৰম্ভ কৰাটো নিশ্চয় এক ঐতিহাসিক পদক্ষেপ আছিল বুলি আমি ক'ব পাৰোঁ।

বিজ্ঞান শাখা আৰম্ভ কৰাৰ লগে লগে কলেজলৈ এচাম নতুন শিক্ষক আহিল— তাৰ ভিতৰত পদাৰ্থ বিজ্ঞান বিভাগত আশ্ৰফ আলি, প্ৰবীৰ কুমাৰ বৰুৱা, ৰসায়ন বিভাগত আব্দুল হান্নান চৌধুৰী, ইনামুল কৰিম, প্ৰাণী বিজ্ঞান বিভাগত মুক্তাৰ উদ্দিন আহমেদ, উদ্ভিদ বিজ্ঞান বিভাগত প্ৰফুল্ল চন্দ্ৰ ডেকা, ৰিণি তামুলি ফুকন, ৰাণী হাজৰিকা আদি। অংক আৰু ভূগোল বিভাগ কলেজত আগৰপৰাই আছিল আৰু এই দুটা বিভাগো বিজ্ঞান শাখাৰ স'তে জড়িত হৈ পৰে।

আৰম্ভণিতে বিজ্ঞান শাখাৰ অধ্যাপকসকলৰ বেতন আছিল মাহে ৩০০ টকা আৰু পাছলৈ এই বেতন মাহে ৫০০ টকালৈ বঢ়াই দিয়া হৈছিল। কিন্তু এই সীমিত বেতনৰ বিনিময়তো শিক্ষকসকলে পাঠ দানত কেতিয়াও হেমাহি কৰা নাছিল। বিজ্ঞান বিভাগত ছাত্ৰ-ছাত্ৰী যথেষ্ট আছিল— আইন কলেজত তাত্ত্বিক শ্ৰেণীসমূহ হৈছিল, তাৰপৰা গৈ কলেজত ব্যৱহাৰিক শ্ৰেণীসমূহ। সীমিত সুবিধা, বেতন কম কিন্তু কৰ্তব্যত অবহেলা কোনো অধ্যাপকেই কৰা নাছিল।

১৯৮৩ চনত কলেজৰ বিজ্ঞান শাখাই চৰকাৰী অনুদান লাভৰ যোগ্যতা অৰ্জন কৰে। এই ক্ষেত্ৰত কলেজৰ অধ্যাপকসকলৰ লগতে বিশেষভাৱে কষ্ট স্বীকাৰ কৰে সেই সময়ৰ অধ্যক্ষ আব্দুল হাই ছাৰে। সহায় কৰিছিল সেই সময়ৰ মন্ত্ৰী প্ৰয়াত মহম্মদ ইদ্ৰিচ চাহাব, প্ৰয়াত মন্ত্ৰী মুকুট শৰ্মা, জমিয়ৎ উলেমা ই হিন্দৰ ৰাজ্যিক সম্পাদক মৌলানা মৰহুম আব্দুল হক আদিয়ে।

কলেজৰ কোঠাৰ অভাৱ আৰম্ভণিৰপৰাই আছিল। হাই ছাৰৰ সময়তে বেজবৰুৱা ভৱনৰ ওপৰত তৃতীয় মহলাৰ কাম আৰম্ভ কৰা হয়।

বিজ্ঞান শাখাৰ প্ৰতিটো বিভাগৰ সুকীয়া কোঠা, বিজ্ঞানাগাৰৰ ব্যৱস্থা যথেষ্ট আৰ্থিক অনাটনৰ মাজতেই কৰ্তৃপক্ষই কৰি দিছিল। প্ৰথম অৱস্থাত গুৱাহাটীৰ শৰ্মা এণ্ড চনচে লেবৰেটৰিৰ প্ৰয়োজনীয় যন্ত্ৰ-পাতিৰ যোগান ধৰিছিল। বাকীকৈ যোগান ধৰা সেই সামগ্ৰীসমূহেও কলেজখনক আৰ্থিক সকাহ দিছিল।

বিজ্ঞান শাখা আৰম্ভ কৰাৰ আগলৈকে কলেজৰ পুঁজি যথেষ্ট টনকিয়াল আছিল। প্ৰতি মাহৰ ১ তাৰিখেই চৰকাৰী আবণ্টন অহাৰ আগতেই শিক্ষক কৰ্মচাৰীসকলে বেতন লাভ কৰিছিল। কিন্তু বিজ্ঞান শাখাই সেই ব্যৱস্থা কিছু ব্যাহত কৰিলে আৰু কোনো কোনোৱে বিজ্ঞান শাখাৰ আৰম্ভণিয়েই এটা ভুল সিদ্ধান্ত বুলি ক'বলৈও প্ৰয়াস কৰিছিল।

কলেজখনত আৰম্ভণিৰপৰাই এটা মিউচুৱেল ফাণ্ড আছিল কিন্তু কিছু সংখ্যক পুৰণি সদস্যই ক'ম বেতন পোৱা বিজ্ঞান শিক্ষকসকলক সেই ফাণ্ডৰ সদস্য ভুক্তিত

আপত্তি দৰ্শোৱাত এটা নতুন মিউচুৱেল ফাণ্ড সঞ্চয়িকাৰ জন্ম হ'ল। পাছলৈ নাম সলনি হোৱা সেই ফাণ্ডটো আজিও চলি আছে। ফাণ্ডৰপৰা ঋণ লোৱাৰ লগতে সদস্যসকলে অৱসৰৰ সময়ত ১ লাখ বা অধিক টকা উপহাৰ হিচাপে লাভ কৰাৰ উদাহৰণ আছে।

নতুনকৈ কামত যোগদান কৰা বিজ্ঞান শিক্ষকসকলৰ মাজত বন্ধুত্ব আছিল। বিভাগীয় শিক্ষামূলক ভ্ৰমণে সেই বন্ধুত্ব গঢ়াত প্ৰধান ভূমিকা পালন কৰিছিল। আমাৰ শিক্ষকসকলৰ নেতা আছিল আশ্ৰফ আলি— আমি তেওঁক ডিন অব ফেকাল্টি অব চায়েঞ্চ বুলি কৈছিলোঁ।

কলেজৰ ভিতৰত প্ৰধানত ছাত্ৰসকলৰ মাজত বৈজ্ঞানিক মনোভাব গঢ়ি তুলিবৰ বাবে আমাৰ মাজত আছিল এখন চায়েঞ্চ চচাইটি। সেই সংস্থাৰ জৰিয়তে আমি আলোচনাৰ ব্যৱস্থা কৰিছিলোঁ।

পদাৰ্থ বিজ্ঞান বিভাগৰ এখন প্ৰাচীৰ পত্ৰিকাও আছিল। শিক্ষকৰ লগতে ছাত্ৰসকলেও প্ৰাচীৰ পত্ৰিকাত লেখিছিল।

বিজ্ঞান শাখাত পদাৰ্থ বিজ্ঞান বিভাগতেই প্ৰথম অনাৰ্চ আৰম্ভ কৰা হৈছিল। আমাৰ কলেজৰ জ্যেষ্ঠ শিক্ষক আবুবক্কৰ চিদ্দিকে উপস্থিতি গ্ৰহণ কৰি শ্ৰেণীসমূহ আনুষ্ঠানিকভাৱে আৰম্ভ কৰিছিল।

আজি আমাৰ মাজত আশ্ৰফ আলি নাই, হান্নান চৌধুৰীও নাই, অধ্যক্ষ হাই ছাৰো নাই কিন্তু তেওঁলোকৰ অৱিহণা সদায় সেউজ হৈ থাকিব। পুৰণি বহু শিক্ষকেও অৱসৰ ল'লে— তেওঁলোকৰ অৱিহণাও স্বীকাৰ কৰিবই লাগিব।

দোকমোকালিৰ সময়তে কলেজৰ বিজ্ঞানাগাৰৰ বিয়েৰাৰ হিচাপে আছিল যোগেন চন্দ্ৰ দাস (পদাৰ্থ বিজ্ঞান বিভাগ), আব্দুল হেকিম (ৰসায়ন বিভাগ), মুজিবুৰ ৰহমান (উদ্ভিদ বিজ্ঞান বিভাগ) আৰু হবিবউল্লাহ খান (প্ৰাণী বিজ্ঞান বিভাগ)।

কলেজৰ ফলাফল সদায় সন্তোষজনক। বিজ্ঞান বিভাগত এই জয়যাত্ৰা আৰম্ভ কৰে ১৯৮৩ চনত লিপিকা মেধিয়ে ডিষ্টিংচনসহ বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান লাভ কৰি।

আজি কলেজখনে যথেষ্ট উন্নতি কৰিছে— প্ৰতিটো বিভাগতে মেজৰ আৰম্ভ হৈছে, বিভাগ সমূহত সুবিধা বাঢ়িছে, কম্পিউটাৰ হৈছে, ইণ্টাৰনেটৰ ব্যৱস্থা হৈছে, বিভাগীয় পুথিভঁৰাল হৈছে— মূল পুথিভঁৰালটোও ডেকা পুথিভঁৰালী ঋষিকেশ ভূঞাৰ নেতৃত্বত নতুন ৰূপ লৈছে, বিভাগসমূহত ফ্ৰিজৰ ব্যৱস্থা হৈছে— এয়া শুভ লক্ষণ।

ড° জয়ন্ত বৰ্মনে নিজা উদ্যোগত পদাৰ্থ বিজ্ঞান বিভাগত গৱেষণাৰ কাম আৰম্ভ কৰিছে। বায়টেকনলজি হাব স্থাপন হোৱাৰ লগতে এই বিভাগতো গৱেষণাৰ কাম আৰম্ভ হৈছে। এয়া নিশ্চয় কলেজৰ বিজ্ঞান বিভাগৰ বাবে একোটা মাইলৰ খুঁটি, এক শুভ আৰম্ভণি।

এই সকলো উন্নয়নৰ প্ৰধান হোতা বৰ্তমানৰ অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ। আৰু আমি এই কাৰণেই গৌৰৱবোধ কৰো যে অধ্যক্ষ ড° আহমেদ কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগৰ এজন অধ্যাপক আছিল। কলেজৰ বিজ্ঞান শাখাৰপৰা অধ্যক্ষৰ আসনত বহা ড° আহমেদেই প্ৰথমজন ব্যক্তি।

আমি আশা কৰিছোঁ যে কলেজখন উন্নতিৰ সোপানেৰে আৰু আগবাঢ়ি যাওক। অসমৰ, দেশৰ শৈক্ষিক দিশত নেতৃত্ব দিয়ক। কলেজখন এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ উঠক।▸▸▸

# খেলা-ধূলাৰ ঐতিহ্যৰে মহিমামণ্ডিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

সহজানন্দ ওজা

একোটা অনুষ্ঠান বা প্ৰতিষ্ঠান যদিও বিশেষভাৱে এটা উদ্দেশ্য লৈয়েই গঠিত বা স্থাপিত হয়, সেই বিশেষ উদ্দেশ্য সাধনৰ বাবেই যদিও অনুষ্ঠানটোৰ মূল কাৰ্যসূচী পৰিচালিত হয় আৰু সেই উদ্দেশ্য সফলভাৱে প্ৰণয়ন কৰিব পৰাৰ ওপৰতেই যদিও অনুষ্ঠানটোৰ কৃতকাৰ্যতা প্ৰধানতঃ নিৰ্ণীত হয়, তথাপিও অনুষ্ঠানটোৱে বা প্ৰতিষ্ঠানটোৱে অন্যান্য আনুষংগিক দিশতো লোৱা ভূমিকাৰ কাৰণেও অনুষ্ঠানটোৱে সমাজখনত এক সুকীয়া পৰিচয় লাভ কৰে। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়খন প্ৰতিষ্ঠিত হোৱাৰ মূল উদ্দেশ্য বা লক্ষ্য আছিল জিলাখনত শিক্ষাৰ প্ৰসাৰ ঘটোৱা— বিশেষকৈ একাংশ ল'ৰা-ছোৱালীৰ বাবে শিক্ষাৰ সুবিধা কৰি দিয়া আৰু এই উদ্দেশ্য পূৰণত এডিপি কলেজ সম্পূৰ্ণ সফল হৈছিল বুলি আমি ক'ব পাৰোঁ। কিন্তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ কাম-কাজ তাতেই সীমাবদ্ধ নাছিল, শিক্ষাৰ প্ৰসাৰৰ বাহিৰেও খেলা-ধূলাৰ দিশতো গুৱাহাটী বিশ্ববিদ্যালয় পৰ্যায়ত যথেষ্ট সফলতা প্ৰদৰ্শন কৰিছিল। প্ৰকৃততে কোনো এটা অনুষ্ঠান বা প্ৰতিষ্ঠান যদি কিবা কাৰণে ঐতিহ্যমণ্ডিত বা মহিমামণ্ডিত হ'বলৈ সক্ষম হয় তাৰবাবে এজন বা ততোধিক ব্যক্তিৰ বিশেষ অৰিহণা থাকিব লাগিব। বিশেষকৈ কোনো এজন লোকৰ বিশেষ এক ভূমিকা নাথাকিলে সেয়া কেতিয়াও সম্ভৱ নহয় কাৰণ অনুষ্ঠানসমূহৰ নিজস্ব চালিকা শক্তি নাই। কোনোবাই চালিকাশক্তি হিচাপে কাম কৰিব লাগিব। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়খনক যদি ক্ৰীড়াৰ

ঐতিহ্যৰে গৌৰৱান্বিত বা মহিমামণ্ডিত বুলি কোৱা যায় তেনেদৰে তাৰ মূল চালিকাশক্তি আছিল কলেজখনৰ অধ্যক্ষ আব্দুল হাই ছাৰ আৰু সেই প্ৰক্ৰিয়াটোত মই বা আমি মহাবিদ্যালয়খনৰ সকলো অধ্যাপক-অধ্যাপিকা সংপৃক্ত হৈ আছিলোঁ। তাৰ এক খতিয়ান দাঙি ধৰাটো একান্তই প্ৰয়োজনীয় বুলি অনুভৱ কৰিছোঁ আৰু তাৰেই এক প্ৰতিফলন মোৰ এই লিখনিটোত ঘটিছে। প্ৰকৃততে হাই ছাৰ অধ্যক্ষ হৈ থকা কালছোৱাক কলেজৰ ইতিহাসৰ ক্ৰীড়াক্ষেত্ৰত এ.ডি.পি কলেজৰ স্বৰ্ণযুগ বুলি আমি অভিহিত কৰিব পাৰোঁ।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰতিষ্ঠিত হৈছিল— ১৯৫৯ চনত নৈশ মহাবিদ্যালয় হিচাপে। এইখন মহাবিদ্যালয় প্ৰতিষ্ঠিত হোৱাৰ আগতে তেতিয়াৰ বৃহত্তৰ নগাঁও জিলাখনত (বৰ্তমানৰ কাৰ্বি আংলং, উত্তৰ কাছাৰ পাৰ্বত্য জিলা বা বৰ্তমানৰ ডিমা হাচাও জিলা আৰু মৰিগাঁও জিলা সামৰি) নগাঁও মহাবিদ্যালয়খনেই একমাত্ৰ এনেধৰণৰ উচ্চ শিক্ষাৰ অনুষ্ঠান আছিল। ১৯৫৯ চনত এ.ডি.পি. কলেজ প্ৰতিষ্ঠিত হৈছিল মূলতঃ নগাঁৱৰ বিভিন্ন চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানত মাথোন প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কাম কৰা লোকসকলক উচ্চশিক্ষা লাভ কৰাৰ সুবিধা কৰি দিয়াৰ বাবে। পিছলৈ ১৯৬৫ চন মানত মহাবিদ্যালয়খনত দিবা শাখাৰো ব্যৱস্থা কৰা হয়। আনহাতে ১৯৫৯ চনতে এইখন প্ৰতিষ্ঠা কৰা হৈছিল— নগাঁও মহাবিদ্যালয়ত সেই সময়ত পূৰ্ণ পৰ্যায়ৰ প্ৰবক্তা হিচাপে কাম কৰি থকা একাংশ শিক্ষক আৰু দুই-এগৰাকী প্ৰবক্তা হোৱাৰ অৰ্হতা থকা নগাঁৱৰ আন লোকৰ শিক্ষাদানৰ দ্বাৰা। সেই সময়ত শুকদেৱ গোস্বামী বিদেশৰপৰা শিক্ষা লাভ কৰি নগাঁৱত তেখেতসকলৰ পাৰিবাৰিক ব্যৱসায়ত ব্ৰতী আছিল। তেখেতক মহাবিদ্যালয়খনৰ প্ৰথম গৰাকী অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। ১৯৫৯ চনৰপৰা ১৯৬৪ চনলৈ এইসকল লোকে যৎ সামান্য মাননী লৈ বা কোনো মাননী নোলোৱাকৈ শিক্ষাদান কৰি সহায়ৰ হাত আগবঢ়াইছিল। ১৯৬৪ চনত মহাবিদ্যালয়খন চৰকাৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত হোৱাৰ পিছত চৰকাৰী নিয়ম মতে মহাবিদ্যালয়খনত পূৰ্ণ পৰ্যায়ৰ অধ্যক্ষৰ প্ৰয়োজন হোৱাত সেই সময়ত নগাঁও মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত পূৰ্ণ পৰ্যায়ৰ প্ৰবক্তা হিচাপে কাম কৰি থকা আৰু এডিপি কলেজত অংশকালীন প্ৰবক্তা হিচাপে সেৱা আগবঢ়োৱা মোঃ আব্দুল হাইক পূৰ্ণ পৰ্যায়ৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। মই ১৯৫৭ চনৰপৰা ১৯৬১ চনলৈ নগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ হৈ থাকোঁতে প্ৰয়াত হাই ছাৰ মহাবিদ্যালয়খনৰ ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক আছিল। তেতিয়া মই হাই ছাৰৰ কিছু সান্নিধ্যলৈ আহিছিলোঁ। পিছলৈ মই মহাবিদ্যালয় ক্ৰিকেট দলৰ অধিনায়ক হোৱাৰ পিছত হাই ছাৰৰ অধিক

সান্নিধ্যলৈ আহোঁ। সেই সময়ছোৱাত হাই ছাৰৰ খেলৰ প্ৰতি যথেষ্ট আগ্ৰহ দেখিছিলোঁ। ময়ো বহুত সময়ত মোৰ খেলৰ ক্ষেত্ৰত হাই ছাৰৰপৰা যথেষ্ট সহায় পাইছিলোঁ। উদাহৰণস্বৰূপে মই অসম ক্ৰিকেট সংস্থাৰ দ্বাৰা আয়োজিত প্ৰশিক্ষণ শিবিৰত ভাৰতীয় দলৰ এসময়ৰ দুৰ্দান্ত অল-ৰাউণ্ডাৰ দাত্তু ফাদকাৰৰ তলত প্ৰশিক্ষণ ল'বৰ বাবে আমন্ত্ৰণ লাভ কৰাত মোক সেই প্ৰশিক্ষণ শিবিৰত যোগদান কৰিবৰ কাৰণে তেতিয়া অনুষ্ঠিত হোৱা স্নাতক টেষ্ট পৰীক্ষা নিদিয়াকৈ মোক ফাইনেল পৰীক্ষা দিবৰ বাবে হাই ছাৰে সেই সময়ৰ নগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত যজ্ঞেশ্বৰ শৰ্মা ছাৰৰপৰা অনুমতি লৈ দিছিল। আনহাতে মই ১৯৫৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰিকেট দলৰ সদস্য হিচাপে আন্তঃবিশ্ববিদ্যালয়ৰ ক্ৰিকেট প্ৰতিযোগিতাত আৰু ১৯৬১ চনত অসম ৰঞ্জীত ট্ৰফী দলৰ খেলুৱৈ হিচাপে নিৰ্বাচিত হোৱাৰ বাবে হাই ছাৰৰ এজন অত্যন্ত প্ৰিয় ছাত্ৰ হৈ পৰিছিলোঁ— কাৰণ হাই ছাৰ এগৰাকী প্ৰকৃত খেলপ্ৰেমী হোৱাৰ বাহিৰেও নিজেও ছাত্ৰ জীৱনত এগৰাকী ভাল ফুটবল খেলুৱৈ আছিল।

মই ১৯৬৫ চনৰ ১৪ জুলাই তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰোঁ। এইখিনিতে উল্লেখ কৰিব বিচাৰো যে একে সময়তে মই স্থানীয় আন এখন মহাবিদ্যালয়তো প্ৰবক্তা পদত নিযুক্তিৰ বাবে বাছনিত উঠিছিলোঁ। মুলতঃ হাই ছাৰ অধ্যক্ষ হোৱাৰ বাবেই এডিপি কলেজত যোগদান কৰোঁ। কলেজত যোগদান কৰাৰ কেইমাহমানৰ পিছতে সেইসময়ত কলেজৰ ক্ৰীড়া বিভাগৰ দায়িত্বত থকা প্ৰবক্তা প্ৰয়াত পুষ্পকান্ত বৰাই হাই ছাৰক কৈ মোক ক্ৰীড়া বিভাগৰ দায়িত্ব অৰ্পণ কৰে। তেতিয়াৰপৰা একেৰাহে প্ৰায় পঁচিশ বছৰমান সেই দায়িত্ব মই নিষ্ঠাৰে পালন কৰিছিলোঁ। তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদখনো যথেষ্ট সক্ৰিয় আছিল। উল্লেখযোগ্য যে মণিপুৰ বিশ্ববিদ্যালয়, নৰ্থ-ইষ্ট হিল ইউনিভাৰচিটি আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় গঠন হোৱাৰ আগতে এই সকলোবোৰ অঞ্চলৰ মহাবিদ্যালয়সমূহ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আৰু গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ অন্তৰ্ভুক্ত আছিল। সেই সময়ত এবাৰ ১৯৬৫/৬৬ চনত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ফুটবল প্ৰতিযোগিতা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ তত্ত্বাৱধানত আৰু নগাঁৱৰ আন দুখন মহাবিদ্যালয়— নগাঁও মহাবিদ্যালয় আৰু নগাঁও ছোৱালী মহাবিদ্যালয় আৰু সেই সময়ৰ নগাঁও ফুটবল সংস্থা (NFA)ৰ সহযোগত নগাঁৱত অনুষ্ঠিত কৰা হৈছিল। মই তাৰ কিছুদিন আগতে এডিপি মহাবিদ্যালয়ত যোগদান কৰাৰ কাৰণে সেই প্ৰতিযোগিতাখনৰ আয়োজনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলোঁ। সেইবাৰৰ এই প্ৰতিযোগিতাখনত মণিপুৰ, মেঘালয় আদিৰ বাহিৰেও সমগ্ৰ অসমৰ এক বুজন সংখ্যক

মহাবিদ্যালয়ে যোগদান কৰা কাৰণে সেইখন অতি বৃহৎ আকাৰৰ ফুটবল প্ৰতিযোগিতা হৈছিল। এডিপি কলেজৰ দৰে এখন অতি চালুকীয়া মহাবিদ্যালয়ে তেনে এখন বৃহৎ প্ৰতিযোগিতা আয়োজন কৰিবলৈ আগবঢ়াটোৱেই মৰসাহ আছিল। সেয়া সম্ভৱ হৈছিল মূলতঃ হাই ছাৰে লোৱা উদ্যোগৰ কাৰণেই। এই প্ৰতিযোগিতাখন সফলভাৱে আয়োজন কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ আদি সকলো প্ৰকাৰে সহায় আগবঢ়োৱা আন পাঁচগৰাকী ব্যক্তি আছিল সেই সময়ৰ নগাঁও ফুটবল সংস্থাৰ সম্পাদক প্ৰয়াত নুৰুল আমিন, তেতিয়াৰ নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামী, নগাঁও মহাবিদ্যালয়ৰ সেই সময়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক প্ৰয়াত নিৰ্মল চন্দ্ৰ চামাদ্দাৰ, নগাঁও ক্ৰিকেট সংস্থাৰ সেই সময়ৰ সম্পাদক সমাজকৰ্মী স্বৰ্গীয় হৰিপদ কুমাৰ আৰু নগাঁৱৰ সেই সময়ৰ এগৰাকী অতিশয় উদ্যোগী আৰু জনপ্ৰিয় সমাজকৰ্মী স্বৰ্গীয় মনোৰঞ্জন দাস। এইসকলৰ বাহিৰেও এই প্ৰতিযোগিতাখন আয়োজন কৰাৰ ক্ষেত্ৰত নিশ্চয় আন বহুতো সমাজকৰ্মী আৰু ক্ৰীড়াপ্ৰেমী জড়িত আছিল যিসকলৰ নাম এতিয়া মোৰ ভালকৈ মনত নাই। তাৰবাবে তেখেতসকল বা তেখেতসকলৰ পৰিয়ালবৰ্গৰ ওচৰত মই মাৰ্জনা বিচাৰিছোঁ।

আগতে উল্লেখ কৰা হৈছে যে তেতিয়াৰ গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদখন (Guwahati University Sports Board) অত্যন্ত সক্ৰিয় আছিল। প্ৰতিবছৰেই সকলোবোৰ খেলৰে আন্তঃকলেজ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিল। তাৰে ভিতৰত আন্তঃকলেজ ক্ৰীড়া প্ৰতিযোগিতাখন সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ খেলপথাৰখনত অতিশয় বৃহৎভাৱে আয়োজন কৰা হৈছিল। মই ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়কৰ দায়িত্ব লোৱাৰ পিছত এনে প্ৰতিযোগিতাসমূহত আমাৰ মহাবিদ্যালয়ৰ দলে যোগদান কৰা ব্যৱস্থা লৈছিলোঁ। ধনৰ নাটনি সত্ত্বেও অধ্যক্ষ হাই ছাৰে সদায়ে উদ্যোগ লৈ মহাবিদ্যালয়ৰ দল প্ৰেৰণ কৰাত সকলো প্ৰকাৰে সহায় কৰিছিল। মাথোন সহায়েই নহয়, ছাৰে এনে প্ৰতিযোগিতাত আমাৰ কলেজৰ খেল থকা দিনত নিজেও ব্যক্তিগতভাৱে দুই-চাৰিগৰাকী আন আন অধ্যাপকৰ সৈতে খেলপথাৰত উপস্থিত থাকিছিল। এবাৰ ১৯৭৩ চনত বজালি মহাবিদ্যালয়ৰ নিজস্ব খেলপথাৰখনত আয়োজিত আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাখনত আমাৰ মহাবিদ্যালয়ে ফাইনেল খেলৰ যোগ্যতা লাভ কৰাত আমাৰ কেইগৰাকীমান অধ্যাপকক লৈ হাই ছাৰে পাঠশালালৈ গৈ খেল উপভোগ কৰিছিল। সেই দলটোৰ দায়িত্বত আছিল সেই সময়ত আমাৰ কলেজত বুৰঞ্জী বিভাগত অধ্যাপনা কৰা আৰু পিছলৈ অসমৰ এগৰাকী দায়িত্বশীল উচ্চ পদস্থ চৰকাৰী বিষয়া হোৱা শ্ৰীমৃণাল কুমাৰ বৰুৱা। শ্ৰীবৰুৱা সম্প্ৰতি

অৱসৰ গ্ৰহণৰ পিছত গুৱাহাটীত পৰিয়ালসহ বসবাস কৰে। মই শ্ৰীবৰুৱাৰ লগত এই সম্পৰ্কে জানিবলৈ যোগাযোগ কৰাত তেওঁ কয় যে সেইবাৰৰ সেই দলটোত বহুকেইগৰাকী ভাল খেলুৱৈ আছিল, তেওঁ এইক্ষেত্ৰত বিশেষভাৱে উল্লেখ কৰে বিমল ডেকা, মুস্তাফা আহমেদ, শৰৎ সিং, বদন চন্দ্ৰ বৰা আৰু প্ৰয়াত ক্ষীৰোদ বৰুৱাৰ নাম। এডিপি কলেজ প্ৰথম ৰাউণ্ডত নলবাৰী কলেজ তাৰ পিছত ক্ৰমে পাণ্ডু কলেজ, কটন কলেজ আৰু পাছত মণিপুৰৰ ডি. এম. কলেজক চেমিফাইনেলত হৰুৱাই ফাইনেলত প্ৰৱেশ কৰে। ফাইনেলত এডিপি কলেজৰ প্ৰতিদ্বন্দ্বী আছিল কোকৰাঝাৰ কলেজ। অতি প্ৰতিদ্বন্দ্বিতামূলক সেই ফাইনেল খেলত এডিপি কলেজ আৰু কোকৰাঝাৰ কলেজ দুয়োটা দলকে যুটীয়াভাৱে বিজয়ী বুলি ঘোষণা কৰা হয়। শ্ৰীবৰুৱাই মোক কোৱা মতে প্ৰথম খেলৰপৰাই সুন্দৰ খেলাৰ দ্বাৰা দৰ্শকসকলক আকৰ্ষণ কৰিব পৰাৰ কাৰণে সকলো দৰ্শকে আমাৰ কলেজ দলটোক প্ৰতিখন খেলতে ভীষণভাৱে সমৰ্থন কৰিছিল। শ্ৰীবৰুৱাৰ মতে ফাইনেল খেলখনত বহুবোৰ সিদ্ধান্তই খেল পৰিচালকসকলে ইচ্ছাকৃতভাৱে এডিপি কলেজৰ বিৰুদ্ধে লৈছিল। ইয়াৰ আগৰ বছৰ অৰ্থাৎ ১৯৭২ চনত প্ৰতিযোগিতাখন নলবাৰী কলেজৰ তত্ত্বাৱধানত নলবাৰীত অনুষ্ঠিত হৈছিল। এডিপি কলেজৰ প্ৰথমখন খেল নলবাৰী কলেজৰ বিৰুদ্ধে হৈছিল আৰু খেল পৰিচালকে ইচ্ছাকৃতভাৱে ভুল সিদ্ধান্ত এডিপি কলেজৰ বিৰুদ্ধে লোৱাৰ বাবে দলটোৱে সেইবাৰ খেল বৰ্জন কৰিছিল। সেইবছৰো দলটোৰ লগত তত্ত্বাৱধায়ক অধ্যাপক হিচাপে আছিল শ্ৰীমৃণাল কুমাৰ বৰুৱা। সেইসময়ৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ যিকোনো ক্ৰীড়া প্ৰতিযোগিতাত মণিপুৰ, মেঘালয়, বৰ্তমানৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় অঞ্চলৰ মহাবিদ্যালয়সমূহৰ অংশগ্ৰহণৰ ফলত ভীষণ প্ৰতিদ্বন্দ্বিতামূলক হৈছিল। শ্ৰীবৰুৱাই আৰু কয় যে ১৯৭৩ চনত যিটো দল লৈ তেওঁ গৈছিল সেইটো অত্যন্ত শৃংখলাবদ্ধ আৰু নিয়মানুৱৰ্তিতা মানি চলা দল আছিল। ইয়াৰ পিছত ১৯৯৫-৯৬ চনত কলিয়াবৰ মহাবিদ্যালয়ৰ তত্ত্বাৱধানত কলিয়াবৰ মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাত এডিপি কলেজ বিজয়ী হ'বলৈ সক্ষম হৈছিল। সেই দলটোৰ দায়িত্বত আছিল দলটোৰ মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা অধ্যাপক জয়কুমাৰ সিং। উল্লেখযোগ্য যে বজালিত অনুষ্ঠিত প্ৰতিযোগিতাখনত এডিপি কলেজৰ বিপক্ষে খেলা ডি.এম. কলেজ আৰু কোকৰাঝাৰ কলেজৰ দল দুটাত কেইবাগৰাকীও অসম ৰাজ্যিক দলৰ খেলুৱৈ আছিল। কলিয়াবৰত অনুষ্ঠিত প্ৰতিযোগিতাত বিজয়ী এডিপি কলেজৰ দলটোৰ খেলুৱৈ দীপক হাজৰিকা, অজিত ডেকা আৰু গণেশ ডেকা গুৱাহাটী বিশ্ববিদ্যালয় ফুটবল দলৰ হৈ

সৰ্বভাৰতীয় আন্তঃবিশ্ববিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ নিৰ্বাচিত হৈছিল। মই মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপকৰ দায়িত্বত থকাৰ সময়ত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ তত্ত্বাৱধানত ১৯৭৫ চনত নগাঁৱত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া সমাৰোহখন অনুষ্ঠিত কৰা হৈছিল। সেইবাৰ এডিপি কলেজে ল'ৰাৰ শাখাত শ্ৰেষ্ঠ দল হ'বলৈ সক্ষম হৈছিল। তাকে লৈ গুৱাহাটীৰ বি. বৰুৱা কলেজকে ধৰি আন কেইবাখনো কলেজে ভীষণ হৈ-চৈ আৰম্ভ কৰে। তেওঁলোকৰ অভিযোগ আছিল এডিপি কলেজে কেইবাজনো অৰ্হতা নথকা খেলুৱৈক দলত লৈ এই বিজয় সাব্যস্ত কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদে সেই অভিযোগটো বিচাৰ কৰিবৰ কাৰণে এখন কমিটি গঠন কৰি দিয়ে। সেই কমিটিৰ সদস্যসকলে আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈসকলৰ সকলো নথি-পত্ৰ পৰীক্ষা কৰি আমাৰ যুক্তি মানি লয় আৰু আমাৰ মহাবিদ্যালয়ৰ সকলো কেইগৰাকী খেলুৱৈকে আমাৰ মহাবিদ্যালয়ৰ হৈ খেলিবলৈ অৰ্হতা থকা বুলি মত দিয়ে। আচলতে কথাটো আছিল এনেধৰণৰ— মই ১৯৭৪-৭৫ চনত অসম এমেচাৰ এথেলেটিক সন্থাৰ সম্পাদক আছিলোঁ। সেইবছৰ গোলাঘাটত অসম এমেচাৰ এথেলেটিক সংস্থাৰ দ্বাৰা সদৌ অসম আন্তঃজিলা এথেলেটিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। সেই প্ৰতিযোগিতাখনত উত্তৰ-পূব সীমান্ত ৰে'ল দলৰ হৈ অঙ্কুৰ চ্যাটাৰ্জী, চিন্ময় ব্যানাজী আৰু দুগৰাকীমান অতি দক্ষতাসম্পন্ন এথেলিটে অংশ লৈছিল। তেওঁলোক আছিল উত্তৰ বঙ্গৰ খেলুৱৈ। মই তেওঁলোকক লগ ধৰি আমাৰ মহাবিদ্যালয়ৰ হৈ তেওঁলোকে আন্তঃকলেজ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক নেকি জানিব বিচৰাত তেওঁলোকে ইতিবাচক সমিধান দিয়ে। মই হাই ছাৰক কথাটো জনোৱাত অধ্যক্ষ হাই ছাৰে তেওঁলোকক আমাৰ কলেজত নামভৰ্তি কৰাৰ ব্যৱস্থা কৰে। তেওঁলোকক আমাৰ কলেজত নামভৰ্তি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সকলো নিয়ম মানি কৰা হৈছিল। হাই ছাৰে লোৱা এই সিদ্ধান্তৰ বাবেই আমাৰ মহাবিদ্যালয় সেইবাৰ ল'ৰাৰ শাখাত শ্ৰেষ্ঠ দল হ'বলৈ সক্ষম হয়। এনেদৰে হাই ছাৰে মহাবিদ্যালয়খনৰ খেলা-ধূলাৰ উত্তৰণত যিধৰণে সহায় কৰিছিল সেয়া বৰ্তমানৰ সময়ত প্ৰায় বিৰল বুলি ক'ব পাৰি।

মই সুবিধা পাইয়ো আন কলেজত প্ৰবক্তা হিচাপে যোগদান নকৰি এডিপি কলেজত যে যোগদান কৰিছিলোঁ তাৰ মূল কাৰণেই আছিল মোৰ খেলৰ প্ৰতি অত্যাধিক প্ৰীতি। হাই ছাৰৰ লগত থকা মোৰ সান্নিধ্যৰপৰা মই নিশ্চিত আছিলোঁ যে মই খেলা-ধূলাৰ ক্ষেত্ৰত হাই ছাৰৰ পৰা সম্পূৰ্ণ সহায় পাম। মোৰ সেই ধাৰণা যে সম্পূৰ্ণ শুদ্ধ আছিল সেইটো মোৰ পিছৰ জীৱনত ঘটা কিছু পৰিঘটনাই নিশ্চয় প্ৰতিপন্ন

কৰিছিল। উদাহৰণস্বৰূপে ১৯৭৯ চনত মই অসম ক্রিকেট সংস্থাৰ সম্পাদক নির্বাচিত হোৱাৰ পিছত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে মোক মাথোন অভিনন্দন জনোৱাই নহয়, মোক উক্ত দায়িত্ব পালনৰ কাৰণে হাই ছাৰ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিয়ে সকলো প্রকাৰে সহায় কৰিছিল। হাই ছাৰৰ উদ্যোগতে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে মোক বিশেষ ছুটি দিয়াৰো ব্যৱস্থা কৰিছিল অসম ক্রিকেট সন্থা চলাবলৈ। অসম চৰকাৰৰ শিক্ষা বিভাগ আৰু উচ্চ শিক্ষাধিকর্তাই মোক বিশেষ ছুটি দিয়াৰ ব্যৱস্থা কৰিছিল, অৱশ্যে তাৰবাবে ছাত্র-ছাত্রীৰ বৰ বিশেষ ক্ষতি হোৱা নাছিল। কাৰণ সেই সময়ছোৱাত অসম আন্দোলন চলি থকাৰ কাৰণে ৰাজ্যৰ মহাবিদ্যালয়সমূহত পাঠদান কার্য যথেষ্টভাৱে বিঘ্নিত হৈছিল। অসমৰ ক্রীড়াৰ ইতিহাসত এখন মহাবিদ্যালয়ৰ কর্তৃপক্ষই এগৰাকী প্রবক্তাক ৰাজ্য ক্রীড়া ক্ষেত্রখনত এনেধৰণৰ এটা গুৰুত্বপূর্ণ ভূমিকা লোৱাৰ বাবে সুবিধা কৰি দিয়াটো নিশ্চয় এটা ডাঙৰ ব্যতিক্রম আছিল। মই ভাৰতীয় ক্রিকেট দলৰ এজন বিষয়বৰীয়া হিচাপে নির্বাচিত হোৱাত আমাৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে আনন্দ প্রকাশ কৰি প্রস্তাৱ গ্রহণ কৰিছিল আৰু মোক তাৰবাবে অভিনন্দন জ্ঞাপন কৰিছিল। একেদৰে মই অসম ৰঞ্জী ট্রফী দল, গুৱাহাটী বিশ্ববিদ্যালয় ক্রিকেট দল, অসম বেডমিণ্টন দল, অসম এথেলেটিক দল, অসম কেৰম দল আদিৰ মেনেজাৰ নির্বাচিত হওঁতেও হাই ছাৰ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিয়ে মোক অভিনন্দন জনাইছিল আৰু মোক সুবিধা কৰি দিছিল। মহাবিদ্যালয়খনৰ ষ্টুডেণ্টচ ইউনিয়নেও মোক অভিনন্দন জনাইছিল। উল্লেখ কৰিব পাৰি যে এবাৰ অসম কেৰম দলৰ মেনেজাৰ হিচাপে হাই ছাৰো নির্বাচিত হৈছিল আৰু অসম কেৰম দলৰে সৈতে ৰাজ্যৰ বাহিৰলৈ দলটোৰ লগত একেলগে ৰে'লত ভ্রমণ কৰিছিল।

তেতিয়া এডিপি কলেজৰ কলেজ সপ্তাহো যথেষ্ট বহল ভিত্তিত আৰু যথেষ্ট প্রতিযোগিতামূলক হৈছিল। তেতিয়া কলেজ সপ্তাহৰ বৰ্হি বিভাগৰ ক্রীড়া প্রতিযোগিতাসমূহ নগাঁও ক্রীড়া সংস্থাৰ খেলপথাৰত আয়োজন কৰা হৈছিল। সেই প্রতিযোগিতাৰ বিভিন্ন খেলত যথেষ্ট সংখ্যক প্রতিযোগীয়ে যোগদান কৰিছিল। একেদৰে বেডমিণ্টন, কেৰম, ভলীবল আৰু আন আন দলিওৱা খেলবোৰ মহাবিদ্যালয়ৰ চৌহদতে অনুষ্ঠিত কৰা হৈছিল। নগাঁও ক্রীড়া সংস্থাৰ খেলপথাৰত আৰু কলেজৰ চৌহদত অনুষ্ঠিত খেলসমূহ চাবলৈ যথেষ্ট সংখ্যক ছাত্র-ছাত্রী আৰু অধ্যাপক-অধ্যাপিকা দর্শক হিচাপে উপস্থিত আছিল। যদিও আজি কিছুবছৰৰপৰা কলেজখনত ক্রীড়াৰ ক্ষেত্রত আগৰ সেই পৰিৱেশ যথেষ্ট স্তিমিত তথাপিও এতিয়া মহাবিদ্যালয়ৰ

কলেজ সপ্তাহত খেল-ধেমালি অনুষ্ঠিত কৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া সমাৰোহ আৰু অন্যান্য আন্তঃকলেজ খেল প্ৰতিযোগিতালৈ মহাবিদ্যালয়ৰ দল প্ৰেৰণ আদি অব্যাহত আছে। আজি কিছু বছৰৰ আগতে আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈয়ে গুৱাহাটী বিশ্ববিদ্যালয় বাস্কেটবল দলক প্ৰতিনিধিত্ব কৰাৰ বাবে নিৰ্বাচিত হৈছিল। আমাৰ মহাবিদ্যালয়ে কেইবছৰমান আগতে গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ক্ৰিকেট প্ৰতিযোগিতাতো সাফল্য অৰ্জন কৰিছিল। এডিপি কলেজৰ বৰ্তমানৰ অধ্যক্ষ ড° ছৰিফউদ্দিন আহমেদো কেইবছৰমান মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপকৰ দায়িত্বত আছিল। তেওঁ এগৰাকী ক্ৰীড়াপ্ৰেমী। কলেজখনত এটা ক্ৰীড়া পৰিৱেশ সৃষ্টি কৰিবৰ বাবে যথেষ্ট প্ৰয়াস কৰাৰ বিষয়ে মই অৱগত। বিশেষকৈ তেওঁ মহাবিদ্যালয়ৰ চৌহদত কিছু ক্ৰীড়া আন্তঃগাঁঠনি নিৰ্মাণ কৰি উলিয়াইছে। কিন্তু ছাত্ৰ-ছাত্ৰীসকল খেলা-ধূলাৰ বাবে বৰ আগ্ৰহী নহয়। হয়তো আগতকৈ বেছি পঢ়া-শুনাৰ হেঁচা বঢ়াৰ কাৰণে আৰু পৰীক্ষাৰ ফলাফলত অধিক গুৰুত্ব দিব লগা হোৱাত মহাবিদ্যালয়খনত আগৰ সেই ক্ৰীড়া পৰিৱেশ যথেষ্ট পৰিমাণে কমি গৈছে। অৱশ্যে এনে অৱস্থা আজিকালি অসমৰ প্ৰায়বোৰ মহাবিদ্যালয়তে বিদ্যমান।

মই কলেজত যোগদান কৰাৰ সময়ত অধ্যাপক-অধ্যাপিকাসকলৰ কমন ৰূমটো আছিল কলেজৰ এটা ব্লকৰ (তেতিয়া কলেজখনত মাথোন দুটা ব্লক আছিল) চুকৰ ৰূম এটাত অনুষ্টুপিয়াকৈ। মহাবিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱনটোৰ দুয়োটা মহলা নিৰ্মাণ হোৱাৰ পিছত এই কমন ৰূমটো ওপৰৰ মহলাৰ প্ৰথম কোঠাটোলৈ স্থানান্তৰ কৰা হয়। এডিপি কলেজ ১৯৬৫ চনৰপৰা দিবা আৰু নৈশ দুয়োবেলা বহাৰ কাৰণে আমি কলেজত প্ৰায়ে ৰাতি ন-মান বজালৈকে থাকিব লগা হৈছিল— নিশাৰ ভাগৰ ক্লাছ হৈছিল প্ৰায় ন বজালৈকে। যিসকলৰ ক্লাছ নাথাকে তেওঁলোকে কথা-বতৰা পাতি, খেলি-ধূলি সময় কটাইছিল। হাই ছাৰেও নিজৰ কাম-বন শেষ কৰি আমাৰ লগত কেৰম, লুডু, ডবা, বাগেটালী আদি খেলিছিলহি। প্ৰণিধানযোগ্য যে তেতিয়াৰ দিনত বিদ্যুতৰ কোনো সমস্যা নাছিল। বিদ্যুৎ বিভাগৰ বিজুলী সৰবৰাহ কাৎচিত কেতিয়াবাৰ বাহিৰে ব্যাহত নহৈছিল। লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ প্ৰথম মহলালৈ অধ্যাপক-অধ্যাপিকাৰ জিৰণি কোঠাটো লৈ যোৱাৰ পিছত তাত আৰু বেছিকৈ খেলা-ধূলাৰ ব্যৱস্থা কৰা হয়। তাত এখন টেবুল টেনিছ বৰ্ডৰো সংযোজন কৰা হয়। লগতে অধ্যাপক-অধ্যাপিকাসকলৰ বাবে বহা-মেলাৰ ব্যৱস্থা যথেষ্ট ভাল কৰা হয়। খেলবোৰত প্ৰধানতঃ অংশ লৈছিল অধ্যাপক (প্ৰয়াত) হাচমী (আৰবী বিভাগৰ), অধ্যাপক প্ৰয়াত শৰদ মাধৱ কুশ্ৰে (সংস্কৃত বিভাগ), অধ্যাপক প্ৰয়াত আবু ৰাহেদ (আৰবী বিভাগ), অধ্যাপক প্ৰয়াত

পুষ্পকান্ত বৰা (ৰাজনীতি বিজ্ঞান বিভাগ), অধ্যাপক সহজানন্দ ওজা, অধ্যাপক প্রয়াত ধীৰেন্দ্র কুমাৰ বৰদলৈ (ইংৰাজী বিভাগ), অধ্যাপক আবুবক্কৰ চিদ্দিক (দর্শন বিভাগ) অধ্যাপক মলয় ৰয় (বাংলা বিভাগ), অধ্যাপক সুৰেন্দ্র নাথ বাৰৈ (অর্থনীতি বিভাগ) অধ্যাপক নৰেন শইকীয়া (শিক্ষা বিভাগ) আদিয়ে। তেওঁলোকৰ কোনোজনে এটাতকৈ অধিক খেলতো অংশ লৈছিল। এই সকলোবোৰৰ ক্ষেত্রত প্রধান উদ্যোগ লৈছিল হাই ছাৰে। কোনো কোনো সময়ত নিশাৰ ভাগত বেডমিণ্টন খেলাৰো ব্যৱস্থা কৰা হৈছিল।

হাই ছাৰৰ উদ্যোগতে আমাৰ মহাবিদ্যালয়ত ছাত্র-ছাত্রীসকলৰ বাবে এটা আহল-বহল RCC 'ষ্টুডেণ্ট ডে হ'ম' নির্মাণ কৰা হৈছিল। ইয়াত ছাত্র-ছাত্রীসকলৰ বাবে দুয়োটা মহলাতে খেলা-ধূলা আৰু জিৰণি কোঠাৰ ব্যৱস্থা কৰা হৈছিল। সেই সময়ত এনেধৰণৰ এটা ব্যৱস্থা অসমৰ প্রায়বোৰ কলেজত নাছিল বুলিয়েই ক'ব পাৰি।

এনেবোৰ কাৰণতে এডিপি কলেজত সেই সময়ত খেলা-ধূলাৰ এটা সুন্দৰ পৰিৱেশ গঢ় লৈ উঠিছিল যিবোৰৰ বাবে অসমৰ সেই সময়ৰ আনবোৰ কলেজতকৈ এডিপি কলেজ এক ব্যতিক্রম আছিল।

এই প্রবন্ধটো লিখিবলৈ লওঁতে সেই সময়ৰ এইবোৰ কথা মনত পৰি মোৰ মনটো ভাৰাক্রান্ত হৈ উঠিছিল। কাৰণ তেনে এক সুন্দৰ পৰিৱেশ যেন কলেজখনত এতিয়া অভাৱ তেনে এটা ধাৰণা হয়। এটা কথা এইখিনিতে উল্লেখ কৰাটো ভাল হ'ব যে যদিও কলেজখনত খেলা-ধূলাকে ধৰি অন্যান্য পাঠ্যপুথি বহির্ভূত কাম যেনে তর্ক, নাটক, গান-বাজনা আদি বিষয়বোৰৰো চর্চা হৈছিল— সেইবোৰতো অধ্যাপক-অধ্যাপিকা, ছাত্র-ছাত্রীয়ে যথেষ্টভাৱে অংশ লৈছিল, সকলো অধ্যাপক-অধ্যাপিকাই কিন্তু তেওঁলোকৰ ক্লাছসমূহ অতি নিষ্ঠা আৰু নিয়াৰিকৈ নিয়মানুৱর্তিতা মানি কৰিছিল আৰু ছাত্র-ছাত্রীসকলৰ প্রায় সকলোৱেই নিয়মিয়াকৈ ক্লাছসমূহ কৰিছিল। ▸▸।

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ আৱয়বিক ৰূপ ঃ এক অৱলোকন

**ড° সোণাৰাম নাথ**

১৯৫৯ চনত প্ৰতিষ্ঠাপিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালীন প্ৰতিবন্ধকতাৰ কথা ইতিপূৰ্বে আলোচিত হৈছে। এই লেখাত প্ৰতিষ্ঠা কালৰ পৰা মহাবিদ্যালয়খনৰ আৱয়বিক ৰূপৰেখা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। ১৯৫৯, ১৯৬০ আৰু ১৯৬১ চনৰ সময়চোৱাত প্ৰথমে ডচন উচ্চতৰ বহুমুখী বিদ্যালয়ত, তাৰপিছত নগাঁও মহাবিদ্যালয় আৰু নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ত ছাত্ৰসকলৰ পাঠদানৰ ব্যৱস্থা অস্থায়ীভাৱে কৰা হৈছিল। এই সময়ছোৱাৰ ভিতৰতে মহাবিদ্যালয়খনৰ কাৰণে নগাঁও চহৰৰ দক্ষিণ হয়বৰগাঁৱৰ এই স্থানতে প্ৰথমে এডোখৰ মাটি কিনি উত্তৰ আৰু দক্ষিণফালৰ পকীঘৰ দুটাৰ কাম আৰম্ভ কৰা হয়। গৃহ নিৰ্মাণৰ কাম চলি থাকোতেই ১৯৬১ চনৰ ১৭ চেপ্তেম্বৰ তাৰিখৰ পৰাই অস্থায়ী টিনৰ চালিৰ তলত মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ কৰা হয়। মহাবিদ্যালয়খনি এই ঠাইত প্ৰতিষ্ঠা কৰাৰে পৰাই আহল-বহল মাটিৰ অভাৱ এটা প্ৰধান অন্তৰায় হৈ পৰে। প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীয়ে অশেষ যত্নৰে টুকুৰা টুকুৰ মাটি কিনি লৈ মহাবিদ্যালয়খন আৰম্ভ কৰিছিল যদিও তেখেতৰ পৰিকল্পনা আছিল বৰ্তমানৰ হৰিজন কলনিৰ মাটিখিনি অধিগ্ৰহণ কৰি আহল-বহল চৌহদেৰে এখন সৰ্বাঙ্গসুন্দৰ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা। পিচে ৰঙাফিটা মেৰপাকত পৰি এই মাটিখিনিত হৰিজন কলনিহে নিৰ্মাণ কৰা হয় আৰু ভৱিষ্যতে মহাবিদ্যালখনে এই মাটিডোখৰ পোৱাৰ বাট চিৰদিনৰ বাবে

ৰুদ্ধ হৈ যায়। বৰ্তমানৰ লক্ষীনাথ বেজবৰুৱা ভৱন আৰু জনজাতীয় ছাত্ৰাবাসৰ মাজৰ ন কঠা মাটি (৯ কঠা) পৌৰসভাৰ অধীনতে ৰৈ যায়। ইয়াৰ পিছত মহাবিদ্যালয়ৰ বিভিন্ন জন অধ্যক্ষৰ আশাশুধীয়া প্ৰচেষ্টাত ১৯৯৫ চনত এই মাটিখিনি মহাবিদ্যালয়লৈ হস্তান্তৰিত কৰা হয়। ইয়াৰোপৰি পূৰ্বৰ মাটিখিনিৰ আশেপাশে বিভিন্ন সময়ত অধিক চৰাদামত কম কমকৈ এডোখৰ মাটি কিনিবলগীয়া হৈছিল। এইদৰে কিনি থকাৰ কাৰণেই বৰ্তমানে মহাবিদ্যালয়খনৰ মুঠ ৯ বিঘা ১ কঠা মাটি হৈছেগৈ। বৰ্তমানে নতুন নতুন পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তি আৰু ছাত্ৰ-ছাত্ৰীৰ ক্ৰমবৰ্দ্ধমান সংখ্যাই আমাৰ মহাবিদ্যালয়খনৰ কাৰণে এইখিনি মাটি পৰ্যাপ্ত নহয়।

১৯৬৩ চনৰ জুলাই মাহৰপৰা আমাৰ মহাবিদ্যালয়খনে ৰাজ্য চৰকাৰৰপৰা ১৫০০.০০ টকীয়া এটি তদৰ্থমঞ্জুৰী পায়। ইয়াৰ ঠিক এবছৰৰ পিছতেই শুকদেৱ গোস্বামী দেৱৰ ত্যাগ বিচক্ষণতা আৰু কৰ্মতৎপৰতাৰ ফলতে মহাবিদ্যালয়খনে অতি কম সময়ৰ ভিতৰতে ১৯৬৪ চনৰ পহিলা এপ্ৰিলত ৰাজ্য চৰকাৰৰ ঘাটি মঞ্জুৰি অৱস্থালৈ উন্নীত হয়। ১৯৬৫ চনত অধ্যক্ষ হিচাপে দায়িত্ব লোৱা আব্দুল হাই ডাওৰীয়াৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ আৱয়বিক দিশত ব্যাপক পৰিৱৰ্তন লক্ষণীয় হৈ উঠে। তেখেতৰ দিনত লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ দুটা মহলা আৰু অন্য কিছু আন্তঃগাঁথনি বিকাশৰ লগতে বিজ্ঞান শাখাৰ আৰম্ভণি ঘটে। এই সময়তে মহাবিদ্যালয়ত এটা ছাত্ৰাবাসৰ কাম আৰম্ভ হৈছিল যদিও সমাপ্ত নহ'ল। পৰৱৰ্তী দীৰ্ঘসময়লৈ সেইটোৰ নিৰ্মাণকাৰ্য সমাপ্ত কৰিব নোৱৰাত বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰ্থিক অনুদান বন্ধ হৈ পৰে। ইতিমধ্যে হাইদেৱৰ প্ৰয়াণ ঘটাত ড° নাৰায়ণ চন্দ্ৰ বৰ্মনদেৱে অধ্যক্ষৰ দায়িত্ব লয়, কিন্তু উপৰি উক্ত পৰিস্থিতি বিশ্ববিদ্যালয় অনুদান আয়োগৰ সকলো অনুদান বন্ধ থকাত তেখেতৰ দিনত আৱয়ৱিক দিশত কোনো কাম কৰিব পৰা নহ'ল। সহজানন্দ ওজাদেৱে ২০০০ চনত অধ্যক্ষৰ দায়িত্বভাৰ লোৱাৰ পিছত ২০০১ চনতহে এই বাধা আঁতৰে। ১৯৮৫ চনৰ পৰা ২০০০ চনলৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা আৰ্থিক অনুদান নোপোৱাৰ বাবে মহাবিদ্যালয়খনৰ উন্নয়নমূলক কাম-কাজত যথেষ্ট স্থৱিৰতা আহি পৰিছিল।

ওজাদেৱে দায়িত্ব লোৱাৰ পিছত পৰিলক্ষিত হোৱা প্ৰথমটো উল্লেখযোগ্য কাম আছিল পুথিভঁৰালৰ মাটিমহলা নিৰ্মাণ আৰু চৌহদৰ পকীবেৰ নিৰ্মাণ। ইয়াৰ আগলৈকে চৌহদৰ বেৰ নোহোৱাৰ সুযোগ লৈ কিছু লোকে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছিল। ওজাদেৱৰ সময়ত চাইকেল ষ্টেণ্ড নিৰ্মাণৰ উপৰি মহাবিদ্যালয়ৰ প্ৰবেশদ্বাৰ উত্তৰফাললৈ স্থানান্তৰিত কৰিবলৈ সিদ্ধান্ত লোৱা হয়। ইয়ে মহাবিদ্যালয়খনৰ আৱয়বিক ৰূপ সলনি হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা লয়।

নগেনচন্দ্ৰ নাথদেৱ মহাবিদ্যালয়খনৰ অধ্যক্ষ হোৱা সময়ত প্ৰথমবাৰৰ বাবে NAAC ৰ মূল্যায়ণ হয় আৰু মহাবিদ্যালয়খনে প্ৰত্যাশিতভাৱে 'B' গ্ৰেড লাভ কৰে। ইয়েই অনুদান আয়োগৰ নিয়মিত অৰ্থ সাহায্যৰ বাবে বাট কাটি দিয়ে। ড° ছৰিফউদ্দিন আহমেদদেৱে অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা মহাবিদ্যালয়খনৰ আৱয়বিক দিশত ব্যাপক উন্নয়ন পৰিলক্ষিত হয়। ইয়াৰ পাছৰে পৰাই মহাবিদ্যালয়খনে পুথিভঁৰাল, ছাত্ৰ-ছাত্ৰী জিৰণি কোঠা, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, ছাত্ৰ-ছাত্ৰী সাহায্য পুঁজি, খেলাধূলা আদি বিভিন্ন শিতানত সাহায্য পাবলৈ সক্ষম হয়।

বিগত সময়ছোৱাত মহাবিদ্যালয়খনে প্ৰভূত উন্নতি লাভ কৰিবলৈ সক্ষম হৈছে। এই উন্নতি মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশৰ উপৰিও ইয়াৰ আন্তঃগাঁথনি আৰু পাঠ্যক্ৰম সহযোগী আদি অন্যান্য আনুষঙ্গিক ক্ষেত্ৰলৈকে বিস্তৃত হৈ আছে। বৰ্তমানে আমাৰ মহাবিদ্যালয়ৰ চৌহদৰ চাৰিওফালে ওখ পকীবেৰেৰে সুদৃশ্যকৈ আৱৰা হৈছে। চৌহদৰ পূব আৰু পশ্চিম দিশত দুটা প্ৰৱেশদ্বাৰ আছে যদিও পশ্চিম দিশৰ প্ৰৱেশদ্বাৰখনহে মুখ্য প্ৰৱেশদ্বাৰৰূপে ব্যৱহৃত হৈ আহিছে। মুখ্য প্ৰৱেশদ্বাৰত প্ৰাক্তন অসম বিধান সভাৰ বিধায়ক স্বৰ্গীয় আব্দুল কাছেমৰ সোঁৱৰণত তেওঁৰ পৰিয়ালবৰ্গই এখন আটকধুনীয়া তোৰণ নিৰ্মাণ কৰি দিছে। মুখ্য প্ৰৱেশদ্বাৰৰ এই তোৰণৰ পৰা মহাবিদ্যালয়ৰ চৌহদলৈ এটা পকী ৰাস্তাৰে চৌহদৰ ভিতৰলৈ যোৱাৰ সু-ব্যৱস্থা আছে। বৰ্তমানে আমাৰ মহাবিদ্যালয়ত ১৩ টা ভৱন, ছাত্ৰ-ছাত্ৰীৰ কাৰণে দুটা চাইকেল ষ্টেণ্ড, শিক্ষক কৰ্মচাৰীসকলৰ গাড়ী, মটৰ চাইকেল আদি ৰাখিব বাবে এটা গাড়ী ষ্টেণ্ড, এটা SBI ৰ ATM, এখন Canteen, এটা কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ, এটা আধুনিক ব্যায়ামগাৰ, এটা শ্বহীদ বেদী, এটা সুন্দৰ আৰ্কিড হাউচ, এটা সুবৃহৎ আন্তঃক্ৰীড়া ভৱন, এটা প্ৰেক্ষাগৃহ, এটা কাঠফুলাৰ গৱেষণাগাৰ, এখন খেলপথাৰ, এখন নয়নাভিৰাম বাগিচা, দুটা বৃহৎ ছাত্ৰী নিবাস আৰু এটা নৈশ ৪ৰ্থ শ্ৰেণী কৰ্মচাৰীৰ বাসভৱন আছে। আমাৰ এই আলোচনাত মহাবিদ্যালয়ৰ বৰ্তমানৰ আৱয়িক ৰূপত অন্তৰ্ভুক্ত বিভিন্ন ঘৰদুৱাৰৰ লগতে অন্যান্য সা-সুবিধাবোৰৰ বিস্তৃত বিৱৰণ দিবলৈ যত্ন কৰা হৈছে।

**পুৰণি ভৱন (উত্তৰ ফালৰ)**— মহাবিদ্যালয়ৰ আটাইতকৈ পুৰণি ভৱনটোৱেই হ'ল এই ভৱনটো। ১৯৬০-৬৩ চনত এই ভৱনটো প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীৰ প্ৰচেষ্টাত ৰাইজৰ দান-বৰঙণিৰে মহাবিদ্যালয় চৌহদৰ উত্তৰ দিশত পূবা-পশ্চিমাকৈ সজোৱা হয়। লগতে সেই সময়ৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু মহাবিদ্যালয়ৰ মুখ্য কাৰ্যালয়টোও সজোৱা হয়। বৰ্তমানে এই ভৱনৰপৰা সমূহ কাৰ্যালয় স্থানান্তৰিত কৰা হয় আৰু এতিয়া ইয়াৰ পূব দিশত ৩ টা শ্ৰেণী কোঠা, মধ্য অংশত ছাত্ৰীৰ জিৰণি কোঠাৰ

ব্যৱস্থা কৰা হৈছে। ইয়াৰ একেবাৰে পশ্চিম অংশ সম্পূৰ্ণৰূপে ভাঙি বৰ্তমানে নতুন ভৱন সজোৱা হৈছে।

শেহতীয়াকৈ মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ আৰু বিদ্যায়তনিক ফলাফল যথেষ্ট উন্নতি হোৱাৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি অহাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এই ভৱনটো ২০১৭ চনত সম্পূৰ্ণকৈ ভাঙি তাতে RUSA ৰ পৰা প্ৰাপ্ত সত্তৰ লাখ টকা অনুদানেৰে ১২,০০০ বৰ্গফুট আকাৰৰ তিনিমহলীয়া ভৱনটো নিৰ্মাণ কৰা হয়।

**পুৰণি ভৱন (দক্ষিণ ফালৰ) ঃ** উত্তৰ ফালৰ পুৰণি ভৱনৰ একে সময়তে এই ভৱনটো নিৰ্মাণ কৰা হয়। বৰ্তমানে এই ভৱনটো এটা বৃহৎ শ্ৰেণী কোঠা, শিক্ষা বিভাগ আৰু এই বিভাগৰ প্ৰধান পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলৰ শ্ৰেণী কোঠাৰ ব্যৱস্থা কৰা হৈছে। ভৱনটোৰ একেবাৰে পূব দিশত ছাত্ৰ একতা সভাৰ কাৰ্যালয় অৱস্থিত। এই ভৱনটোৰ ঠাইত অসম চৰকাৰৰপৰা লাভ কৰা এক কোটি টকা ব্যয় সাপেক্ষে এটা তিনিমহলীয়া (১২,০০০ বৰ্গফুটৰ L-পেটাৰ্নৰ) ভৱন নিৰ্মাণ কৰা হয়। ভৱনটো হ'ল শ্ৰেণীকোঠা, পৰীক্ষাগাৰ সমন্বিতে শিক্ষা বিভাগটো স্থানান্তৰিত কৰা হয়। তদুপৰি, IDOL, Community Collegeৰ কাৰ্যালয়, ছাত্ৰ একতা সভাৰ কাৰ্যালয় আৰু কেবাটাও বৃহৎ শ্ৰেণীকোঠা ৰূপে এই ভৱনটো ব্যৱহাৰ হৈ আছে।

**গ্ৰন্থাগাৰ ভৱন ঃ** ২০০১ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা পোৱা চাৰি লাখ টকাৰ লগতে মহাবিদ্যালয়ৰ নিজা পুঁজিৰপৰা কিছু টকাৰে নতুন গ্ৰন্থাগাৰ ভৱনটোৰ তলৰ মহলাটো সম্পূৰ্ণ কৰা হয়। পৰৱৰ্তী সময়ত বৰ্তমানৰ অধ্যক্ষৰ কাৰ্যকালত অসম চৰকাৰৰ পাঁচলাখ টকাৰ সাহায্যৰে ওপৰৰ মহলাটো নিৰ্মাণ কৰা হৈছে। বিভিন্ন উৎসৰপৰা অহা ধনৰ সৎ-ব্যৱহাৰেৰে মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰটো সম্প্ৰতি এক মানবিশিষ্ট গ্ৰন্থাগাৰলৈ ৰূপান্তৰ হৈছে। উন্নত প্ৰযুক্তি বিদ্যাৰ সুবিধা উপলব্ধ আহল-বহল অধ্যয়ন কক্ষ আৰু প্ৰায় ৪৫,০০০ তকৈও অধিক কিতাপৰ সংগ্ৰহেৰে চকুত লগা পুথিভঁৰালটোৰ ২০১৬ চনৰ NAAC ৰ পৰ্যবেক্ষকসকলে ভূয়সী প্ৰশংসা কৰি গৈছে।

**বহুমুখী আন্তঃক্ৰীড়া ভৱন ঃ** বিশ্ববিদ্যালয় অনুদান আয়োগৰপৰা প্ৰাপ্ত এক কোটি টকাৰে নিৰ্মিত ১২,০০০ বৰ্গফুটৰ এই ভৱনটো মহাবিদ্যালয়খনৰ আৱয়বিক ৰূপত শেহতীয়া সংযোজন। ইয়াৰ ভিতৰত ২খন বেডমিণ্টন কৰ্ট, টেবুল টেনিচ খেলাৰ সু-ব্যৱস্থা আছে, তদুপৰি চাৰিশজনতকৈ বেছি দৰ্শক বহিব পৰা ২খন গেলাৰী আছে। দক্ষিণ দিশৰ দুমহলীয়া অংশটোত ব্যায়ামাগাৰৰ উন্নত সুবিধা উপলব্ধ হ'ব। সন্মুখভাগৰ তিনিমহলীয়া অংশটোত চাৰিটা শ্ৰেণীকোঠা আৰু ৰান্ধনিশালা আৰু শৌচাগাৰৰ সু-

ব্যৱস্থাৰে দুটাকৈ অতিথিশালা কক্ষ সংলগ্ন হৈ আছে। মাটি-মহলাত চাইকেল/মটৰ চাইকেল ষ্টেণ্ড আৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ সংগঠনৰ বাবে এটা কোঠা ৰখা হৈছে।

**বেজবৰুৱা ভৱন ঃ** ১৯৬৫ চনত মহাবিদ্যালয় কর্তৃপক্ষই ২,৫০,০০০.০০ টকাৰ পৰিকল্পনাৰে এটা দুমহলীয়া ঘৰ সজোৱাৰ কাম হাতত লয় আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু ৰাজ্য চৰকাৰৰ অনুদানৰ লগত সংগতি ৰক্ষা কৰি ২,৬১,০০০.০০ টকা খৰচেৰে ১৯৬৮ চনত এই ঘৰটোৰ ২ টা মহল সম্পূৰ্ণ কৰা হয়। ১৯৬৮ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবার্ষিকী উৎসৱত এই ভৱনটি 'লক্ষ্মীনাথ বেজবৰুৱা ভৱন' নামেৰে অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলাপ্ৰসাদ চলিহাদেৱৰ দ্বাৰা মুকলি কৰা হয়। এই ভৱনৰ ওপৰ মহলাৰ কাম ১৯৯৫ চনত আৰম্ভ কৰি ১৯৯৮ চনত সম্পূৰ্ণ কৰা হয় যদিও বৰ্তমানৰ অধ্যক্ষৰ তৎপৰতাত বেজবৰুৱা ভৱনৰ তিনিটা মহলাৰে সুন্দৰকৈ পৰিৱৰ্ধন কৰা হয়। এই ভৱনৰ একেবাৰে তলৰ মহলাক ৩ টা বৃহৎ কোঠাত ভাগ কৰা হৈছে য'ত প্ৰতিটো দুশ (২০০) জন ছাত্ৰ-ছাত্ৰীয়ে আহল-বহল পৰিৱেশত পাঠদান গ্ৰহণ কৰিব পাৰে। ইয়াৰে একাষে অৰ্থনীতি বিভাগটো অৱস্থিত। এই ভৱনৰ প্ৰথম মহলাৰ প্ৰথমছোৱাত জীৱবিজ্ঞান বিভাগৰ শ্ৰেণীকোঠা, গৱেষণাগাৰ আৰু বিভাগীয় অধ্যাপক-অধ্যাপিকাৰ জিৰণি চ'ৰাৰ ব্যৱস্থা আছে। এই মহলাৰে দ্বিতীয় অংশত ভূগোল বিজ্ঞান বিভাগৰ শ্ৰেণীকোঠা, গৱেষণাগাৰ আৰু ভূগোল বিজ্ঞান বিভাগৰ অধ্যাপক-অধ্যাপিকাৰ জিৰণি কোঠা অৱস্থিত। এই ভৱনটোৰ ওপৰ মহলাৰ (২য় মহলা) প্ৰথম অংশত পদাৰ্থ বিজ্ঞান বিভাগ অৱস্থিত। এই অংশত পদাৰ্থ বিজ্ঞান বিভাগৰ শ্ৰেণী কোঠা, গৱেষণাগাৰ আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ জিৰণি চ'ৰা আছে। এই মহলাৰ ২য় অংশত বিভিন্ন সভা-সমিতি, আলোচনাচক্ৰ, কৰ্মশালা আদি অনুষ্ঠিত কৰিবৰ কাৰণে এটা আটকধুনীয়া সভাকক্ষৰ ব্যৱস্থা আছে। সভাকক্ষত ১০ জন লোক একেলগে বহিব পৰা এটা সুন্দৰ মঞ্চ, এটা আধুনিক কাৰিকৰীযুক্ত বক্তৃতা ষ্টেণ্ড আৰু ২৫০ খন চকী আছে য'ত ২৫০ জন শ্ৰোতাই বহিব পাৰে। এই মহলাৰ একেবাৰে শেষত এটা আধুনিক সা-সুবিধাৰে সৈতে এটা ডাঙৰ প্ৰস্ৰাৱ আৰু শৌচাগাৰৰ ব্যৱস্থা আছে।

বৰ্তমান সময়ত 'লক্ষ্মীনাথ বেজবৰুৱা ভৱন'টো পৰিৱৰ্ধন কৰাৰ ফলত এটা জাকত জিলিকা ভৱনত পৰিণত হৈছে।

**প্ৰশাসনীয় ভৱন ঃ** ২০০৩ চনত ৰাজ্য চৰকাৰৰ বুনিয়াদ আঁচনিৰ ১০ লাখ টকাৰ অনুদান লাভ কৰি বৰ্তমানৰ প্ৰশাসনিক ভৱনৰ তলৰ মহলাৰ এটা অংশ আৰম্ভ কৰা হয়। ২০০৪ চনত বৰ্তমানৰ অধ্যক্ষই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই এই ভৱনটো সম্পূৰ্ণ কৰাৰ

দায়িত্ব লৈ বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু অসম চৰকাৰৰ অৰ্থ সাহায্যত ২০১২ চনত সম্পূৰ্ণ কৰে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ দশম পৰিকল্পনাত ৯,৮৬,০০০.০০ টকা, একাদশ পৰিকল্পনাত ৯,০০০০০.০০ টকা আৰু শিক্ষক জিৰণি চ'ৰাৰ কাৰণে অসম চৰকাৰৰ পৰা ৫,০০০০০.০০ টকাৰ অৰ্থ সাহায্যৰে এই ভৱনটো নিৰ্মাণ কৰা হয়।

মহাবিদ্যালয়ৰ প্ৰশাসনীয় ভৱনটো ৩ টা মহলাযুক্ত এটা বিশাল ভৱন। এই ভৱনৰ একেবাৰে তলৰ মহলাক কেইবাটাও অংশত ভাগ কৰা হৈছে। এই মহলাৰ একেবাৰে পূব দিশত অধ্যাপক-অধ্যাপিকাৰ জিৰণি চ'ৰা অৱস্থিত। জিৰণি চ'ৰাৰ লগত Fashion Desingning Department আৰু ইয়াৰ সন্মুখ ভাগত ২ টা আধুনিক বৃহৎ একোৱাগাৰ্ড স্থাপন কৰা হৈছে য'ত শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে নিৰ্মল ঠাণ্ডা পানী খোৱাত সুবিধা হৈছে। এই মহলাৰ শিক্ষক-শিক্ষয়িত্ৰী জিৰণি চ'ৰাৰ পশ্চিম দিশলৈ একাদিক্ৰমে অধ্যক্ষৰ কাৰ্যালয়, মহাবিদ্যালয়ৰ কাৰ্যালয়, উপাধ্যক্ষ কাৰ্যালয়, Õ±ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ কাৰণে এটা বৃহৎ zrox ৰূম আৰু একেবাৰে পশ্চিম দিশত মহাবিদ্যালয়ৰ বৃহৎ Canteen খন প্ৰতিষ্ঠা কৰা হৈছে।

প্ৰশাসনীয় ভৱনৰ প্ৰথম মহলাৰ একেবাৰে পশ্চিম দিশত ইংৰাজী বিভাগ অৱস্থিত। এই অংশত ইংৰাজী বিভাগৰ প্ৰধান পাঠ্যক্ৰমৰ শ্ৰেণী কোঠা, এটা ভাষাবিজ্ঞান গৱেষণাগাৰ য'ত কেইবাটাও কম্পিউটাৰৰ সংলগ্ন কৰা আছে। এই মহলাৰ মধ্য অংশত ৪ টা বৃহৎ শ্ৰেণী কোঠা আছে। ইয়াৰোপৰি এই মহলাতে বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ যাৱতীয় কাম পৰিচালনাৰ বাবে এটা বৃহৎ কোঠা নিৰ্মাণ কৰা হৈছে। বাকী পূব দিশৰ অংশত কম্পিউটাৰ বিজ্ঞান বিভাগ, আৰবী বিভাগ আৰু ২ টা প্ৰধান পাঠ্যক্ৰমৰ শ্ৰেণীকোঠা আছে। আৰবী বিভাগৰ ঠিক পিছৰ অংশত Electronic Instrument Repairing Laboratoryটো অৱস্থিত। এই ভৱনটোৰ একেবাৰে ওপৰৰ মহলাটোত ৭ টা বৃহৎ শ্ৰেণী কোঠাত ভাগ কৰা হৈছে। য'ত কলা আৰু বিজ্ঞানৰ সাধাৰণ শ্ৰেণীসমূহ অনুষ্ঠিত হয়। মুঠৰ ওপৰত প্ৰশাসনীয় ভৱনটো মহাবিদ্যালয়ৰ এটা অতি গুৰুত্বপূৰ্ণ ভৱনৰ পৰিণত হৈছে।

**নন্ ৰেচিডেণ্ট ষ্টুডেণ্ট চেণ্টাৰ ভৱন ঃ** ১৯৭০-৭১ চনত ছাত্ৰ-ছাত্ৰীসকলৰ সমূহীয়া অকুণ্ঠ সাহায্য আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৭০.০০০.০০ টকাৰ সহায়ত এই ভৱনটো সম্পূৰ্ণ কৰা হয়। পৰৱৰ্তী সময়ত এই ভৱনটোৱে জৰাজীৰ্ণ ৰূপ পোৱাত বৰ্তমানৰ অধ্যক্ষই ইয়াৰ পৰিৱৰ্ধন আৰু মেৰামতিৰ ব্যৱস্থা কৰে। দুই মহলীয়া এই ভৱনটো বৰ্তমানে মহাবিদ্যালয়ৰ এটা অবিচ্ছেদ্য অংগত পৰিণত হৈছে। ইয়াৰ তলৰ মহলাত এটা বিভাগত Institutional Biotechnology Hub আৰু আনটো ভাগত ছাত্ৰ

জিৰণি কোঠা অৱস্থিত। Institutional Biotechnology Hubৰ সন্মুখৰ কোঠাতো মহাবিদ্যালয় NCCৰ কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰা হৈছে। এই ভৱনৰ ওপৰৰ মহলাটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাসমূহৰ মূল্যাঙ্কনৰ স্থায়ী কেন্দ্ৰ হিচাপে স্থাপন কৰা হৈছে। টাইলছেৰে ইয়াৰ মজিয়াখন সুন্দৰকৈ বন্ধোৱাৰ উপৰিও পৰীক্ষাৰ বহী মূল্যাঙ্কনৰ কাৰণে ২০ যোৰ (৪ জনীয়া) টেবুল-চকীৰ ব্যৱস্থা কৰা আছে। তদুপৰি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সুবিধাৰ বাবে কেন্দ্ৰটোৰ সংলগ্ন কৰি ২ টা আহল-বহল আধুনিক শৌচাগাৰ-প্ৰস্ৰাৱগাৰ ব্যৱস্থা আছে। এই কেন্দ্ৰটো আমাৰ মহাবিদ্যালয়ৰ সম্পদৰূপে বিবেচিত হৈছে কিয়নো অসমৰ কোনো মহাবিদ্যালয়তে এনেধৰণৰ স্থায়ী পৰীক্ষা মূল্যায়নৰ কেন্দ্ৰ স্থাপন হোৱা নাই।

**উদ্ভিদ বিজ্ঞান ভৱন ঃ** ৩ মহলাযুক্ত উদ্ভিদ বিজ্ঞান ভৱনটো আমাৰ মহাবিদ্যালয়ৰ এটা সুদৃশ্য ভৱন। বৰ্তমানৰ অধ্যক্ষৰ প্ৰচেষ্টা আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ সাহায্যত এই ভৱনটো নিৰ্মাণ কৰা হয়। এই ভৱনৰ তলৰ গোটেই মহলাটোত উদ্ভিদ বিজ্ঞান বিভাগ অৱস্থিত। উদ্ভিদ বিজ্ঞানৰ শিক্ষক জিৰণি চ'ৰা, গৱেষণাগাৰ, এটা কাঠফুলা কেন্দ্ৰ উৎপাদন, শ্ৰেণী কোঠাকে ধৰি বিভাগীয় সকলোবোৰ কাম এই মহলাতে অনুষ্ঠিত হয়। ইয়াৰ প্ৰথম মহলাত দৰ্শন বিভাগ, বুৰঞ্জী বিভাগ, বেঙ্গলী বিভাগ, সংস্কৃত বিভাগ আৰু হিন্দী বিভাগ অৱস্থিত। ইয়াৰোপৰি এই মহলাত ৮ টা সৰু শ্ৰেণী কোঠা আছে। এই ভৱনটোৰ একেবাৰে ওপৰ মহলাত অসমীয়া বিভাগ আৰু ৪ টা শ্ৰেণী কোঠা আছে।

**ৰসায়ন বিজ্ঞান ভৱন ঃ** দুই মহলাযুক্ত এই ভৱনটো মহাবিদ্যালয়ৰ দক্ষিণত পুথিভঁড়ালৰ সন্মুখত অৱস্থিত। প্ৰথম অৱস্থাত এই ভৱনটো এক মহলাযুক্ত আছিল। য'ত মহাবিদ্যালয়ৰ সাধাৰণ শ্ৰেণীসমূহ অনুষ্ঠিত হৈছিল। পিছত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৮,০০০০০.০০ টকা আৰু মহাবিদ্যালয়ৰ পুঁজিৰ ৪,০০০০০.০০ টকাৰ সহায়ত এই ভৱনৰ ওপৰ মহলা আৰু তলৰ মহলাৰ পৰিৱৰ্ধন কৰা হয়। বৰ্তমানে এই ভৱনৰ তলৰ মহলাটো ৰসায়ন বিজ্ঞান বিভাগৰ গৱেষণাগাৰ ৰূপে ব্যৱহৃত হৈছে। এই ভৱনৰ ওপৰ মহলাত ৰসায়ন বিজ্ঞান বিভাগ আৰু ইয়াৰ শ্ৰেণীসমূহৰ কাৰণে ৩ টা কোঠা ভাগ কৰা আছে।

**১ নং অসম আৰ্হিৰ ভৱন ঃ** এই ভৱনটো মহাবিদ্যালয়ৰ পুৰণি ভৱনসমূহৰ অন্যতম। বৰ্তমানে এই ভৱনটোও শোভাবৰ্ধন কৰা হৈছে। ভৱনটোৰ প্ৰথম অংশত পৰিসংখ্যা বিজ্ঞান বিভাগ আৰু শেষৰ অংশত গণিত বিজ্ঞান বিভাগ প্ৰতিষ্ঠা কৰা আছে। এই ভৱনৰ মাজৰ গোটেই অংশটোক ৬ টা শ্ৰেণী কোঠাত ভাগ কৰা হৈছে য'ত

পৰিসংখ্যা আৰু গণিত বিভাগৰ শ্ৰেণীসমূহৰ পাঠদান কৰা হয়।

**শৰীৰচৰ্চা ভৱন ঃ** শৰীৰচৰ্চা ভৱনটো মহাবিদ্যালয়ৰ আটাইতকৈ পুৰণি, উত্তৰফালৰ ভৱনটোৰ পিছৰ অংশটো ভাঙি এই ঠাইডোখৰতে নিৰ্মাণ কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৩০,০০০০০.০০ টকা আৰু মহাবিদ্যালয়ৰ নিজ পুঁজিৰ সহায়ত মুঠ ৪১,১০,৩১১.০০ টকা খৰচেৰে এই দুই মহলীয়া ভৱনটো সম্পূৰ্ণ কৰা হয়। ভৱনটোৰ তলৰ মহলাৰ একেবাৰে পশ্চিম দিশৰ কোঠাটো মহাবিদ্যালয়ত সংযুক্ত কৰা সৌৰশক্তিৰ বেটাৰীসমূহৰ সংৰক্ষণ কোঠা হিচাপে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ পিছৰ অংশত ৰাজনীতি বিজ্ঞান বিভাগ, IDOLৰ অধ্যয়ন কেন্দ্ৰ আৰু প্ৰধান পাঠ্যক্ৰমৰ পাঠদানৰ বাবে ৬ টা শ্ৰেণী কোঠা আছে। এই ভৱনৰ ওপৰ মহলাৰ পশ্চিম দিশৰ সন্মুখৰ অংশত এটা Digital শ্ৰেণীকোঠা, Msc II sec.ৰ (Herbal Science and Technology) শ্ৰেণীকোঠাৰ ব্যৱস্থা কৰা আছে। বাকী পুব দিশৰ অংশত Herbal Science and Technology বিভাগ, এই বিভাগৰ শ্ৰেণী কোঠা আৰু গৱেষণাগাৰটো অৱস্থিত। এই মহলাৰ পিছৰ অংশতেই মহাবিদ্যালয়ৰ শৰীৰচৰ্চা কেন্দ্ৰটো অৱস্থিত। শৰীৰচৰ্চা কেন্দ্ৰ আৰু গৱেষণাগাৰৰ মাজৰ অংশটোত এটা বৃহৎ প্ৰস্ৰাৱগাৰ আছে।

**গ্ৰন্থাগাৰ ভৱন ঃ** ২০০১ চনত বি. অ'. আ. ৰ পৰা পোৱা চাৰি লাখ টকাৰে নতুন গ্ৰন্থাগাৰ ভৱনটোৰ তলৰ মহলাটো সম্পূৰ্ণ কৰা হয়। পৰৱৰ্তী সময়ত বৰ্তমানৰ অধ্যক্ষৰ কাৰ্যকালত অসম চৰকাৰৰ পাঁচলাখ টকাৰ সাহায্যৰে ওপৰৰ মহলাটো নিৰ্মাণ কৰা হৈছে। বিভিন্ন উৎসৰপৰা অহা ধনৰ সৎ-ব্যৱহাৰেৰে মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰটো সম্প্ৰতি এক মানবিশিষ্ট গ্ৰন্থাগাৰলৈ ৰূপান্তৰ হৈছে। উন্নত প্ৰযুক্তিবিদ্যা সুবিধা উপলব্ধ আহল-বহল অধ্যয়ন কক্ষ আৰু প্ৰায় ৪৫,০০০ তকৈও অধিক কিতাপৰ সংগ্ৰহেৰে চকুত লগা পুথিভঁৰালটোৰ ২০১৬ চনৰ NAAC ৰ পৰ্যবেক্ষকসকলে ভূয়সী প্ৰশংসা কৰি গৈছে।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ দুমহলীয়া পুথিভঁড়াল ভৱনটো অসমৰ আগশাৰী মহাবিদ্যালয়ৰ পুথিভঁড়ালসমূহৰ অন্যতম। বাছকবনীয়া গ্ৰন্থসম্ভাৰেৰে আমাৰ মহাবিদ্যালয়ৰ পুথিভঁড়ালটো যিকোনো গ্ৰন্থপ্ৰেমীৰ বাবেই আকৰ্ষণীয় বিষয় হৈ পৰিছে। এই ভৱনৰ তলৰ মহলাটো গ্ৰন্থগাৰৰ লগতে ইয়াৰ কৰ্মচাৰীসকলৰ কাৰ্যালয় হিচাপে ব্যৱহৃত হৈছে। ভৱনটোৰ ওপৰ মহলাত শিক্ষক ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ সুবিধাৰ বাবে এক বিশাল অধ্যয়ন কোঠাৰ ব্যৱস্থা কৰা আছে। অসম চৰকাৰৰ পাঁচলক্ষ (৫,০০০০০.০০ টকা) টকাৰ সাহায্যত এই ভৱনৰ ওপৰ মহলাটো আটকধুনীয়াকৈ নিৰ্মাণ কৰা হৈছে।

**ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N.C.C) ভৱন ঃ** ১৯৬২ চনৰ চীনা আক্ৰমণৰ পিছত

ভাৰত চৰকাৰে কলেজসমূহত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী (NCC) প্ৰচলন কৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত আমাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰৱৰ্তন কৰা হয়। যাৰ ফলত মহাবিদ্যালয়ৰ একেবাৰে দক্ষিণ দিশত গ্ৰন্থগাৰৰ পিছৰ অংশত এই ভৱনটো নিৰ্মাণ কৰা হয়। এক মহলাযুক্ত এই ভৱনটোৰ পৰাই বৰ্তমানলৈকে শিক্ষাৰ্থীসকলৰ যাৱতীয় সকলো কাম পৰিচালিত হৈ আছে। উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ৰ প্ৰথমৰে পৰা বৰ্তমানলৈকে বিভিন্ন সময়ত বহু ছাত্ৰ-ছাত্ৰীয়ে N.C.C cadet C Certificate লাভ কৰি সামৰিক আৰু আৰক্ষী বিভাগত নিযুক্ত হৈছে।

**আন্তঃক্ৰীড়া ভৱন ঃ** পুৰণি প্ৰেক্ষাগৃহটি আধৰুৱা হৈ থকা আৰু সময়ৰ তাগিদাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ স্বাৰ্থত পুৰণি ভৱনটো সম্পূৰ্ণৰূপে ভাঙি পেলোৱা হয়। পৰৱৰ্তী সময়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৪০,০০০০০.০০ টকা আৰু মহাবিদ্যালয়ৰ পুঁজিৰ সাহায্যত সৰ্বমুঠ ৪৬,৪৯,৪৩৫.০০ টকাৰ মুঠ ব্যয়ৰে এই ভৱনটো সম্পূৰ্ণ কৰা হয়। 'বেজবৰুৱা ভৱন'ৰ সমান্তৰালকৈ দক্ষিণ মুৱাকৈ ১২০ ফুট দীঘল আৰু ৫০ ফুট বহলেৰে মুঠ ৬০০০ বৰ্গ ফুট আয়তনেৰেই এটা বিশাল ভৱন। পাইন কাঠৰ চিলিঙিৰে এই ভৱনৰ ভিতৰ অংশ অতি মোহনীয়। ইয়াৰ ভিতৰ অংশত ২ খন বেডমিণ্টন কোৰ্ট আৰু ২ খন টেবুল টেনিচ বৰ্ড অস্থায়ীভাৱে স্থাপন কৰাৰ সুবিধা আছে য'ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে সুন্দৰ পৰিৱেশত খেলিব পাৰে।

এই ভৱনটো নিৰ্মাণ কৰোতে দুটা উদ্দেশ্য ৰাখি নিৰ্মাণ কৰা হৈছিল যাতে খেলাধূলাৰ উপৰিও ইয়াক এটা প্ৰেক্ষাগৃহ হিচাপে ব্যৱহাৰ কৰিব পাৰে। সেই বাবেই ভৱনটোৰ একেবাৰে দক্ষিণমূৰত ২০ ফুট দীঘল, ৫০ ফুট বহলৰে মুঠ ১০০০ বৰ্গ ফুটেৰে এটা বিশাল মঞ্চ স্থাপন কৰা হৈছে। বৰ্তমানে এই ভৱনটোৱে আমাৰ মহাবিদ্যালয়ত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। প্ৰয়োজন অনুসৰি বিভিন্ন ধৰণৰ চূড়ান্ত পৰীক্ষাসমূহো মাজে সময়ে অস্থায়ীভাৱে ইয়াত অনুষ্ঠিত হয়। এই ভৱনত একেলগে ১০০০ জন শ্ৰোতাই যিকোনো অনুষ্ঠানত ভাগ লোৱাৰ সুবিধা কৰা আছে। আন্তঃক্ৰীড়া ভৱনটো আমাৰ বিদ্যালয়ৰ প্ৰেক্ষাগৃহ হিচাপেও ব্যৱহাৰ হৈ আহিছে। এই ভৱনটো ২০১২ চনত উদ্বোধন কৰা হয়।

**২ নং অসম আৰ্হি ভৱন ঃ** কেন্দ্ৰীয় চৰকাৰৰ সংসদীয় পুঁজিৰ অৰ্থসাহায্যত মহাবিদ্যালয় চৌহদৰ একেবাৰে পশ্চিম সীমাত এই ভৱনটো অৱস্থিত। এই ভৱনটো বিভিন্ন সময়ত বিভিন্ন কামত ব্যৱহৃত হৈ আহিছে। বৰ্তমানে ভৱনটোৰ প্ৰথমৰ কোঠাটো নাক (NAAC)ৰ অৰ্থাৎ National Assessment and Accreditation Council (ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ) মহাবিদ্যালয়ৰ কাৰ্যালয় হিচাপে ব্যৱহৃত হৈ

আছে। অন্য এটা কোঠাত মহাবিদ্যালয় চিকিৎসা কোষ (Medical Cell)ৰ কাৰ্যালয় স্থাপিত হৈ আছে। পৰিতাপৰ কথা যে বৰ্তমানে এই ভৱনটো জৰাজীৰ্ণ ফালে গতি কৰিছে। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ইচ্ছা কৰিলে ইয়াক পৰিৱৰ্ধন অথবা ইয়াৰ ঠাইত প্ৰয়োজন অনুসৰি নতুন ভৱন নিৰ্মাণ কৰিব পাৰে।

**১ নং ছাত্ৰী নিবাস ভৱন ঃ** আমাৰ মহাবিদ্যালয়ৰ দূৰণিবটীয়া ছাত্ৰীসকলৰ সুবিধাৰ কাৰণে ২০০৬ চনত এই ভৱনটো উদ্বোধন কৰা হয়। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থসাহায্যত ২৫,০০০০০.০০ টকা ব্যয়ৰে দুমহলীয়া এই ভৱনটো সম্পূৰ্ণ কৰা হয়। সৰ্বমুঠ ৩৪ জনী ছাত্ৰী থকা-মেলাৰ সু-ব্যৱস্থা আছে। ভৱনটোৰ তলৰ মহলাত ছাত্ৰী অধীক্ষকৰ কোঠা, ৰান্ধনি ঘৰ, ভোজনালয়, নিবাসৰ কৰ্মচাৰীৰ কোঠাৰ উপৰিও ছাত্ৰীসকলৰ কাৰণে ৬ টা কোঠাৰ ব্যৱস্থা কৰা আছে। ওপৰমহলাত ছাত্ৰীসকলৰ কাৰণে আহল-বহলকৈ ১০ টা কোঠাৰ ব্যৱস্থা কৰা আছে। ছাত্ৰীসকলৰ সুবিধাৰ্থে সৰ্বাঙ্গসুন্দৰ ফাৰ্ণিচাৰৰ ব্যৱস্থা কৰা আছে যাতে ছাত্ৰীসকলে কোনো অসুবিধাৰ সন্মুখীন নহয়।

**২ নং ছাত্ৰী নিবাস ঃ** যোৱা পাঁচ-ছয় বছৰত আমাৰ বিদ্যালয়লৈ দূৰণিবটীয়া বহুতো ছাত্ৰী অধ্যয়নৰ বাবে সোঁত বয়। যাৰ ফলত ছাত্ৰী নিবাসৰ চাহিদা বহু পৰিমাণে বৃদ্ধি পায়। সেয়েহে ছাত্ৰীসকলৰ সুবিধাৰ অৰ্থে ২০০৯ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত মুঠ ৫৩,৭৫,৪৫০.০০ টকাৰ ব্যয়ৰে দুমহলীয়া এই ভৱনটো সম্পূৰ্ণ কৰা হয়। এই ভৱনটো প্ৰথম ছাত্ৰী নিবাসতকৈ যথেষ্ট ডাঙৰ। ইয়াত মুঠ ৫৬ জনী ছাত্ৰীৰ থকা-মেলাৰ সুব্যৱস্থা কৰা আছে। ভৱনটোৰ তলৰ মহলাত ছাত্ৰী অধীক্ষকৰ কোঠা, ৰান্ধনী ঘৰ, ভোজন ঘৰ, ছাত্ৰীবাসৰ কৰ্মচাৰীৰ কোঠা আৰু ছাত্ৰীসকলৰ কাৰণে ১০ টা কোঠাৰ উপৰিও শৌচালয় আৰু গাধোৱা ঘৰৰ সুব্যৱস্থা আছে। ইয়াৰ ওপৰ মহলাত মুঠ ১৬ টা আহল-বহল কোঠাৰ উপৰিও গা-ধোৱা ঘৰ আৰু শৌচালয়ৰ সুন্দৰ ব্যৱস্থা কৰা আছে। মুঠৰ ওপৰত মহাবিদ্যালয়ৰ দুয়োটা ছাত্ৰী নিবাসে আধুনিক সকলোবোৰ সা-সুবিধাৰ ব্যৱস্থা কৰা আছে।

**খোৱাপানী আৰু বিজুলীৰ ব্যৱস্থা ঃ** শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে বিশুদ্ধ খোৱা পানীৰ নিমিত্তে মহাবিদ্যালয়ৰ বিভিন্ন স্থানত মুঠ ১০ টা একোৱাগাৰ্ডৰ ব্যৱস্থা আছে। মহাবিদ্যালয়ৰ কাৰ্যালয় আৰু শ্ৰেণীসমূহলৈ অৱিচ্ছিন্নভাৱে যাতে বিদ্যুৎ যোগান ধৰিব পৰা যায় তাৰ কাৰণে মহাবিদ্যালয়খনত নিজা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰাৰ উপৰিও ছটা জেনেৰেটৰৰ ব্যৱস্থা আছে। বৰ্তমান সময়ত অনিয়মীয়া বিদ্যুৎ যোগান উচ্চহাৰত পেট্ৰল-ডিজেলৰ দাম বৃদ্ধিয়ে বহুতো সমস্যাৰ সৃষ্টি কৰিছে সেয়েহে বৰ্তমানৰ অধ্যক্ষৰ তৎপৰতাত MNR (Ministry of Non Renewable Energy) ৰ অধীনৰ Off-

Grid and Decentralised solar applicationৰ অৰ্থ সাহায্যত আমাৰ মহাবিদ্যালয়ত সৌৰশক্তি ব্যৱস্থাৰ স্থাপন কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ এই বিভাগে অনুদান দিয়া ১কোটি ৮ লক্ষ টকা আৰু মহাবিদ্যালয়ৰ নিজা পুঁজিৰ ১২,৩৫,০০০.০০ টকাৰ সৰ্বমুঠ ১ কোটি ২০ লাখ ৩৫ হেজাৰ টকাৰে ইয়াক কাৰ্যক্ষম কৰা হয়। সৌৰশক্তি ব্যৱস্থা স্থাপন কৰাৰ ফলত মহাবিদ্যালয়ত বৰ্তমানে ২৪ ঘণ্টাই বিদ্যুৎ যোগান নিয়মীয়া হৈ পৰিছে যাৰ ফলত মহাবিদ্যালয় পৰিয়ালে ভোগ কৰি অহা অসুবিধাবোৰৰ অন্ত পৰিছে।

বৰ্তমান সময়ত আমাৰ মহাবিদ্যালয়ৰ আৱয়বিক ৰূপটো সুদৃশ্য আৰু নান্দনিক ৰূপত সজাই তোলা হৈছে যাতে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক, শাৰীৰিক আদি দিশৰ সৰ্বাঙ্গ বিকাশত সহায়ক হয়।▸▸

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ ঃ এটি ৰেঙনি

## হৃষিকেশ ভূঞা

গ্ৰন্থাগাৰ হৈছে এখন শিক্ষানুষ্ঠানৰ হৃদপিণ্ডস্বৰূপ। যেনেদৰে হৃদপিণ্ডই বিশুদ্ধ ৰক্তৰ যোগান ধৰি মানব শৰীৰটো জীৱন্ত কৰি ৰাখে তেনেদৰে গ্ৰন্থাগাৰ একোটাইয়ো জ্ঞানৰ প্ৰৱাহেৰে শিক্ষানুষ্ঠান এখনক পূৰ্ণাংগ আৰু পৰিপুষ্ট কৰি তোলে। মহাবিদ্যালয় এখনৰ গ্ৰন্থাগাৰে ছাত্ৰ-শিক্ষকৰ অধ্যয়নৰ স্পৃহা পূৰণ কৰাৰ উপৰিও গৱেষণাৰ বাবে এক উৎকৃষ্ট পৰিৱেশ ৰচনা কৰে। সেয়েহে বৰ্তমান সময়ত শিক্ষানুষ্ঠানত বিশেষকৈ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত গ্ৰন্থাগাৰৰ ভূমিকা অপৰিসীম।

১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত প্ৰতিষ্ঠা হোৱা মধ্য অসমৰ উচ্চ শিক্ষাৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰা কালৰপৰা বৰ্তমানলৈকে এই সুদীৰ্ঘ ৫৮ বছৰে অসমৰ উচ্চশিক্ষাৰ ইতিহাসত নিজ স্থিতি আৰু কৃতিৰে এক গৌৰৱোজ্জ্বল ঐতিহ্য সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰে প্ৰতিষ্ঠা লাভ কৰিছিল ১৯৫৯ চনতে। সেই সময়ত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত শুকদেৱ গোস্বামীদেৱৰ ঘৰতে মহাবিদ্যালয়ৰ কাৰ্যালয় আৰু গ্ৰন্থাগাৰৰ আৰম্ভণি কৰা হৈছিল। প্ৰথম অৱস্থাত এটা কাঠৰ আলমাৰীত অধ্যক্ষ মহোদয়ৰ ব্যক্তিগত কিতাপ কিছুসংখ্যক আৰু ছাত্ৰসকলে দান কৰা কিছু কিতাপেৰে Library আৰম্ভ কৰা হৈছিল। প্ৰথমে গ্ৰন্থাগাৰ পৰিচালনা কৰিছিল মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক হিচাপে নিযুক্তি পোৱা শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা বৰুৱাই। মাজে সময়ে অধ্যক্ষ শুকদেৱ গোস্বামীদেৱেও ছাত্ৰসকলৰ

প্ৰয়োজনীয় কিতাপ issue কৰাত সহায় কৰিছিল। ১৯৬০-৬১ চন মানত গ্ৰন্থাগাৰটো মহাবিদ্যালয়ৰ বৰ্তমানৰ স্থায়ী চৌহদৰ অধ্যক্ষ মহোদয়ৰ কাৰ্যালয়ৰ (পুৰণা, বৰ্তমান Girls Common Room ৰ নিৰ্মাণ চলি থকা ঠাইত) কাষৰ এটা কোঠালীলৈ স্থানান্তৰিত কৰা হয়। ইয়াৰ পিছত মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক হিচাপে নিযুক্তি পোৱা শ্ৰীৰোহিত চন্দ্ৰ মহন্তয়ো মাজে সময়ে গ্ৰন্থাগাৰৰ কাম-কাজ চোৱা-চিতা কৰিছিল। ১৯৬৪ চনত মহাবিদ্যালয়খনে ৰাজ্য চৰকাৰৰ ঘাটি মঞ্জুৰী লাভ কৰাৰ পিছত ক্ৰমান্বয়ে মহাবিদ্যালয়ৰ লগতে গ্ৰন্থাগাৰটিয়েও এক নতুন ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰিলে। লাহে লাহে কিতাপ আৰু আলমাৰীৰ সংখ্যা বৃদ্ধি হ'বলৈ ধৰে। এই সময়তে গ্ৰন্থাগাৰৰ নিয়মীয়া কাম-কাজ পৰিচালনা কৰিবলৈ শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মা বৰুৱাক গ্ৰন্থাগাৰিকৰ দায়িত্ব অৰ্পণ কৰা হয়। তেতিয়া গ্ৰন্থাগাৰত তেখেতৰ বাহিৰে আন কোনো স্থায়ী সহায়ক নাছিল। অৱশ্যে মাজে সময়ে মহাবিদ্যালয়ৰ চতুৰ্থবৰ্গৰ বিভিন্ন কৰ্মচাৰীয়ে শৰ্মা বৰুৱাদেৱক গ্ৰন্থাগাৰৰ কাম-কাজ চলাই নিয়াত সহায় কৰিছিল।

১৯৬৫ চনত মহাবিদ্যালয়ৰ অধ্যক্ষৰ দায়িত্ব লয় প্ৰয়াত মঃ আব্দুল হাইদেৱে। হাই ছাৰৰ দিনতে গ্ৰন্থাগাৰৰ সম্প্ৰসাৰণ আৰু দৈনিক কামৰ বোজা বাঢ়ি যোৱাৰ বাবে শ্ৰীপ্ৰণব মুদৈক স্থায়ী Library Bearer হিচাপে নিযুক্তি দিয়া হয়। এই সময়চোৱাত মহাবিদ্যালয় কৰ্তৃপক্ষই অস্থায়ীভাৱে বিভিন্ন ব্যক্তিক গ্ৰন্থাগাৰ সহায়ক হিচাপে নিযুক্তি দিছিল। তেওঁলোক আছিল মঃ তৈয়বুল্লা, অমল বৰুৱা আৰু প্ৰয়াত অম্বুৰাম চমুৱা। এওঁলোকে ১৯৬৮ চনৰ পৰা ১৯৭৮ চন মানলৈকে এই সময়ছোৱাত গ্ৰন্থাগাৰত কৰ্মৰত আছিল। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ত গ্ৰন্থাগাৰ বিজ্ঞানৰ স্নাতক ডিগ্ৰী লৈ ০১-০৯-১৯৭০ চনত শ্ৰীপ্ৰভাত চন্দ্ৰ শৰ্মা বৰুৱাই পূৰ্ণ পৰ্যায়ৰ স্থায়ী গ্ৰন্থাগাৰিক হিচাপে নিযুক্তি লাভ কৰে। কিতাপৰ সংখ্যা বাঢ়ি যোৱাৰ বাবে গ্ৰন্থাগাৰত ঠাইৰ অভাৱ পৰিলক্ষিত হোৱাত ১৯৭০ চনত সেই সময়ৰ ছাত্ৰী জিৰণি কোঠাৰ কাষৰ ১০নং কোঠালীলৈ গ্ৰন্থাগাৰটো স্থানান্তৰ কৰা হয়। (বৰ্তমানৰ শিক্ষা বিভাগ থকা তিনিমহলীয়া গৃহটো)। লাহে লাহে মূল্যবান তথা আপুৰুগীয়া গ্ৰন্থসমূহ গ্ৰন্থাগাৰত সংগ্ৰহ আৰু সংৰক্ষণৰ ব্যৱস্থা আৰম্ভ হয়। এইদৰে গ্ৰন্থাগাৰটোৱে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলৰো মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনত অৰিহণা যোগাবলৈ ধৰে।

ইতিমধ্যে প্ৰথমজন স্থায়ী গ্ৰন্থাগাৰ সহায়ক হিচাপে শ্ৰীযুত লীলাধৰ বৰুৱাই ৮-১-১৯৭৯ চনত নিযুক্তি লাভ কৰে। গ্ৰন্থাগাৰৰ দ্বিতীয়জন Library Bearer হিচাপে মঃ আবু হুছেইনক ১২-৫-১৯৭৮ চনত নিযুক্তি দিয়া হয়। এইবাৰো ১০নং কোঠালীত ঠাইৰ অভাৱে দেখা দিয়াত ১৯৯৪ চনত সেই সময়ৰ অধ্যক্ষ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰ্মনদেৱৰ উদ্যোগত পূৰ্বতে নিৰ্মিত 'Students Day Home' নামৰ গৃহৰ প্ৰথম মহলা

মেৰামতি কৰি তালৈ গ্ৰন্থাগাৰটো স্থানান্তৰিত কৰি প্ৰথমবাৰৰ বাবে ছাত্ৰ আৰু শিক্ষকসকলৰ বাবে সুকীয়াকৈ অধ্যয়ন কক্ষৰ ব্যৱস্থা কৰা হয়। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো স্থায়ী ভৱনলৈ (Ground Floor) স্থানান্তৰিত কৰা হয় ২০০২ চনত। এই ভৱনটি বিশ্ববিদ্যালয় অনুদান আয়োগৰ (UGC) অনুদানেৰে নিৰ্মাণ কৰা হয়। ইয়াৰ নিৰ্মাণৰ ক্ষেত্ৰত সেই সময়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত সহজানন্দ ওজাদেৱৰ অৱদান স্মৰণযোগ্য। আজিৰ এই পূৰ্ণাংগৰূপ পোৱা গ্ৰন্থাগাৰটোৰ ভেটি অথবা বুনিয়াদ ওজা ছাৰৰ দিনতে আৰম্ভ কৰা হৈছিল। এই নতুন ভৱনটিতে গ্ৰন্থাগাৰটোৱে পূৰ্ণাংগ ৰূপ পাবলৈ সক্ষম হয়। প্ৰথম অৱস্থাত ভূমি মহলাতেই কিতাপৰ আলমাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন কক্ষৰ ব্যৱস্থা কৰা হৈছিল। ২০০৪ চনত গ্ৰন্থাগাৰিক শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মা বৰুৱাই অৱসৰ গ্ৰহণ কৰাৰ পাছত এই লেখকে গ্ৰন্থাগাৰিক হিচাপে যোগদান কৰোঁ।

মহাবিদ্যালয় গ্ৰন্থাগাৰত তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ (Computer) প্ৰয়োগ ২০০৪ চন মানৰপৰা আৰম্ভ হয়। সেই সময়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত নগেন চন্দ্ৰ নাথদেৱৰ উদ্যোগত গ্ৰন্থাগাৰত উপলব্ধ কিতাপসমূহৰ Computerized database প্ৰস্তুতকৰণৰ কাম আৰম্ভ হয়। প্ৰথমে স্থানীয়ভাৱে নিৰ্মিত এটা ছফট্‌ৱেৰত (Software) কিছুসংখ্যক কিতাপৰ নাম ভৰোৱা আৰম্ভ হয়। ইতিমধ্যে প্ৰথম বাৰৰ বাবে ২০০৪ চনৰ ছেপ্টেম্বৰ মাহত NAAC (National Assement and Acreditation Council) পৰিদৰ্শন হয়। এই পৰিদৰ্শনৰ সময়তে NAAC ৰ মূল্যায়ণকাৰী দলক পুথিভঁৰালটোৰ কাম-কাজ আৰু Computerization Process ৰ অগ্ৰগতিৰ এটা আভাস দিয়াৰ চেষ্টা কৰা হয়।

গ্ৰন্থাগাৰ আধুনিকীকৰণে এটা নতুন গতি লাভ কৰে ২০০৬ চনৰপৰা। সেই সময়তে UGC ৰ অধীনৰ এটা স্বতন্ত্ৰ প্ৰতিষ্ঠান INFLIBNET (Information Library Network) ৰ দ্বাৰা নিৰ্মিত SOUL (Software for University Libraries) নামৰ Library Automation চফ্‌টৱেৰটো মহাবিদ্যালয় গ্ৰন্থাগাৰে বিনমূলীয়াকৈ লাভ কৰে। ইয়াক বিনামূলীয়াকৈ লাভ কৰিবৰ বাবে যাৱতীয় নথি-পত্ৰ প্ৰস্তুত আৰু যোগাযোগ কৰাৰ ক্ষেত্ৰত বৰ্তমানৰ অধ্যক্ষ ড° ছৰিফউদ্দিন আহমেদ ছাৰৰ আগ্ৰহ আৰু অৱদানৰ কথা স্বীকাৰ কৰিবই লাগিব। উল্লেখযোগ্য যে সেই সময়ত ইয়াৰ মূল্য আছিল ৮০,০০০.০০ (আশী হাজাৰ) টকা। ২০১১ চনত Library Automation ৰ কাম সম্পূৰ্ণ হয়। বৰ্তমান গ্ৰন্থাগাৰৰ দৈনন্দিন সকলো কাম-কাজ Computer ৰ সহায়ত কৰা হয়। ইয়াৰ উপৰিও তথ্য আৰু প্ৰযুক্তিৰ নতুন আৱিষ্কাৰ Bar Code Technology ব্যৱহাৰ কৰি গ্ৰন্থাগাৰ পৰিচালনাৰ ব্যৱস্থাটো আৰু অধিক সহজ আৰু ক্ষীপ্ৰ কৰি তোলা হৈছে।

২০০৬ চনতে অধ্যক্ষ ড° ছৰিফউদ্দিন আহমেদ ছাৰৰ চেষ্টা আৰু উদ্যোগত গ্ৰন্থাগাৰৰ প্ৰথম মহলাৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হয়। প্ৰথম মহলালৈ Reading Room, Reference Section আৰু Periodical Section স্থানান্তৰিত কৰা হয়। প্ৰায় ১২০ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা বহি পঢ়িবলৈ সুবিধা থকা আটকধুনীয়া Reading Room-এ গ্ৰন্থাগাৰৰ এটা দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰিলে। ২০১৫ চনত UGC ৰ আৰ্থিক সাহায্যৰে প্ৰথম মহলাতেই সুকীয়াকৈ Referece Library আৰু Digital Library ৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হয়। এই নিৰ্মাণ কাৰ্যই গ্ৰন্থাগাৰটোত পূৰ্ণ ৰূপ দিয়ে। গ্ৰন্থাগাৰৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছৰিফউদ্দিন আহমেদ ছাৰৰ অৱদানৰ কথা পুনৰ শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

UGC ৰ পৰা অহা বিভিন্ন অনুদানেৰে বিভিন্ন বিষয়ৰ গ্ৰন্থ ক্ৰয় কৰি গ্ৰন্থাগাৰটিৰ সমৃদ্ধ কৰি তুলিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ উপৰিও Digital Library ত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ বাবে এটা Computer Lab. ৰ নিৰ্মাণ কৰি উলিওৱা হৈছে য'ত Internet ৰ সহায়ত ছাত্ৰ-ছাত্ৰীসকলে বিনামূলীয়াকৈ দেশ-বিদেশৰ বিভিন্ন Electronic Journal তথা Electronic Book অধ্যয়ন কৰিব পাৰে।

বৰ্তমান গ্ৰন্থাগাৰত থকা কিতাপ আৰু অন্যান্য সংগ্ৰহৰ তালিকাখন এনেধৰণৰ—

১) কিতাপৰ সংখ্যা = ৪৬৩৫৭

২) নিয়মীয়াকৈ অহা
আলোচনীৰ/জাৰ্ণেলৰ সংখ্যা = ২৭

৩) আলোচনী/বাতৰি কাকতৰ সংখ্যা = ১০

৪) বন্ধোৱা আলোচনীৰ সংখ্যা = ৩৬২

৫) Compact Disc (CD) ৰ সংখ্যা = ২১০

৬) Electronic Book/Electronic Journal ৰ সংখ্যা = (UGC) N-LIST ৰ অধীনৰ সকলো E book আৰু Journal। ওপৰত উল্লেখ কৰা তথ্যৰ উপৰিও বিভিন্ন বিষয়ৰ বিশেষ সংগ্ৰহ যেনে Gandian Studies, Vivekananda Studies, Ambedkar Studies, Northeast Studies, Women Studies, Human Rights, Competitive Examination, College Publication ইত্যাদি বিভিন্ন নতুন নতুন বিষয়ৰ অন্তৰ্ভুক্তিৰে গ্ৰন্থাগাৰটোক আৰু অধিক সমৃদ্ধ কৰি তুলিবলৈ চেষ্টা কৰা হৈছে।

বৰ্তমান গ্ৰন্থাগাৰত কৰ্মৰত বিভিন্ন কৰ্মকৰ্তাসকল হৈছে—

| ক্ৰ.নং. | নাম | পদবী | যোগদানৰ তাৰিখ |
|---|---|---|---|
| ১ | হৃষিকেশ ভূঞা | গ্ৰন্থাগাৰিক | ৩১-০৭-২০০৮ |

| | | | |
|---|---|---|---|
| ২ | সুকৃতি হাজৰিকা | সহকাৰী গ্ৰন্থাগাৰিক (অস্থায়ী) | ১৬-০৯-২০১১ |
| ৩ | মানিক বৰদলৈ | গ্ৰন্থাগাৰ বাহক | ১৭-০৬-২০০৮ |
| ৪ | জেহিৰুল ইছলাম | গ্ৰন্থাগাৰ বাহক | ০৩-১০-২০১৪ |

(বিঃদ্ৰঃ- শ্ৰীলীলাধৰ বৰুৱাই যোৱা ৩১-০১-২০১৭ চনত এই পদৰপৰা অৱসৰ গ্ৰহণ কৰাৰ পৰা গ্ৰন্থাগাৰ সহায়ক পদটো খালী হৈ আছে।)

সাম্প্ৰতিক সময়ত গ্ৰন্থাগাৰৰ ধাৰণা বহুপৰিমাণে সলনি হৈছে। তথ্য আৰু প্ৰযুক্তিবিদ্যাৰ সফল প্ৰয়োগৰ যোগেদি গ্ৰন্থাগাৰক তথ্যকেন্দ্ৰলৈ ৰূপান্তৰিত কৰা হৈছে। প্ৰতিষ্ঠা কালৰেপৰা বৰ্তমান সময়লৈকে এই সুদীৰ্ঘ ৫৮ বছৰে মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰটোৱে নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ হৈ আহি আজি এটা পূৰ্ণাংগ গ্ৰন্থাগাৰৰূপে আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনত আৰু অধিক সুস্থ শৈক্ষিক আৰু বৌদ্ধিক পৰিৱেশ গঢ়ি তোলাত সহায়ক হ'বলৈ বৰ্তমানৰ গ্ৰন্থাগাৰটোক এটা উৎকৃষ্টমানৰ গ্ৰন্থাগাৰলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলোৱে মনোনিৱেশ কৰিব লাগিব।

*(বিঃদ্ৰঃ লেখাটো প্ৰস্তুত কৰোতে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কেইবাজনো অধ্যাপক, কৰ্মচাৰী তথা পূৰ্বৰ গ্ৰন্থাগাৰিক শ্ৰীযুত প্ৰভাত চন্দ্ৰ শৰ্মা বৰুৱাদেৱৰ পৰা পোৱা তথ্যৰ সহায় লোৱা হৈছে। তেওঁলোক সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।) — লেখক।*

# Teacher Council, ADP College

**Aminul Islam**

The 'Teachers' Council' of ADP College has a glorious history behind it. It was formed in the year 1964 when the college was brought under the deficit grant -in-aid system. It is an affiliated unit of the "Assam College Teachers Association" and it has its own constitution. As per tradition, the post of the president was to be held by the Principal of the College and the secretary and other office bearers were to be either elected or selected from among the members of the 'Teacher's Council'.

The teachers council of ADP college has been playing a rivotal role in all round development of the college since its formation. The primary duty of the T.C. is to protect the rights, interests and privileges of the teaching community. It is also duty bound to look into the interests of the student community and the college as a whole.

As per the constitution, two or three members of the T.C. have been representing the T.C. to G.B. of the college since its formation. The representation are duty bound to act constitutionally and thereby protect the rights of its members and the interest of the college.

It has been the tradition of the T.C. to extend financial help to its members in distress. It also offers financial help to other persons belonging to the teaching fraternity for medical treatment. Besides,

it also donates generously to the chief Minister's and the Prime Minister's relief funds at the time of calamities. It has donated to the then USSR in the event of an earthquake there. It is also a tradition of the T.C. to give farewell to its outgoing members.

The T.C. has been playing an active part in the college teachers' movement conducted by ACTA. It has been sending its delegates to the ACTA Annual Conferences as well as zonal conferences regularly. The delegates of the T.C. also attend different meetings and seminars organized by the ACTA. From time to time its representatives have rendered valuable services to the organizational cause of the ACTA. Mention may be made of the contributions of its following members :

1. Prof. Baneswar Saikia served the ACTA as its General Secretary for two consecutive terms (session 1974-75 and 1075-76).

2. Prof. Sahajananda Ojah rendered his services twice as the organizing secretary of the ACTA.

3. Prof. Amarendra Nath Sarmah served twice as an executive member of the ACTA. Prof. Sarmah was also the general secretary of the 'Nagaon Morigaon District Co-ordination committee (ACTA) for the session 2002-2003. He was the 1st general secretary of the 'Nagaon-Morigaon zone' (ACTA) and served the zone for two consecutive terms. (session - 2005-06 and 2006-07).

4. Prof. Debajit Kr. Sarmah was an executive member of the 'Nagaon-Morigaon Zone' for the session 2005-06 and 2006-07.

5. Prof. Aminul Islam served as an executive member of the 'Nagaon-Morigaon zone' for the session 2007-08. He was the vice president of the zone for the session 2008-09. He was the president of the zone for three consecutive terms for the session 2008-09, 2009-10 and 2010-11. He was also an executive member (CECM) of the ACTA for the session 2011-12. Moreover he served ACTA as member of its 'Academic sub committee' for one term and member of building construction and maintainable sub committee twice. He was selected as one of the vice presidents of the

organizing committee of the 'AIFUCTO' Academic conference held in Guwahati, 2016.

6. Dr. Sonaram Nath was an executive member of the zone for the session 2008-09.

7. Prof. Joy Kr. Singha served the 'Nagaon-Morigaon zone (ACTA) as its Vice President for the session 2011-12 and as treasurer for the session 2012-13. He was also an executive member of the 'zone' for two terms.

8. Dr. Sadananda Payeng has been serving as an executive member of the zone from the session 2015-16.

Most remarkable achievements of the T.C. were the hosting of the 'ACTA Zonal Seminar' of Nagaon-Morigaon Zone' on the topic - 'Public funded Education System : Challenges and Responsiblities' on 20th Dec. 2008 and the 5th Annual conference of the Nagaon-Morigaon Zone (ACTA) one 8th June/ 2009. It also organized another seminar on the Topic Srimanta Sankaradeva as an innovator' in 2015.

Another notable feature of the T.C. is to award (Rs. 3000/- and certificate of merit) to the best graduates of both arts and science stream. Process of felicitating the faculty members who obtain Ph.D, post doctorate Degrees and international, National and state level awards by the TC. began since 2014.

Also, school bags were provided to the school going children belonging Dalit community at Dalit Colony, Haibargaon, Nagaon from the T.C. fund in 2015.

The convention in case of selecting the president of the TC has been changed from the session 2009 - 10. As per the new constitution of the ACTA, the president of the T.C. is to be either elected or selected from among its members. Accordingly. Prof. Kailash Ch. Das was selected as the president of the TC for the sessions 2009-10 and 2010-11.

In short the TC since its formation has been playing a vital role in the all round development like infrastructure works, construc-

tion, works, teaching-learning and evaluation tasks and administrative set up etc. of the college.

At last, as per records available, I herewith submit the year wise list of the presidents and secretaries of the TC since its inception.

| Names of the presidents | Year | Names of the secretaries | Year |
|---|---|---|---|
| 1. Late Sukdev goswami | 01-04-64 to 16-10-64 | 1. Late Prof. Narendra Nath Saikia | 1964-67 |
| 2. Late Kandarpadev Goswami | 17-10-64 to 05-01-65 | 2. Prof. Shashi Bora | 1968-89 |
| 3. Late Abdul Hye | 06-01-65 to 06-05-85 | 3. Late Debendra Nath Saikia | 1990-95 |
| 4. Dr. Narayan Ch. Barman | 07-05-85 to 31-08-94 | 4. Prof. Padma Kt. Sarmah | 1996-98 |
| 5. Late Prof. Narendra Nath Saikia | 01-09-94 to 31-12-96 | 5. Prof. Nirada Deka Saikia | 1999 |
| 6. Late Jitendra Nath Bora | 01-01-97 to 31-10-98 | 6. Late Prof. Ashraf Ali | 2000-01 |
| 7. Prof. Rabindra Bora | 01-11-98 to 31-03-99 | 7. Prof. Debajit Kr. Sarmah | 2002-04 |
| 8. Prof. Ram Ch. Deka | 01-04-99 to 30-11-00 | 8. Prof. M. Habib Ullah | 2004-05 |
| 9. Prof. Sahajananda Ojah | 01-12-00 to 30-11-02 | 9. Late Prof. Satya Moni Dutta | 2006 |
| 10. Prof. Nagendra Ch. Nath | 01-12-02 to 30-11-04 | 10. Prof. Aminul Islam | 07-03-07 to 6-6-11 |
| 11. Dr. Sarifuddin Ahmed | 01-12-04 to 24-02-09 | 11. Prof. Jay K. Singha | 07-06-11 to 3-10-15 |
| 12. Prof. Kailash Ch. Das | 25-02-09 to 06-06-11 | 12. Dr. Sadananda Payeng | From 4-10-15 |
| 13. Prof. Bhabani Bora | 07-06-11 to 28-06-13 | | |
| 14. Dr. N. Pattanayak | 29-06-13 to 03-10-15 | | |
| 15. Dr. Sonaram Nath | From 04-10-15 | | |

# এ. ডি. পি. কলেজৰ ছাত্ৰ একতা সভাৰ ইতিহাস

## জয়কুমাৰ সিংহ

'আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়'ৰ প্ৰতিষ্ঠা দিনৰে পৰা আজিৰ অৱস্থা পোৱাৰ ক্ষেত্ৰত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ যথেষ্ট অৱদান আছে। ছাত্ৰ-একতা সভাৰ এই মহাবিদ্যালয়ৰ স্থায়ী ঘৰ প্ৰতিষ্ঠাৰ বাবে এই অঞ্চলৰ বিভিন্ন গাঁওবোৰৰ পৰা বাঁহ, কাঠ আৰু টকা-পইচা সংগ্ৰহ কৰি শিক্ষানুষ্ঠানটি গঢ়াত সহায় কৰিছিল, সেইসকলৰ ভিতৰত প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰয়াত অনেশ্বৰ শইকীয়া, প্ৰয়াত প্ৰবীন হাজৰিকা, ৰাজেন শইকীয়া অন্যতম। মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ প্ৰথম বছৰ অৰ্থাৎ ১৯৮৯-৬০ চনৰ ছাত্ৰ একতা সভাৰ প্ৰথমজন সাধাৰণ সম্পাদক আছিল উপেন বৰা, সভাপতি আৰু উপ-সভাপতি পদ ক্ৰমে অধ্যক্ষ আৰু উপাধ্যক্ষই অলংকৃত কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৬০-৬১ চনৰ পৰা ১৯৮৯-৯০ চনলৈ সন্মানীয় সাধাৰণ সম্পাদক পদত একাদিক্ৰমে খগেন বৰা, ললিত হাজৰিকা, চন্দ্ৰকুমাৰ শইকীয়া, অন্বেশ্বৰ শইকীয়া, মোহন চন্দ্ৰ হাজৰিকা, প্ৰবীন চন্দ্ৰ হাজৰিকা, ৰাজেন শইকীয়া, ফনীন্দ্ৰ বৰা, আবু শ্বৰীফ, ডম্বৰুধৰ শইকীয়া, পূৰ্ণ বৰুৱা, নৰেন বৰুৱা, দেৱ বৰা, প্ৰেমধৰ কাকতি, ৰছিদুল ইছলাম শইকীয়া, তৰুণ শইকীয়া, গুণেশ্বৰ বৰা, সুৰেন মহন্ত, লোহিত চন্দ্ৰ ভূএগ, তৰুণ চন্দ্ৰ শইকীয়া, লাচিত বৰদলৈ, খনীন্দ্ৰ কুমাৰ গোস্বামী, খগেন চন্দ্ৰ বৰুৱা, ৰনেন্দ্ৰমোহন পণ্ডিত, পৰমানন্দ হাজৰিকা, ত্ৰৈলোক্য মোহন বৰুৱা আৰু কিৰণ শইকীয়াই কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭২ চনৰ ভাষা আন্দোলন, ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ চলা বিদেশী বহিষ্কাৰ আন্দোলন আদিকে ধৰি অসমৰ সেই

সময়ৰ সকলো আন্দোলনৰ কাৰ্যসূচীত নগাঁৱৰে এখন অন্যতম মহাবিদ্যালয় হিচাপে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ সবল নেতৃত্বত এই মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে আগভাগ লৈ অংশগ্ৰহণ কৰিছিল। উল্লিখিত প্ৰাক্তন সম্পাদক কেইজনৰ মাজৰে শ্ৰীযুত দেৱ বৰা, তৰুণ চন্দ্ৰ শইকীয়া, লাচিত বৰদলৈ, খনীন কুমাৰ গোস্বামী আৰু কেইবাজনেও সদৌ অসম ছাত্ৰ সন্থাৰ নগাঁও জিলাৰ বিভিন্ন পদত থাকি জনসেৱাত অংশগ্ৰহণ কৰিছিল আৰু পাছলৈ সৰ্বভাৰতীয় ৰাজনৈতিক দল আৰু অসমৰ আঞ্চলিক দলৰ বিভিন্ন সন্মানীয় পদত অধিস্থিত হৈছিল আৰু বৰ্তমানেও হৈ আছে। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠিত হোৱা চনৰ পৰা ১৯৮৯-৯০ চনলৈ অধ্যক্ষ আৰু উপাধ্যক্ষই (সংবিধান মতে) ছাত্ৰ একতা সভাৰ সভাপতি আৰু উপ-সভাপতি পদটি অলংকৃত কৰি আহিছিল। পৰিসংখ্যা বিজ্ঞান বিভাগত প্ৰবক্তা হিচাপে যোগদান কৰাৰ পাছৰ বছৰ অৰ্থাৎ ১৯৮৯ চনৰ এটা দিনত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ সাধাৰণ সভা এখনত মই ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদটি ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰে পৰা নিৰ্বাচিত হ'ব লাগে বুলি সভাত বক্তব্য আগবঢ়াইছিলোঁ আৰু তাৰ কাৰণবোৰো আগবঢ়াইছিলোঁ। ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সমস্যা আৰু কেতিয়াবা বিশেষ পৰিস্থিতিত পৰিচালনা সমিতি বা অধ্যক্ষৰ বিপৰীতে গণতান্ত্ৰিকভাৱে আন্দোলন কৰিব লগা হ'লে সেইবোৰ সভাত ছাত্ৰ একতা সভাৰ উপ-সভাপতিজনে সভাপতিত্ব কৰিব লগা হয় বুলি সেই সভাতে যুক্তি আগবঢ়াইছিলোঁ। শেষত সেই সভাতেই সৰ্বসন্মতিক্ৰমে উপ-সভাপতি পদটি ছাত্ৰ সমাজৰ পৰা নিৰ্বাচন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু তেতিয়াৰে পৰা অৰ্থাৎ ১৯৯০-৯১ চনৰ পৰা ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা উপ-সভাপতি নিৰ্বাচিত হৈ আহিছে। এইখন মহাবিদ্যালয়ৰ প্ৰথম উপ-সভাপতি পদটি অলংকৃত কৰা ছাত্ৰজন আছিল জাকিৰ হুছেইন। ১৯৯১-৯২ চনৰ পৰা ২০১৪-১৫ বৰ্ষলৈ সন্মানীয় উপ সভাপতি পদত একাদিক্ৰমে মুকুলী বৰুৱা, গুপ্তা মেধি, জানমণি শৰ্মা, পঙ্কজ ডেকা, ছাদিক জামান আকণ্ড, নজৰুল হক, অপল কুমাৰ নাথ, প্ৰাঞ্জল বৰদলৈ, ইলতাফ হুছেইন, ৰাজিউল্লাহ কবিৰ, ইনামূল হক আনচাৰি, পৰাগ বৰা, উপকূল মেধি, দিপাঙ্কৰ শৰ্মা, আমিনুল খান, দিপাঙ্কৰ গোস্বামী, পলাশ প্ৰতীম মেধি, বিকি কুমাৰ লস্কৰ, বিশ্বভুবন বসুমতাৰী, অম্লান প্ৰতীম হাজৰিকাই (২০০৯-১০ — ২০১৫-১৬ চনলৈ) কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯০-৯১ চনৰ পৰা ২০১৩-১৪ চনলৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সন্মানীয় সাধাৰণ সম্পাদক পদত একাদিক্ৰমে মিলন শইকীয়া, জ্যোতি শঙ্কৰ নাৰায়ণ বৰুৱা, পবিত্ৰ কুমাৰ দাস, জিয়াযুৰ নবী, নাৰায়ণ ডেকাৰজা, কুমুদ কুমাৰ দেউৰী, বাবুল কুমাৰ দাস, মজিবুৰ ৰহমান, সীমান্ত দাস, ৰাজিউল্লাহ কবিৰ, ৰাজু নাথ, ইক্ৰাম হুছেইন, অজিত মুদৈ, অপূৰ্ব কুমাৰ দাস, জ্যোতিপ্ৰসাদ দাস, ধনমণি বৰদলৈ, চিতুমণি শইকীয়া, তাহিৰুল

ইছলাম, ৰঞ্জিত শৰ্মা, আৰ্চাদ হুছেইন (২০০৯-১০ — ২০১৬-১৭)এ অলংকৃত কৰিছে। উল্লেখ্য যে, ২০১৬ বৰ্ষৰ পৰা ছাত্ৰ একতা সভাৰ সভাপতি পদটো ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই নিৰ্বাচন কৰিবলৈ দিয়া ন্যায়ালয়ৰ নিৰ্দেশৰ ভিত্তিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়তো সভাপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। সেই অনুসৰি ২০১৬-১৭ বৰ্ষৰ বাবে অনুপম ৰাজখোৱা প্ৰথম ছাত্ৰ সভাপতি নিৰ্বাচিত হয়।

ওপৰত উল্লিখিত এডিপিয়ান প্ৰাক্তন উপসভাপতি আৰু সাধাৰণ সম্পাদকসকলৰ মাজৰে কেইবাজনে সৰ্বভাৰতীয় ৰাজনৈতিক দল, আঞ্চলিক দলৰ, বিভিন্ন পদত আৰু বাতৰিকাকতৰ সাংবাদিক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰি দেশ আৰু জাতিৰ সেৱাৰ লগতে আমাৰ মহাবিদ্যালয়ৰ নামোজ্জ্বল কৰিছে। তেওঁলোক কেইজনৰ ভিতৰত ৰাজিউল্লাহ কবিৰ, জাকিৰ হুছেইন চৌধুৰী, মুৰুলী বৰুৱা, প্ৰাঞ্জল বৰদলৈ, ৰাজু নাথৰ নাম উল্লেখ কৰিব পাৰি। ১৮ বছৰত ভোটাধিকাৰ দিয়াৰ পৰাই বৰ্তমান ছাত্ৰ সমাজৰ অধ্যয়নৰ লগতে ৰাজনৈতিক, সামাজিক আৰু সংস্কৃতিৰ ক্ষেত্ৰত বিশেষ আগভাগ লৈ দেশ আৰু জাতি গঠন, সুস্থ সমাজ গঢ়াত আগভাগ লৈ আহিছে আৰু এই দিশত আমাৰ এডিপি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু ছাত্ৰ সমাজো সমানে খোজ আগবঢ়াই আহিছে আৰু ভৱিষ্যতেও আগভাগ লওক তাকে কামনা কৰিলো।▸▸

# স্মৃতিৰ জলঙাৱেদি

# A Peep to the Past of ADP College

**Baneswar Saikia**

The second 'Evening College' in Assam sprang up at Nagaon town in the year 1959, the first one being the B. Baruah College at Guwahati started exactly two decades earlier. A group of young and enthusiastic professors of Nowgong College met together one fine afternoon to discuss the need and feasibility of starting an evening college in arts faculty to cater post-matriculation education mainly to working youths, then to other desirous but beleaguered youths in the district. Prominent among the sponsors were Prof. Mahim Chandra Borah, Prof. Lalit Chandra Saikia, Prof. Mahesh Ch. Dev Goswami, Prof. Abdul Hye, Prof. Basanta Bhuyan, Prof. Phanilal Dutta, Prof. Jagat Chandra Sharma. Prof. Lalit Saikia was entrusted to ring the bell for a public-body to oversee and manage the proposed institution. Accordingly in a meeting of the leading gentry of the town, like Haladhar Bhuyan, Md. Nurul Islam Ex-M.L.A., Kusadev Goswami advocate, Jogesh Ch. Sarmah advocate, Abu Shama advocate, Sukdev Goswami, along with sponsor professors of Nowgong College met in a public meeting sometime in the month of August 1959, and a proposal was mooted to open an Evening College at Nagaon. The proposal was accepted and it was decided to start functioning of the college from the academic session of 1959-60. To materialise the project, a management committee was formed with Kusadev Goswami as secretary. Prof. Mahesh Chandra Dev Goswami put forth a proposal

to dedicate the new-born institution of higher education to cherish the hallowed memory of Ananda Ram Dhekial Phookan, an illustrious Assamese personality in the nineteenth century. It was unanimously and cheerfully accepted to christen the college in his name. The meeting also unanimously decided to entrust Sukdev Goswami a highly educated and enlightened person who had spent 25 (twenty five) years of his prime of life in England to the post of Principal of the proposed college. This news spread throughout, and garnered good public response. The sponsor-professors of the Nowgong College gracefully volunteered to serve this new-born college without remuneration which generated confidence and enthusiasm in the minds of incoming students.

The Ananda Ram Dhekial Phookan College started on 7th of September 1959 by opening the first year classes on Intermediate course in Arts in the afternoon at Dawson H.E. School. Scores of working matriculation youths aspiring for improvement of academic attainments had crowded the college office for admission into first year Intermediate Arts class. The number soon exceeded one hundred. Teachers were very much enthused to render their part-time services to this new born college in the evening time. Their services were free for the first one year from the date of opening the college in 1959 September to 1960.

From the second year, college, paid to part-time professors a monthly honorarium of Rupees fifty only.

Mean while, there accumulated a good amount of money collected as tuition fee, from the students, in the college fund which emboldened the authority to make it a permanent institution. It required own land-building and regular permanent staff for the college. Principal Sukdev Goswami, thrifty and sagacious, purchased land for the college-site at Dakual Gaon and made advertisement in news paper for permanent posts of lecturers and proceeded in his own way. The management committee of the college was normally supportive of Principal Goswami in matters of administration as well as academic affairs. Of course, he took very active interest in making the college

really going and growing. He did not take any salary for his service rendered to the college.

As per the advertisement in news paper inviting application for the post of lecturer in Economics for the college I applied for it, and got an appointment letter from the Principal. Accordingly, I joined the college in the afternoon of 17th September 1960, at Principal's office in Nagaon Govt. Boys' High School. There, I found Prof. Mohim Borah, Prof. M.A. Hye, Prof. Phanilal Dutta and Prof. B.K. Bhuyan were my teachers in Nowgong College, in the teaching and other prominent teachers in the staff were Prof. Lalit Saikia, Prof. Jagat Sharma, Prof. S. Rajguri, Prof. Habibur Rahman and Sri Roy. Actually it was a proud privilege for me to be a member of a teaching staff, when I was sitting by the side of my revered and veteran teacher-professors. Classes were held at Government Boys' High School, and, at Dawson High School till the end of academic session for the year 1960-61.

As the 2nd year Intermediate Arts classes were going on in full-swing and the time for holding the test examination was drawing nigh, a question pricked in my mind ; had the permission for holding the final examination in Intermediate Arts been obtained from the Gauhati University ? One day, perhaps in the end of December 1960 or beginning of the January 1961, I ventured to take up the matter with Principal Goswami, if permission had been received from the University to send up students for examination, and had any application been made to that effect. To this, a very strange reaction came from the Principal. He thundered, "Does the University not know that we have opened a college here ? It is published in the newspaper. The university should do its part." I was dumb-struck, but got composed. I explained to the Principal the technicalities and necessary formalities of the matter. He agreed to my submission and, entrusted me to do the job. Accordingly, I had carried the formal application to the university, and, made arrangements for necessary permission and affiliation of the college. The first batch of the examinees of the ADP College appeared as

regular students in the Intermediate Arts examination in 1960-61 under the Gauhati University.

**ADP College and spread of college education in Nagaon**

Despite the presence of the Nagaon College with degree courses in all three streams of study, Arts, Science and Commerce, the newborn ADP College was able to draw wider attention, support and co-operation of general public in Nagaon district. And successful completion of the first Intermediate Arts examination in 1961, encouraged the College Authority to open degree classes from the 1961-62 academic session in Arts subjects. Meanwhile, the College authority under the active leadership and supervision of Principal Sukdev Goswami, three pucca buildings had been constructed at its own land at Dakual gaon, Haiborgaon, Nagaon town which enabled to hold classes for study from the third academic year of the College. The opening of undergraduate classes in Arts, attracted undergraduate school teachers, employees, and professionals to enroll as student in this ADP Night College. Among the prominent personages of the town who enrolled in the 3rd year B.A. class were Md. Amiruddin Khan, a meritorious student of (then) Dhaka University and, also, an acting Speaker of the erstwhile Assam Legislative Council, an Amukter of Nagaon Bar and Benu Kalita, a veteran freedom fighter. It was really interesting and pleasing time for me to be a teacher of these students.

With the opening of degree classes more regular teachers had joined the teaching staff of the College, among them were Prof. Hareswar Goswami M.Ed, Prof. Kandarpa Dev Goswami M.A. Prof. Narayan Barman M.A. Prof. Puspa Bora M.A. Prof. Naren Kalita M.A. and Prof. Kesavananda Dev Goswami M.A. The College marching fast onward. An amusing ancedote is, in 1962 the country was having the Third General Elections to parliament and Assemblies as well, at which the ADP College had shared with three candidates, the Principal, a professor and a student in the fray but none to succeed.

In October, 1964, Principal Sukdev Goswami died and the post

of the principal fell vacant. Meanwhile since the college got affiliated to the University, and there was move for Ad-hoc Grant from the Government, the governing body had been constituted according to type-plan, the Deputy Commissioner, Mr. C.R. Krishna Murty was nominated as president of the College governing-body from the side of the Government, and Prof. Mahesh Chandra Deva Goswami with another were University nominees. There were three representatives from among the teaching staff.

In the year 1965, the college found Prof. Abdul Hye, who was a part-timer as its permanent and regular principal to serve it for subsequent twenty years at a stretch. Interestingly enough, there was heavy rush of students to this Night College, and considering the improving of the standard of education, the authority very wisely decided to open honours courses at first in Economics, Political Science and History in degree standard from the same year. ADP College is the first one in Nagaon district to start teaching of honours courses in degree courses. Of course, the college could make a mark in this respect and flourish. Honours classes were held in Day-shift, and all other classes degree and Pre-University courses were held in evening only. There was shortage of rooms to accommodate all classes in the day time till the construction of Bezboruah Bhavan, financed by the UGC was completed. It is to be noted that with the formation of the governing-body of the college according to the Rules framed by the Government for aided colleges in Assam, the state Government of Assam, had taken steps to take the ADP College under the Deficit-system of Grants-in-Aids. So, the college got the deficit system of grants-in-aid from the year 1964 which seemed to be a special favour showered on this fast-growing Night College. And, it is also a fact that without hassle benefits of UGC pay-scale too was extended to the teaching staff of this college from the year 1965. The University Grants Commission benignly took cognition of this college for its necessary oversee and help from the year 1965.

## Impact of ADP College

For, being established as Night College and primarily it was meant for working persons in government, semi-government and private establishments, it can safely be said that all such persons, young and old in the district came under the wide umbrella of ADP College for acquiring a degree in Arts education from the Gauhati University. So, truly speaking, the Nagaon district was, by the end of the sixties, over-full with arts graduates. Of course, from the middle of that decade colleges with undergraduate arts courses started springing up at places like Dhing, Raha, Marigaon, Hojai, Kaliabor and Lumding to cater to higher educational needs of the people of Nagaon. But, by 1970, the ADP College, has grown up as class one degree college in Arts in Assam. And from the late Seventies of the last century, the sphere of teaching was been broadened and intensified by opening Science Steam of study with honours courses almost in all subjects. The College, now has grown into full-fledged institution of higher education, and in the fifty years of its throbbing existence, it can rightly boast producing of good number of intellectually flourished scholars, teachers and administrators which is a commendable contribution to the advancement of society. ⏭

# মহাবিদ্যালয়ৰ স্মৃতি সুঁৱৰি

## প্ৰভাত শৰ্মা বৰুৱা

১৯৫৯ চনৰ প্ৰথম ভাগলৈকে নগাঁও জিলাত চাকৰি কৰা ব্যক্তিয়ে কলা শাখাত উচ্চ শিক্ষা ল'ব নোৱৰাৰ অন্যতম কাৰণ আছিল এখন নৈশ শাখাৰ শিক্ষানুষ্ঠানৰ অভাৱ। তেতিয়াৰ দিনত মেট্ৰিক বা ইন্টাৰমেডিয়েট পাছ কৰিয়েই স্কুল বা কাৰ্যালয়ত চাকৰি এটাৰ যোগাৰ হৈ গৈছিল। এনেকুৱা স্নাতক উপাধি ল'ব নোৱৰা ব্যক্তি জিলাখনত বহুত আছিল।

১৯৫৯ চনত আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শতবাৰ্ষিকীৰ সভাত জিলাখনৰ কেইজনমান উকীল, বুদ্ধিজীৱী, অধ্যাপক, সমাজকৰ্মীৰ লগতে কেইজনমান উদীয়মান যুৱকে জিলাখনত আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত এখন কলা শাখাৰ নৈশ মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লয় আৰু সেই মহাবিদ্যালয়ৰ অধ্যক্ষ মনোনীত কৰে শুকদেৱ গোস্বামীদেৱক। ১৯৫৯ চনৰ ৭ চেপ্তেম্বৰত প্ৰথম প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

শুকদেৱ গোস্বামীদেৱে ১৯২৪ চনত লণ্ডনলৈ গৈ উচ্চশিক্ষা লৈ তাতে এগৰাকী ইংৰাজ মহিলাক বিয়া কৰাই ১৯৪৯ চনত নগাঁৱলৈ ঘূৰি আহে। সেই সময়ত তেখেত দুয়োজনকে চাবলৈ মানুহৰ ভিৰ হৈছিল। তেখেতৰ পৰিবাৰৰ নাম আছিল মিছেচ ছাৰাহ। গোস্বামীদেৱে অধ্যক্ষৰ দায়িত্ব লৈ গৃহ নিৰ্মাণৰ বাবে বৰ্তমান স্থান ডাকোৱাল গাঁৱৰ মাটি এডোখৰ (চৰকাৰী মাটি) ঠিক কৰে। প্ৰথমে অধ্যক্ষৰ কোঠাটো (পথালিকৈ থকা) আৰু পিছলৈ শ্ৰেণীকোঠা বিলাকৰ কাম আৰম্ভ হয়। ঘৰৰ খুঁটাবোৰ টান ইটা ভাঙি সৰু সৰু কৰি চিমেণ্টৰ লগতে মিহলি কৰি ঢালাই দিয়া হৈছিল। প্ৰথম দুবছৰমান শ্ৰেণীবিলাক ডচন উচ্চ মাধ্যমিক বিদ্যালয় আৰু চৰকাৰী বালক বিদ্যালয়ত হৈছিল।

১৯৬০ চনত এদিন মই পঢ়া নগাঁও কলেজৰ পৰা গৈ অধ্যক্ষ মহোদয়ক কিবা কথাত লগ ধৰিছিলোঁ। তেখেতে মোক পিছদিনা দেখা কৰিবলৈ ক'লে। ১ চেপ্তেম্বৰ ১৯৬০ চনত মই এ. ডি. পি. কলেজৰ চাকৰিয়াল হ'লোঁ। ২ চেপ্তেম্বৰৰ পুৱা ৭-৩০ মান বজাত অধ্যক্ষ মহোদয়ৰ 'VANGAURD' গাড়ীত উঠি ডাকোৱাল গাঁৱৰ মাজৰ এডোখৰ মাটি— সন্মুখত এটা কুঁৱা, কেইজোপামান নাৰিকল গছ— তাতে নামিলোঁগৈ।

মই Bharat Scouts and Guides, Congress Sevadal, Gandhi Memorial Trust আৰু N.C.C. (B. Certificate passed) Training লৈ সমাজ সেৱা কৰাৰ অদম্য হেঁপাহ কৰিছিলোঁ। গতিকে মই কলেজলৈ আহি কিমান বনুৱাই কাম কৰিছে চাই অধ্যক্ষ মহোদয়ক জনাই, নগাঁও কলেজত ক্লাছ কৰি দুপৰীয়া কংগ্ৰেছ অফিচত ভাত খাই পুনৰ আবেলি চাৰি বজাত অধ্যক্ষ মহোদয়ৰ ঘৰত থকা অফিচত কাম কৰিছিলোঁহি। তেতিয়া মহেশ চন্দ্ৰ ভট্টাচাৰ্য নামৰ এজন ব্যক্তি অংশকালীন একাউন্টেন্ট আছিল।

১৯৬১-৬২ চনত কলেজৰ অফিচটো বৰ্তমানৰ স্থায়ী গৃহলৈ স্থানান্তৰ কৰা হয়। তেতিয়াৰ সহকাৰী সাধাৰণ সম্পাদক শ্ৰীখৰ্গেশ্বৰ বৰাই এই ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল। তেখেত অধ্যক্ষ মহোদয়ৰ ঘৰতে আছিল।

লাহে লাহে ক্লাছবোৰ নতুনকৈ সাজি উলিওৱা ঘৰতেই হ'বলৈ ধৰিলে। বিদ্যুতৰ সুবিধা নথকাত 'মেন্থল লাইট'ৰ ব্যৱস্থা কৰা হৈছিল। এইবোৰ কাম কৰিবলৈ নিৰ্দিষ্ট মানুহ নথকাৰ কাৰণে মই নিজেই লাইটবোৰ জ্বলাই শ্ৰেণীসমূহত দি দিছিলোঁ। পিছলৈ ডায়নেমোৰ ব্যৱস্থা কৰা হৈছিল। ছাট ঢালাই নোহোৱাৰ কাৰণে ওপৰত টিৰপাল দিয়া হৈছিল— বৰষুণ পৰিলে পানীৰে তললৈ দোঁ খাই আহিলে মই দীঘল বাঁহেৰে দাঙি পানীবোৰ উলিয়াই দিছিলোঁ। এনেদৰে ঠাইখন সন্ধ্যাৰ ভাগত সজীৱ হৈ উঠিছিল। কেতিয়াবা বৰষুণ-ধুমুহা আহিব বুলি গম পালে সকলোকে সোনকালে ঘৰলৈ যাবলৈ কোৱা হৈছিল।

ছাত্ৰৰ অভাৱ নাছিল। কলিয়াবৰ অঞ্চলৰ পৰা আৰম্ভ কৰি ৰহালৈকে ছাত্ৰসকলে অশেষ কষ্ট কৰি শিক্ষা গ্ৰহণ কৰিছিল।

মহাবিদ্যালয়খনৰ উন্নতিৰ ক্ষেত্ৰত যত্নপৰ হোৱা ব্যক্তিসকলৰ ভিতৰত প্ৰয়াত মহেশচন্দ্ৰ দেৱগোস্বামী, যোগেশচন্দ্ৰ শৰ্মা, কুশদেৱ গোস্বামী, গিৰিকান্ত বৰুৱা, ৰূপৰাম সূত, নগাঁও মহাবিদ্যালয়ৰ অধ্যাপকসকল, তেতিয়াৰ সাধাৰণ সম্পাদকসকল আৰু নগাঁৱৰ বিভিন্ন ব্যক্তিসকলেই প্ৰধান। প্ৰথম অৱস্থাত ইয়াৰ পৰা এজনে স্নাতক হৈ এম.

এ. পাছ কৰি নগাঁও মহাবিদ্যালয়ৰ Head of the Department হয় গৈ। U.D.A. গৈ Supply Superintendent আৰু এজন Sales Tax Superintendent হয়। বহুবাৰ M.P. আৰু পিছত কেন্দ্ৰীয় মন্ত্ৰী হোৱা শ্ৰীযুত ৰাজেন গোঁহাই আমাৰ মহাবিদ্যালয়ৰে ছাত্ৰ আছিল।

মৰহুম চামচুল হুদা ডাঙৰীয়াই কলেজৰ মাটি কিনা, চৰকাৰী মাটি কলেজৰ নামলৈ অনা আদি কামবোৰ কৰিছিল। পিছলৈ এই দায়িত্ব মোক দিয়া হয়। এনেদৰে কলেজৰ বিভিন্ন কামত জড়িত হৈ পৰিছিলোঁ। যেনে — নবাগত আদৰণি উৎসৱত খাদ্যবস্তু বিতৰণত চোৱা-চিতা কৰা, সৰস্বতী পূজাত আগদিনা ৰাতি থাকি পিছদিনা খিচিৰি বিলোৱা, মিটিঙৰ কাৰণে সভাঘৰ সজোৱা ইত্যাদি।

১৯৬৪ চনৰ বিজয়া দশমীৰ দিনা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীদেৱে হঠাতে ক'ৰ'নাৰি থ্ৰম্বচিচত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে।

১৯৬৫ চনৰ ফেব্ৰুৱাৰী মাহত নগাঁও মহাবিদ্যালয়ৰ বুৰঞ্জীৰ অধ্যাপক মহম্মদ আব্দুল হাই ছাৰে অধ্যক্ষ হিচাপে এই মহাবিদ্যালয়ত নিযুক্তি লাভ কৰে। মই স্নাতক হৈ বেলেগ চাকৰিলৈ যাবলৈ বিচাৰিছিলোঁ, কিন্তু তেখেতে যাবলৈ নিদি 'ডেপুটেশ্বন'ত লাইব্ৰেৰি চাইন্স পঢ়িবলৈ পঠাম বুলি আশ্বাস দিলে। ১/৯/৭০ চনত মই মহাবিদ্যালয়খনৰ পূৰ্ণ পৰ্যায়ৰ গ্ৰন্থাগাৰিক হওঁ।

মহাবিদ্যালয়ৰ কাম-কাজ তেনেদৰেই চলি থাকিল। হাই ছাৰে যিটো কামকে কৰিবলৈ দিছিল তাকে কৰি দিছিলোঁ। ছাৰৰ এটা বিশেষ গুণ আছিল তেখেতে খং নকৰিছিল। পিক্‌নিক আদিত গ'লে সকলোকে সমান ব্যৱহাৰ কৰিছিল। তেখেতৰ কাৰ্যকালতে এডিপি কলেজৰ উদ্যোগত প্ৰথম আন্তঃ মহাবিদ্যালয় ক্ৰীড়া পতা হৈছিল। তেখেতৰ দিনতে মহাবিদ্যালয়খনত বিজ্ঞান শাখাও খোলা হৈছিল।

পুৰণা চাম শিক্ষকসকলৰ ভিতৰৰ বহুতে চাকৰি এৰি গুচি গ'ল। তাৰ ভিতৰত আছিল— ভাৰত চন্দ্ৰ মিশ্ৰ ভাগৱতী (ইংৰাজী), প্ৰয়াত হৰেশ্বৰ গোস্বামী (শিক্ষা)। গোস্বামীদেৱ এজন অসাধাৰণ ব্যক্তিত্বৰ অধ্যাপক হোৱাৰ লগতে সু-অভিনেতাও আছিল। তেখেতে 'An Introduction to Education' নামৰ এখন কিতাপো লিখিছিল। এই শিক্ষকসকলৰ ভিতৰৰে শ্ৰীযুত নাৰায়ণ চন্দ্ৰ বৰ্মনদেৱ ৰৈ যায়। তেখেত পিছলৈ হাই ছাৰৰ মৃত্যুৰ পিছত অধ্যক্ষ নিযুক্ত হয়। তেখেত মহাবিদ্যালয়ৰ প্ৰথম এন.চি.চি. অফিছাৰ আছিল। তেখেতৰ প্ৰশাসনিক দক্ষতা প্ৰশংসনীয় আছিল আৰু কোনো কথাতে বিচলিত নহৈছিল।

ছাত্ৰসকলৰ ভিতৰত শ্ৰীউপেন্দ্ৰ নাথ বৰা, শ্ৰীললিত চন্দ্ৰ হাজৰিকা, প্ৰয়াত খগেন্দ্ৰনাথ ভূঞা বৰা, চন্দ্ৰ কুমাৰ শইকীয়া, অনেশ্বৰ শইকীয়া (সকলো সাধাৰণ সম্পাদক), ৰমেশ চন্দ্ৰ ফুকন (বিধায়ক), লক্ষ্মীপ্ৰসাদ হাজৰিকা (মন্ত্ৰী), জ্যেষ্ঠ ছাত্ৰ মহম্মদ আমিৰউদ্দিন (Dy Speaker M.L.C), হৰনাথ গায়ন উল্লেখযোগ্য।

প্ৰথম অৱস্থাত ছাত্ৰসকল মোতকৈ যথেষ্ট ডাঙৰ আছিল। বছৰ বাগৰাৰ লগে লগে প্ৰায় সকলোবোৰ মোৰ বয়সৰ হ'ল আৰু পাছলৈ মোতকৈ সৰুহে যাবলৈ ধৰিলে; কিন্তু মই ছাত্ৰসকলৰ লগত সকলো উৎসৱতে সহযোগ কৰিছিলোঁ।

শুকদেৱ গোস্বামীদেৱৰ মৃত্যুৰ পাছত তেখেতৰ স্মৃতিত পৰিয়ালৰ আৰ্থিক সাহায্যৰে এটি ভৱন নিৰ্মাণৰ আয়োজন কৰা হৈছিল। কিন্তু তেখেতৰ পৰিবাৰ লণ্ডনলৈ উভতি যাব লগা হোৱাত, উক্ত ভৱনৰ নিৰ্মাণ কাৰ্য হৈ নুঠিল। ২০০৪ চনত গোস্বামীদেৱৰ পৰিবাৰৰ লণ্ডনতে মৃত্যু হয়। উল্লেখনীয় যে মহাবিদ্যালয়খন ঠন ধৰি উঠা দেখি কিছু ব্যক্তিয়ে বৰ্তমানৰ ঠাইৰ পৰা আমোলাপট্টিৰ শ্মশানৰ সন্মুখৰ মুকলি ঠাইডোখৰলৈ নিবলৈ বিচাৰিছিল। কিন্তু গোস্বামীদেৱ এই কথাত একমত নহ'ল।

২০০৪ চনৰ ৩১ জানুৱাৰি তাৰিখে ৪৩ বছৰ ৫ মাহ চাকৰি কৰি জ্যেষ্ঠ গ্ৰন্থাগাৰিক হিচাপে অৱসৰ লওঁ। বৰ্তমান মহাবিদ্যালয়খনে সকলো দিশতে উন্নতি কৰিছে আৰু অধিক আগুৱাই যোৱাৰ আশাৰে মোৰ লেখাৰ সামৰণি মাৰিলোঁ।▸▸

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ শিক্ষক গোট

## সহজানন্দ ওজা

এডিপি কলেজৰ আন এটি ব্যতিক্ৰমী অনুষ্ঠান আছিল মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ কমনৰুমটোৰ পৰিৱেশ আৰু মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজৰ নিবিড় সম্পৰ্ক। তেতিয়া শিক্ষক জিৰণি কোঠাটো আছিল মহাবিদ্যালয়ৰ উত্তৰফালে অধ্যক্ষৰ অফিচ কক্ষটোৰ সমান্তৰালকৈ। সেই সময়ত মহাবিদ্যালয়খনত মাথোন কলা শাখা (Arts Stream)টোহে আছিল। তেতিয়া মহাবিদ্যালয়ৰ অধ্যাপকসকলৰ মাজত অতি সুন্দৰ সম্পৰ্ক আছিল, লগতে আছিল তেওঁলোকৰ পৰিয়ালবৰ্গৰ মাজতো। কমনৰুমটোত বহিবলৈ বা কথা-বতৰা পাতিবলৈ ব্যৱস্থা থকাৰ বাহিৰেও কেৰম, ডবা, বাগেটালী আদি খেলাৰ ব্যৱস্থা আছিল। পিছলৈ অধ্যাপকৰ সংখ্যা বাঢ়ি যোৱা কাৰণে সেইটো আন এটা ব্লকত থকা কিছু ডাঙৰ কোঠালৈ স্থানান্তৰিত কৰা হয়। মই ১৯৬৫ চনৰ ১৪ জুলাইত মহাবিদ্যালয়খনত প্ৰৱক্তা হিচাপে যোগদান কৰোঁ। তেতিয়াৰ মহাবিদ্যালয়খনত এটা সুকীয়া গ্ৰন্থাগাৰ নাছিল। মহাবিদ্যালয়ৰ উচ্চবৰ্গৰ সহায়ক ৰোহিত মহন্ত তাৰ দায়িত্বত আছিল। কিন্তু সেই গ্ৰন্থাগাৰটোত যথেষ্ট সংখ্যক কিতাপ আছিল। বিশেষকৈ আছিল পাঠ্যপুথিৰ বাহিৰেও আন আন বহু মূল্যৱান গ্ৰন্থ সংকলন। সেই ক্ষেত্ৰত অসমীয়া শাখাৰ বাহিৰেও বঙালী শাখাটোও অতি উন্নত আছিল। তাত সেই সময়ৰ বহুতো বঙালী লিখকৰ উন্নত ৰচনা সংগ্ৰহ কৰা আছিল। তাত সংগ্ৰহ কৰি থোৱা দুটা অতি সুন্দৰ সংকলন 'ভাৰতের সাধক' আৰু 'ৰম্যাণীবীক্ষ'ৰ কেইবাটাও খণ্ডৰ সংকলন পঢ়াৰ সৌভাগ্য মোৰ হৈছিল।

'ভাৰতের সাধক' সংকলনটো কেইবাটাও খণ্ডত বহু কেইগৰাকী মনীষীৰ জীৱন দর্শনৰ ওপৰত আলোচনা কৰা হৈছিল— আৰম্ভ কৰা হৈছিল ত্ৰৈলঙ্গস্বামী নামৰ ভাৰতৰ বিখ্যাত সন্তগৰাকীৰে আৰু শেষ হৈছিল চৈতন্য মহাপ্ৰভুৰ কথাৰে। আনহাতে 'ৰম্যাণীবীক্ষ' নামৰ সংকলনটোত বৰ্ণনা কৰা হৈছিল ভাৰতৰ বিভিন্ন তীৰ্থস্থানৰ বিষয়ে— কালিন্দী পৰ্ব, নীলাচল পৰ্ব আদি কেইবাটাও পৰ্বত। এতিয়া সেই কিতাপবোৰ গ্ৰন্থাগাৰটোত আছেনে নাই বা পঢ়িব পৰা অৱস্থাত আছে নে নাই ক'ব নোৱাৰোঁ।

মোৰ যোগদানৰ প্ৰায় একে সময়তে সুদূৰ লক্ষ্ণৌৰ পৰা আহি মহঃ আয়ুব হাচমীয়ে মহাবিদ্যালয়ৰ আৰবী বিভাগত যোগদান কৰিছিল। তেখেত এগৰাকী অতি ভদ্ৰ, অমায়িক, তীক্ষ্ণ বুদ্ধিসম্পন্ন ব্যক্তি আছিল। তেখেত যে অত্যন্ত তীক্ষ্ণ বুদ্ধিসম্পন্ন আছিল তাৰ এটা সামান্য উদাহৰণ দিব বিচাৰিছোঁ। আমাৰ মহাবিদ্যালয়ৰ অধ্যাপকৰ কমনৰূমত ডবা খেলাৰ ব্যৱস্থা আছিল। সেই ব্যৱস্থা মই মহাবিদ্যালয়ত যোগদান কৰাৰ আগৰপৰাই আছিল। মহাবিদ্যালয়ৰ অধ্যক্ষ আব্দুল হাই ছাৰ আৰু মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালত অংশকালীন প্ৰৱক্তা হিচাপে কাম কৰা সংস্কৃত বিভাগৰ দিনেশ দত্ত ছাৰো দুগৰাকী ভাল ডবা খেলুৱৈ আছিল। মই নিজেও এজন ভাল ডবা খেলুৱৈ আছিলোঁ বুলি ক'ব পাৰি। হাচমী চাহাবে সেই শিক্ষক কমনৰূমতে ডবা খেলিবলৈ শিকিছিল। পিছলৈ কিন্তু তেখেত এগৰাকী ভাল ডবা খেলুৱৈ হ'বলৈ সক্ষম হৈ মোক, হাই ছাৰ আৰু আনসকলক পৰাজিত কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ সম্পৰ্কে আন এটি কথা বিশেষভাৱে উল্লেখ কৰিব বিচাৰোঁ— যিটোৱে মহাবিদ্যালয়ৰ শিক্ষক গোটটোক এটা বেলেগ মাত্ৰা প্ৰদান কৰিছিল। কথাটো আছিল এনেধৰণৰ— হাচমী চাহাব প্ৰতি বছৰেই গৰমৰ বন্ধত লক্ষ্ণৌত থকা তেখেতৰ ঘৰলৈ গৈছিল। প্ৰতিবাৰ গৰমৰ বন্ধ শেষ হোৱাৰ পিছত নগাঁৱলৈ ঘূৰি আহোতে হাচমী চাহাবে কেইবাটুকুৰী লক্ষ্ণৌৰ সুস্বাদু উৎকৃষ্ট লেঙেৰা আম লগত লৈ আহিছিল। আহি পোৱাৰ কেইদিনমান পিছতে সম্পূৰ্ণকৈ আমবোৰ পকিলে এটা 'আম পাৰ্টি' মহাবিদ্যালয়ৰ শিক্ষক কমনৰূমত আয়োজন কৰিছিল। আমি সঁচাকৈয়ে বৰ আনন্দৰে সেই আমবোৰ খাইছিলোঁ। কি যে এক আনন্দময় সেই পৰিৱেশ আছিল, আমি যে কি এক আনন্দমুখৰ পৰিৱেশত কাম কৰিছিলোঁ সেয়া কৈ বা লিখি বুজাব নোৱাৰো।

এডিপি কলেজৰ সেই সময়ৰ শিক্ষকসকলৰ কমনৰূমটোৰ আন এটা বৈশিষ্ট্য আছিল কমনৰূমত শিক্ষকসকলে কৰা বিভিন্ন বিষয়ৰ ওপৰত আলোচনাসমূহ। তেতিয়া সকলো শিক্ষকৰে বাবে এটাই মাত্ৰ কমনৰূম আছিল। প্ৰথমে সেই কমনৰূমটো মহাবিদ্যালয়ৰ উত্তৰ দিশত এটা সৰু কোঠাত আছিল। পিছলৈ শিক্ষকৰ সংখ্যা কিছু বেছি হোৱাত সেইটো দক্ষিণ ফালৰ ব্লকটোৰ আন এটা কিছু ডাঙৰ কোঠালৈ স্থানান্তৰ কৰা হয়।

পিছত লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ প্ৰথম মহলালৈ লৈ যোৱা হয়— মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ পিছত শিক্ষকৰ সংখ্যা অধিক হোৱাৰ পৰিপেক্ষিতত। শিক্ষকৰ কমনৰুমত সেই সময়ত হোৱা বিভিন্ন আলোচনা ড° তুষাৰকান্তি চৌধুৰী, অধ্যাপক পুষ্পকান্ত বৰা, ড° মলয় কুমাৰ ৰয়, অধ্যাপক ৰবীন্দ্ৰ চন্দ্ৰ বৰা, অধ্যাপক ধীৰেন্দ্ৰ নাথ বৰদলৈ, অধ্যাপক বাণেশ্বৰ শইকীয়া, অধ্যাপক আবুবক্কৰ চিদ্দিক, অধ্যাপক আয়ুব হাচমী, এই প্ৰবন্ধকাৰ প্ৰমুখ্যে আন বহু কেইগৰাকী অধ্যাপকে অংশ লৈছিল। সেই আলোচনাবোৰত মাজে সময়ে অধ্যক্ষ আব্দুল হাই ছাৰেও অংশ গ্ৰহণ কৰিছিল। তেতিয়া কমনৰুমটোত শিক্ষকসকলে জিৰণি ল'বৰ কাৰণে কেইখনমান ডাঙৰ আৰামী চকীৰ ব্যৱস্থা আছিল। মুঠতে কমনৰুমটোৰ সেই পৰিৱেশো আছিল ব্যতিক্ৰমী— অনন্য। পিছত তাত টেবুল টেনিছ খেলাৰো ব্যৱস্থা কৰা হৈছিল।

মহাবিদ্যালয়ৰ শিক্ষকসকলে সেই সময়ৰপৰা বহু বছৰ পিছলৈকে প্ৰতি বছৰে পিক্‌নিকৰ আয়োজন কৰিছিল। নগাঁও জিলাৰ প্ৰায় সকলোবোৰ পিক্‌নিক খোৱা ঠাইলৈ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলে বনভোজ খাবলৈ গৈছিল। জিলাখনৰ বাহিৰেও অৰুণাচলৰ সমীপৱৰ্তী 'চিজুচা', ওদালগুৰি, ভৈৰৱকুণ্ড, কাৰ্বি আংলঙৰ শিলভেটা, দৈয়াংমুখ আদি বনভোজ স্থলীলৈ পিক্‌নিক খাবলৈ গৈছিল। আনকি এবাৰ ভুটানলৈকো যোৱা হৈছিল। সেইবাৰ প্ৰায় তিনিদিনৰ কাৰণে কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকল সেই ভ্ৰমণটোত গৈছিল। তেতিয়া আমাৰ মহাবিদ্যালয়ত গুৱাহাটীৰপৰা আহি শিক্ষা বিভাগত অধ্যাপনা কৰা পাৰবীন আখটাৰ আৰু আৰবী বিভাগত অধ্যাপনা কৰা ৰাইনা খানম মজুমদাৰে যোগদান কৰিছিল। তেওঁলোক দুগৰাকীও আমাৰ লগত একেলগে সেই ভ্ৰমণলৈ গৈছিল। আমি বাছেৰে পুৱা গৈ সন্ধিয়া কোচবিহাৰ পাইছিলোগৈ। কোচবিহাৰত আছিল সেই সময়ত আমাৰ কলেজৰ অৰ্থনীতি বিভাগত শিক্ষকতা কৰা ড° তুষাৰকান্তি চৌধুৰীৰ শহুৰেকৰ বাসগৃহ। আমাৰ বাবে তেওঁলোকৰ বাসগৃহতে ৰাতিটোৰ কাৰণে থকা-খোৱাৰ ব্যৱস্থা কৰা হৈছিল। অৱশ্যে পাৰবীন আৰু ৰাইনাৰ কাৰণে বেলেগে তেওঁলোকে ব্যৱস্থা কৰিছিল। পিছদিনা আমি বাছেৰে গৈ পশ্চিমবঙ্গ আৰু ভূটানৰ সীমাত অৱস্থিত জয়গাঁও পাইছিলোঁ। জয়গাঁও সীমান্তত অৱস্থিত ভূটান আৰক্ষী চকীৰপৰা যাৱতীয় নথি-পত্ৰ সংগ্ৰহ কৰি প্ৰথমে ভূটানৰ 'ফুন্টচিলিং' চহৰ তাৰ পিছত ভূটানৰ আন এটা দৰ্শনকাৰীসকলৰ বাবে আকৰ্ষণীয় স্থান 'গুম্ফা'লৈকো গৈছিলোঁ। আমি যাওঁতে কোচবিহাৰত অৱস্থিত মধুপুৰ সত্ৰতো সোমাই সেৱা-সৎকাৰ কৰি গৈছিলোঁ। সেই ভ্ৰমণৰ কথা এতিয়াও মোৰ স্পষ্টভাৱে মনত আছে। সেই ভ্ৰমণটো আমাৰ প্ৰতিজন শিক্ষক-কৰ্মচাৰীৰ কাৰণে আছিল এক মধুৰ স্মৃতি

যাৰ কথা মই এতিয়াও ভাবিলে ৰোমাঞ্চিত হোৱাৰ বাহিৰে বিস্মৃতও হওঁ। এই গোটেই ভ্ৰমণটোত অধ্যক্ষ হাই ছাৰো আমাৰ লগত গৈছিল।

আমাৰ বনভোজবোৰ বা ভূটানলৈ যোৱাৰ দৰে কামবোৰ এই কাৰণেই নিশ্চয় সম্ভৱ হৈছিল অধ্যক্ষ আব্দুল হাই ছাৰৰ এই ক্ষেত্ৰত থকা পূৰ্ণ সমৰ্থন আৰু তেখেতৰ ফালৰপৰা অধ্যক্ষ হিচাপে লোৱা কিছুমান পদক্ষেপ এই ক্ষেত্ৰত এটা উদাহৰণ দাঙি ধৰিব বিচাৰোঁ।

আমাৰ মহাবিদ্যালয়খন যদিও সেই সময়ত অৰ্থাৎ ১৯৫৯ চনৰ প্ৰতিষ্ঠা কালৰেপৰা ১৯৭৯ চনলৈকে মাথোন এখন কলা শাখাৰ কলেজহে আছিল, ১৯৭৯ চনত কলেজখনত বিজ্ঞান শাখাটো খোলা হয়। সেয়ে কলেজখনত শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ সংখ্যা যথেষ্ট সীমিত আছিল। প্ৰতি বছৰেই যিহেতু বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা পৰীক্ষাসমূহ কলেজৰ পৰীক্ষাৰ্থীসকলৰ কাৰণে কলেজতে অনুষ্ঠিত কৰা হৈছিল সেয়ে পৰীক্ষাৰ্থীসকলে পৰীক্ষাৰ ফৰ্ম পূৰণ কৰিবৰ কাৰণে বিশ্ববিদ্যালয়ে নিৰ্ধাৰণ কৰা মতে কিছু মাচুল দিব লগা হৈছিল। তাৰে এটা অংশ বিশ্ববিদ্যালয়ত জমা দিয়াৰ পিছত বাকীখিনি পৰীক্ষা পৰিচালনাৰ কাৰণে মহাবিদ্যালয়ে ৰাখিছিল। সেইদৰে বৈ যোৱা ধনেৰে পৰীক্ষা চলোৱাৰ পিছতো যিখিনি ধন বৈ গৈছিল, সেই ধনখিনি পিক্‌নিকৰ বাবে খৰচ কৰাৰ কাৰণে অধ্যক্ষ আব্দুল হাই ছাৰে ব্যৱস্থা লৈছিল। সেইদৰে ৰাহি হোৱা ধন শিক্ষক-কৰ্মচাৰী বা অধ্যক্ষৰ মাজত বিতৰণ নকৰাৰ কাৰণে বনভোজ আদি খাবৰ কাৰণে শিক্ষক-কৰ্মচাৰীসকলে নিজৰ গাঁঠিৰ পৰা কোনো ধন খৰচ কৰিবলগীয়া নহৈছিল। কাৰণ পৰীক্ষা চলোৱাৰ পিছত বৈ যোৱা ধনখিনি তাৰ কাৰণে পৰ্যাপ্ত আছিল। সেয়ে বিশেষ অসুবিধা নহ'লে সকলো শিক্ষক বা কৰ্মচাৰীয়ে তেনে আয়োজনত দ্বিধাহীনভাৱে সহযোগ কৰিছিল।

অৱশ্যে ১৯৭৯ চনত বিজ্ঞান শাখা খোলাৰ পিছত আগৰ মাথোন কলা শাখা থাকোতে শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত যি নিবিড়তা আছিল সেই নিবিড়তা লাহে লাহে কমি আহিব ধৰে। কাৰণ বিজ্ঞান শাখাটো মহাবিদ্যালয়ৰ নিজৰ উৎসৰপৰা আৰম্ভ কৰা হৈছিল। তাৰ কাৰণে চৰকাৰৰপৰা কোনো অনুদান মহাবিদ্যালয়ে প্ৰথমে লাভ কৰা নাছিল। আনহাতে ১৯৭৯-৮৫ত হোৱা বিদেশী বিতাৰণ আন্দোলনৰ কাৰণে এটা বছৰ বিশ্ববিদ্যালয়ৰ পৰীক্ষাৰ লগতে ক্লাচসমূহো অনুষ্ঠিত নোহোৱাৰ কাৰণে মহাবিদ্যালয়ৰ আৰ্থিক অৱস্থাৰো যথেষ্ট অৱনতি ঘটিছিল। সেই বছৰত মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলক মাহেকীয়া দৰমহা দিবলৈ অসুবিধা হৈছিল। আনকি মহাবিদ্যালয়ৰ কলা শাখাটো চৰকাৰৰ ঘাটি মঞ্জুৰী প্ৰাপ্ত হোৱা সত্ত্বেও সেই শাখাৰ শিক্ষকসকলেও মাহিলি দৰমহা কোনোবা মাহত লাভ কৰাটো সম্ভৱপৰ নহৈছিল। মহাবিদ্যালয়ৰ ধনৰ অভাৱ হোৱাৰ কাৰণে মহাবিদ্যালয়ে আহৰণ কৰা যিকোনো উৎসৰ ধন মহাবিদ্যালয়ৰ কামত ব্যৱহাৰ কৰিবলৈ

কলেজ কর্তৃপক্ষ বাধ্য হৈছিল। আনহাতে অসম আন্দোলনৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়ৰ শিক্ষকসকলৰ মাজত আগৰ যি এক সুন্দৰ সম্পৰ্ক আছিল তাৰো কিছু অৱনতি ঘটিছিল। ফলত তেতিয়াৰেপৰা আগৰ ধৰণে পিকনিক বা ভ্ৰমণ আয়োজন কৰাটোতো কিছু যতি পৰে। এটা কথা উল্লেখ কৰাটো উচিত হ'ব যে আমাৰ কলেজৰ শিক্ষক কৰ্মচাৰীসকলৰ পিক্‌নিককে ধৰি তেনেধৰণৰ আনবোৰ কথাৰ আয়োজনত সকলোতকৈ অগ্ৰণী ভূমিকাত আছিল মহাবিদ্যালয়ৰ অধ্যক্ষ আব্দুল হাই ছাৰৰ বাহিৰেও মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক শশীকান্ত বৰা, অধ্যাপক জিতেন্দ্ৰনাথ বৰা, অধ্যাপক দেবেন্দ্ৰ নাথ শইকীয়া (ভূগোল), অধ্যাপক পুষ্পকান্ত বৰা, অধ্যাপক সহজানন্দা ওজা আদি। এখন মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকলে সকলোৱে মিলি এনেধৰণৰ এটা পৰিৱেশ সৃষ্টি কৰিব পৰাটো সেই সময়ৰ অসমৰ মহাবিদ্যালয়সমূহৰ ক্ষেত্ৰত এডিপি কলেজ আছিল এক ব্যতিক্ৰম।

এডিপি কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে সেই সময়ত লোৱা আন এক ব্যতিক্ৰমী পদক্ষেপ আছিল তেওঁলোকে নাট মঞ্চস্থ কৰাটো। মোৰ যিমানদূৰ মনত পৰে তেওঁলোকে মঞ্চস্থ কৰা দুখন নাটক আছিল— 'শ্মশান বন্ধুৰ ষ্টুডিঅ' আৰু 'চোৰ'। নাটক দুখন মঞ্চস্থ কৰাৰ কাৰণে সকলো প্ৰকাৰৰ উদ্যোগ লৈছিল মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ অধ্যাপক দেবেন্দ্ৰ নাথ শইকীয়া (বকুল)ই। তেখেতে নাটক আদিত দেৱকুমাৰ শইকীয়া বুলি নিজৰ নামটো ব্যৱহাৰ কৰিছিল। দেৱকুমাৰ শইকীয়া সেই সময়ত অসমৰ নাট্য জগতত এটা পৰিচিত নাম আছিল। তেওঁ ৰচনা কৰা কেইবাখনো নাটক অসমৰ বিভিন্ন মঞ্চত মঞ্চস্থ কৰাৰ বাহিৰেও আকাশবাণী গুৱাহাটীত (তেতিয়া গুৱাহাটী ৰেডিঅ' ষ্টেচন বুলি কোৱা হৈছিল) বিভিন্ন সময়ত ৰেডিঅ' নাটক হিচাপে মঞ্চস্থ হৈছিল। কলেজত মঞ্চস্থ কৰা নাটক দুখনৰ বিভিন্ন চৰিত্ৰত কলেজৰ অধ্যক্ষকে ধৰি প্ৰায় সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে অভিনয় কৰিছিল। অধ্যাপক শইকীয়াই দুয়োখন নাটকেই পৰিচালনা কৰিছিল। নাটক মঞ্চস্থ কৰাত অধ্যাপক শইকীয়াক সকলো প্ৰকাৰৰ সহায় আগবঢ়াইছিল অধ্যাপক ড° মলয় কুমাৰ ৰয়, অধ্যাপক শৰৎ মাধৱ কুশ্ৰে আৰু এই প্ৰবন্ধকাৰে।

খেলা-ধূলাৰ ক্ষেত্ৰতো এডিপি কলেজ আছিল সমগ্ৰ ৰাজ্যতে এক ব্যতিক্ৰমী অনুষ্ঠান। খেলা-ধূলাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষ আব্দুল হাই ছাৰ, পৰিচালনা সমিতিৰ সদস্যসকল আৰু শিক্ষকগোটৰ সদস্যসকলে অতি সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। এই লিখক ১৯৭৯ চনত অসম ক্ৰিকেট সংস্থাৰ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাত আৰু ১৯৮২-৮৩ চনত সুনীল গাভস্কাৰৰ নেতৃত্বত পাকিস্তান ভ্ৰমণলৈ যোৱা ভাৰতীয় ক্ৰিকেট দলটোৰ সহকাৰী মেনেজাৰ হিচাপে নিৰ্বাচিত হোৱাৰ সময়ত মহাবিদ্যালয়ৰ পৰিচালনা

সমিতি, মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু ছাত্ৰ একতা সভাই আনন্দ প্ৰকাশ কৰি প্ৰস্তাৱ গ্ৰহণ কৰিছিল। আনহাতে পৰিচালনা সমিতিয়েও বিশেষ ছুটী মঞ্জুৰ কৰিছিল আৰু অসম চৰকাৰেও একেদৰে বিশেষ ছুটী মঞ্জুৰ কৰি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক বিশেষ ছুটী দিবলৈ নিৰ্দেশ দিছিল। মুঠতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ শিক্ষকগোট আছিল এই ক্ষেত্ৰত এক ব্যতিক্ৰম। যিহেতু 'খেলা-ধূলাৰ ঐতিহ্যৰে মহিমামণ্ডিত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়' নামকৰণেৰে মহাবিদ্যালয়ৰ খেলা-ধূলা সম্পৰ্কত সুকীয়াকৈ এটা দীঘলীয়া প্ৰবন্ধ এইখন গ্ৰন্থতে সন্নিৱিষ্ট কৰা হৈছে। সেয়ে এইখিনি কথাকেই উল্লেখ কৰি বিষয়টো সামৰিলোঁ।

এডিপি কলেজৰ আন এটা ব্যতিক্ৰমী পদক্ষেপ আছিল কলেজখনৰ শিক্ষকসকলে গঠন কৰা এটা 'পাৰস্পৰিক অৰ্থ সাহায্য গোট' (এডিপি কলেজ টিচাৰ্ছ মিউচুৱেল এইড ফাণ্ড)। এই লিখকে সেই গোটটো গঠন কৰাত আগভাগ লৈছিল— গোটটোৰ সম্পাদকৰ দায়িত্ব বহন কৰি। কথাটো আছিল এনেধৰণৰ— প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰতিমাহে একোটা বা ততোধিক ইউনিট ক্ৰয় কৰি গোটটোৰ সদস্য হ'ব লাগে। প্ৰতিটো ইউনিটৰ মূল্য আছিল ১০ টকা। এইদৰে প্ৰতিগৰাকী সদস্যৰপৰা সংগ্ৰহ কৰা ধন এটা বেংক একাউণ্টত জমা কৰা হয় আৰু একোজন সদস্যৰ আৱেদনৰ ওপৰত ভিত্তি কৰি এটা গ্ৰহণ কৰা সূত্ৰৰ ভিত্তিত তেওঁক এটা নিৰ্দিষ্ট সময়ৰ বাবে কিছু ধন কোষটোৰপৰা ধাৰ হিচাপে দিয়া হয়— অতি কম পৰিমাণৰ সূতত। তেনেদৰে গ্ৰহণ কৰা পদক্ষেপৰ বাবে কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকল যথেষ্ট উপকৃত হৈছিল। গোটটোৰ প্ৰায় সকলো শিক্ষক-শিক্ষয়িত্ৰীয়ে এনেদৰে ঋণ লৈ মাটি কিনা, ঘৰ নিৰ্মাণ কৰা আৰু আন বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় আদি কৰিবলৈ সক্ষম হৈছিল কাৰণ সেই সময়ত মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দৰমহা অতি কম আছিল। উদাহৰণস্বৰূপে মই ১৯৬৫ চনৰ জুলাই মাহত কলেজত যোগদান কৰোতে প্ৰথম মাহত মোৰ দৰমহা আছিল ২৩৫ টকা। অৱশ্যে পিছৰ মাহৰ পৰা মোৰ দৰমহা হয় দিবা শাখাৰ চিফ্‌ট এলাৱেঞ্চ হিচাপে লাভ কৰা ১০০ টকাৰে মুঠ ৩৩৫ টকা। স্বাভাৱিকভাৱে ক'বলৈ গ'লে এই ফাণ্ডটোৰ পৰা সেই সময়ত আমি সকলো যথেষ্ট উপকৃত হৈছিলোঁ। কালক্ৰমে সেইটো এটা বৃহৎ ফাণ্ডত পৰিণত হৈছিল আৰু প্ৰত্যেকজন সদস্যই যথেষ্ট পৰিমাণৰ ধণ ঋণ হিচাপে লাভ কৰিবলৈ সক্ষম হৈছিল— অতি কম সুতত। আনহাতে ঋণ লাভ কৰিছিল অতি কম আয়াসতে। আনফালে তেতিয়া বেংকৰপৰা ঋণ পোৱাটো যথেষ্ট কষ্টসাধ্য আছিল আৰু তাৰ সুতো যথেষ্ট বেছি আছিল।

এডিপি কলেজৰ শিক্ষকগোটৰ আন এটা ব্যতিক্ৰমী পদক্ষেপ আছিল গোটটোৱে গ্ৰহণ কৰা এটা অতিশয় সাহসী আৰু দৃঢ় পদক্ষেপ। তেনে এটা পদক্ষেপ হয়তো

এতিয়ালৈকে অসমৰ আন কোনো মহাবিদ্যালয়ৰ শিক্ষক গোটে গ্ৰহণ কৰা নাই। বিষয়টো আছিল এনেধৰণৰ—

১৯৮৪ চনৰ কথা। মহাবিদ্যালয়ৰ দুগৰাকী শিক্ষক আবুবক্কৰ মহম্মদ চিদ্দিক আৰু আশ্ৰফ আলীয়ে যথাক্ৰমে নতুনকৈ স্থাপিত ৰূপহী কলেজ আৰু মৈৰাবাৰী কলেজৰ অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰাৰ পিছত এডিপি কলেজৰ অধ্যক্ষৰ ওচৰত দুবছৰৰ কাৰণে 'লিয়েন' বিচাৰি আবেদন কৰে আৰু কলেজৰ পৰিচালনা সমিতিয়ে তেওঁলোকৰ আবেদন বিবেচনা কৰি দুবছৰৰ কাৰণে 'লিয়েন' মঞ্জুৰ কৰে। তেওঁলোকৰ সেই 'লিয়েন' ১৯৮৬ চনত দুবছৰৰ অন্তত শেষ হয়। তেতিয়া তেওঁলোকে পুনৰ 'লিয়েন' বিচাৰি আবেদন কৰে। কিন্তু সেই সময়ত কলেজৰ গভৰ্নিং বডিখনৰ ম্যাদ শেষ হোৱাৰ কাৰণে অধ্যক্ষই তেওঁলোকৰ সেই আবেদনৰ কোনো ধৰণৰ সমাধান নিদিলে। তেখেতে নতুনকৈ পৰিচালনা সমিতি গঠন হ'লে সেই বিষয়টো তাত আলোচনা কৰি সেই ক্ষেত্ৰত এটা সিদ্ধান্ত লোৱা উচিত হ'ব বুলি ভাবি বিষয়টো তেনেকৈয়ে থৈ দিয়ে। ইতিমধ্যে অসমত অসম গণ পৰিষদ দলৰ এখন নতুন চৰকাৰ ক্ষমতালৈ আহিল। তাৰ পিছত এডিপি কলেজৰ এখন নতুন পৰিচালনা সমিতি গঠন কৰা হয়। নতুন পৰিচালনা সমিতিৰ সভাত অধ্যাপক দুগৰাকী 'লিয়েন'ৰ বিষয়টো অধ্যক্ষই উত্থাপন কৰে। কিন্তু আচৰ্যজনকভাৱে বহু কেইগৰাকী জ্যেষ্ঠ অধিবক্তাৰে সৈতে আৰু আন কেইগৰাকী বিজ্ঞ লোকেৰে গঠিত কলেজৰ নতুন পৰিচালনা সমিতিখনে অধ্যাপক দুগৰাকীয়ে তেওঁলোকৰ 'লিয়েন' শেষ হোৱাৰ পিছত তেওঁলোকে নিজেই পুনৰ কলেজলৈ ঘূৰি আহি কামত যোগদান নকৰাৰ কাৰণে তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰে।

তেনে এটা আচৰ্যজনক সিদ্ধান্ত লোৱাত এডিপি কলেজৰ শিক্ষক গোটে অধ্যাপক দুগৰাকীৰ ক্ষেত্ৰত চূড়ান্ত অন্যায় পৰিচালনা সমিতিয়ে কৰা বুলি অভিযোগ উত্থাপন কৰে। পৰিচালনা সমিতিৰ পিছৰখন সভাত পৰিচালনা সমিতিত নতুনকৈ শিক্ষকগোটৰ প্ৰতিনিধি হোৱা অধ্যাপক দুগৰাকীয়ে আগৰ পৰিচালনা সমিতিৰ সভাখনত অধ্যাপক দুজনক বৰ্খাস্ত কৰাৰ সিদ্ধান্তটো সম্পূৰ্ণ অযুক্তিকৰ বুলি আপত্তি দৰ্শাই সেইটো নিগাজীকৰণ (Confirm) নকৰি বিষয়টো পুনৰ বিবেচনা কৰিবলৈ পৰিচালনা সমিতিক অনুৰোধ জনায়। কিন্তু প্ৰতিনিধি দুগৰাকীৰ আপত্তিৰ প্ৰতি কোনো গুৰুত্ব আৰোপ নকৰি পৰিচালনা সমিতিয়ে শিক্ষক দুগৰাকীৰ বৰ্খাস্তকৰণৰ সিদ্ধান্তটো বাহাল ৰাখে। শিক্ষক প্ৰতিনিধি দুগৰাকীয়ে সেই কথাৰ প্ৰতিবাদ কৰি পৰিচালনা সমিতিৰ সেইদিনাৰ বৈঠক বৰ্জন কৰে।

পিছত শিক্ষক গোটৰ সভা অনুষ্ঠিত কৰি সমগ্ৰ বিষয়টো পুংখানুপুংখভাৱে আলোচনা কৰা হয়। সভাই শিক্ষক প্ৰতিনিধি দুগৰাকীয়ে পৰিচালনা সমিতিৰ সেইখন

সভাত লোৱা ভূমিকাক ভূয়সী প্ৰশংসা কৰে। সভাই লগতে পৰিচালনা সমিতিৰ উক্ত সিদ্ধান্তটো চৰকাৰৰ দৃষ্টিলৈ আনি কলেজ পৰিচালনা সমিতিৰ সেই সিদ্ধান্তটো বাতিল কৰিবলৈ অসম চৰকাৰৰ শিক্ষা বিভাগৰ উচ্চতম মহলক অনুৰোধ কৰিবৰ বাবে সিদ্ধান্ত লয়। লগতে তাৰ কাৰণে শিক্ষক গোটৰ এটা প্ৰতিনিধি দলে শিক্ষা বিভাগৰ উৰ্ধতম মহলক লগ ধৰি শিক্ষকসকলৰ মতামত তেওঁলোকৰ আগত দাঙি ধৰিবলৈকো সিদ্ধান্ত গ্ৰহণ কৰে।

উক্ত সিদ্ধান্ত মৰ্মে শিক্ষক গোটৰ প্ৰতিনিধি দল এটাই সেইসময়ৰ অসমৰ মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আৰু শিক্ষা আয়ুক্তক লগ ধৰি বিষয়টো তেখেতসকলক অৱগত কৰে আৰু এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰি শিক্ষক দুগৰাকীৰ ওপৰত পৰিচালনা সমিতিয়ে লোৱা সিদ্ধান্ত কাৰ্যকৰীকৰণ বন্ধ কৰিবলৈ অনুৰোধ কৰে।

অৱশেষত অসম চৰকাৰৰ শিক্ষা বিভাগে শিক্ষক দুগৰাকীৰ ওপৰত পৰিচালনা সমিতিয়ে লোৱা বৰ্খাস্তকৰণৰ সিদ্ধান্তটো অনুমোদন জনাব নোৱাৰে বুলি কলেজ কৰ্তৃপক্ষক অৱগত কৰে। তাৰ ফলত শিক্ষক দুগৰাকী ক্ৰমে আবুবক্কৰ মহম্মদ ছিদ্দিক (দৰ্শন বিভাগ) আৰু আশ্ৰফ আলী (পদাৰ্থ বিজ্ঞান বিভাগ)য়ে তেওঁলোকে আবেদন কৰা মতে 'লিয়েন' লাভ কৰে আৰু তাৰ পিছত পুনৰ আহি এডিপি কলেজত যোগদান কৰিবলৈ সক্ষম হয়। ৰাজ্যৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত এডিপি কলেজৰ শিক্ষক গোটটোৱে যি ধৰণৰ এটা দৃঢ় স্থিতিৰে শিক্ষক দুগৰাকীৰ স্বাৰ্থত কাম কৰি কলেজ পৰিচালনা সমিতিৰ এটা সিদ্ধান্ত পৰ্যন্ত বাতিল কৰিবলৈ সক্ষম হ'ল সেইটো নিশ্চয় আছিল এটা অতিশয় ব্যতিক্ৰমী আৰু ঐতিহাসিক পদক্ষেপ। যিটো সমগ্ৰ অসমৰ কলেজ শিক্ষাৰ ক্ষেত্ৰত সোণালী আখৰেৰে লিখা থাকিব আৰু এটা দৃষ্টান্ত হৈ ৰ'ব।

মুঠতে এনেবোৰ ব্যতিক্ৰমী কথা আৰু কামৰ কাৰণে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় আছিল অসমৰ শিক্ষা ক্ষেত্ৰখনত ব্যতিক্ৰমী অনুষ্ঠান, যাৰ কাৰণে মহাবিদ্যালয়খন আছিল অসমৰ আন আন মহাবিদ্যালয়সমূহৰ ঈৰ্ষাৰ পাত্ৰ। এইবোৰ কাৰণতেই এডিপি কলেজ আছিল ব্যতিক্ৰমী পৰম্পৰাৰে সমুজ্জ্বল এক অনন্য শিক্ষানুষ্ঠান।▸▸

# স্মৃতিৰ জলঙাৰেদি

## ড° ছৰিফউদ্দিন আহমেদ

পহিলা ডিচেম্বৰ ২০০৪ চন। পুৱা ১০ বজাত শ্ৰদ্ধেয় ওজা ছাৰ, কলিতা ছাৰ, নগেন নাথ ছাৰ, মাহেলা দা, পট্টনায়ক, সত্যমণি বাইদেউ আৰু কাৰ্যালয়ৰ হাজৰিকা দা, চুলেমান দা, লাইব্ৰেৰীৰ শৰ্মাদাৰ উপস্থিতিত অধ্যক্ষৰ আসনখনত বহোতে গাটো জিকাৰ খাই উঠিছিল। শুকদেৱ গোস্বামী আৰু আব্দুল হাই ছাৰ বহা আসনত বহি অলপ অস্বস্তিবোধ কৰিছিলোঁ। কাৰ্যভাৰ গ্ৰহণৰ পিছত সকলোজন আঁতৰি গ'ল। অকলে বহি এটাই সংকল্প ল'লোঁ— কলেজখনৰ সকলো দিশৰ উন্নয়নৰ বাবে সকলোখিনি কৰিম; সকলোৰে সহযোগত এই মহাবিদ্যালয়খন অসমৰ ভিতৰতে জাকতজিলিকা কৰিম।

১৯৮০ চনৰ কোনোবা এটা দিনত উদ্ভিদ বিজ্ঞান বিভাগত যোগদান কৰিছিলোঁ। কোনো নিযুক্তি পত্ৰ নাছিল। ১৯৮১ চনত ফেব্ৰুৱাৰী মাহতহে নিযুক্তি পত্ৰ পাওঁ। ক'বলৈ গ'লে, তেতিয়াৰে পৰাহে চাকৰিটো হয়। বিজ্ঞান শাখা নতুনকৈ খোলা বাবে নিযুক্ত মানুহবোৰো ডেকা আছিল। পদাৰ্থ বিজ্ঞান বিভাগৰ আশ্ৰফ আলি ছাৰ সকলোৰে বয়োজ্যেষ্ঠ আছিল। বিজ্ঞান শাখাৰ যাৱতীয় কামবোৰ তেখেতৰ নেতৃত্বত হৈছিল। বিজ্ঞান শাখাৰ অভাৱ অভিযোগবোৰ আছিল সীমাহীন। অধ্যক্ষ হাই ছাৰে কেনেকৈ যে এই সমস্যা সমাধান কৰিছিল, ভাবিলে আচৰিত লাগে। আমাক সামান্য মাননিখিনি দিওঁতে কলা বিভাগৰ দৰমহা কেতিয়াবা দেৰি হ'লে দুই এজনে ধেমালিৰ চলেৰে Science Stream is a losing concern বুলিও কৈছিল। অৱশ্যে অতি সোনকালেই বিজ্ঞান শাখাটো Grant হৈ যায়। আৰু আমি UGC মূল দৰমহা পোৱা হ'লোঁ। সেই সময়ত অসমৰ শিক্ষামন্ত্ৰী আছিল নগাঁৱৰ সদৰ সমষ্টিৰ বিধায়ক মুকুট

শৰ্মা। ৮৩ ৰ অবৈধ মন্ত্ৰীসভা। অসম আন্দোলনৰ ভৰপক সময়। মন্ত্ৰী বিধায়কৰ ওচৰলৈ ৰাতিহে মানুহ যায়। আমাৰ বিজ্ঞান শাখাৰ প্ৰায়খিনিকে আমাৰ দেউতাৰ গাড়ীখনেৰে আমাৰ ঘৰলৈ নি চাহ পৰ্বৰ পিছত আৱৰ্ত ভৱনলৈ লৈ অনা হয়। তাতেই আমি সকলোৱে মুকুট শৰ্মাদেৱক লগ পাওঁ আৰু আমাৰ বিজ্ঞান শাখাৰ Grant ৰ বাবে অনুৰোধ জনাওঁ। সকলো ফালৰপৰা হেঁচা পৰাৰ পিছত অতি সোনকালে কম সময়ৰ ভিতৰত আমাৰ কলেজৰ Science Stream Grant হয়। ইয়াত তেওঁলোক ছাৰৰ যথেষ্ট অৱদান আছিল। কলেজ Grant হ'লেও আমি কিন্তু Law College তে Class কৰি আছিলোঁ। পিছত বিভিন্ন অসুবিধাৰ মাজতে Law College ৰ পৰা আমাৰ কলেজলৈ সকলো Class স্থানান্তৰিত কৰা হ'ল।

সেই সময়ৰ বয়োজ্যেষ্ঠসকলৰ ভিতৰত বাণেশ্বৰ শইকীয়া ছাৰ, ডঃ নৱেন কলিতা ছাৰ, সহজানন্দ ওজা ছাৰ, এ.বি. চিদ্দিক ছাৰ, হাচমী ছাৰ, ড° মলয় ৰয়, বাইদেউ, শশী বৰা, পুষ্প বৰা, ৰবীন বৰা আদি ছাৰসকলৰ ছত্ৰছায়াত থাকি আমি বহুতো শিকিছিলোঁ। খেল জগতত ওজা ছাৰ, সাহিত্যত ড° নৱেন কলিতা ছাৰ আৰু অসমৰ ৰাজনীতিত বাণেশ্বৰ শইকীয়া ছাৰক অসমৰ সকলোৱে জানে। দুটা বিপৰীত ভাবাদৰ্শৰ হাচমী ছাৰ আৰু শৰৎ মাধৱ কুম্ৰে ছাৰৰ বন্ধুত্ব আৰু ডবা খেল আমাৰ মাজত চৰ্চাৰ বিষয় আছিল। কলেজ প্ৰতিষ্ঠাকালৰেপৰা সকলো কামতে আগভাগ লৈ একাগ্ৰতাৰে সেৱা আগবঢ়োৱা ব্যক্তিজনেই হ'লে শৰ্মাদা। কেৰাণী, গ্ৰন্থাগাৰিক সকলো তেখেত। কলেজৰ মাটি-বাৰী সম্পৰ্কত সকলো তথ্য তেখেতে ভালদৰে জানিছিল আৰু ৰেকৰ্ডপাতি তেখেতেই ৰাখিছিল। শিক্ষক পৰিষদৰ সভাত বহু বাক্-বিতণ্ডাই হৈছিল। বাহিৰৰ মানুহে দেখিলে ভাবিব কাজিয়া। প্ৰথম অৱস্থাত আমিও স্তম্ভিত হৈছিলোঁ। সভা শেষ আৰু সকলো আগৰদৰে স্বাভাৱিক।

বিজ্ঞান শাখা খোলাৰ লগে লগে মহাবিদ্যালয়খনৰ ওপৰত আৰ্থিক বোজা এটা পৰিল। Law College ত Class আৰু Practical নিজ কলেজত। Practical Laboratory বোৰ সৰু আৰু আহিলা-পাতিৰো অভাৱ। অধ্যক্ষ মহোদয়ে বহু কষ্ট স্বীকাৰ কৰি বিজ্ঞান শাখাটো চলাই নিছিল। Practical ৰ সামগ্ৰী আদি প্ৰয়োজনৰ সময়ত বিশেষকৈ আৰম্ভণিতে বিজ্ঞানৰ মুৰব্বীসকলে অধ্যক্ষ ছাৰৰ লগত বহি আলোচনা কৰে আৰু টকাখিনি সেইমতে ভাগ কৰি দিয়ে। উদ্ভিদ বিজ্ঞান বিভাগৰ বেছি খৰচ নাই। সমাগ্ৰীৰ অভাৱত Practical Class কৰাত বহু অসুবিধা হৈছিল। সময়বোৰ বৰ কঠিন আছিল। সা-সৰঞ্জাম যিখিনি আছিল ছাত্ৰৰ সংখ্যানুপাতে সেয়া যথেষ্ট নাছিল। আমি কিন্তু ভাগি পৰা নাছিলোঁ। উদ্ভিদ বিজ্ঞান Excursion তে বহুবোৰ

প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰি আনি Practical Class ত ব্যৱহাৰ কৰা হৈছিল। কলেজৰ বুৰঞ্জীত এই সময়খিনিক দুৰ্যোগপূৰ্ণ বুলিব পাৰি। Science Section Grant হোৱাৰ পিছতো সমস্যাবোৰ সম্পূৰ্ণ সমাধা হোৱা নাছিল। অধ্যক্ষ হাই ছাৰে কেনেকৈ এইবোৰ manage কৰিছিল ভাবি আচৰিত লাগে।

আমাৰ মহাবিদ্যালয়ৰ সেই সময়ত খেলা-ধূলাৰ বাবে বিখ্যাত আছিল। ICS Festival ত নগাঁৱত এই কলেজৰ উদ্যোগত উদ্‌যাপন হৈছিল। ICFI ত দুবাৰ Champion হৈছিল। অধ্যক্ষ ছাৰৰ নিৰ্দেশত Sport in-charge ৰ দায়িত্ব ল'লোঁ। প্ৰথমে গ্ৰামাঞ্চলৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰী সংগ্ৰহ কৰি নামভৰ্তি কৰাত লাগিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে নিয়মীয়াকৈ Practice কৰিব ধৰিলে। আমাৰ ছাত্ৰ-ছাত্ৰীয়ে Senior Inter District Sports Competitionত নগাঁও জিলাক প্ৰতিনিধিত্ব কৰে। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। কিছুমান প্ৰতিযোগিতা ৰাতিও অনুষ্ঠিত হয়। আজি কালিৰ দৰে সাংস্কৃতিক সন্ধিয়া দিনতেই শেষ নহয়। বৰ্মন ছাৰৰ অধ্যক্ষৰ কাৰ্যকালত প্ৰথমবাৰলৈ Boxing Competetion অনুষ্ঠিত কৰোঁ। মনজিৎ সিং ৰাজাহুঁতক মাতি আনি Ring আদি বনোৱা হ'ল। Boxing Competetion নগাঁও জিলাৰ College সমূহত সেয়াই প্ৰথম।

Inter College Sport Festivalত আমাৰ কলেজে সদায়ে বিশেষ পাৰদৰ্শিতা দেখুৱায়। বীণামাই বালাৰী, দিপ্তী, লুকুমণি, মৌচুমী, প্ৰমীলা, কিৰণ হাজৰিকা, দীপক শৰ্মা, দীপক জামান, বাবুল চায়েফুৰ, হাৰুণ, ধৰ্মেশ্বৰ, জীতেন, সুভাষ, দিলীপ আদি খেল জগতৰ চিনাকি খেলুৱৈসকল এই মহাবিদ্যালয়ৰে। আমাৰ খেলুৱৈয়ে Inter Versity Football আৰু Inter Versity Sports Festival ত G.U. ক কেইবাৰো প্ৰতিনিধিত্ব কৰিছিল। আৰোহন বৰদলৈ, সোণটিহুঁতে বিহুতলীত দপ্‌দপাই থাকিলে ভাল লাগে— তেওঁলোক আমাৰ ছাত্ৰ। এই মহাবিদ্যালয়ৰপৰা বহু ছাত্ৰ-ছাত্ৰীয়ে অসমৰ সামাজিক, সাংস্কৃতিক, সাহিত্যৰ জগতত প্ৰতিষ্ঠিত হৈছে।

অসমত বোধকৰো এইখনেই চৰকাৰী মাটি নোহোৱাকৈ প্ৰতিষ্ঠিত মহাবিদ্যালয়। যিখিনি মাটি আছে গোটেইখিনি কিনা মাটি। ভাৰপ্ৰাপ্ত অধ্যক্ষ নৰেন্দ্ৰ নাথ শইকীয়া ছাৰৰ দিনত বৰ্তমানে Multipurpose Gymnasium সজোৱা ঠাইডোখৰ ১৯৯৪-৯৫ চনত নগাঁও পৌৰসভাৰ পৰা কলেজে আবণ্টন পায়। আমি অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণৰ সময়ত কলেজৰ RRB পথৰ দীঘে প্ৰশাসনিক ভৱনটো নিৰ্মাণৰ কাম আৰম্ভ হৈ আছিল, ভৱনটো সম্পূৰ্ণ হোৱাত পুৰণা কাৰ্যালয়টো ইয়ালৈ স্থানান্তৰিত কৰা হয়। এই সময়তে কলেজৰ আগৰ প্ৰৱেশদ্বাৰ RRB পথৰ দিশে অনা হয়।

একেদৰে ছহিদ বেদীটোও সন্মুখৰ ফাললৈ অনা হয়। লাহে লাহে আন্তঃগাঁথনি উন্নয়নৰ বাবে UGC ৰ পৰাও ধন আবণ্টন হ'ল। আচলতে বহু বছৰ ধৰি হোষ্টেল নির্মাণৰ ব্যৱহাৰিক প্রমাণ পত্র নিদিয়াৰ বাবে বহুবছৰ মহাবিদ্যালয়খন UGCত Black listed হৈ আছিল। অন্যান্য Grant পালেও Infra Structure Development ৰ Grant বন্ধ হৈ আছিল। অধ্যক্ষ বর্মন ছাৰৰ দিনত ওজা ছাৰৰ তৎপৰতাত এই প্রতিবন্ধকতা দূৰ কৰা হ'ল। এই গাঠি খোল খোৱাৰ পিছত UGC ৰ অর্থ সাহায্যত বিভিন্ন ভৱন, Class room আদি নির্মাণ কৰা হ'ল। পুৰণা Building বোৰৰ অৱস্থা শোচনীয় হোৱাৰ বাবে পৰিচালনা সমিতিৰ নির্দেশ মর্মে তাৰ ঠাইত নতুন ভৱন নির্মাণ কৰা হ'ল। নতুন নতুন Course, Digital Class Room, Solar আদি আধুনিক সকলো সুবিধা কলেজত সংযোজিত হ'ল। M.Sc. Herbal Sc. and Technology Course টোত আমি ভাৰতৰ ভিতৰতে প্রথম BCA, Bio Informatics, CA, Fashion Designing, Electronics instruments maintenance, Community College আদি নতুন Course বোৰৰ লগে লগে M.A. (Ass.), M.A. (Hist.) আৰু শেষত চলিত বছৰৰপৰা B.Com. খোলা হ'ল।

মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ সময়ত সকলোৱে আলোচনা কৰি সিদ্ধান্ত লোৱা হ'ল কলেজৰ সকলো কর্মচাৰীয়ে দান-বৰঙণি যোগাব কিন্তু বাহিৰৰ পৰা দান-বৰঙণি উঠোৱা নহ'ব। সকলোৰে বদান্যতাত ভালদৰেই উদ্‌যাপন হ'ল। কলেজ পুঁজিৰ পৰাও কিছু ধন আগবঢ়োৱা হ'ল। মহাবিদ্যালয়ে আনন্দৰাম ঢেকিয়াল ফুকন সম্পর্কে বিশেষভাৱে এখন কিতাপ প্রকাশ কৰি উলিয়ায়। যিটো অসমবাসীৰ বাবে অভাৱ আছিল।

NAACৰ প্রথম পৰিদর্শনৰ সময়ত শ্রদ্ধেয় নগেন চন্দ্র নাথ ছাৰ ভাৰপ্রাপ্ত অধ্যক্ষ আছিল। সম্পূর্ণ দায়িত্বত আছিল P.K. Sharma (Co-ordinator), সহযোগী K.C. Das আৰু D.K. Sharmah. Collegeত মাথোঁ এটা Computer, তেখেতসকলে ৰাতি Libraryত বহি কাম কৰে। মই প্রায়ে আহি চাহ খাই আড্ডা মৰাৰ কথাবোৰ মনত পৰে। আমি আশা কৰা মতেই NAACত 'B' Grade পালে। NAACৰ দ্বিতীয়বাৰ পৰিদর্শনৰ সময়ত বহু আগৰেপৰা আমি প্রস্তুতিত লাগিলোঁ। এইবাৰ NAACৰ Co-ordinator নিযুক্তি দিয়া হ'ল জ্যেষ্ঠ অধ্যাপক নিত্যানন্দ পট্টনায়কক। সহায়ক হিচাপে থাকিল পৰাগ দত্ত, প্রশান্ত কুমাৰ গগৈ আৰু কিশোৰ কুমাৰ শ্বাহ NAACৰ Visitৰ কেইমাহমান আগতে পট্টনায়কে অৱসৰ গ্রহণ কৰে। তেখেতৰ ঠাইত এইবাৰ দিয়া হয় ড° সঞ্জীৱ কুমাৰ বৰকাকতীক। এইবাৰ (2016) আমি আশা

কৰা মতেই 'A' Grade পালোঁ। সকলোৱে আনন্দিত। আমি সকলোৱে যেন বহু ইপ্সিত কিবা এটাহে পালোঁ।

আমি চাকৰিত সোমাওঁতে প্ৰায়ে শুনিছিলোঁ Input আৰু Output শব্দ দুটা। নামভৰ্তি আৰু Result ৰ সময়ত বেছি শুনা যায়। পিছত বুজিলো নগাঁও কলেজত আসন শেষ হোৱাৰ পিছতহে ছাত্ৰ-ছাত্ৰী আমাৰ তালৈ আহে। গতিকে এনে Inputৰ পৰা Output ভাল কেনেকৈ আশা কৰিব পাৰি। ইয়াৰ মাজতো ভূগোল, আৰবী বিভাগত ফলাফল বহুত ভাল হয়। বুৰঞ্জী বিভাগত Universityৰ Topper আমিনুল ইছলাম, বিজ্ঞানৰ ফলাফলো ভাল। ১৯৮৫-৮৬ চনৰপৰা বিজ্ঞান শাখাৰ কেইবাটাও বিভাগত Major পাঠ্যক্ৰম খোলা হ'ল। নতুন উদ্যমেৰে বিজ্ঞান শাখাৰ সকলোৱে ছাত্ৰ-ছাত্ৰীৰ যত্ন লোৱাত লাগিল।

ফলাফল ভাল হোৱাৰ লগে লগে নগাঁও, মৰিগাঁও জিলাৰ বহু ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিলে। এইখন মহাবিদ্যালয়ৰ দুটামান Combination ছাত্ৰ-ছাত্ৰীৰ মাজত বৰ জনপ্ৰিয় আছিল Bio Geography, Bio Maths আৰু Bio Physics.

লাহে লাহে কিবা যেন পাৰ্থক্য চকুত ধৰা পৰা হ'ল। ছাত্ৰ-ছাত্ৰীৰ চাইকেলতকৈ বাইকৰ সংখ্যা বাঢ়িল। আমাৰো চাইকেল, Scooter ৰ ঠাইত গাড়ীৰ সংখ্যা বাঢ়িল। গৰুৰ জাকৰ ঠাইত ছাগলীও কলেজৰ চৌহদত সোমাব নোৱৰা হ'ল। পূৰ্বতে এবাৰ এজনে হাতত Registrar বহী আৰু চক লৈ দৌৰা দৌৰিকৈ Class লৈ যাওঁতে গোবৰত ভৰি পৰি এনেদৰে পিছল খাই পৰিল, টাইট Pant ৰ পিছ ফালৰ গোটেই সীয়নি ফাটি গল। ওঃ কি যে অৱস্থা। ছাৰ উঠিবওঁ নোৱাৰে বহিবওঁ নোৱাৰে। এজনে শিক্ষক জিৰণি কোঠাৰ লেতেৰা টাৱেলখনকে আনি পিন্ধাই দিলে।

কিবা নতুন খবৰৰ বিষয়ে জানিবলৈ হ'লে দৌৰ মাৰো প্ৰভাত দাৰ ওচৰলৈ আটাই কেইখন paper পঢ়ি up to date হৈ থাকে শৰ্মাদা। মই পট্টনায়ক, পল্লৱ তাত প্ৰায়েই বহি কিতাপ পঢ়িছিলোঁ। প্ৰত্যেকে প্ৰত্যেকৰ ল'ৰা-ছোৱালীকেইটা কি পঢ়ে কি কৰে জানিছিল— ইমান আন্তৰিকতা। বিপদ-আপদত সকলো ওবুৰি খাই পৰে। অৱশ্যে সেই পৰম্পৰা আমাৰ মাজত এতিয়াও আছে। ভৱ শৰ্মা ছাৰ নহ'লে আমাৰ যেন কোনো কাৰ্যসূচীয়েই সম্পূৰ্ণ নহয়। অৰ্থনীতি বিভাগত যোগদান কৰাৰ পৰা পল্লৱক অলপ ব্যতিক্ৰম দেখিছিলোঁ। অধ্যয়নশীল, বুদ্ধিদীপ্ত এই প্ৰৱক্তাজন হঠাৎ এদিন নাইকিয়া হ'ল। বহু বিচাৰ-খোচাৰ কৰিও কোনো শুংসূত্ৰ নোলাল।

Discollegiate Students ক Form fill-up কৰিব দিয়া নহয়। আমাৰ College ত কেতিয়াও Form Fill-up কৰিব দিয়া হোৱা নাই। এই লৈ এবাৰ মহা

হাঙ্গামা। দৰজা-খিৰিকী ভঙাৰ উপক্ৰম। আমি বাধা দিবলৈ যাওঁতে মোৰ হাতখন এজন ছাত্ৰৰ ডিঙিত লগাত সেয়াই Issue এটা হ'ল। ভিতৰে-বাহিৰে থকা কোনোবা চকু-চৰহাই মিডিয়াক দিলে খবৰ। আমাৰ ফালৰ পৰা কোৱা হ'ল মহাবিদ্যালয়ৰ সম্পত্তি ধ্বংস কৰিবলৈ আহোতে বাধা দিয়াত, ডিঙিত লাগিব পাৰে। বাধা দিয়াতো আমাৰ কৰ্তব্য। দিনটোত দূৰদৰ্শনত কিবাকিবি ওলাল। কাকো Form Fill-up কৰিব দিয়া নহ'ল। ছাত্ৰৰ ডিঙিত অধ্যক্ষৰ হাত লগাটো ডাঙৰ খবৰ। Attendance নথকাৰ বাবে Form Fill-up কৰিব নিদিয়াত College ৰ সম্পত্তি ধ্বংস কৰিবলৈ অহাটো খবৰেই নহয়। অৱশ্যে পিছদিনা TVত সুৰ ওলোটা হ'ল। আমাৰ College ত Form Fill-up কৰিব নিদিয়াটো এক শক্তিশালী পদক্ষেপ বুলি সকলো প্ৰচাৰ মাধ্যমতে প্ৰচাৰ হ'ল।

পিক্‌নিকলৈ যোৱা ভোজভাত খোৱা আদিত সকলোৱে সমান সঁহাৰি আছিল। Family Picnic বোৰৰ বাবে আমাৰ পৰিয়ালৰ সদস্যসকলৰ মাজত মৰম, স্নেহ, সহৃদয়তা আদি দৃঢ় হৈছিল। বহুতো উপলক্ষত ভোজ-ভাত খোৱা হৈছিল, কিন্তু বিজ্ঞান শাখা Grant হোৱাত আয়োজন কৰা আৰু NAAC ৰ 'A' Grade পোৱাৰ পিছত খোৱা ভোজ-ভাতৰ কথা পাহৰিব নোৱাৰি।»»

# প্ৰাক্তন ছাত্ৰৰ দৃষ্টিৰে

# আমাৰ দিনৰ এডিপি কলেজ

## ড° ৰাজেন শইকীয়া

এডিপি কলেজখনক জনাৰ আগতেই আমি জানিবলৈ পাইছিলোঁ কলেজখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষজনক— হাইস্কুলৰ তলৰ শ্ৰেণীত থাকোঁতেই, বিলাতফেৰত শুকদেৱ গোস্বামী নামৰ সুদৰ্শন মানুহজনক। তেখেতে আমাৰ স্কুলৰ কোনো এখন সভাত ভাষণ দিছিল। অলপ দিনৰ পাছত দেখিলোঁ তেখেত নগাঁও লোকসভা সমষ্টিৰ স্বতন্ত্ৰ দলৰ প্ৰাৰ্থী হৈছে। ডাঙৰসকলে কোৱা-কুই কৰা শুনিছিলোঁ শুকদেৱ গোস্বামী বৰ সাহসী মানুহ। গৱৰ্ণমেণ্টলৈ ভয় নকৰে। যি কোনো মানুহৰ বাবে এইটো সেই সময়ৰ এটা বীৰত্বব্যঞ্জক আৰু ৰাইজৰ শ্ৰদ্ধা উদ্ৰেগকাৰী মহিমা। কলেজ পতাটো কোনো অলপ ধতুৱা মানুহৰ কাম নহয়। অসমৰ এজন প্ৰাতঃস্মৰণীয় পুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত কলেজ এখন প্ৰতিষ্ঠা কৰা কথাটোৱেই সেই সময়ৰ নগাঁৱৰ সামাজিক আৰু সাংস্কৃতিক নেতৃত্ব দিয়া লোকসকলৰ উচ্চ গুণগ্ৰাহিতা আৰু প্ৰেৰণাদায়ী চিন্তাৰ পৰিচয় দিয়ে। এই ছেগতে আমি সেইসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

ৰাতিৰ কলেজ, সেইটোৱেই আছিল এডিপি কলেজৰ বিষয়ে সকলোৰে জনা সাধাৰণ কথা। ১৯৬৬ চনত নগাঁও কলেজৰপৰা তেতিয়াৰ দিনৰ এবছৰীয়া প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষা পাছ কৰি মহা সংকটত পৰিলোঁ। ভাবিছিলোঁ ইংৰাজী বিষয়ত অনাৰ্ছ লৈ বি.এ. পঢ়িম। কিন্তু নগাঁও কলেজৰ ইংৰাজী বিষয়ৰ মুৰব্বী অধ্যাপক, মোৰ প্ৰিয় শিক্ষক সমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্তীক লগ ধৰিলত ছাৰে ক'লে যে ইংৰাজী বিষয়ত অনাৰ্ছ খুলিবলৈ কলেজত শিক্ষকৰ অভাৱ। বুৰঞ্জী বিষয়তো তেতিয়ালৈকে অনাৰ্ছ

পাঠ্যক্ৰম আৰম্ভ হোৱা নাছিল। শিক্ষক আছিল দুগৰাকী— ললিত শইকীয়া আৰু ভানু গোস্বামী। জিলাৰ বাহিৰলৈ গৈ কলেজ পঢ়া কথাটো আছিল কল্পনাৰ অতীত।

পাঠকে ভুল নুবুজিব, অনাৰ্ছ লৈ বি.এ. পঢ়াটো আছিল মোৰ একান্ত অস্থিৰ অনুৰাগ। হাইস্কুলৰ মাজভাগতে মোৰ গাত এবিধ ৰাজনৈতিক বায়ু এনেকৈ চৰিছিল যে সকলো আনুষ্ঠানিক পঢ়া-শুনা বাদ দি বহেমিয়ান সমাজসেৱক হোৱাৰ অনুশীলন প্ৰায় সম্পূৰ্ণ কৰিছিলোঁ। নদীৰ পানী সিঁচি নদী পাৰ হ'ম এনেকুৱাই আছিল মোৰ আত্মনাশী আৰু হঠকাৰী চিন্তা।

সি যি হওক কোনোবা শুভক্ষণত এদিন মই এডিপি কলেজলৈ বুলি বাট ল'লোঁ। অধ্যক্ষ আব্দুল হাই অফিচত বহি আছে। যদিও সেই বছৰৰপৰা অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান এই দুটা বিষয়তহে অনাৰ্ছ খোলা হৈছে বুলি জাননী দিয়া হৈছিল, তেখেতক লগ ধৰি মোৰ সমস্যাৰ কথা ক'লোঁ। তেখেতে ক'লে— তুমি এডমিশ্যন ল'লে মই হিষ্ট্ৰিত অনাৰ্ছ খুলিম। মই ক'লো ঠিক আছে, ইয়াতে পঢ়িম। ছাৰে ক'লে আজিয়েই এডমিশ্যন লোৱা। মোৰ হাতত আছিল এঘাৰ টকা, এডমিশ্যনৰ বাবে লাগে ছয়চল্লিশ টকা। গতিকে ছাৰৰ পৰামৰ্শ মতে দৰ্খাস্ত এখন দি দহ টকাত মই লগে লগে এডমিশ্যন ল'লোঁ। মাৰ্কশ্বিট, চাৰ্টিফিকেটৰ কথাই নাই। এডমিশ্যন ফৰ্মৰ নিৰ্দিষ্ট ঠাইত সেইখিনি কথা পূৰাই দিছিলোঁ। যিমানদূৰ মনত পৰে, দুয়ো পিঠিত ছপা কৰা এখিলা ফুলস্কেপ কাগজেই এডমিশ্যন ফৰ্ম। আবেদনকাৰীয়ে বিনা পইচাতে সেইখন পাইছিল। প্ৰসঙ্গক্ৰমে কৈ থওঁ যে ১৯৬৬ চনৰ পৰাহে এডিপি কলেজত দিবা শাখা আৰম্ভ কৰা হৈছিল। সেইদিনা কলেজ অফিচত মাত্ৰ এজন কেৰাণী আছিল— প্ৰভাত শৰ্মা বৰুৱা। তেখেতেই মোৰ পৰা দহটকা লৈ মোক নামভৰ্তিৰ ৰছিদখন দি ক'লে ক্লাছ আৰম্ভ হোৱাৰ আগে আগে মাৰ্কশ্বিট-চাৰ্টিফিকেটৰ এটেষ্টেড কপি আৰু তিনিমাহৰ ভিতৰত বাকীখিনি টকা আদায় দিব লাগিব। ওখ-পাখ ফিট-ফাট টাউনীয়া ডেকা প্ৰভাত শৰ্মা বৰুৱাৰে সৈতে তেতিয়াৰ পৰা মোৰ হৃদ্যতা। কেইবছৰমানৰ ভিতৰতে লাইব্ৰেৰী ছায়েন্সৰ ডিগ্ৰী লৈ তেখেত কলেজৰ লাইব্ৰেৰিয়ান হৈছিল। ভাৰপ্ৰাপ্ত লাইব্ৰেৰিয়ান হিচাপেও তেখেতে আমাৰ দৰে ছাত্ৰসকলক উদাৰভাৱে সহায় কৰিছিল।

তেতিয়াৰ দিনত এডমিশ্যনৰ ধৰাবন্ধা তাৰিখ নাছিল, অন্ততঃ এডিপি কলেজত। আবেদনকাৰীয়ে প্ৰ-পত্ৰ লৈ অধ্যক্ষক দেখা কৰে, অধ্যক্ষই তাত চহী কৰি নামভৰ্তিৰ হুকুম দিয়ে। প্ৰ-পত্ৰবোৰ চাই চিতি দিছিল ৰোহিত মহন্তই। তেখেতো দীৰ্ঘদিন ধৰি কলেজৰ বৰবাবু আছিল।

সৰুৰেপৰা আমাৰ জুৰিয়া অঞ্চলৰ এসময়ৰ পাব্লিক ফিগাৰ ওছমান আলি

সদাগৰৰ পুত্ৰ নগাঁও কলেজৰ প্ৰফেছাৰ আব্দুল হাইৰ নাম শুনিছিলোঁ যদিও দেখাৰ সুযোগ পোৱা নাছিলোঁ। প্ৰথম সাক্ষাততে তেখেতৰ অনুগ্ৰহ পাই ধন্য হৈছিলোঁ। আন এটা কাৰণতো তেখেতৰ প্ৰতি মোৰ কৌতূহল আছিল। তেখেতৰ সমবয়সীয়াসকলৰপৰা শুনিছিলোঁ আব্দুল হাই আৰু তেখেতৰ দুই ভ্ৰাতৃ এসময়ৰ নামী ফুটবল খেলুৱৈ। অলপতে আৱিষ্কাৰ কৰিলোঁ, হাই ছাৰৰে একালৰ সহকৰ্মী ললিত শইকীয়া ছাৰো এজন নিপুণ ফুটবলাৰ আছিল। সেইবিধ নিচাই মোকো পাইছিল। আচলতে সেই সময়ত অসমৰ গাঁও-ভূই, নগৰ-চহৰ সকলোতে ফুটবল আছিল আটাইতকৈ জনপ্ৰিয় খেল। সেইটো আছিল ফুটবলৰ স্বৰ্ণযুগ।

কোন অন্তৰ্যামীৰ নিৰ্দেশত সেইদিনা এডিপি কলেজলৈ গৈছিলোঁ নাজানো। এতিয়া উভতি চাই দেখিছোঁ— তেনেকুৱা বিশেষৰো বিশেষ দিন মানুহৰ জীৱনলৈ বৰ সঘনাই নাহে। অলপ দিনৰ ভিতৰতে বুৰঞ্জীৰ অনাৰ্ছত ভৰ্তি হ'ল আলিটাঙনিৰ তালেব আলি আৰু ৰহাৰ জ্যোতিষ দাস। কিবা কাৰণত জ্যোতিষ বেছি দিন নিটিকিল। ১৯৬৬ চনতে কলেজত বুৰঞ্জীৰ শিক্ষক আছিল তিনিগৰাকী— কন্দৰ্পদেৱ গোস্বামী, ধৰ্মেশ্বৰ বৰা আৰু মহম্মদ ছামছুদ্দিন। হাই ছাৰেও প্ৰথমৰপৰা ক্লাছ কৰিবলৈ লোৱাত শিক্ষক হ'লগৈ চাৰিজন। এইসকলৰ এজনো এতিয়া ইহ-সংসাৰত নাই।

অৰ্থনীতি বিষয়ত ছাত্ৰ আছিল চাৰিজন— বীৰেন ডেকা, কেহোৰাম শইকীয়া, ৰবি গোস্বামী আৰু টি. গিৰিৰাজাচাৰিয়া। অধ্যাপক আছিল তিনিগৰাকী— বাণেশ্বৰ শইকীয়া, চিত্তৰঞ্জন সামাদ্দাৰ আৰু কৃষ্ণকান্ত ফুকন। চিত্তৰঞ্জন সামাদ্দাৰে আই এ এছ পাই কলেজৰ চাকৰি এৰি গুচি গ'লত তেখেতৰ ঠাইত আহিল সুৰেন্দ্ৰনাথ বাৰৈ। তাৰপাছত আহিল তুষাৰকান্তি চৌধুৰী। তেখেত পোনতে আছিল সামৰিক বিভাগৰ কমিছনড্ বিষয়া। তিনিটা বিষয়ত এম এ পাছ কৰি চৌধুৰী ছাৰে এল এল বি আৰু পিএইচডি ডিগ্ৰীও লৈছিল। পাছলৈ জলপাইগুৰি টাউনৰ বিখ্যাত আনন্দ চন্দ্ৰ কলেজৰ অধ্যক্ষ হৈছিলগৈ। ৰাজনীতি বিজ্ঞানৰ অধ্যাপক আছিল তিনিগৰাকী— পুষ্পকান্ত বৰা, শশীকান্ত বৰা আৰু সহজানন্দ ওজা। পাছলৈ আহে প্ৰীতম সিং। ছাত্ৰ আছিল চাৰিজন— আব্দুৰ ৰ'ফ ফাৰুকি, নৃপেন লস্কৰ, উমা বৰা আৰু অতুল বৰা। ইয়াৰে প্ৰথম দুজনে আমাৰ বছৰতে অনাৰ্ছ লৈ পাছ কৰিছিল।

কলেজত ভৰ্তি হোৱাৰ ডেৰমাহমানৰ ভিতৰতে ছাত্ৰ একতা সভাৰ নিৰ্বাচন। নিৰ্বাচনৰ আগৰেপৰা, সন্ধ্যাৰপৰা ৰাতিলৈকে কলেজখনত ঘূৰি-পকি বয়োজ্যেষ্ঠ ছাত্ৰসকলৰ লগত সহৃদয়তা গঢ়ি তুলিছিলোঁ। নৈশ শাখাৰ নিৰাপদ সংখ্যাগৰিষ্ঠতা সত্ত্বেও সাধাৰণ সম্পাদক পদৰ নিৰ্বাচনত নৈশ শাখাৰ প্ৰাৰ্থীজন পৰাজিত হ'ল। মোক জয়ী

হোৱাত সহায় কৰিছিল আৰু চি পি আই দলৰ কেইজনমান কমৰেড আৰু পাৰ্টিৰ যুৱক ফ্ৰন্ট ন-জোৱান সংঘৰ কৰ্মীসকলে। প্ৰায় লগে লগেই ৰাজ্যজুৰি আৰম্ভ হৈছিল ১৯৬৬ চনৰ খাদ্য আন্দোলন। তাৰ উত্তাল আৱৰ্তত ছাত্ৰ নেতাৰূপে মোৰ আত্মপ্ৰকাশ ঘটিছিল।

সেই সময়তে ইউৰোপৰ ছাত্ৰ আন্দোলনে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ১৯৬৭ চনত লণ্ডনত ছাত্ৰ আন্দোলনৰ নেতৃত্ব দিছিল পাকিস্তানৰ প্ৰৱাসী ছাত্ৰ তাৰিক আলিয়ে। ফ্ৰান্সৰ পেৰিছ্ আৰু ছ'ৰবন বিশ্ববিদ্যালয়ত ডেনি ক'ন বেণ্ডিটৰ নেতৃত্বত আৰম্ভ হোৱা আন্দোলনে গোটেই দেশলৈকে বিয়পি পৰিছিল। ফ্ৰান্সৰ মহাপ্ৰতাপী প্ৰেচিডেণ্ট চাৰ্লছ দি গ'লে ছাত্ৰসকলৰ লগত আপোচ কৰিও ৰক্ষা পোৱা নাছিল। আনফালে ভিয়েটনামৰ মুক্তিযুদ্ধৰ সমৰ্থনত আমাৰ দেশতো আলোড়ন সৃষ্টিৰ প্ৰয়াস। আমাক চাই থকাসকলে চাগে ভাবিছিল— ইহঁতৰ হোলোং গছত বাহ্। আমাৰ যৌৱনৰ ৰঙ আছিল ৰঙা। এতিয়া বুজিছোঁ জীৱনৰ সোৱাদ সাতৰঙী ৰামধেনুত।

কলেজ কৰ্তৃপক্ষ আৰু শাসক দলে আমাৰ মহতালি আওকাণ কৰি চলিব নোৱৰা হ'ল। বহু চেষ্টা কৰিও মোৰ পাছত আমাৰ সাধাৰণ সম্পাদকৰ প্ৰাৰ্থী যতীন্দ্ৰকুমাৰ বৰগোহাঞিক জিকাব নোৱাৰিলোঁ। পিছে বৰগোহাঞিয়ে বাহাদুৰি দেখুৱালে ১৯৭১ চনত, কলেজৰ পৰা অৰ্থনীতিৰ অনাৰ্ছত বিশ্ববিদ্যালয়ৰ একমাত্ৰ প্ৰথম শ্ৰেণীৰ স্থান অধিকাৰ কৰি। বৰগোহাঞিৰ ৰিজাল্টে কলেজখনকো এটা Facelift দিছিল।

এডিপি কলেজত 'আদহীয়া' সকলৰে প্ৰাধান্য আছিল কিছুদিনলৈ। আদহীয়া ডেকা পালমৰা কলেজ নামৰ অখ্যাতি এটা লৈ আমি নিজেই নিজক হাঁহিছিলোঁ। আমি কলেজত ভৰ্তি হোৱাৰ দুই-তিনি বছৰ পাছলৈকে কলেজ বিল্ডিঙৰ সকলো অংশলৈকে বিজুলি পোহৰ আৰু বতাহৰ নিৰ্বিঘ্ন ব্যৱস্থা নাছিল। সাধাৰণতে ৰাতিৰ ক্লাছবোৰ পোহৰাই ৰাখিছিল পেট্ৰ'মাক্স নামৰ সেইকালৰ অতি পৰিচিত আৰু অপৰিহাৰ্য পোহৰ যোগনীয়া যন্ত্ৰটোৱে। তাৰ ওচৰত থাকি পাঠদান আৰু পাঠগ্ৰহণ কৰাটো আদৰ্শনীয় প্ৰস্তাৱ নহয়, কিন্তু ক্লাছ চলিছিল তেনেকৈয়ে ৰাতি ৯-৪৫ বজালৈকে। ৰাতিৰ কলেজ শেষ হোৱাৰ পাছত প্ৰায়েই অধ্যক্ষ সমন্বিতে অধ্যাপকসকল ঘৰমুৱা হৈছিল পদব্ৰজে, সমভিব্যাহাৰে।

কলেজৰ ছাত্ৰ ইউনিয়নৰ বাবে সুকীয়া কোঠা, কলেজ কেণ্টিন আদি স্মাৰ্ট দাবীবোৰ উত্থাপন কৰিবলৈ আমাৰ লাজ লাগিছিল। কলেজত শ্ৰেণীকোঠাৰে অকুলন। ছাত্ৰ ইউনিয়নৰ সভাবোৰ বাধ্যতামূলকভাৱে অনুষ্ঠিত হৈছিল ৰাতিৰ ভাগত। ক্লাছ শেষ হোৱাৰ সময়ত বা তাৰ অন্তত খালি থকা কোঠা এটা বিচাৰি অধ্যক্ষ আৰু সংশ্লিষ্ট অধ্যাপকসকলক তালৈ মাতি অনা হৈছিল। কিন্তু মিটিংবোৰ আছিল ছিৰিয়াচ। প্ৰথম

ভাগতে বছৰটোৰ বাবে বিভিন্ন বিভাগৰ বাজেট উত্থাপন, আলোচনা-অনুমোদন আৰু সেইমতে কাৰ্য পালনৰ নিৰ্দেশ ঘোষিত হৈছিল। অধ্যাপকসকলে বাজেটৰ ভিতৰতে খৰচ সীমাৱদ্ধ ৰাখিছিল। তাহানি অসংখ্য দুখীয়া ছাত্ৰই আৰ্থিক সাহায্য বিচাৰি আবেদন কৰিছিল। আমি সুচিন্তিত আৰু ন্যায়সংগতভাৱে সিদ্ধান্ত লোৱাত আমাৰ সকলো কামৰ প্ৰতি ছাত্ৰসকলৰ আস্থা বাঢ়িছিল।

ওপৰত উল্লেখ কৰা 'আদহীয়া' ছাত্ৰসকলৰ সৰহভাগেই আছিল চাকৰিয়াল আৰু বিবাহিত। প্ৰাইমেৰী, এম.ভি., এম.ই. আৰু হাইস্কুলৰ শিক্ষককে ধৰি ষ্টেছন মাষ্টৰ, বেংক, এল আইচি, ফুড কৰ্পৰেচন আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন অফিচৰ কেৰাণী-কৰ্মচাৰী, পুলিচ-ডাৰোগা কোন নাছিল এডিপি কলেজৰ ছাত্ৰ?

চাকৰি, স্ত্ৰী-পুত্ৰ-কন্যা সংসাৰৰ দায়িত্ব, কলেজত পঢ়াৰ আনন্দ, নিজকে উন্নত কৰাৰ হাবিয়াস, সফলতা প্ৰাপ্তিৰ নিশ্চিতি— সকলো মিলি জীৱন চেতনাৰ কি পুলকভৰা ৰসায়ন! কলেজ সপ্তাহত তেওঁলোকেই নিজৰ ল'ৰা বয়সীয়াসকলৰ লগত গান গায়, অভিনয় কৰে, খেল পথাৰত— জুবিলী ফিল্ডত খেলত যোগ দিয়ে। যিসকলে ক'তো যোগ নিদিয়ে তেওঁলোকৰ বাবেও সেই দিনকেইটা পুনৰ চেঙেলীয়া হৈ বৈ-ৰমলি কৰি ফুৰাৰ অপূৰ্ব সুযোগ। এডিপি কলেজে কাক কি দিয়া নাছিল? কলেজখনক আমি কি দিলোঁ বুলি নিজকে প্ৰশ্ন কৰিলে সংকুচিত হওঁ।

তেতিয়াৰ অবিভক্ত নগাঁও জিলাৰ সকলো ঠাইৰ দুখীয়া আৰু সাধাৰণ মজলীয়া শ্ৰেণীৰ ঘৰৰ ল'ৰাহঁতে কম খৰচত পঢ়িব পৰা প্ৰথম পছন্দৰ কলেজ— এডিপি কলেজ। এইখন কলেজ নোহোৱা হ'লে আমাৰ শ শ ছাত্ৰৰ বাবে উচ্চ শিক্ষাৰ দুৱাৰ চিৰৰুদ্ধ হৈ থাকিলহেঁতেন।

এফালে ৰহা-চাপৰমুখ, আনফালে ৰূপহী-তৰাবাৰীৰ বহুতো ল'ৰাই চাপৰমুখ-শিলঘাট অথবা মৈৰাবাৰী-চাপৰমুখ ৰে'লেৰে আহি কলেজ কৰিছিলহি। আবেলি বিপৰীতমুখী ৰে'লত তেওঁলোক ঘৰমুৱা হৈছিল। পুৱাৰ শিলঘাটমুখী ৰে'লখন ইঞ্জিনত পানী ল'বলৈ এতিয়াৰ মধুপুৰ শ্মশানৰ পিছফালে গাতে লাগি থকা পানীখাইতীত কেইমিনিটমান ৰৈছিলহি। তাতে ৰে'লৰ পৰা নামি কোবাকুবিকৈ ফৌজদাৰীপট্টি, পুলিচ ৰিজাৰ্ভৰ মাজেৰে গৈ কলংখন পাৰ হৈ কলেজলৈ যোৱা ল'ৰাহঁতৰ সদায় এটা সৰু-সুৰা শোভাযাত্ৰাই হৈছিল। যিসকলৰ তেনেকৈ ঘৰৰপৰা দৈনিক অহা-যোৱাৰ সুবিধা নাছিল— যেনে কলিয়াবৰ, লাওখোৱাৰ পৰা মায়ং পৰ্যন্ত ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ বিশাল এলেকা; মনহা-মৰিগাঁও-জালুগুটি-চৰাইবাহী-ধৰমতুল-চহৰী-আমচৈ-বসুন্ধৰী-কচুৱা-কামপুৰ-যমুনামুখ-ডবকা-কঠিয়াতলীৰ ছাত্ৰই টাউনৰ বিভিন্ন ঠাইত, বিশেষকৈ চীনাপট্টি,

উত্তৰ হয়বৰগাঁও, দক্ষিণ হয়বৰগাঁৱৰ পথ-উপপথৰ বৰ্ডিং ঘৰত থাকি কলেজত পঢ়িছিল। কোনো কোনো গৃহস্থই তেনেকৈ মেছ কৰি থকা ল'ৰাৰপৰা ঘৰ ভাড়া লোৱা নাছিল। ৰাইদঙীয়া-হাতীচোং-শালমৰা-শেতালি-বেবেজীয়া-দক্ষিণপাট-ধেমাজি-জলাহ-নৰৈ-পাথৰি-পোটনি-বঢ়মপুৰ-কৰৈয়নী-গটঙা-ডিফলু আদি অঞ্চলৰ ল'ৰাই দৈনিক চাইকেলেৰে আহি কলেজ কৰিছিলহি। আত্মীয়-স্বজনৰ ঘৰত থাকি কলেজত পঢ়া ল'ৰাও আছিল। মই নিজেও ছোটহয়বৰগাঁৱত থকা মামাহঁতৰ ঘৰত থাকিয়েই পঢ়িছিলোঁ।

কলেজৰ প্ৰায় সকলো ছাত্ৰৰ বাবে অঘোষিত অনুমোদিত কলেজ কেণ্টিন আছিল পণ্ডিতজীৰ চাহ দোকানখন। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা লক্ষ্মীনাথ বেজবৰুৱা পথেদি বাওঁহাতে ঘূৰিয়েই সোঁহাতে প্ৰথমে পোৱা এছবেষ্টছৰ শ্বিটেৰে সজা অসম টাইপৰ ঘৰটোৱেই পণ্ডিতজীৰ দোকান। ত্ৰিশ পইচাত দুখন পুৰী আৰু তাত্‌কা চবজী। দুখনতকৈ বেছি খোৱাৰ প্ৰয়োজন নহয়। তাত মিঠাই বুলিবলৈ আছিল খুৰমা, গজা, বালুচা আৰু পেৰা। তাৰপৰা ওলায়েই তামোল-পাণ-চুৰটৰ দোকান। চুৰট খোৱাসকলৰ মাজত এটা কমৰেডেৰি আছিল। ক্লাছত বা কলেজৰ ভিতৰত তামোল-পাণৰ ব্যৱহাৰ একেবাৰে নাছিল। তামোল-পাণ নিতান্ত ঘৰুৱা বস্তু, গতিকে পইচা খৰচ কৰি তামোল চোবোৱাৰ উৎসাহ নাছিল কাৰো। কলেজৰ ভিতৰত তামোল পকটিয়াই থকা কোনো ছাত্ৰৰ মুখ মোৰ মনলৈ নাহে।

আমাৰ কলেজ আছিল, কলেজৰ চৌহদ আছিল, কিন্তু সেই চৌহদ ৰক্ষা কৰিব পৰা উপযুক্ত পকীবেৰ নাছিল। তেতিয়া কলেজৰ মূল প্ৰৱেশ পথ আছিল পূবফালে, এতিয়া প্ৰৱেশ পথ হৈছে পশ্চিমফালে। আমি পঢ়া দিনত সেইফালে আছিল বৰক'লাৰ জাৰণি। কাষেদি ট্ৰাইবেল ছাত্ৰৰ হোষ্টেললৈ যোৱা এটা লুংলুঙীয়া বাট। কলেজৰ গাতে লাগি থকা হৰিজন বন্ধুসকলৰ ক'লনিৰপৰা সময়ে-অসময়ে শুনা গৈছিল ৰাগ মলহাৰ! পৰৱৰ্তীকালৰ পকীবেৰ নিৰ্মাণৰ হৰ্ষ-বিষাদৰ কাহিনীও যথাস্থানত শুনিবলৈ পাম চাগৈ।

আৱয়ৱিক দিশৰ বহু সীমাবদ্ধতা সত্ত্বেও কলেজখন উজ্জ্বল হৈ আছিল শিক্ষকসকলৰ গুণত। যোৱা পঞ্চাশ বছৰত বহু গুণান্বিত শিক্ষক-শিক্ষয়িত্ৰীৰ সমাৱেশ ঘটিছে এই কলেজত। আমাৰ দিনৰ সকলো শিক্ষকৰ বিষয়ে ক'বলৈ যোৱাটো অনধিকাৰ চৰ্চাৰ দৰে হ'ব। সেয়ে দুজনমানৰ কথাহে ক'ব খুজিছোঁ। বুৰঞ্জীৰ মুৰব্বী অধ্যাপক কন্দৰ্পদেৱ গোস্বামী আছিল লক্ষ্নৌ বিশ্ববিদ্যালয়ৰ ছাত্ৰ। তেখেতৰ বিশেষ ক্ষেত্ৰ আছিল প্ৰাচীন ভাৰত। অধ্যক্ষ আব্দুল হাই আৰু ছামচুদ্দিন ছাৰ আছিল আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ ছাত্ৰ। প্ৰথমজন আছিল প্ৰফেচৰ মহম্মদ হবিব আৰু দ্বিতীয়জন

মহম্মদ হবিবৰ পুত্ৰ ইৰফান হবিবৰ ছাত্ৰ। ধৰ্মেশ্বৰ বৰাই শ্ৰদ্ধাৰে নাম লৈছিল বিভূতিভূষণ মিশ্ৰ আৰু এইচ ভি এছ মূৰ্তিৰ। নিজা নিজা গুণত চাৰিওজনৰে ক্লাছ আমি উপভোগ কৰিছিলোঁ। নতুন নতুন কথা শিকিছিলোঁ। অনাৰ্ছৰ ছাত্ৰ বুলি আমাৰ অকণমান অহংকাৰো আছিল হ'বলা। কিন্তু ১৯৬৭ চনত আমিয়েই গঠন কৰা, জিলাখনৰ আটাইতকৈ জনপ্ৰিয় ছাত্ৰ সংগঠন 'নগাঁও জিলা ছাত্ৰ পৰিষদ'ৰ কামত কেতিয়াবা সপ্তাহটোৰ আটাইকেইটা দিন ব্যয় কৰাত পাঠৰ আঁত হেৰাইছিল। তালেব আলিয়ে ছিঙা সূতা লগ লগাই দিছিল। পঢ়া-শুনাত মোৰ তেনে পৰস্মৈপদী প্ৰয়াসেই সাৰ আছিল। দীন-দুনিয়াৰ মালিকৰ কি অপাৰ কৰুণা যে সেই চাঁহী বিদ্যাৰেই জগতত সংস্থান পালোঁ! আচলতে এটাৰ গুটি সিঁচি ফল পাইছিলোঁ আন এটাৰ। পৰ্বতত ঢৌ আৰু সাগৰত মৌ বিচৰাৰ বয়স মানুহৰ জীৱনলৈ এবাৰেই আহে।

এডিপি কলেজৰপৰা স্নাতকৰ প্ৰথম দলটো ওলাইছিল ১৯৬২ চনত। সেই বৰ্ষৰে ছাত্ৰ নৰেন কলিতাক ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আৰু প্ৰজা ছচিয়েলিষ্ট পাৰ্টিৰ একান্ত নিষ্ঠাৱান কৰ্মী হিচাপে ১৯৬৭ চনৰ নিৰ্বাচন ক্ষেত্ৰত লগ পাইছিলোঁ। ১৯৬৮ চনৰ আগভাগতে এডিপি কলেজত যোগদান কৰিয়েই তেখেত গৱেষণাৰ কামত লাগিছিল। শংকৰী যুগৰ অসমীয়া সংস্কৃতিৰ শ্ৰেষ্ঠ সম্পদসমূহ প্ৰণালীবদ্ধ গৱেষণাৰ দ্বাৰা তেখেতে পোহৰলৈ আনিছে। তেখেতক মই অসমৰ সাংস্কৃতিক ইতিহাসৰ শ্ৰেষ্ঠতম ভাষ্যকাৰ বুলি গণ্য কৰোঁ। আমি এবছৰমানৰ বাবে শিক্ষকৰূপে পোৱা ড° কেশৱানন্দ গোস্বামীৰ এতিয়া নামেই পৰিচয়। পঁইসত্তৰ বছৰ বয়সতো এখন কৰ্মশালাত তেখেতক মই খোলৰ ছেৱে ছেৱে নাচি অংকীয়া ভাওনাৰ ভাৱৰীয়া নাচৰ প্ৰশিক্ষণ দিয়া দেখিছোঁ। ২০০৪ চনত ছাৰে সাহিত্য অকাডেমিৰ 'ভাষা সন্মান' লাভ কৰিছিল। একেখন সভাতে ময়ো সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লৈছিলোঁ। সেই উপলক্ষে পাছদিনা অনুষ্ঠিত সভাত সভাৰ প্ৰথম বক্তা হিচাপে নিজৰ লগতে নিজৰ এজন ছাত্ৰয়ো সাহিত্য অকাডেমিৰ বঁটা পোৱাত তেখেতে বিশেষ আনন্দ পোৱাৰ কথা কৈছিল। শ্ৰোতাৰ হাতচাপৰিৰ মাজতে সেই অনুষ্ঠানৰ সভাপতি সুনীল গংগোপাধ্যায়ৰ অনুৰোধমৰ্মে মঞ্চলৈ উঠি গৈ মই শ্ৰোতামণ্ডলিক প্ৰণাম জনাই অভিবাদন গ্ৰহণ কৰিছিলোঁ।

আমি এডিপি কলেজত থাকোঁতেই গৱেষণা আৰম্ভ কৰা সংস্কৃত বিভাগৰ অধ্যাপক থানেশ্বৰ শৰ্মা আৰু বাংলা বিভাগৰ অধ্যাপক অমলেন্দু ভট্টাচাৰ্যই নিজ নিজ ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিছিল। ড° শৰ্মা আৰু ড° ভট্টাচাৰ্যই এডিপি কলেজত থকা দিনবোৰ এতিয়াও প্ৰীতিৰে স্মৰণ কৰে।

আজিৰপৰা ৪০/৪২ বছৰ আগতে স্বনামধন্য নুৰুল আমিনক যদি নগাঁৱৰ খেল জগতৰ ছাহানছাহ বুলি ধৰা হয় তেন্তে ছাহজাদা বুলিব লাগিব সহজানন্দ ওজাক। পাকৈত ক্রিকেট খেলুৱৈ, ক্রীড়া সংগঠক অধ্যাপক ওজাই পাছলৈ ক্রিকেটৰ ৰাষ্ট্রীয় পর্যায়ৰ দায়িত্বও সুখ্যাতিৰে পালন কৰিছিল। বহুদিন ধৰি তেখেতে পি টি আইৰ নগাঁৱৰ কৰেছপণ্ডেণ্ট আছিল। ৰাজহুৱা কামৰ বহল অভিজ্ঞতা, অৰ্থপূৰ্ণ সামাজিক যোগাযোগ আৰু সংগঠন প্ৰতিভাৰ বাবে অৱসৰৰ পাছতো তেখেতৰ ৰাজহুৱা দায়িত্ব কমা নাই, বাঢ়িছে।

বাণেশ্বৰ শইকীয়াৰ কথা নকওঁ। মোৰ গৱেষণা গ্ৰন্থখন তেখেতৰ নামত উছৰ্গা কৰি তেখেতৰ প্ৰতি মোৰ কৃতজ্ঞতাৰ অকিঞ্চিৎকৰ চিন এটা আঁৰি থৈছোঁ। তেখেতে আটাইতকৈ ঘনিষ্ঠ ছাত্ৰসকলক কঠোৰভাৱে নিয়ন্ত্ৰণ কৰিছিল আৰু ৰাজহুৱা ধনৰ পাই পাই হিচাপ ৰখাৰ শিক্ষা দিছিল। ১৯৭৪ চনত তেখেত অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল; তাৰ চাৰি বছৰৰ পাছত বটদ্ৰৱা সমষ্টিৰপৰা বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ প্ৰাৰ্থী হিচাপে বিধায়ক নিৰ্বাচিত হৈছিল।

বাংলা বিভাগৰ অধ্যাপক ড° মলয় কুমাৰ ৰয় আৰু সংস্কৃত বিভাগৰ অধ্যাপক শৰৎ মাধৱ কুম্ৰেক সদায় দেখিছিলোঁ কলেজখনৰ সাংস্কৃতিক সত্তাৰ প্ৰতিনিধিৰূপে। দুয়োগৰাকী আছিল সুবক্তা আৰু সুগায়ক।

এবছৰ-ডেৰবছৰ মানৰ বাবে ইংৰাজীৰ শিক্ষকৰূপে আমি পাইছিলোঁ বিহাৰৰপৰা অহা লক্ষেশ্বৰী প্ৰসাদক। তেখেতে তেখেতৰ ভাড়া ঘৰলৈ মাতি নি চাহ-বিস্কুট খুৱাই মোক আই এ এছৰ বাবে ইউনিয়ন প্লাৱিক ছাৰ্ভিচ কমিছনৰ পৰীক্ষা দিবলৈ কুম্ভলিয়াছিল। মই কৈছিলোঁ, ছাৰ, কমিউনিষ্ট মেনিফেষ্টো আমাৰ Holy Writ, গতিকে....। মন আকাশৰ সেই ধ্ৰুৱতৰা এদিন খহি পৰিছিল। ভাবিলে এতিয়া বৰ লাজ লাগে। ছাৰে আই এ এছ পাই কলেজ এৰি গ'লগৈ। ১৯৮৩ চনৰ জুয়ে ধোৱা নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় চৰকাৰৰ পৰ্যবেক্ষক হৈ নিজৰ ইচ্ছাতে নগাঁৱলৈ আহি তেখেতে এডিপি কলেজখন চাই গৈছিল। বোধহয় তেখেতৰ ঠাইতে আহিছিল যামিনী ফুকন; গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বৰ্তমানৰ খ্যাতিমান উকিল আৰু লেখক ড° যামিনী ফুকন।

লক্ষ্ণৌৰপৰা আহি আৰবী বিভাগত অধ্যাপনা কৰা মহম্মদ আয়ুব হাছমি আছিল ৰসিক মানুহ। দূৰৰপৰাই সকলো কথাৰ গম-গতি লৈছিল। চাকৰি কালত অধ্যাপক কুম্ৰেৰ লগত হাছমি ছাৰে চাগৈ শ শ ঘণ্টা পাৰ কৰিছিল ডাবা খেলি।

ছাত্ৰ একতা সভাৰ বিভিন্ন কাৰ্যসূচীত ভাগ লৈ বা আন প্ৰকাৰে ছাত্ৰসকলক সহায় আৰু উৎসাহিত কৰা অধ্যাপকসকল হ'ল— নৰেন্দ্ৰনাথ শইকীয়া, জীতেন্দ্ৰনাথ বৰা, দেবেন শইকীয়া, ড° নাৰায়ণ চন্দ্ৰ বৰ্মন, হীৰেন শইকীয়া, দেৱকুমাৰ শইকীয়া, ৰবীন্দ্ৰচন্দ্ৰ বৰা আৰু

ধীৰেন বৰদলৈ। অধ্যাপক নৰেন শইকীয়া কলেজৰ এন চি চিৰ মেজৰ পৰ্যায়ৰ বিষয়া আছিল। ৰবীন্দ্ৰ চন্দ্ৰ বৰা সুপৰিচিত সাহিত্য সমালোচক, দেৱকুমাৰ শইকীয়া নাট্যকাৰ। মোৰ এনে ভাব হয়, চন্দ্ৰ সূৰ্যক সাক্ষী কৰি, কালৈকো ভ্ৰূক্ষেপ নকৰি, অধ্যাপক ৰবীন্দ্ৰনাথ শৰ্মা, ৰমণীমোহন দাস আৰু নগেন্দ্ৰচন্দ্ৰ নাথে কেৱল ক্লাছ কৰি গৈছিল। কলেজৰ শিক্ষকসকলৰ মাজত দেখিছিলোঁ অকৃত্ৰিম বন্ধু বাৎসল্য। দেখিবলৈ পাইছিলোঁ তেওঁলোকৰ বাৰ্ষিক উৎসৱ পিক্‌নিক, মাজে মধ্যে থিয়েটাৰ, ভাওনা, মক পাৰ্লামেণ্ট। ষ্টাফৰুমৰ হাঁহিৰ খলকনিয়ে মেহমন শ্ৰোতাৰ মুখতো হাঁহি বিৰিঙিয়াইছিল। এইবোৰৰ Presiding deity আছিল অধ্যক্ষ আব্দুল হাই।

আমি কলেজত থাকোঁতেই অধ্যক্ষ হাইয়ে কলেজৰ আৱয়বিক উন্নতিৰ আঁচনি লয়। তেখেতৰ দিনতে বেজবৰুৱা ভৱনৰ দুমহলীয়া নিৰ্মাণ সম্পূৰ্ণ হয়। ১৯৬৮ চনত, ভুলক্ৰমে চাৰি বছৰ পলমকৈ, সাহিত্য সভাৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটি অতি মনোজ্ঞ অনুষ্ঠান হৈছিল বেজবৰুৱা ভৱনত। সেই অনুষ্ঠানৰ প্ৰধান অতিথি বক্তা আছিল পশ্চিমবঙ্গৰ স্বনামধন্য বুদ্ধিজীৱী আৰু সাহিত্যিক অন্নদাশংকৰ ৰায়।

ফেডাৰেল ভিত্তিত উত্তৰ পুব তথা অসমৰ পুনৰ গঠন প্ৰস্তাৱ বিৰোধী আন্দোলনৰ ধামখুমীয়াত আমাৰ কলেজলৈ আহিছিল তেতিয়াৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহা ডাঙৰীয়া। ঠিক হ'ল তেখেতৰ সভাত ছাত্ৰসকলৰপৰা মাত্ৰ এজন ছাত্ৰই কথা ক'ব। কলেজ কৰ্তৃপক্ষই সেই কামৰ বাবে নিৰ্বাচন কৰিলে মোক। সভাৰ আগদিনা অধ্যক্ষই মোক মাতি নি কোৱা কথাখিনিৰ মূলভাৱটো এনেকুৱা— সোণটো, বহু যত্নেৰে চীফ মিনিষ্টাৰক কলেজৰ স্বাৰ্থত মাতি আনিছোঁ, তেখেতে যাতে মনত অকণো দুখ নাপায়। লগতে, মোৰ ভাষণটো অধ্যক্ষৰ নিৰ্দেশক্ৰমে অধ্যাপক হীৰেন শইকীয়াক দেখুৱাব লগা হ'ল। তেখেতে মূল কথাখিনি একেই ৰাখিলে যদিও তাত থকা এটা ইংৰাজী বাক্য, খুব সম্ভৱ এইটো ৰুছোৰ উক্তি— 'When order is injustice disorder is the beginning of justice' বাদ দিলে। মোৰ বৰ বেয়া লাগিছিল। যি হওক, পাছদিনা অনুষ্ঠিত হোৱা জনাকীৰ্ণ অথচ অতি গহীন সভাখনত মই দিয়া ভাষণটোৰ বাবে ছাত্ৰ-ছাত্ৰী-শিক্ষক-অধ্যক্ষ সকলোৰে বাঃ বাঃ পাইছিলোঁ। বহুদিনৰ পাছত মই উপলব্ধি কৰিছিলোঁ— উক্তিটো এটা বাগাড়ম্বৰ মাত্ৰ। তাৰে খন্তেকীয়া উত্তেজনা সৃষ্টি কৰিব পাৰি হয়তো। ই ঐতিহাসিকভাৱেও অশুদ্ধ। Disorder এ ক'তো justice অনাৰ দৃষ্টান্ত নাই।

কলেজ কৰ্মচাৰীসকলৰ কথাও ক'ব লাগিব। ছাত্ৰ ইউনিয়নৰ বাজেট অনুসৰি

খৰচৰ বিষয়ে আগতে কোৱা হৈছে। সেই দায়িত্বৰ এটা অংশ পালন কৰিছিল নগাঁও কলেজৰপৰা সদায় সন্ধ্যা আহি এডিপি কলেজত পাৰ্টটাইম একাউণ্টেণ্ট হিচাপে কাম কৰা মহেশ ভট্টই। মোৰ ভালকৈ মনত আছে, তত্ত্বাৱধায়ক অধ্যাপকৰ চহী লৈ কোনো কামৰ বাবে তেখেতৰ ওচৰলৈ টকা বিচাৰি গ'লে ভট্টদাই সেই বিভাগৰ বাজেট প্ৰভিজন চাই কিমান টকা খৰচ হ'ল আৰু কিমান বাকী আছে সেইটো ৰঙা চিয়াহীৰে কাগজত লিখি দিছিল। কেতিয়াবা মিচিকিয়া হাঁহিৰে সতৰ্ক কৰি দিছিল। কলেজৰ বৰবাবু আছিল ৰফিউল হক চাহাব। বন বিভাগৰ অৱসৰপ্ৰাপ্ত আমোলা। বৰ মৰমিয়াল। সেই দিনত মাহে মাহে বা তিনিমাহৰ মূৰে মূৰে পোৱাসকলে স্কলাৰশ্বিপ্ পাইছিলোঁ। ৰাজধানী ছিলঙৰপৰা অহা হুকুম। হুকুম পোৱাৰ লগে লগেই হক চাহাবে হৈ চৈ কৰি পাওঁতাসকলক খবৰ দিয়ে আৰু এদিন বা দুদিনৰ ভিতৰতে আমি টকা পাওঁ। হক চাহাবক কেনেকৈ পাহৰিম? (তেওঁৰে পুত্ৰ শিল্পী আৰিফুল হক)।

কলেজখনৰ এটি অসামান্য চৰিত্ৰ আছিল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সীতাৰাম। ডেকাকালত বিহাৰত পালোৱানী কৰিছিল হ'বলা। তাৰ পৰা উফৰি আহি কিবা সূত্ৰে এডিপি কলেজৰ কৰ্মচাৰী হৈছিল। জবৰদস্ত চেহেৰা, এচকুমান মূৰটোৰ আগফালৰ আধা চুলি সৰিছিল। হাতত সদায় একোছা চাবি। সীতাৰামে ধৰি লৈছিল তাৰ 'প্ৰনছিপাল'ৰ বিনা হুকুমত কলেজ চৌহদৰ গছপাত এখিলাও লৰিব নাপায়। সীতাৰামৰ কোনো কামত সময় আৰু নিয়মৰ এচুলিমান হেৰফেৰ নহৈছিল। কিয়, তাৰ এটা কাৰণ মই বিচাৰি পাইছোঁ— সীতাৰামে হাতত ঘড়ী পিন্ধি সময়ানুৱৰ্তিতা আৰু নিয়মানুৱৰ্তিতাৰ ৰচনা লিখি পৰীক্ষা পাছ কৰা নাছিল। পাছ কৰাসকলে সেইখিনি আনৰ পৰা বিচাৰে।

আভ্যন্তৰীণ বিষয়ত অন্ততঃ দুটা কথা ক'ব লাগিব। এটা হ'ল কলেজৰ চহকী পুথিভঁৰালটো। কেৱল লাইব্ৰেৰিৰ কিতাপৰ ওপৰতে নিৰ্ভৰ কৰি কলেজীয়া শিক্ষা সাং কৰা ল'ৰাৰ সংখ্যা বৰ কম নাছিল। আনটো হ'ল পৰীক্ষা পৰিচালনা। পৰীক্ষা বিষয়ত অধ্যক্ষ হাই আৰু অধ্যাপকসকল আছিল দৃঢ়ভাৱে নীতিনিষ্ঠ। এডিপি কলেজ কেতিয়াও থিভছ' পেৰেডাইজ বা তস্কৰৰ নন্দনকানন নাছিল। অধ্যাপকসকলৰ ভিতৰত আবু নছৰ মহম্মদ অ'হিদ, দেৱকুমাৰ শইকীয়া, সুৰেন্দ্ৰনাথ বাৰৈ, আবুবক্কৰ মহম্মদ ছিদ্দিক, হীৰেন শইকীয়া, সহজানন্দ ওজা আৰু ড° তুষাৰকান্তি চৌধুৰীৰ চকুত ধূলি দিব পৰা পৰীক্ষাৰ্থী নোলাইছিল। তস্কৰবান্ধৱ অধ্যাপক আছিল অকল্পনীয়।

আমাৰ দিনত ইংৰাজী মাধ্যম বুলি এটা সুকীয়া কথা নাছিল। উচ্চ শিক্ষাৰ মাধ্যম আছিল এটা— ইংৰাজী। ১৯৭২ চনৰ তথাকথিত মাধ্যম আন্দোলন আৰু তাৰ বিষময় পৰিণতিৰ কথা সকলো চিন্তাশীল লোকেই এতিয়া উপলব্ধি কৰিছে। অপৰিমেয় ক্ষতি হৈ

গ'ল, বিশ্ববিদ্যালয় দুখনে এতিয়া সিদ্ধান্তৰ পুনৰ্বিচাৰ কৰিব লাগে। আমাৰ দিনত নাছিল বিজ্ঞান বা বাণিজ্য শাখা, ম'বাইল ফোন, ফটোষ্টেট, ছাত্ৰ সভাৰ নিৰ্বাচনৰ পাছত শপত গ্ৰহণ নামৰ অৰ্থহীন আড়ম্বৰ, ছহিদ-তৰ্পণ, বাইক-স্কুটাৰ, গুটখা, প্ৰেম আৰু প্ৰেমৰ কবিতা। কিন্তু আমাৰ মন কেতিয়াও কবিতাশূন্য হোৱা নাছিল। অ'ডেন বা ষ্টিফেন স্পেণ্ডাৰ আমাৰ বাবে সহজলভ্য নাছিল। কিয় নাজানো জীৱনানন্দ দাশে বহুবছৰ পূৰ্বে ৰচনা কৰা কবিতা এটা ১৯৬৭-৬৮ চনত পঢ়ি মুগ্ধ হৈছিলোঁ। কবিতাটোৰ প্ৰথম পংক্তি—

'অদ্ভুত আঁধাৰ এক এসেছে এ-পৃথিবীতে আজ,
যাৰা অন্ধ সবচেয়ে বেশি আজ চোখে দ্যাখে তাৰা;
যাদেৰ হৃদয়ে কোনো প্ৰেম নেই— প্ৰীতি নেই—
করুণাৰ আলোড়ন নেই
পৃথিবী অচল আজ তাদেৰ সুপৰামৰ্শ ছাড়া।'

তুলনীয় পৰিস্থিতিত আজিও মনৰপৰা নিগৰি ওলাই আহে শব্দবোৰ।

এই পৰ্যন্ত এই লেখাত ভুমুকি নমৰা ছাত্ৰীৰ কথা কওঁ। মই কলেজত ভৰ্তি হোৱা বছৰত ছাত্ৰী আছিল দুগৰাকী— মালবিকা বৰা আৰু জেৰিন হাজৰিকা। মালবিকাই গান গায়, জেৰিনে অভিনয় কৰে। তেওঁলোক আমাৰ আতোলতোল বান্ধৱী। পাছলৈ ওমপ্ৰকাশ জাজদিয়া ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হোৱা স্বৰ্গীয়া বিমলা বৰা বাইদেউ আছিল আমাৰ সমসাময়িক। সকলো নৈশ শাখাৰ ছাত্ৰী। দুবছৰমানৰ ভিতৰত ছাত্ৰীৰ সংখ্যা অলপ বাঢ়িছিল। ছাত্ৰীসকল শ্ৰেণীকোঠাৰ সন্মুখত ৰৈ থাকে, ভিতৰত প্ৰথম শাৰীৰ বেঞ্চখন খালী, অধ্যাপক ক্লাছত সোমোৱাৰ লগে লগে তেওঁলোক সোমায় আৰু অধ্যাপক ওলাই অহাৰ লগে লগে তেওঁলোকো ওলাই আহে। কলেজৰ দিবা শাখাত তেওঁলোকৰ কেতিয়া আবিৰ্ভাৱ হ'ল সেই কথা আনেহে ক'ব পাৰিব। সেইদৰে কলেজত অধ্যাপিকাৰ যুগ আৰম্ভ হৈছিল আমি কলেজ এৰাৰ পাছত।

কলেজৰপৰা বিদায়ৰ সময় হ'ল। ১৯৬৯ চনৰ আগষ্ট মাহৰ শেষৰ ফালে লাইব্ৰেৰিৰ পৰা পঢ়িবলৈ নিয়া বাৰ্ট্ৰাণ্ড ৰাছেলৰ আত্মজীৱনীখন ঘূৰাই দিয়াৰ লগে লগে কলেজৰ সৈতে থকা মোৰ আনুষ্ঠানিক সম্পৰ্কৰ ওৰ পৰিল। এডিপি কলেজৰ বয়স তেতিয়া দহ বছৰ।»»

# আনন্দৰাম ঢেকিয়াল ফুকন কলেজ ঃ মোৰ স্মৃতিৰ জোলোঙাত সঞ্চিত এছোৱা

## যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

আনন্দৰাম ঢেকিয়াল ফুকন কলেজত কটোৱা জীৱনৰ তিনিটা বছৰ (১৯৬৮-৭১) মোৰ বিচাৰত জীৱনৰ আটাইতকৈ জটিল আৰু বৰ্ণমুখৰ বছৰবোৰৰ ভিতৰত অন্যতম। এই বছৰ কেইটা নিবনুৱা সমস্যা বিৰোধী আন্দোলন,সম্পদভিত্তিক শিল্পায়নৰ দাবীত হোৱা গণ-আন্দোলন, দ্বিতীয় তেলশোধনাগাৰ আন্দোলন, বাংলা দেশৰ মুক্তি আন্দোলন আৰু তাৰ ফলত হোৱা প্ৰব্ৰজন, খাদ্য আন্দোলন আদিৰ ফলত অশান্তি-জৰ্জৰ আছিল। বিজ্ঞান পঢ়িম বুলি কটন কলেজলৈ গৈ, প্ৰত্যাশিত ফল নোপোৱাত হতাশ মনেৰে কিছুদিন ঘূৰি ফুৰিছিলোঁ। নতুন কিবা এটা কৰাৰ, সাংঘাতিক কিবা এটা কৰি সমাজখনকে নতুনৰ বাট দেখুৱাই দিয়াৰ হেঁপাহ এটা আছিল মনৰ মাজত। মেডিকেলত নাইবা ইঞ্জিনিয়াৰিঙত হয়তো পঢ়িব পাৰিলোঁহেঁতেন। কিন্তু ঘৰৰ পৰাও কোনেও মন-কাণ কৰা নাছিল আৰু মোৰ সেইবোৰ বৃত্তিৰ প্ৰতি নিজৰ আগ্ৰহো কম আছিল। মোৰ ধাৰণা আছিল যে বাণিজ্য, কলা আৰু বিজ্ঞানৰ যি কোনো বিষয়কে প্ৰধান বিষয় হিচাপে লৈ পঢ়িব পাৰিম। কিছু টকা-পইচা গোটাই লৈ মই আৰু মোৰ ভাই এজনক লগত লৈ নগাঁও পালোহি। থাকিবলৈ ল'লো পুৰণি নগাঁও ষ্টেচনৰ ঠিক বিপৰীতে সুন্দৰ গছ-গছনিৰে ভৰা, তুলনামুলকভাৱে দুখীয়া পৰিয়াল এটাৰ 'পেয়িং গেষ্ট' হিচাপে। থকা-খোৱাৰ ব্যৱস্থা বিলাক আৰু ইয়াৰ লগত জড়িত তিতা-মিঠা কথা বিলাকৰ বৰ্ণনা সদ্যহতে সামৰি

থ'লো। কিন্তু থোৰতে কৈ থওঁ যে আমাৰ গাঁও সম্বন্ধীয় পাৰুল বাইদেউৰ 'পেয়িং গেষ্ট' হৈ বেয়া লগা নাছিল। নিজৰ ঘৰখনৰ বাহিৰতো যে ইমান আদৰ-সাদৰ কৰিব পৰা মানুহ থাকিব পাৰে, সেই কথা আমি প্ৰথম গম পাইছিলোঁ। সুকীয়াভাৱে সেইবোৰ বৰ্ণাব লাগিব।

আন বহু ছাত্ৰ-ছাত্ৰীৰ দৰেই তেতিয়াও মোৰ দোধোৰ-মোধোৰ অৱস্থা। কলা পঢ়িম নে বিজ্ঞান পঢ়িম? প্ৰশ্নটোৰ সু-সমাধান মোৰ বাবে নাছিল। গতিকে এটা খেলি-মেলিপূৰ্ণ মন লৈ কেইদিন মান কটালোঁ। খেলি-মেলিবিলাক দূৰ হওঁতেই কেবাদিনো গ'ল। মোৰ সম্পৰ্কীয় ককাইদেউ এজনে বাৰে বাৰে কৈ পঠাইছিল যে এডিপি কলেজতে ভাল হ'ব। 'গাঁৱৰ পৰা যোৱা বেছিভাগ ল'ৰাই তাতে পঢ়ে। তাতে বাণেশ্বৰ শইকীয়া আছে। নিশ্চয় ভাল পৰামৰ্শ দিব।'

কিন্তু মোৰ লগৰ বহুতেই জৌ-জৌৱাই উঠিছিল। সেইখন কলেজত পঢ়েনে কোনোবাই। 'এডিপি মানে কি জানা? আদহীয়া ডেকাই পালমৰা কলেজ। ভালকৈ পঢ়া-শুনা কৰাৰ সুবিধা নথকা বোৰেহে তাত পঢ়ে।' মোৰ লগৰ বেছি ভাগেই নগাঁও কলেজত আছিল।

'এডিপি'ত আমাৰ সম্পৰ্কীয় আপাদেউ এগৰাকীৰ জ্যেষ্ঠ পুত্ৰ, মোৰ ককাইদেউ এজনে কাম কৰিছিল। ক'ত কাম কৰিছিল সেই কথা মা-দেউতা কোনেও ক'ব নোৱাৰিলে। গতিকে সহায় কৰিব পৰা এজন মানুহ থকা সত্ত্বেও তেওঁৰ বিষয়টোৰ বিষয়ে জ্ঞান নথকাত সেই দিশলৈ মুখ কৰা নহ'ল। পিছতহে তেওঁৰ বিষয়টো অৰ্থ বিজ্ঞান বুলি গম পাইছিলোঁ।

মনৰ অৱস্থাটো এডিপি কলেজমুখী নাছিল। তথাপি শেষত সেইখন কলেজতে পঢ়িবলগীয়া হৈছিল। প্ৰসঙ্গটো এই কাৰণেই টানি আনিছো যে মাত্ৰ এটা 'ফেকাল্টী' থকা, নগৰৰ বা জিলাৰ চোকা ল'ৰা-ছোৱালীবিলাকে পঢ়িবলৈ নহা, বিশেষকৈ গাঁৱৰ 'ৰাজনীতি কৰা ল'ৰাবিলাকে' অধ্যয়ন কৰা বুলি বদনাম থকা কলেজখনত পঢ়িবলৈ যাব নালাগে বুলি ঘৰতো বহুজনে কৈছিল। মই কিন্তু প্ৰথম এডিপি কলেজলৈ নহাৰ কাৰণটো আছিল ষ্টেছনৰ পৰা দূৰত্ব। আমাৰ সিদ্ধান্ত আছিল কম খৰছত ৰেলত অহা-যোৱা কৰিম। গতিকে আনন্দৰাম ঢেকিয়াল ফুকন কলেজলৈ প্ৰথম যোৱা নাছিলোঁ। কিন্তু পৰিস্থিতিয়ে শেষত সেইখন কলেজলৈকে টানি নিলে— আকস্মিক আৰু দুৰ্ঘটনাৰ দৰে আছিল যদিও এইটোৱেই যেন অৱধাৰিত আছিল।

**এক অবিস্মৰণীয় শাস্তিৰ আশীৰ্বাদ**

১৯৬৯ চনত মই আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ স্নাতক প্ৰথম বাৰ্ষিকৰ

ছাত্ৰ হিচাপে নাম পঞ্জীয়ন কৰাইছিলোঁ। এইটোও আছিল প্ৰকৃততে এটা দুৰ্ঘটনাৰ দৰেহে। কাৰণ এই মহাবিদ্যালয়ত কলা শাখাত পঢ়িবৰ বাবে মই কটন মহাবিদ্যালয়ৰ পৰা প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত নিজেই পোনে পোনে যোৱা নাছিলোঁ। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়লৈ যোৱাৰ আগতে মই গৈছিলোঁ নগাঁও মহাবিদ্যালয়লৈ। বাণিজ্য শাখাত একাউন্টেন্সী প্ৰধান বিষয় হিচাপে লৈ পঢ়িবলৈ আৰম্ভ কৰিছিলোঁ। বিজ্ঞানৰ পিছত বাণিজ্য— ভাল লগা নাছিল আৰু মনো সুস্থিৰ হোৱা নাছিল। দোধোৰ-মোধোৰ অৱস্থাত কেইদিনমান যোৱাৰ পিছত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰ-নেতাক লগ পালোঁ। ঘটনাক্ৰমে মই লগ পোৱা ছাত্ৰ নেতাকেইজনৰ প্ৰতিজনেই আছিল আদৰ্শবাদী। আপোচবিহীন পৰিৱৰ্তনৰ আকাঙক্ষাই এই নতুন বন্ধু কেইজনৰ লগত নিবিড়তা বঢ়াই তুলিলে। মই বিচাৰি ফুৰা কিবা এটা যেন হাতৰ মুঠিতে পালোঁ। লগে লগে মই থিৰাং কৰিলোঁ যে মই কলা শাখাত এইখন মহাবিদ্যালয়তে পঢ়িম। অগ্ৰজ বন্ধু কেইগৰাকীয়েই মহাবিদ্যালয় সলনি কৰাত উদ্দীপকৰ দৰে কাম কৰিলে। মোৰ কলা শাখাৰ বিষয় জ্ঞানো নাছিল। অসমীয়া প্ৰধান বিষয় হিচাপে আৰু অৰ্থনীতি আৰু ৰাজনীতি সাধাৰণ বিষয় হিচাপে লৈ আৰম্ভ কৰিলোঁ নতুন এক যাত্ৰা। নতুন যাত্ৰা বুলি এই কাৰণেই কৈছোঁ যে ৰাজনীতি আৰু অৰ্থনীতি বিষয় দুটাৰ মই আগতে সমূলি পঢ়াই নাছিলোঁ। আনকি সংজ্ঞাটোও নাজানিছিলোঁ। অসমীয়া ভাষাত অৱশ্যে সীমিত হ'লেও দখল আছিল আৰু কবিতা, গল্প, প্ৰবন্ধ আদিও লিখিবলৈ আৰম্ভ কৰিছিলোঁ। কিন্তু দুৰ্যোগে ইয়াতো নেৰিলে। সাহিত্য তথা নন্দন-তত্ত্বৰ প্ৰতিটো কথা তন্নতন্নকৈ জনাৰ আগ্ৰহে মোক শ্ৰেণীৰ ভিতৰতে দুই-এটা প্ৰয়োজনীয় কথা সুধিবলৈ উদ্‌গনি দিছিল। মোৰ ভালকৈ মনত আছে— মই এগৰাকী মাননীয় শিক্ষকক প্ৰশ্ন কৰিছিলোঁ— ৰহস্যবাদী ৰোমান্টিকতা আৰু ৰোমান্টিক ৰহস্যবাদ— এই দুয়োটাৰ মাজত পাৰ্থক্য কি? জনাৰ আগ্ৰহৰ বাহিৰে প্ৰশ্নটো সোধাত মোৰ কোনো উদ্দেশ্য নাছিল। যি নহওক মাননীয় শিক্ষকগৰাকীৰ কোনো অজ্ঞাত কাৰণত খং উঠিল। ক'লে— 'ইউ আৰ ট্ৰায়িং টু ডাইভাৰ্ট এটেন্‌ছন অব দি ষ্টুডেন্টছ!' কি হ'ল কথাটো অৱশ্যে মই বুজাই নাছিলোঁ। মোক শাস্তি বিহা হ'ল, দহটা উপস্থিত থকা দিনৰ উপস্থিতিক বিয়োগ কৰি দিয়া হ'ল। সেইদিনালৈ হোৱা শ্ৰেণীৰ সংখ্যাও আছিল দহ। শাস্তি পোৱাৰ পিছতহে মোৰ ধাৰণা হ'ল যে অসমীয়া প্ৰধান বিষয় হিচাপে লোৱাৰ মুদা মৰিল। শিক্ষকসকলৰ লগত মোৰ অতি ভাল সম্পৰ্কই আছিল যদিও আৰম্ভণিতে কেনা লগা বুলি ভাবিয়েই মই অধ্যক্ষ আব্দুল হাই ছাৰৰ ওচৰ

পালোঁগৈ। আবেদন কৰিলোঁ ট্ৰেন্সফাৰ চাৰ্টিফিকেটৰ বাবে— পুনৰ গুৱাহাটীতে অন্য কোনো কলেজত পঢ়িমগৈ। মনে মনে থিৰাং কৰিয়েই আগবাঢ়িছিলোঁ। হাই ছাৰে কিন্তু অন্য পৰামৰ্শহে দিলে। প্ৰশ্ন সোধা বাবে দহটা উপস্থিতি কটাত প্ৰকৃততে অধ্যক্ষ ডাঙৰীয়াৰো খং উঠিছিল। তেওঁ মোক পৰামৰ্শ দিলে— 'ঠিক আছে, তুমি কলেজ এৰি যাব নালাগে। অন্য বিষয় এটা প্ৰধান বিষয় হিচাপে লোৱা।' অৰ্থবিজ্ঞানকে প্ৰধান বিষয় হিচাপে লোৱাটো ঠিক কৰিলোঁ। অৰ্থবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক আছিল শ্ৰদ্ধেয় বাণেশ্বৰ শইকীয়া। 'অৰ্থ বিজ্ঞানকেই প্ৰধান বিষয় হিচাপে ল'বলৈ হ'লে এটা লিখিত বাছনি পৰীক্ষাত বহিব লাগিব।'— তেওঁ ক'লে। পৰীক্ষাৰ বিষয় হিচাপে মোক 'নিবনুৱা সমস্যা'ৰ বিষয়ে এখন ৰচনা লিখিবলৈ দিলে। এশ নম্বৰৰ ৰচনা। অকল ময়েহে পৰীক্ষা দিছিলোঁ। শতকৰা পয়ষষ্ঠি নম্বৰ পালোঁ। গতিকে অসমীয়াৰ পৰা আহি অৰ্থবিজ্ঞানত সোমালোহি।

এতিয়া ভাবো, মাননীয় শিক্ষকগৰাকীয়ে প্ৰদান কৰা শাস্তিটো প্ৰকৃততে মোৰ বাবে এক সৌভাগ্যপূৰ্ণ আশীৰ্বাদ হৈ আহিছিল। অৰ্থবিজ্ঞানত মই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাইছিলোঁ।

জীৱনত মই প্ৰথমবাৰৰ বাবে কেনে এক মৰম ভৰা অভিনন্দন আৰু আশীৰ্বাদ পাইছিলোঁ আজি বৰ্ণাব নোৱাৰোঁ। অধ্যক্ষ হাই ডাঙৰীয়া, যাক সমীহ কৰি মই যথেষ্ট দূৰৰ পৰাহে কথা পাতিছিলোঁ, সেই হাই ছাৰে সম্বৰ্দ্ধনা অনুষ্ঠানত মোক সমূহ ছাত্ৰ-ছাত্ৰীৰ আগতে আঁকোৱালি দাঙি ধৰিছিল। মহাবিদ্যালয়ৰ ফালৰ পৰা মোক দহ হেজাৰ টকা দিছিল উদ্‌গনি হিচাপে বিশ্ববিদ্যালয়ত পঢ়িব বাবে আৰু পুথিভঁৰালৰ পৰা যিমান লাগে সিমান পাঠ্যপুথি নিবৰ বাবে অনুমতি দিছিল। জীৱনত ইয়াৰ পিছতো বহুত অভিনন্দন পাইছোঁ; কিন্তু এই আশীৰ্বাদ ভৰা অভিনন্দনৰ আন একোৰে তুলনা নহয়।

এটা সৰু ঘটনাই মোৰ জীৱনৰ গতি-পথ সলনি কৰি দিছিল। তিনিটা দশকৰ পিছত, বিংশ শতিকাৰ শেষ বছৰটোত দুখনমান কাকতত কুৰি শতিকাৰ অসমৰ দহগৰাকী অৰ্থনীতিবিদৰ নাম ওলাইছিল। তাত মোৰ নামো আছিল। সেইদিনা মই অজানিতে ধন্যবাদ জনাইছিলোঁ সেইগৰাকী শিক্ষকক, যাৰ বাঞ্ছিত-অবাঞ্ছিত গোৰটোৱে মোক গংগাত নিক্ষেপ কৰিছিল।

### ছাত্ৰ-ৰাজনীতি ঃ এটা ক্ষতিকাৰক দিশ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিটো দিন প্ৰতিটো ক্ষণ আছিল

ভীষণ প্ৰত্যাহ্বান ভৰা। সেইবোৰ দিন আছিল সংগ্ৰাম-মুখৰ। নিবনুৱা সমস্যাবিৰোধী সংগ্ৰাম, বিশেষকৈ সম্পদ ভিত্তিক শিল্পায়নৰ দাবীত হোৱা সংগ্ৰামে এই দিনবোৰ উত্তপ্ত কৰি তুলিছিল। আটাইতকৈ বেছি উত্তপ্ততা আৰু উত্তেজনা সৃষ্টি কৰিছিল দ্বিতীয় তেল শোধনাগাৰৰ আন্দোলনে। আমাৰ যৌৱনৰ উঠি অহা দিনবোৰত অন্ততঃ তিনিটা বছৰ দ্বিতীয় তেল শোধনাগাৰ আন্দোলনৰ ধুমুহাই উৰুৱাই নিছিল। মই এটা বৈপ্লৱিক ছাত্ৰ সংগঠনৰ সৰু সুৱা নেতাই আছিলোঁ। গতিকে কান্ধত এটা মোনা লৈ, কেইখনমান দৰ্কাৰী কিতাপৰ বোজা বান্ধি সমগ্ৰ জিলাখনতে আৰু কেতিয়াবা জিলাখনৰ বাহিৰলৈ তেজপুৰ, ডিফু, শিৱসাগৰ, মৰাণ আদিলৈও গৈছিলোঁ। জিলাখনত সেই সময়ত এখনো প্ৰধান ঠাই কিবা প্ৰধান বিদ্যালয় নাছিল যিবোৰলৈ মই সংগঠনৰ নামত যোৱা নাছিলোঁ। প্ৰায় চাৰিটা দশকৰ পিছত উভতি চালে আজি দেখা পাওঁ যে বেছি ভাগ কামেই বুজা-নুবুজাৰ দোমোজাত থাকিয়েই কৰা হৈছিল। সেই সময়ত জগতখন সলনি কৰিব পৰা সাহস আমাৰ আছে বুলি ভাবিছিলোঁ। কিন্তু এতিয়া ভাবি দুখ লাগে যে জগতখন, ভাৰত তথা অসমখনৰ বিষয়ে আমাৰ ধাৰণাবোৰ তথা বিকল্প গঢ়ি তোলাৰ বাবে আমি কল্পনা কৰা পদ্ধতিবোৰত নানানটা অসম্পূৰ্ণতা আৰু ভ্ৰান্তি আছিল। তথাপি আজি ক'ব পাৰোঁ যে জীৱনক ইয়াৰ প্ৰকৃত গভীৰতা আৰু প্ৰসাৰৰ জীৱন্ত সমুদ্ৰ আৰু ধুমুহাৰ মাজত জ্বলি থকা জুই শিখাৰ ৰূপত জুখি চোৱাৰ যি সুযোগ সেই সময়ত পাইছিলোঁ, সিয়েই আছিল অন্তবিহীন পাৰমাণৱিক ইন্ধনৰ দৰে। ৰাজনৈতিক, দাৰ্শনিক, অৰ্থনৈতিক ক্ষেত্ৰত এতিয়া নানানটা নতুন নতুন সমস্যাই জুমুৰি দি ধৰিছে— তথাপি সেই দিনত পোৱা শক্তি, বুদ্ধি আৰু সাহসে এতিয়াও আমাক মানুহৰ দৰে শিৰ তুলি থকাত সহায় কৰিছে।

ছাত্ৰ ৰাজনীতিত তেতিয়া আজিৰ দৰে ধনৰ প্ৰাধান্য আহি পৰা নাছিল। তেতিয়াও সদৌ অসম ছাত্ৰ সন্থা শক্তিশালী ৰূপত মূৰ দাঙি উঠাই নাছিল। অধ্যয়ন-পিপাসু আৰু যোগ্যতাসম্পন্ন বেছিভাগ ছাত্ৰই স্বাভাৱিক কাৰণতে ঢাল খাইছিল যুগান্তকাৰী সামাজিক কামত নিজকে নিয়োজিত কৰিবৰ বাবে। কিন্তু তেতিয়াই আমি বুজিছিলোঁ যে মূলতঃ কেইটামান সামাজিক, ধৰ্মীয় আৰু ভাষিক তথা সাংস্কৃতিক কাৰণত অচিৰে ৰাজনৈতিক পৰিস্থিতি সলনি হ'ব। ধৰ্মীয় সংকীৰ্ণতাক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰাটো আছিল মূল বেমাৰ। ইয়াৰ বিপৰীতে আঞ্চলিকতাবাদী ৰাজনীতিয়ে খোপনি ল'বলগীয়া হৈছিল ভাষা-কৃষ্টি আৰু জনসমষ্টিৰ ভৱিষ্যতক লৈ সৃষ্টি হোৱা অনিশ্চয়তাৰ পকনীয়া আৰু ধুমুহাৰ মাজত। তেলশোধনাগাৰৰ দাবীত হোৱা আন্দোলনে অসমৰ সকলোকে জোঁকাৰি গৈছিল; কিন্তু মূৰকত এটা পুতলা

শোধনাগাৰকে লৈ আমি সন্তুষ্ট হ'বলগীয়া হৈছিল। 'তেজ দিম তেল নিদিওঁ' বুলি শ্লোগান দিয়া সাহসী যুৱকসকলৰ দুজনমানে আনকি 'আছাম উইল চিচিড্ ফ্রম ইণ্ডিয়া।'— বুলিও জোৰ দি ক'বলগীয়া হৈছিল। তেলৰ ৰাজনীতি যে আন্তঃৰাষ্ট্রীয় আৰু ৰাষ্ট্রীয় স্বাৰ্থ জড়িত শক্তিবোৰে নিয়ন্ত্রণ কৰিছে, তাৰ পৰাই ডাঙৰ ডাঙৰ যুদ্ধৰ জন্ম হৈছে আৰু ভৱিষ্যতেও হ'ব সেই কথা তেতিয়া ভালদৰে বুজাই নাছিলোঁ। তথাপি আমি স্পষ্ট আছিলোঁ যে নিবনুৱা সমস্যাৰ সমাধান অসমৰ উদ্যোগিক উন্নয়ন, কৃষিৰ উন্নয়ন আৰু সম্প্ৰসাৰণ তথা নৈৰ জলশক্তিৰ সুব্যৱহাৰৰ ওপৰত নিৰ্ভৰশীল। চাৰিটা দশকৰ পিচতো সমস্যা একেই আছে। তথাপি ৬৮-৭১ ৰ পিছত এই সম্পদভিত্তিক শিল্পায়ন আৰু বিকাশৰ সংগ্ৰামৰ পৰা অসমৰ বাঁওপন্থী আৰু সমাজতান্ত্ৰিকসকল আঁতৰি গ'ল— খালী স্থান পূৰণ কৰিলে আঞ্চলিকতাবাদীসকলে। অসমৰ ভাগ্যলিপিক তথাকথিত ইন্দিৰা-মুজিব চুক্তিৰ লগত বান্ধি দিয়া হ'ল। বাঁওপন্থী, সোঁপন্থী বহুতেই সেই সময়ত কথাবোৰ ভাবি নাচালে। ফলত সীমিত পৰিসৰত আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ ছাত্ৰ-ৰাজনীতিত বহল অৰ্থত যি ধৰ্মীয় বিভাজনৰ সূচনা হ'ল, বহল পৰিসৰত সমগ্ৰ জিলাখনত তথা অসমৰ আন ঠাইতো তাৰেই প্ৰকোপ দেখা গ'ল। মোৰ ধাৰণা এই সময়তে ৰাজনৈতিক অৱস্থাৰ দাস হিচাপে অহা সীমাহীন সংখ্যক বাংলাদেশী ভগনীয়াৰ সোঁতে অসমৰ কৌটিকলীয়া ধৰ্মীয় সম্প্ৰীতিৰ বান্ধোন কেৰোণীয়া কৰিলে আৰু ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপে গা-কৰি উঠা ধৰ্মীয় ৰাজনীতি আৰু আঞ্চলিকতাবাদী ৰাজনীতি— দুয়োটাই আজিলৈকে সমস্যাৰ সমাধান বিচাৰি হাবু-ডুবু খোৱাৰ অন্ত পৰা নাই। এইটো সন্দেহাতীতভাৱে সত্য যে আমি যিবোৰ ধৰ্মনিৰপেক্ষ, প্ৰকৃত গণতান্ত্ৰিক আৰু সমাজতান্ত্ৰিক আদৰ্শৰ বাবে সময়ে সময়ে ভীষণ যুঁজত অৱতীৰ্ণ হৈছোঁ, সেইবোৰৰ মূল্যায়নৰ মাপকাঠী আৰু ৰাজনৈতিক গুৰুত্ব ১৯৭১ ৰ পিছৰ কালছোৱাত গুৰুতৰভাৱে সলনি হৈছে। সলনি হৈছে ভালৰ বাবে নহয়, অধিক অস্থিৰতা আমদানিৰ বাবে।

ছাত্ৰ আন্দোলনৰ লগত মোৰ সম্পৰ্ক ১৯৭৩ চনমানৰ পৰা সম্পূৰ্ণ শেষ। কিন্তু তাহানি জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ চৌদিশে থকা নামবিহীন অজস্ৰ জুপুৰী, যিবোৰক আজি ছাত্ৰাবাস বুলি ক'বলৈ অসুবিধা হয়, সেই সময়ত আমি তাতেই বহি বহি যিবোৰ সপোনৰ বাস্তৱ ৰূপায়ণৰ বাবে কল্পনা কৰিছিলোঁ,— সেইবোৰে আজিও আমাক নতুনকৈ সকলো কথা জুখি চোৱাৰ সাহস দিয়ে।

আমাৰ সৰু-বৰ সহপাঠী, সহকৰ্মী আৰু অগ্ৰজ তথা অনুজসকলৰ মাজত

সেই সময়ত যিসকল আছিল, তেওঁলোকৰ মাজত আছিল কিছু অগ্ৰজ জ্ঞানদাভিৰাম শইকীয়া, ৰাজেন শইকীয়া, বীৰেন ডেকা, প্ৰয়াত কেঁহোৰাম শইকীয়া, সমবয়সী আৰু অনুজ উপেন বৰুৱা, অনিল বৰুৱা, কৃষ্ণ লস্কৰ, ভাৰত তামুলীফুকন, শেৱালী তামুলী ফুকন, মনজিত সিং, তোষেশ্বৰ তামুলী ফুকন, মোলান লস্কৰ, গুণ চাংকাকতি, তৰেণ শইকীয়া, দ্বিগেন বৰা, শ্বহিদুল ইছলাম, মুছলিমুদ্দিন কবীৰ, প্ৰয়াত ৰমণী ভঁৰালী, তৰেণ বৰদলৈ ইত্যাদি ইত্যাদি সহস্ৰজন। পিছত আঞ্চলিক ৰাজনীতি কৰা বহুতেই তেতিয়া আমাৰ কাম-কাজৰ সহযোগী আছিল।

আজি চাৰিটা দশকৰ পিছত মূল্যায়ণ কৰিলে মোৰ চকুত পৰে যে তেতিয়া ধনৰ ৰাজনীতি দুৰ্বল হোৱা বাবে, আমাৰ নিজৰ মাজত আমাৰ সমান্তৰালভাৱে কাম কৰা অন্য সংগঠনবোৰৰ নেতা আৰু কৰ্মীসকল প্ৰায়ে নিকা, অধ্যয়নপিপাসু, মেধাবী আৰু শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধাশীল আছিল। আটাইতকৈ ডাঙৰ কথা অধ্যয়ন-পিপাসা আৰু সংস্কৃতি তথা সাহিত্যৰ প্ৰতি অনুৰাগ। ছাত্ৰ-ৰাজনীতিয়ে হঠাৎ সাম্প্ৰদায়িক ৰূপ লোৱাটোৱেই সম্ভৱতঃ আটাইতকৈ ক্ষতিকাৰক দিশ। আমাৰ দিনত যি সামান্যভাৱে শিপা মেলিছিলহে— আজি সি মহীৰুহত পৰিণত হৈছে। আমাৰ ধাৰণা— পুনৰ শান্ত, সুস্থিৰ, সহনশীল আৰু প্ৰকৃতাৰ্থত সম্প্ৰীতিভৰা অৱস্থালৈ পৰিস্থিতিটো ঘূৰাই আনিবৰ বাবে আজিৰ ছাত্ৰ-শিক্ষক সকলোৱে মিলি প্ৰয়াস কৰিব লাগিব। ভাল দিনবোৰ ঘূৰাই অনাৰ দায়িত্বও মূলতঃ যুৱকসকলৰে যাক সমাজৰ বেগৱতী নদীখনৰ অগ্ৰভাগ বুলিব পাৰি।

সেই সময়ৰ ছাত্ৰ-ৰাজনীতিৰ দীঘলীয়া অভিজ্ঞতাৰে মই ক'ব পাৰোঁ যে ছাত্ৰই হ'ল পৰিৱৰ্তনাকাংক্ষী আটাইতকৈ অস্থিৰ শ্ৰেণী। যিহেতু ইয়াৰ আৰ্থ-সামাজিক শ্ৰেণী-ভিত্তি অনিশ্চিত আৰু অস্থিৰ— গতিকে ই অকলেই ৰাজনৈতিক ক্ষমতা দখলৰ উদ্দেশ্যে কাম কৰিলে তাৰপৰা সমাজৰ লাভ যিমান হ'ব পাৰে, ক্ষতিও সিমানেই অপূৰণীয় হ'ব পাৰে।

ক্ষমতা-দখলৰ ৰাজনীতিৰ পৰা, বিশেষকৈ দলীয় কচৰৎবোৰৰ পৰা আঁতৰত থাকি বৃহত্তৰ সমস্যাবোৰৰ ক্ষেত্ৰত অৱশ্যেই সামাজিক চেতনা আৰু সক্ৰিয়তা বৃদ্ধি আৰু পৰিৱৰ্তনকামী আকাংক্ষাক সংগঠিত আৰু পৈণত ৰূপ দিয়াত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে কাম কৰা উচিত। অন্যথা সস্তীয়া ক্ষমতাৰ ৰাগীয়ে নানা ধৰণৰ সাম্প্ৰদায়িকতা আৰু দুষ্কৃতিক স্থায়িত্ব প্ৰদান কৰিব পাৰে— যিটো তথাকথিত ৰাজনৈতিক দলবোৰৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাৰ সম্ভাৱনাই বেছি। এবাৰ সাম্প্ৰদায়িকতাই খোপনি লোৱাৰ পিছত আদৰ্শ আৰু ৰাজনীতিৰ পিতা-মাতাসকলেই

ছাত্র-ৰাজনীতিক পুনৰ ভাল পথলৈ, ধৰ্মনিৰপেক্ষ-গণতান্ত্রিক পথলৈ ঘূৰাই আনিব নোৱাৰে। এতিয়া প্ৰায় তেনেকুৱা এটা বিপজ্জনক অৱস্থাই অকল নগাঁও জিলা নহয়, সমগ্র অসম আৱৰি ধৰিছে। অতি দুখজনক পৰিণতিৰ দিশে আমি আগবাঢ়িছোঁ। মোৰ ধাৰণা আজিও 'এডিপিয়ান' সকলৰ সন্মুখত এই প্রত্যাহ্বানেই বাস্তৱ ছাত্র ৰাজনীতিত প্রধান বিপদ ৰূপে আছে।

### আমাৰ শিক্ষকসকল

আমাৰ দিনত তুলনামূলকভাৱে নতুন মহাবিদ্যালয়খনত বয়সীয়া মানুহ (আদহীয়া ডেকাই) পঢ়িবলৈ আহে বুলি এটা প্রাবচনিক নাম আছিল। কিন্তু এই নামটোৰেই বাস্তৱতাক অস্বীকাৰ কৰি এখন সুন্দৰ মহাবিদ্যালয় গঢ়ি তুলিবৰ বাবে যেন শিক্ষকসকলে আৰম্ভ কৰিছিল এক আপোচবিহীন সংগ্রাম— এক সংকল্পদৃঢ় গুৰুকুলৰ ব্ৰত। এতিয়া অন্ততঃ চাৰিটা দশকৰ পিছত বহু দূৰ আঁতৰি আহি মোৰ ধাৰণা হৈছে যে ১৯৬৯-৭১ৰ ভিতৰত অৰ্থবিজ্ঞানত আমাৰ মহাবিদ্যালয়ৰ শিক্ষকসকলৰ পৰা মই যিটো পাইছিলোঁ সেয়া সম্ভৱতঃ বিশ্ববিদ্যালয়তো পোৱা নাছিলোঁ। মূল গ্রন্থ পঢ়াত আৰু তত্ত্ববোৰ ভালদৰে বুজাত, বিশেষকৈ ৰৈখিক চিত্ৰৰ বিশ্লেষণ পদ্ধতিক ভালদৰে আয়ত্ত কৰাত অৰ্থবিজ্ঞানৰ প্ৰধান অধ্যাপক বাণেশ্বৰ শইকীয়াই দিয়া গুৰুত্বৰ তাৎপৰ্য আমি পিছতহে ভালদৰে উপলব্ধি কৰিছোঁ। আন এগৰাকী বিদগ্ধ শিক্ষক, সামৰিক বাহিনীৰ (হ্ৰস্বম্যাদী সেৱাৰ) বিষয়া ড° তুষাৰ কান্তি চৌধুৰীৰ কথাও বিশেষভাৱে উল্লেখ কৰাৰ প্ৰয়োজনীয়তা মই হৃদয়েৰে উপলব্ধি কৰোঁ। ড° চৌধুৰীয়ে মোক বাৰম্বাৰ সুবিধা পালেই কৈছিল— মাৰ্ক্সবাদী আদৰ্শৰ দল এটাৰ তুমি অনুগামী হৈছা, মোৰ ক'বলগীয়া নাই সেই বিষয়ত; কিন্তু মোৰ আশা তুমি মাৰ্ক্সিয়ান অৰ্থনৈতিক তত্ত্ব ভালদৰে আয়ত্ত্ব কৰা আৰু প্ৰয়োগৰ দিশত ইয়াৰ যিবোৰ তত্ত্বগত জটিলতা মূৰ দাঙি উঠিছে সেইবোৰ ব্যাখ্যা কৰাৰ চেষ্টা কৰা। তেওঁ তিনিটা সমস্যাৰ কথা প্ৰায়ে কৈছিল। প্ৰথমটো কমিউনিষ্ট দেশত সঠিক অৰ্থত 'মানিটেৰী কেলকুলেছন' নথকাটো। যাৰ ফলত বস্তুৰ আচল দৰ আৰু চৰকাৰ নিৰ্দ্ধাৰিত দৰৰ মাজত বিশাল ব্যৱধান সৃষ্টি হৈছে। দ্বিতীয়তে, কমিউনিষ্ট দেশত বিতৰণৰ সঠিক নীতি উদ্ভাৱন কৰিব পৰা নাই। মানুহক প্ৰয়োজন অনুসৰি সকলো দিলে শেষত ব্যৱস্থাটো জীয়াই নাথাকে। সকলো বস্তু বিচৰা মতেই পালে আৰু কামৰ পৰা কাকো অব্যাহতি দিয়াৰ উপায় নাথাকিলে এসময়ত কোনেও কাম নকৰা হ'ব। পিছত দেখা পাইছিলোঁ ৰাছিয়াত সেইটোৱেই হৈছিল। তৃতীয়তে তেওঁ কৈছিল যে বহু দেশীয় বাণিজ্যৰ ক্ষেত্ৰত কমিউনিষ্ট দেশবোৰৰ কোনো সাৰ্বজনীন নীতি

নাই আৰু সাৰ্বজনীন গ্ৰহণযোগ্য মুদ্ৰা নাই। গতিকে এসময়ত ই সংকটৰ কাৰণ হ'ব। বস্তু-বিনিময় প্ৰথাৰ উন্নত সংস্কৰণ এটাৰে বহু দেশীয় বাণিজ্যৰ পৰিশোধৰ সমস্যাবোৰ কিদৰে সমাধান হ'ব? চৌধুৰী ছাৰে প্ৰশ্ন কৰিছিল। কিন্তু কুৰি বছৰ পিছত 'গ্ল'বেল ইকনমী' বিকাশৰ অনিবাৰ্যতা আৰু কমিউনিষ্ট দেশবোৰৰ পতনৰ স্বভাৱজ কাৰণবোৰ ফঁহিয়াই চাই মই বুজিব পাৰিছোঁ যে ড° চৌধুৰীয়ে মাৰ্ক্সিয়ান ইকনমিক্স ভালদৰে অধ্যয়ন কৰিবলৈ কৈ মোক সেইবোৰৰ বিষয়ে আগতেই সঁকীয়াই দিছিল। 'চোৱা, আমাৰ কমিউনিষ্টসকলে মাৰ্ক্সিয়ান ইকনমিক্সৰ সমস্যাবোৰ সমাধানৰ প্ৰয়াস কৰা নাই, তুমি আয়ত্ব কৰিবলৈ চেষ্টা কৰা, নিশ্চয় পাৰিবা।'— ড° চৌধুৰীৰ মোৰ ওপৰত আস্থা আছিল, প্ৰত্যাশা আছিল বহুত। সেইবোৰ যে পূৰণ কৰিব পৰা নাই সেই কথা নক'লেও চলে। যি নহওক অস্কাৰ লাং, আৰ্নষ্ট মেণ্ডেল আৰু জোৱান ৰবিনছন আদিৰ অনুপুংখ অধ্যয়নৰ প্ৰতি ধাউতি জগাই তোলাত তেওঁৰ অৰিহণাৰ কথা মই পাহৰিব নোৱাৰো। শিক্ষক হিচাপে সম্ভৱতঃ ৰাজনীতি বিজ্ঞানৰ পুষ্প বৰা, সহজানন্দ ওজা, শশী বৰা, নিৰু হাজৰিকা আদিয়ে আমাৰ মনত গভীৰ ৰেখাপাত কৰিবলৈ সমৰ্থ হৈছিল। মই আজিও ভাবো যে ৰাজনীতি বিজ্ঞানৰ এই সুস্বাস্থ্যবান শিক্ষক কেইজনে শিক্ষক সম্পৰ্কে বা শিক্ষকৰ স্বাস্থ্য সম্পৰ্কে মোৰ ধাৰণাকে সলনি কৰি দিছিল। তেওঁলোক কেৱল হৃষ্ট-পুষ্ট ধুনীয়া স্বাস্থ্যৰ ব্যক্তিয়েই নাছিল, সুন্দৰ মনৰ অধিকাৰীও আছিল আৰু ৰাজনীতিৰ বিষয়বোৰ বুজাত, আশা কৰাতকৈও বহু বেছি সহায় আমি তেওঁলোকৰ পৰা পাইছিলোঁ। ইংৰাজী বিভাগৰ শিক্ষকসকলৰ প্ৰসঙ্গও সদায় আহিবই। কবি সাহিত্যিক ৰবীন্দ্ৰ বৰা, ধীৰেন বৰদলৈ, কিছু দিনৰ বাবে পোৱা ঈশ্বৰীপ্ৰসাদ নামৰ এগৰাকী বিচক্ষণ ব্যক্তি আৰু অধ্যয়ন-পিপাসাৰে আমাৰ মনত এক নতুন অধ্যয়ন-স্পৃহা জগাই তোলা— স্নাতক তৃতীয় বৰ্ষত মাত্ৰ কিছুদিনৰ বাবে পোৱা যামিনী ফুকনক আমি নিশ্চয় মনত ৰাখিবই লাগিব। প'ল বাৰাণ আৰু প'ল চুইজিৰ 'মনপলী কেপিটেল' আৰু ভি.এছ্. নাইপ'লৰ 'এন এৰিয়া অব ডাৰ্কনেছ' আদি কিতাপ ১৯৭১ত যামিনী ফুকন ডাঙৰীয়াৰ তাতেই প্ৰথম দেখা পাইছিলোঁ। বিশ্বখ্যাত লেখকৰ শেহতীয়া কিতাপবোৰ অধ্যয়ন কৰা লোকসকলক সতকাই লগ পোৱা নাযায়। ব্যতিক্ৰমধৰ্মী আৰু আপোচবিহীন চৰিত্ৰৰ যামিনী ফুকন ডাঙৰীয়া এতিয়া এগৰাকী নামী অধিবক্তা। মই নাজানো এতিয়াও তেওঁৰ সেই গ্ৰন্থ প্ৰেমী হিচাপে অননুকৰণীয় ব্যক্তিত্ব ইমান দীঘলীয়া বেয়া সময় অতিক্ৰমিও জীয়াই আছেনে নাই; কিন্তু মোৰ বাবে সেইটো আছিল তেওঁৰ প্ৰথম আৰু শেষ পৰিচয়। অতি কম দিনৰ ভিতৰতে আপোচবিহীন আৰু গ্ৰন্থানুৰাগী মন এটা গঢ়ি তোলাত

তেওঁ যিকণ অৰিহণা আগবঢ়ালে সেই কথা মই কেতিয়াও পাহৰিব নোৱাৰোঁ।

সকলো শিক্ষাগুৰুৰ বিষয়ে স্মৃতিচাৰণ কৰা এই চমু লেখাত সম্ভৱ নহয় আৰু উদ্দেশ্যও সেইটো নহয়। তথাপি আৰু এগৰাকী প্ৰভাৱশীল শিক্ষকৰ কথা উল্লেখ নকৰিলে আমাৰ কথা আধৰুৱা হৈ ৰ'ব। সেইগৰাকী হ'ল শ্ৰীযুত নৰেন কলিতা। সদায় বগা পঞ্জাবী আৰু চুৰিয়া পিন্ধা এইগৰাকী ব্যক্তিৰ হয়বৰগাঁৱৰ বাসস্থানৰ নিচেই কাষৰতে কিছুদিন আমি 'মেচ' কৰি আছিলোঁ। মই আৰু মোৰ ভাইটো। তাৰো আছিল অৰ্থনীতি প্ৰধান বিষয়। মই অসমীয়া প্ৰধান বিষয় এৰি মাজ বাটতে অৰ্থনীতি পঢ়িছিলো যদিও অসমীয়া বিভাগৰ লগত গভীৰ নিবিড়তা থাকি গৈছিল। আনকি যিগৰাকী শিক্ষকৰ লগত সামান্য ভুল বুজাবুজি হোৱাত মোৰ দহটা উপস্থিতি কটা গৈছিল— তেৰোঁ সেইবোৰ কথা পাছলৈ মনত ৰখা নাছিল। মোৰ জীৱনৰ গতিপথ সৰু কথাটোৱে সলনি কৰি দিলেও, সেই কথালৈ মোৰ কোনো মনঃপীড়া আজি নাই। তেওঁৰ লগত এতিয়াও মোৰ ভাল সম্পৰ্কই আছে। নাট্যকাৰ এইগৰাকী শিক্ষকৰ লগত চিন্তাৰ বিনিময়ো পিছত হৈছে। এইগৰাকী শিক্ষকৰ উপৰি পূৰ্বে উল্লেখ কৰি অহা কলিতা ডাঙৰীয়াই অসমীয়া বিভাগটো আমাৰ বাবে বেছ আকৰ্ষণীয় কৰি তুলিছিল। কলিতা ডাঙৰীয়াই অম্বিকাগিৰিৰ 'অনুভূতি' বুজাইছিল। আলোচনা কালত অম্বিকাগিৰিৰ সংৰক্ষিণী আদৰ্শ আৰু মানৱায়তন সম্পৰ্কে যিবোৰ কথা কলিতা ডাঙৰীয়াই আমাক কৈছিল— সেইবোৰ চাৰিটা দশকৰ পিছতো মোৰ মনত উজ্জ্বল হৈ আছে। কলিতা ডাঙৰীয়াৰ আৰু এটা কথাই মোৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল। কথাটো আছিল এটা গল্প বিষয়ক। কলেজৰ বাৰ্ষিক প্ৰতিযোগিতা গল্প ৰচনাত মই প্ৰথম স্থান পাইছিলোঁ। 'পঁজাল' নামৰ গল্পটোৰ বিষয়ে কলিতা ডাঙৰীয়াই পিছত এদিন কৈছিল যে তাত অস্তিত্ববাদী চিন্তাৰ প্ৰভাৱ ফুটি উঠিছে। সেই সময়ত কথাটো মই নিজেই সিমান গভীৰভাৱে ভবা নাছিলোঁ। আজি বহু দিনৰ মূৰত সেই কথাটো মোৰ পুনৰ মনলৈ আহিছে। সেই তেতিয়াই মোৰ দৰে এজন নতুন ছাত্ৰৰ গল্পত থকা ভাবটো ফঁহিয়াই চাই এটা গভীৰ অৰ্থবহ মন্তব্য দিব পৰা ব্যক্তিত্ব সম্ভৱতঃ অতি নগণ্য সংখ্যক লোকৰহে থাকিব পাৰে। নিজৰ কৰ্ম আৰু চিন্তাৰ প্ৰতি সিমান গভীৰভাৱে একনিষ্ঠ, কথা আৰু কামৰ মাজত সম্পৰ্ক থকা শিক্ষাগুৰু জীৱনত কমেই লগ পোৱা যায়।

আনন্দৰাম ঢেকিয়াল ফুকন কলেজ বুলিলেই আজি সেই বগা পঞ্জাৱী বগা চুৰিয়া পিন্ধা, কথা আৰু কামৰ মাজত গভীৰ মিল থকা, নিৰ্মল ভাবমূৰ্তি এটা মনলৈ আহে। মহাবিদ্যালয়খনৰ যেন সেইটো এটা আত্মিক পৰিচয়— যিটো মনৰ মাজত

মই আজিও পুঁহি ৰাখিছোঁ। জ্যাঁ পল ছাৰ্ত্ৰৰ অস্তিত্ববাদৰ পৰা অম্বিকাগিৰিৰ সংৰক্ষিণী আদৰ্শলৈ এক বিপুল সম্ভাৰ হাতৰ মুঠিত লৈ সেই ভাবমূৰ্তিৰ ব্যক্তিসকল, সেই শিক্ষকসকল ৰৈ আছে যেন আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰৌদ্ৰোজ্জ্বল মূৰ্তিটোৰ তলত। দীক্ষিত ছাত্ৰৰ বাবে আশীৰ্বাদৰ ভংগীত যেন তেওঁলোক ৰৈ আছে। সেইদৰেই সেই ভাবমূৰ্তিটো থাকক চিৰদিন উজ্জ্বল হৈ। মই ভাবো জাতিটো পুনৰ গঢ়ি তুলিবৰ বাবে তাৰ বাহিৰে এতিয়া অন্য একো নাই।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা বিশেষকৈ শিক্ষকসকলৰ পৰা যি আদৰ্শগত অনুপ্ৰেৰণা আৰু শিক্ষা মই পাইছিলোঁ, তাৰ সদ্ব্যৱহাৰ কৰিবৰ বাবে মই নিজে এজন শিক্ষক হিচাপে, সাহিত্যিক-সাংবাদিক হিচাপে অহৰহ চেষ্টা কৰোঁ। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি নিষ্ঠাৰে সকলো বাকি দিয়াৰ এক অদম্য হেঁপাহ, সৰলতা আৰু লোভ-মোহৰপৰা মুক্তি। শ্ৰদ্ধেয় বাণেশ্বৰ শইকীয়াৰ পৰা নৱেন কলিতালৈ— ভিন্ন আদৰ্শৰ, ভিন্ন দৃষ্টি-ভংগীৰ অজস্ৰ শিক্ষকে নিঃস্বাৰ্থ সেৱাৰ যি আদৰ্শৰে যি অনুপ্ৰেৰণা আমাক দিছিল, তাৰ প্ৰভাৱ শিক্ষক জীৱনত এশভাগেই পৰিছিল। আনকি যিটো সামান্য নেতিবাচক ঘটনাই মোৰ বিষয়-শিক্ষাৰ গতিপথ পৰ্যন্ত ঘূৰাই দিছিল সেই ঘটনাটোৱেও মোক দিছিল ইতিবাচক শিক্ষা। মোৰ শিক্ষক জীৱনত মূল গ্ৰন্থবোৰ পঢ়াৰ হেঁপাহ জন্মোৱাৰ অনুপ্ৰেৰণা আৰু কোনো (দৰ্মহাৰ বাহিৰে) ধনৰ লোভত ছাত্ৰক উপকৰুৱা শিক্ষা প্ৰদান নকৰাৰ দৃঢ় চেতনাবোধ যিদৰে আমাৰ আদৰণীয় শিক্ষকসকলৰ পৰাই আহিছিল, ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সংকটত ভোগাসকলক অভাৱৰ অৱস্থাত ধনেৰে সহায় কৰাৰ উদ্দীপনা আমাৰ বৰণীয় শিক্ষাগুৰুসকলৰ পৰাই পাইছিলোঁ। একেদৰে শ্ৰেণীত মুকলিভাৱে সকলো ছাত্ৰৰ পৰা ওজৰ-আপত্তি আৰু প্ৰশ্ন শুনাৰ আৰু সকলো উত্তৰ দিয়াৰ অনুপ্ৰেৰণাও আহিছিল আমাৰ শিক্ষাগুৰুসকলৰ পৰাই।

নতুন কলেজ এখনক জাকতজিলিকা কৰা যুঁজখনৰ দিনত আমি যে ছাত্ৰ হিচাপে প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও কিবা ভূমিকা পালন কৰিছিলোঁ সেই কথা ভাবি আজি ভীষণ আপ্লুত হওঁ।

## সাহিত্য-সংস্কৃতি চৰ্চা

মহাবিদ্যালয়ৰ দিনবোৰলৈ মনত পৰিলে আজি আটাইতকৈ ইতিবাচক যিটো দিশে মোক প্ৰকৃততে আহ্লাদিত কৰে, সেইটো হ'ল বৌদ্ধিক আৰু সাংস্কৃতিক দিশত আগবঢ়াৰ হেঁপাহ জগাই তোলাত মহাবিদ্যালয়খনৰ সীমাহীন অৱদান। সাহিত্য,

সুকুমাৰ কলা, নাটক, বক্তৃতা সভা, তৰ্ক সভা— ইত্যাদি সকলো ক্ষেত্ৰত মই নিজে আগৰণুৱা আছিলোঁ। তৰ্ক সভাৰ পৰা চিত্ৰাংকণলৈ কোনো ক্ষেত্ৰতে অংশ গ্ৰহণ নকৰাকৈ মোৰ এটা দিনো পাৰ হোৱা নাছিল। এই যে প্ৰতিদ্বন্দ্বিতামূলক মনোভাৱটো ছাত্ৰ-ছাত্ৰীৰ মাজত জাগ্ৰত কৰাৰ সীমাহীন প্ৰয়াস, মই ভাবো সমূহীয়াভাৱে অধ্যক্ষ আৰু শিক্ষকসকলৰ কৃতিত্ব। মহাবিদ্যালয়ৰ আৰম্ভণি পৰ্বৰ অধ্যক্ষগৰাকীক আমি লগ পোৱা নাই। লগ পাইছো আব্দুল হাই ডাওৰীয়াক অধ্যক্ষ হিচাপে। ছাত্ৰ-ছাত্ৰীসকলে সহজে লগ পাব পৰা এজন প্ৰকৃতাৰ্থত সহযোগিতামূলক আদৰ্শৰে কাম কৰা মানুহ। ছাত্ৰ-ছাত্ৰীৰ যিকোনো অভিযোগ শুনা আৰু তাৰ সমাধানৰ বাবে সুপৰামৰ্শ দিয়াত তেওঁৰ অৰিহণা নিশ্চয় স্মৰণীয়। ব্যক্তিগতভাৱে অৰ্থনীতিক প্ৰধান বিষয় হিচাপে ল'বলৈ তেওঁ যি পৰামৰ্শ দিছিল তাক মই পাহৰিব নোৱাৰোঁ।

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভালেসংখ্যক গায়ক, অভিনেতা, নাট্যকাৰ, কবি, গল্পকাৰ, সুবক্তা আৰু সংগঠক সেইসময়ত আছিল। সকলোৰে সন্মিলিতভাৱেহে একোটা প্ৰতিষ্ঠান প্ৰতিদ্বন্দ্বিতামুখৰ আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী কৰি তুলিব পাৰে। বিভিন্ন ক্ষেত্ৰত, আনকি সাহিত্য আৰু ৰাজনৈতিক জীৱন তথা শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰতো প্ৰভূত সফলতা অৰ্জন কৰা কেবাগৰাকীও ব্যক্তি সেইসময়ৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ ছাত্ৰ আছিল।

মই এতিয়া ভাবো মহাবিদ্যালয়খনৰ প্ৰতি চপৰা ইটা-বালিত চাগৈ স্মৃতিৰ এচিকটা হ'লেও প্ৰত্যক্ষ বা পৰোক্ষ বালিকণাটোমান হ'লেও জিলিকনি ওলাব। ক'ৰবাত বহি কবিতা গোৱা, ক'ৰবাত নাটকৰ বচন আওৰোৱা, ক'ৰবাত অগ্নিবৰ্ষী বক্তৃতা দিয়া, ক'ৰবাত ছাত্ৰ-ছাত্ৰীৰ জুমৰ মাজত ঘন্টাৰ পিছত ঘন্টা ধৰি আলোচনা তৰ্ক-বিতৰ্ক কৰা, ক'ৰবাত চিত্ৰ আঁকা আৰু অঁৰা— কি কৰা নাছিলোঁ আমি!

আজিৰ পৰা দহ বছৰমান আগতে ক্ষেত্ৰী থানাত এচ আই হলিৰাম বৰাক লগ পাইছিলোঁ। অন্য কিবা এটা কামত ব্যস্ত থাকোতে শকত-আৱত, মুখত অনবৰত সৰল হাঁহি এটা লাগি থকা সুঠাম মানুহ এজনে আহি মোক কৈছিল— 'দাদা, মনত আছেনে? মই হলি, হলিৰাম বৰা।' মই চিঞৰি উঠিছিলো— 'বা! বহুত শকত হ'লা!' তেওঁ তাৰ পিছতে কৈছিল, 'দাদা মনত আছেনে আপোনালোকৰ মেছত এনেয়ে থকা বিভিন্ন ধৰণৰ চিত্ৰবোৰ আনি আমি যে এখন প্ৰদৰ্শনী পাতিছিলো! —হয়, স্মৃতিৰ মণিকোঠাত উজলি উঠিছিল সেই দিনবোৰৰ এচেৰেঙা পোহৰ। হলিৰাম বৰা, ছাত্ৰ একতা সভাৰ কোনোবা এটা শাখা, সম্ভৱ সাংস্কৃতিক শাখাৰ সম্পাদক আছিল। মোৰ ভাই (মুনীন বৰগোহাঞিও)ৰ লগৰ। তেওঁ এখন

প্ৰদৰ্শনীৰ বাবে আমি অঁকা চিত্ৰবোৰ নিছিল। চিত্ৰ শিল্পীৰ অভাৱ হোৱাত সম্ভৱ আমি লৰালৰিকে অঁকা চিত্ৰকেই কোনোৱে নিজৰ নামত প্ৰদৰ্শনীত আঁৰি দিছিল আৰু বঁটাও পাইছিল। হলিৰামৰ সম্পূৰ্ণ মনত আছে। মইহে পাহৰি গৈছো কি কি চিত্ৰ আছিল। আনকি পাহৰি গৈছো সেইবোৰ ঘূৰাই অনা হ'লনে নাই।

তেনেকুৱাই আছিল দিনবোৰ। ধুমুহা, গীত-মাত, নাট, চিত্ৰ-কলা সকলো সামৰি আছিল আমাৰ জীৱন। এটা কথা কিন্তু ভালদৰে মনত আছে। মহাবিদ্যালয়ৰ সাহিত্য প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে প্ৰথম পুৰস্কাৰ হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীৰ দুটা খণ্ড পাইছিলো। দুখজনক কথাটো হ'ল পুৰস্কাৰ পোৱাৰ পিছতে— মাত্ৰ এসপ্তাহমানৰ ভিতৰতে দুয়োটা খণ্ডই চুৰ কৰি নিছিল কোনো অনুজ ছাত্ৰই। আজিও মনত পৰি দুখ লাগে, স্মৃতিৰ স্বাক্ষৰ এটা হেৰাই যোৱা বাবে। কেতিয়াবা ভাবো হলিৰামৰ দৰে হাঁহি এটা মাৰি সেইজন অনুজ ক'ৰবাত ওলাই যোৱা হ'লে।

নোলায় সম্ভৱ। সম্ভৱ সেই বাবেই এই স্মৃতিও স্থায়ী আৰু অলপ সুকীয়া আনন্দৰ উৎস স্বৰূপ। কাৰণ কিতাপ চুৰ কৰা চিনাকী অনুজজনৰ মুখখন মোৰ আজিও মনত আছে।▸▸

# অধ্যক্ষ আৰু উপাধ্যক্ষসকল

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষসকল

## প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামী

নগাঁৱৰ ৰাইডঙীয়াৰ এটি আঢ্যৱন্ত সম্ভ্ৰান্ত পৰিয়ালত ১৯০৫ চনৰ ১৪ এপ্ৰিলত শুকদেৱ গোস্বামীৰ জন্ম হয়। পিতৃ প্ৰয়াত গোপীনাথ গোস্বামী আৰু মাতৃ প্ৰয়াত যশোদা গোস্বামী। কটন কলেজৰপৰা বি. এ. পাছ্ কৰাৰ পাছত, ১৯২৩ চনত দেউতাকে শুকদেৱ গোস্বামীক বিলাতলৈ পঠিয়ায় বাৰ-এট্-ল পাঠ্যক্ৰম পঢ়িবলৈ। গোস্বামীদেৱে এই পাঠ্যক্ৰম সম্পূৰ্ণ নকৰি, এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰপৰা অৰ্থনীতিত এম. এ. উপাধি লাভ কৰে। ১৯৩০ চনত তেখেত ছাৰা নামৰ এগৰাকী ইউৰোপীয় মহিলাক বিয়া কৰায়। ২৫ বছৰ কাল বিলাতত কটাই শুকদেৱ গোস্বামী ১৯৪৮ চনত পত্নীসহ অসমলৈ ঘূৰি আহে। তেখেতে নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ৰ কাষতে পিতৃদত্ত ভূমিখণ্ডত ঘৰ-দুৱাৰ সাজি জীৱনৰ বাকী কালছোৱা তাতেই কটায়।

ওখ-পাখ, শকত-আৱত তেজগোৰা চেহেৰাৰ শুকদেৱ গোস্বামী পোছাকে-পৰিচ্ছদে, মাতে-কথাই, চিন্তনে-মননে এক অনন্য ব্যক্তিত্বৰ অধিকাৰী আছিল। তেখেত আছিল নিৰ্ভীক আৰু স্পষ্টবাদী, কৰ্মী আৰু কৰ্ম সংস্কৃতিৰ হোতা, স্বদেশ-প্ৰেমী আৰু মানৱিক প্ৰমূল্যৰ ধাৰক আৰু বাহক।

শুকদেৱ গোস্বামীৰ জীৱনৰ মহত্তম স্বপ্ন আৰু দিঠক হ'ল আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়। ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনত নগাঁওবাসীলৈ আগবঢ়োৱা এটি আহ্বানৰ প্ৰতি সঁহাৰি জনাই, সেই সময়ৰ শিক্ষা-সচেতন নগঞা ৰাইজে আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতিত সেই বছৰৰ ৭ ছেপ্তেম্বৰ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম ঘোষণা

কৰে। প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব ন্যস্ত কৰা হয় শুকদেৱ গোস্বামীৰ ওপৰত। প্ৰথম তিনিটা বছৰ শিক্ষাৰ্থীসকলৰ পাঠদানৰ ব্যৱস্থা কৰা হৈছিল ক্ৰমে ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়, নগাঁও মহাবিদ্যালয়ৰ আৰু নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ত। কিন্তু শুকদেৱ গোস্বামীৰ অপৰিসীম ত্যাগ, অদম্য উৎসাহ আৰু অপৰাজেয় পৌৰুষৰ বলতে মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ ১৯৬১ চনত বৰ্তমানৰ চৌহদলৈ স্থানান্তৰ কৰা হয়। মহাবিদ্যালয়খনে দোপত-দোপে আগবাঢ়ি ১-৪-১৯৬৪ তাৰিখৰ পৰা ৰাজ্য চৰকাৰৰ ঘাটি মঞ্জুৰি ব্যৱস্থাৰ অন্তৰ্ভুক্ত হ'বলৈ সক্ষম হয়।

প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীয়ে আনন্দৰাম ঢেকিয়াল ফুকনৰ মতাদৰ্শৰ প্ৰতিমূৰ্তিৰূপে মহাবিদ্যালয়খন গঢ়িব খুজিছিল। কিন্তু সেই মহৎ কৰ্ম সম্পূৰ্ণ নৌ-হওঁতেই তেখেতক অকাল মৃত্যুৱে (১৬-১০-১৯৬৪) কাঢ়ি লৈ গ'ল।

## অধ্যক্ষ কন্দৰ্পদেৱ গোস্বামী

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীৰ প্ৰয়াণৰ পাছত বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক কন্দৰ্পদেৱ গোস্বামীয়ে কিছুদিনৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব বহন কৰে (১৭-১০-১৯৬৪—৫-১-১৯৬৫)।

নগাঁৱৰ ৰাইডঙীয়াৰ এক সম্ভ্ৰান্ত পৰিয়ালত কন্দৰ্পদেৱ গোস্বামীৰ জন্ম হৈছিল ১-১-১৯১৬ তাৰিখে। পিতৃ প্ৰয়াত বুদ্ধেশ্বৰ গোস্বামী আৰু মাতৃ প্ৰয়াত সাৱিত্ৰী গোস্বামী। কন্দৰ্পদেৱ গোস্বামীয়ে ১৯৩৪ চনতে মেট্ৰিকুলেশ্যন পৰীক্ষা পাছ কৰি বহুবছৰ ধৰি ঘৰুৱা কামতে ব্যস্ত আছিল। পিছত কলেজীয়া শিক্ষা সম্পূৰ্ণ কৰি ১৯৫১ চনত লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত এম. এ. পাছ কৰে। ১৯৫৯ চনত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাত, গোস্বামীদেৱক বুৰঞ্জী বিভাগৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হয়। তেখেতে ১-১-১৯৭৬ তাৰিখে অৱসৰগ্ৰহণ কৰে।

কন্দৰ্পদেৱ গোস্বামীয়ে লক্ষ্ণৌ বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে বুৰঞ্জী বিভাগৰ মুৰব্বী আন্তৰ্জাতিক খ্যাতিসম্পন্ন বুৰঞ্জীবিদ ড° ৰাধাকুমুদ মুখাৰ্জীৰ সান্নিধ্যলৈ আহিছিল। সেই সান্নিধ্যৰ ছাপ তেখেতৰ জীৱন-চৰ্যা আৰু অধ্যাপনাত প্ৰকাশ পাইছিল। তেখেতে অসমীয়া আৰু ইংৰাজীত দিয়া শ্ৰুতিমধুৰ আৰু উচ্চমানৰ ভাষণে শ্ৰোতাক মুগ্ধ কৰিছিল। অনাড়ম্বৰ জীৱন নিৰ্বাহ আৰু উচ্চ ভাবনা আছিল গোস্বামীদেৱৰ জীৱনাদৰ্শ। এইজনা মহান পুৰুষৰ ২৯-৯-১৯৭৯ তাৰিখে প্ৰয়াণ ঘটে।

## অধ্যক্ষ আব্দুল হাই

ভাৰপ্ৰাপ্ত অধ্যক্ষ কন্দৰ্পদেৱ গোস্বামীৰ কাৰ্যকালৰ পাছত, নগাঁও মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী তথা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অংশকালীন অধ্যাপক আব্দুল হাই চাহাবে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে (৬-১-১৯৬৫—৬-৫-১৯৮৫)।

নগাঁও জিলাৰ আলিটাঙনি গাঁৱত ১-১-১৯২৬ তাৰিখে আব্দুল হাইৰ জন্ম হয়। পিতৃ প্ৰয়াত ওচমান আলি সদাগৰ। মাতৃ প্ৰয়াত কদৰজান বিবি।

আব্দুল হাই-এ আলিটাঙনি ওচমানীয়া হাইস্কুলৰপৰা ১৯৪২ চনত প্ৰৱেশিকা; ঢাকা বিশ্ববিদ্যালয়ৰপৰা ১৯৪৪ চনত আই-এ; কলিকতাৰ ৰিপন কলেজৰপৰা ১৯৪৬ চনত বি. এ আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰপৰা ১৯৪৮ চনত এম. এ. (বুৰঞ্জী বিষয়ত) আৰু এল. এল. বি. পৰীক্ষা পাছ কৰে।

আব্দুল হাইদেৱে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্মলগ্নৰেপৰা অংশকালীন অধ্যাপক হিচাপে সেৱা আগবঢ়াই আহিছিল। পিছত মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্ব লৈ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীৰ অসম্পূৰ্ণ সপোনক সম্পূৰ্ণ কৰিবলৈ আহোপুৰুষাৰ্থ কৰে। তেখেত কেৱল দক্ষ অধ্যাপক-অধ্যক্ষয়ে নাছিল, নগাঁৱৰ বিভিন্ন শিক্ষানুষ্ঠানৰ জন্ম আৰু বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল। ক্ৰীড়াক্ষেত্ৰতো তেখেতৰ অৱদান লেখত ল'বলগীয়া আছিল।

আব্দুল হাইদেৱৰ অধ্যক্ষতাৰ প্ৰায় কুৰি বছৰীয়া কালছোৱাত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বহু মাত্ৰিক বিকাশ ঘটে। মহাবিদ্যালয় চৌহদৰ মাটি কালি ৯ বিঘা ১ কঠালৈ বৃদ্ধি কৰা হয়। ১৯৬৮ চনত দুমহলীয়া লক্ষ্মীনাথ বেজবৰুৱা ভৱন নিৰ্মাণ কৰি উলিওৱা হয়। ছাত্ৰ-ছাত্ৰীৰ বৰঙণি আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ ধনেৰে ১৯৭৬-৭৭ বৰ্ষত Non-resident Students' Centre ভৱনটি সজা হয়। পৰিকল্পিত দুমহলীয়া ছাত্ৰাবাসৰ ভূমি-মহলাৰ একাংশতে ছাত্ৰ থকাৰ বাবে প্ৰস্তুত কৰা হয়।

কলা শাখাৰ বিভিন্ন বিষয়ত ১৯৬৫ চনৰ পৰাই অনাৰ্চ খোলা হয় আৰু বিভিন্ন বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম হোৱা শিক্ষাৰ্থীসকলে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। কিন্তু আব্দুল হাইদেৱৰ অন্যতম মহৎ অথচ দুঃসাহসিক কৃতি আছিল মহাবিদ্যালয়ত ১৯৭৮ চনত বিজ্ঞান শাখাৰ স্নাতক মহলা আৰু ১৯৭৯ চনত বিজ্ঞান শাখাৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী খোলা। তেখেতৰ সবল নেতৃত্বত বিজ্ঞান শাখাই ১-৯-১৯৮৩ তাৰিখে অসম চৰকাৰৰ ঘাটি-মঞ্জুৰি ব্যৱস্থাৰ অন্তৰ্ভুক্ত হ'বলৈ সক্ষম হয়। ক্ৰীড়াৰ ক্ষেত্ৰতো মহাবিদ্যালয়খনে যথেষ্ট সুনাম আৰ্জে। তেখেতৰ দিনতে ৰাষ্ট্ৰীয় সেৱা

যোজনা (N.S.S.)ৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় গোট গঠিত হয়।

অৱসৰ প্ৰাপ্তিলৈ আৰু কেইমাহমান থাকোঁতে অধ্যক্ষ আব্দুল হাইদেৱ নৰিয়াত পৰে আৰু ২-৬-১৯৮৫ তাৰিখে তেখেতৰ প্ৰয়াণ ঘটে।

## অধ্যক্ষ ড° নাৰায়ণ চন্দ্ৰ বৰ্মন

অধ্যক্ষ আব্দুল হাইদেৱৰ কাৰ্যকালৰ পাছত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ্মনে অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে (৭-৫-১৯৮৫—৩১-৮-১৯৯৪)।

নলবাৰী জিলাৰ বেলশৰত ৩১-৮-১৯৩৪ তাৰিখে শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ্মনৰ জন্ম হয়। পিতৃ প্ৰয়াত মুকুন্দ চৰণ বৰ্মন আৰু মাতৃ প্ৰয়াত মালতী বৰ্মন।

নাৰায়ণ চন্দ্ৰ বৰ্মনে বেলশৰ হাইস্কুলৰপৰা ১৯৫১ চনত মেট্ৰিকুলেশ্যন; নলবাৰী কলেজৰপৰা ১৯৫৫ চনত বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৫৯ চনত অসমীয়া বিষয়ত এম.এ. পাছ কৰে। তেখেতে ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ অধীনত 'The Manasa Cult and Literature of Assam' বিষয়ে গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে।

নাৰায়ণ চন্দ্ৰ বৰ্মনদেৱে অসমীয়া বিভাগৰ প্ৰথমগৰাকী অধ্যাপক হিচাপে ১-৯-১৯৬০ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত যোগদান কৰে। অধ্যাপনা আৰু উপাধ্যক্ষৰ দায়িত্ব বহন কৰাৰ উপৰিও তেখেতে মহাবিদ্যালয়ৰ N.C.C ৰ Senior Commissioned Officer হিচাপে কাৰ্যনিৰ্বাহ কৰি Major Rank পৰ্যন্ত সেৱা আগবঢ়ায়। তেখেতে নগাঁও জিলাৰ 8th Assam BN NCC আৰু 72 Gils' Division NCC Commanding Officer হিচাপে কাৰ্যনিৰ্বাহ কৰে। বৰ্মনদেৱে দাৰ্জিলিঙৰ জৱাহৰলাল নেহৰু পৰ্বতাৰোহণ প্ৰতিষ্ঠানত 42 Basic Mountaineering Courseত অংশগ্ৰহণ কৰিছিল। ড° নাৰায়ণ চন্দ্ৰ বৰ্মনৰ অধ্যক্ষতাৰ কালছোৱাত মহাবিদ্যালয়ৰ চৌহদৰ সীমা-নিৰ্ধাৰণ আৰু দেৱাল নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। অসম চৰকাৰৰ ৰাজ্যিক লটাৰী পুঁজিৰপৰা পোৱা ১লাখ টকাৰে বেজবৰুৱা ভৱনৰ দ্বিতীয় মহলাৰ কাম কৰা হয়। নগাঁও আইন মহাবিদ্যালয়ত চলি থকা বিজ্ঞান শাখাৰ শ্ৰেণীসমূহ মহাবিদ্যালয়ৰ নিজা চৌহদলৈ স্থানান্তৰ কৰা হয়। অধ্যাপকৰ জিৰণি কোঠা উন্নত কৰা হয়। দৰাচলতে পূৰ্ববৰ্তী (১৯৮২-৮৩) এক বিশেষ কাৰণত বিশ্ববিদ্যালয় অনুদান আয়োগে আৰ্থিক অনুদান আগ নবঢ়োৱাত ড° বৰ্মনৰ কাৰ্যকালত মহাবিদ্যালয়ৰ আৱয়বিক ক্ষেত্ৰত বিশেষ অগ্ৰগতি নহ'ল।

ড° নাৰায়ণ চন্দ্ৰ বৰ্মনে অধ্যক্ষ হিচাপে ৩১-৮-১৯৯৪ তাৰিখে অৱসৰগ্ৰহণ কৰে।

## অধ্যক্ষ নৰেন্দ্ৰ নাথ শইকীয়া

অধ্যক্ষ ড° নাৰায়ণ চন্দ্ৰ বৰ্মনৰ অৱসৰ গ্ৰহণৰ পাছত শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ (২-৮-১৯৯৩—৩১-৮-১৯৯৪) শ্ৰীনৰেন্দ্ৰ নাথ শইকীয়াই ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে (১-৯-১৯৯৪—৩১-১২-১৯৯৬) কাৰ্যনিৰ্বাহ কৰে।

গোলাঘাট জিলাৰ মলাই কুমাৰ গাঁৱত (ডাক- বৰুৱা বামুণ গাঁও) ৩১-১০-১৯৩৬ তাৰিখে নৰেন্দ্ৰ নাথ শইকীয়াৰ জন্ম হয়। তেখেতৰ পিতৃ প্ৰয়াত পোৱাল চন্দ্ৰ শইকীয়া আৰু মাতৃ প্ৰয়াত আইকণ শইকীয়া।

নৰেন্দ্ৰ নাথ শইকীয়াদেৱে দেৰগাঁও হাইস্কুলৰপৰা ১৯৫৫ চনত মেট্ৰিকুলেশ্যন; গোলাঘাটৰ ডি.আৰ মহাবিদ্যালয়ৰপৰা ১৯৫৭ চনত আই.এ; কটন কলেজৰপৰা ১৯৫৯ চনত বি.এ (শিক্ষা বিষয়ত অনাৰ্চসহ) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬২ চনত শিক্ষা বিষয়ত এম.এ. পৰীক্ষাত সুকলমে উত্তীৰ্ণ হয়।

শইকীয়াদেৱে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ৬-৮-১৯৬২ তাৰিখে শিক্ষা বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। অধ্যাপনা আৰু প্ৰশাসনৰ উপৰি তেখেতে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N.C.C) ৰ প্ৰশিক্ষণপ্ৰাপ্ত বিষয়া হিচাপে সেৱা আগবঢ়ায়। (১৯৬৩-১৯৮১) । তেখেতৰ অধ্যক্ষতাৰ প্ৰায় দুবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়খনে আৱয়বিক ক্ষেত্ৰত ভালেখিনি অগ্ৰগতি লাভ কৰে।

মহাবিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱন আৰু জনজাতীয় জিৰণি চ'ৰাৰ মাজৰ ৯ কঠা মাটি নগাঁও পৌৰসভাৰ কৰ্তৃত্বত আছিল। দীৰ্ঘকালীন প্ৰচেষ্টাৰ ফলস্বৰূপে মাটিখিনি মহাবিদ্যালয়ৰ নামলৈ হস্তান্তৰিত হয়। মহাবিদ্যালয়ৰ দক্ষিণ ফালৰ ৮০ ফুট দেৱাল নিৰ্মাণ কৰা হয়। নৰেন্দ্ৰ নাথ শইকীয়াদেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে ৩১-১২-১৯৯৬ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

## অধ্যক্ষ জিতেন্দ্ৰ নাথ বৰা

ভাৰপ্ৰাপ্ত অধ্যক্ষ নৰেন্দ্ৰ নাথ শইকীয়াই অৱসৰ গ্ৰহণ কৰাৰ পাছত, শিক্ষা-বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীজিতেন্দ্ৰ নাথ বৰাই প্ৰথমছোৱাত ভাৰপ্ৰাপ্ত অধ্যক্ষ (১-১-১৯৯৭—২৪-৭-১৯৯৮) আৰু দ্বিতীয় ছোৱাত অধ্যক্ষ (২৫-৭-১৯৯৮— ৩১-১০-১৯৯৮) হিচাপে কাৰ্যনিৰ্বাহ কৰে।

নগাঁৱৰ চাপৰমুখত ১-১১-১৯৩৪ তাৰিখে জিতেন্দ্ৰ নাথ বৰাৰ জন্ম হয়। পিতৃ প্ৰয়াত তাৰানাথ বৰা আৰু মাতৃ প্ৰায়ত শশীপ্ৰভা বৰা।

জিতেন্দ্ৰ নাথ বৰাই ৰহা হাইস্কুলৰপৰা ১৯৫৪ চনত মেট্ৰিকুলেশ্যন; আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰপৰা বি. এ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৬৪ চনত শিক্ষা বিষয়ত এম. এ. পাছ কৰে।

জিতেন্দ্ৰ নাথ বৰাদেৱে ১৪-৪-১৯৬৪ তাৰিখে শিক্ষা বিভাগৰ অধ্যাপক হিচাপে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত যোগদান কৰে। তেখেতৰ অধ্যক্ষতাৰ কালছোৱাত মহাবিদ্যালয়ৰ ভালেখিনি আৱয়বিক উন্নতি ঘটে। বিশেষকৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা আৰ্থিক অনুদান লাভ কৰা বাটটো পুনৰ মুকলি হয়। মহাবিদ্যালয়ৰ উত্তৰ ফালৰ প্ৰায় ৩০০ ফুট দেৱাল নিৰ্মাণ কৰা হয়। জিতেন্দ্ৰ নাথ বৰাদেৱে ৩১-১০-১৯৯৮ তাৰিখে অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে।

## অধ্যক্ষ ৰবীন্দ্ৰ চন্দ্ৰ বৰা

অধ্যক্ষ জিতেন্দ্ৰ নাথ বৰাই অৱসৰ গ্ৰহণ কৰাৰ পাছত, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীৰবীন্দ্ৰ চন্দ্ৰ বৰাই ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে (১-১১-১৯৯৮—৩১-৩-১৯৯৯)।

নগাঁও চহৰৰ ফৌজদাৰীপট্টিত ১-৪-১৯৩৯ তাৰিখে ৰবীন্দ্ৰ চন্দ্ৰ বৰাৰ জন্ম হয়। পিতৃ প্ৰয়াত মহীচন্দ্ৰ বৰা আৰু মাতৃ প্ৰয়াত জ্ঞানবালা বৰা।

ৰবীন্দ্ৰ চন্দ্ৰ বৰাই নগাঁও চৰকাৰী বালক বিদ্যালয়ৰপৰা ১৯৫৫ চনত মেট্ৰিকুলেশ্যন; নগাঁও কলেজৰপৰা ১৯৫৭ চনত আই. এ আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰপৰা ১৯৫৯ চনত বি. এ.; ১৯৬১ চনত এম. এ. (ইংৰাজী বিষয়ত) আৰু ১৯৬৩ চনত আইনৰ পৰীক্ষা পাছ কৰে।

ৰবীন্দ্ৰ চন্দ্ৰ বৰাদেৱে নগাঁও মহাবিদ্যালয়ত তিনিবছৰমান ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে কাম কৰাৰ পাছত, ১৬-১২-১৯৬৫ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। ৰবীন্দ্ৰ চন্দ্ৰ বৰাদেৱে বহুবছৰ ধৰি ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব সুকলমে পালন কৰাৰ উপৰি অসমীয়া আৰু ইংৰাজী সাহিত্যৰ জগতখনৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। অসমৰ বিভিন্ন কাকত-আলোচনীত তেখেতৰ প্ৰবন্ধ-পাতি প্ৰকাশ পাই আহিছে। অৱসৰ গ্ৰহণৰ পাছতো তেখেতৰ সাহিত্য-চৰ্চা অব্যাহত আছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থবোৰ হ'ল—

১) সাহিত্য-সমীক্ষা— প্ৰবন্ধ সংকলন।

২) মহীচন্দ্ৰ বৰা ঃ ব্যক্তি আৰু প্ৰতিভা— জীৱনী গ্ৰন্থ, সম্পাদিত।

৩) শুভ-যাত্ৰা/Bon Boyage– দ্বিভাষিক কবিতা-সংকলন

৪) Selected Reviews

বৰাদেৱৰ 'সাহিত্য অৱলোকন' নামৰ প্ৰবন্ধ-সংকলন এখন অলপতে প্ৰকাশ পাব।

ৰবীন্দ্ৰ চন্দ্ৰ বৰাই অধ্যক্ষতাৰ পাঁচ-মহীয়া চুটি কালছোৱাত মহাবিদ্যালয়ৰ বিদ্যায়তনিক প্ৰশাসনিক দিশত বাদে, আৱয়বিক দিশৰ বিকাশ ঘটাবলৈ অৱসৰ নেপালে। তেখেতে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে ৩১-৩-১৯৯৯ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

## অধ্যক্ষ ড° ৰামচন্দ্ৰ ডেকা

ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰবীন্দ্ৰ চন্দ্ৰ বৰাৰ অৱসৰ গ্ৰহণৰ পাছত, গুৱাহাটীৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীৰামচন্দ্ৰ ডেকাই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰেহি (১-৪-১৯৯৯—৩০-১১-২০০০)।

নগাঁও জিলাৰ কলিয়াবৰৰ দাড়িগজী নামৰ ঠাইত ১৯৪৬ চনত ৰামচন্দ্ৰ ডেকাৰ জন্ম হয়। পিছত নগাঁৱৰ দক্ষিণপাটত ডাণ্ডৰ-দীঘল হয়। পিতৃ প্ৰয়াত মণিৰাম ডেকা আৰু মাতৃ প্ৰয়াত নুমলী (কাকতি) ডেকা।

ৰামচন্দ্ৰ ডেকাই দক্ষিণপাট হাইস্কুলৰপৰা ১৯৬২ চনত মেট্ৰিকুশ্যেচন; নগাঁও কলেজৰ পৰা ১৯৬৬ চনত বি. এচ. চি; গুৱাহাটী বিশ্ববিদ্যালয়পৰা ১৯৬৮ চনত গণিত বিষয়ত এম. এছ্. চি পাছ্ কৰে। ১৯৮৪-৮৫ বৰ্ষত তেখেতে এম. ফিল, আৰু ২০০৭ চনত ভাৰতীয় গণিত চৰ্চাৰ ইতিহাস বিষয়ত ডক্টৰেট উপাধি লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই।

ৰামচন্দ্ৰ ডেকাই অধ্যাপনাৰ উপৰি গণিত-বিষয়ক বিভিন্ন গ্ৰন্থ স্কুল-কলেজৰ শিক্ষাৰ্থীৰ বাবে লেখি উলিয়াইছে। গৱেষণা ভিত্তিক গ্ৰন্থও ৰচনা কৰিছে। বিভিন্ন গ্ৰন্থৰ অনুবাদো প্ৰকাশ কৰিছে। বৰ্তমানে সাপ্তাহিক অসমীয়া কাকত 'আলোক'ৰ সম্পাদনা-প্ৰকাশনৰ দায়িত্বত আছে। ৰাচমন্দ্ৰ ডেকাদেৱৰ অধ্যক্ষতাৰ কালছোৱাত মহাবিদ্যালয়ৰ পুঁজিত ভালেখিনি ধন বিভিন্ন উৎসৰপৰা গোট খাইছিল যদিও, আৱয়বিক বিকাশত হাত দিবলৈ তেখেতে সময় নেপালে।

অধ্যক্ষ ৰামচন্দ্ৰ ডেকাদেৱে ৩০-১১-২০০০ তাৰিখে অধ্যক্ষ পদ ইস্তফা দি পুনৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ত যোগদান কৰেগৈ।

## অধ্যক্ষ সহজানন্দ ওজা

অধ্যক্ষ ৰামচন্দ্ৰ ডেকাই অধ্যক্ষ পদ ইস্তফা দি যোৱাৰ পাছত ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীসহজানন্দ ওজাই ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে। (১-১২-২০০০—৩০-১১-২০০২)।

নগাঁও চহৰত ১-১২-১৯৪২ তাৰিখে সহজানন্দ ওজাৰ জন্ম হয়। পিতৃ প্ৰয়াত পৰমানন্দ ওজা আৰু মাতৃ প্ৰয়াত অম্বিকা ওজা।

সহজানন্দ ওজাই নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰপৰা ১৯৫৭ চনত মেট্ৰিকুলেশ্যন; নগাঁও কলেজৰপৰা ১৯৬১ চনত বি. এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৬৪ চনত ৰাজনীতি বিজ্ঞান বিষয়ত এম. এ. পাছ কৰে।

সহজানন্দ ওজাদেৱে ১৪-৭-১৯৬৫ তাৰিখে ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপকৰূপে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত যোগদান কৰে। তেখেতৰ অধ্যক্ষতাৰ কালছোৱাত মহাবিদ্যালয়ৰ বহুখিনি আৱয়বিক উন্নতি ঘটে।

১) মহাবিদ্যালয়ৰ উত্তৰ ফালৰ সীমা নিৰ্ধাৰণ কৰি দেৱাল দিয়া হয়। হৰিজন কলনিৰ দেৱাল নিৰ্মাণ কৰি চাইকেল ষ্টেণ্ড সজা হয়, জনজাতি জিৰণি চ'ৰাৰ ফালৰ দেৱাল ওখ কৰি লগত চাইকেল ষ্টেণ্ড সজা হয়।

২) মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ ভূমি-মহলা নিৰ্মাণ কৰা হয়।

৩) মহাবিদ্যালয়ৰ প্ৰৱেশ-পথ পুব ফালৰপৰা পশ্চিমফাললৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত লোৱা হয়।

দেশ আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ ওজাদেৱে অৰিহণা যোগাইছে। মহাবিদ্যালয়ৰ ক্ৰীড়াৰ ক্ষেত্ৰত তেখেতৰ অৱদান প্ৰচুৰ। অসম ক্ৰিকেট সংস্থাৰ সম্পাদক হিচাপে ১৯৭৯ চনৰ পৰা ১৯৮৬ চনলৈকে দায়িত্বত থাকোঁতে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ বিভিন্ন উপ-সমিতিৰ সদস্য হিচাপে তেখেতে কাৰ্যনিৰ্বাহ কৰে। ১৯৮২ চনত সুনীল গাভাস্কাৰৰ নেতৃত্বত পাকিস্তানলৈ যোৱা ভাৰতীয় ক্ৰিকেট দলৰ সহকাৰী মেনেজাৰ আৰু ১৯৮৭ চনত ভাৰতত অনুষ্ঠিত Reliance World Cupৰ সাংগঠনিক কমিটিৰ সদস্যৰূপে তেখেতে সেৱা আগবঢ়ায়। ওজাদেৱে শ্ৰেষ্ঠ ক্ৰীড়া সংগঠক হিচাপে ফখৰুদ্দিন আলি আহমেদ বঁটা (১৯৮৮) আৰু দশম বাৰ্ষিক অভিৰুচি ক্ৰীড়া দিৱসত মানপত্ৰ লাভ কৰে (৩-৯-১৯৯৩)। অসম চৰকাৰৰ ক্ৰীড়া পেন্সনো তেখেতে লাভ কৰিছে।

সাংবাদিক হিচাপে সহজানন্দ ওজাই বিভিন্ন কাকতৰ সংবাদ দাতা, নগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি, সদৌ অসম মফচলীয় সাংবাদিক সংস্থাৰ সভাপতি হিচাপে

সেৱা আগবঢ়াইছে। নতুন দৈনিক কাকতপৰা শ্ৰেষ্ঠ সাংবাদিক বঁটা লাভ কৰিছে। নগাঁৱৰপৰা প্ৰকাশিত 'আমাৰ নগাঁৱ'ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে প্ৰথম বছৰ কাৰ্যনিৰ্বাহ কৰে। ওজাদেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে ৩০-১১-২০০২ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

## অধ্যক্ষ নগেন্দ্ৰ চন্দ্ৰ নাথ

ভাৰপ্ৰাপ্ত অধ্যক্ষ সহজানন্দ ওজাই অৱসৰ গ্ৰহণ কৰাৰ পাছত, ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ (১-৫-২০০১—৩১-১১-২০০২) শ্ৰীনগেন্দ্ৰ চন্দ্ৰ নাথে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে (১-১২-২০০২—৩০-১১-২০০৪)।

নলবাৰী জিলাৰ ককয়াত ২১-২-১৯৪৫ তাৰিখে নগেন্দ্ৰ চন্দ্ৰ নাথৰ জন্ম হয়। পিতৃ প্ৰয়াত ভাঠিৰাম নাথ আৰু মাতৃ প্ৰয়াত ৰামেশ্বৰী দেৱী।

নগেন্দ্ৰ চন্দ্ৰ নাথে ককয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰপৰা পৰা ১৯৬০ চনত মেট্ৰিকুলেশ্যন; কটন কলেজৰপৰা ১৯৬২ চনত আই. এছ্-চি আৰু ১৯৬৪ চনত বি. এছ্-চি (ভূগোল বিষয়ত সন্মানসহ) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৬৬ চনত ভূগোল বিষয়ত এম. এছ্. চি পাছ কৰে।

নগেন্দ্ৰ চন্দ্ৰ নাথদেৱে ৭-৮-১৯৬৭ তাৰিখে ভূগোল বিভাগৰ অধ্যাপকৰূপে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত যোগদান কৰে। তেখেতৰ অধ্যক্ষতাৰ কালছোৱাত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ (NAAC)পৰা পঠোৱা Peer Team-এ ২০০৪ চনৰ ২৬ আৰু ২৭ অক্টোবৰত আমাৰ মহাবিদ্যালয় পৰিদৰ্শন কৰে। সেয়ে মহাবিদ্যালয়ৰ আৱয়বিক, বিদ্যায়তনিক, সমাজ-সম্পৰ্কীয় দিশকে ধৰি বিভিন্ন দিশত ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হয়। প্ৰেক্ষাগৃহ তথা চেমিনাৰ হলৰ নিৰ্মাণৰ শুভাৰম্ভ কৰা হয়। প্ৰাক্তন ছাত্ৰ সংস্থাৰ (Alumni Association) উদ্যোগত মহাবিদ্যালয়ৰ মুখ্য প্ৰৱেশদ্বাৰত তোৰণ নিৰ্মাণ কৰা হয়। বুনিয়াদ আঁচনিৰ ১০লাখ টকাৰ অনুদান লাভ কৰি প্ৰশাসনিক ভৱনৰ নিৰ্মাণ আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ উন্নয়ন পুঁজিৰ ১ লাখ টকাৰে নিৰ্মিত 'বাস্কেট বল ফিল্ড' মুকলি কৰা হয়। পুথিভঁৰালত ফটোষ্টেট মেচিনৰ আৰু ছাত্ৰ-ছাত্ৰীৰ বৰঙণিৰ ধনেৰে খোৱা-পানীৰ ব্যৱস্থা কৰা হয়। গ্ৰন্থসমূহ কম্পিউটাৰযোগে তালিকাভুক্ত কৰা হয়। চি-ডেক কম্পিউটাৰ পাঠ্যক্ৰম মুকলি কৰা হয়।

নগেন্দ্ৰ চন্দ্ৰ নাথদেৱে ২১-২-২০০৫ তাৰিখে বিভাগীয় মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰে।

## অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ

ভাৰপ্ৰাপ্ত অধ্যক্ষ নগেন্দ্ৰচন্দ্ৰ নাথৰ কাৰ্যকালৰ পাছত মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ড° ছৰিফ উদ্দিন আহমেদে ১-১২-২০০৪ তাৰিখে অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

মৰিগাঁও (অবিভক্ত নগাঁও) জিলাৰ চৰাইবাহী মৌজাৰ অন্তৰ্গত পটুৱাকটা গাঁৱত ২৮-৮-১৯৫৭ চনত ছৰিফ উদ্দিন আহমেদৰ জন্ম হয়। পিতৃ প্ৰয়াত আলহাজ শ্বেখ জেহিৰ উদ্দিন আহমেদ আৰু মাতৃ প্ৰয়াত বগী বেগম।

ছৰিফ উদ্দিন আহমেদে কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৭৩ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা; কটন কলেজৰপৰা ১৯৭৬ চনত প্ৰাক্ বিশ্ববিদ্যালয় (বিজ্ঞান); বজালী কলেজৰপৰা ১৯৭৮ চনত বি. এছ্-চি (অনাৰ্চসহ) আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰপৰা ১৯৮০ চনত উদ্ভিদ বিজ্ঞান বিষয়ত এম. এছ্-চি পাছ কৰে।

তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ২০০১ চনত জৈৱ প্ৰযুক্তি বিজ্ঞান বিষয়ত ডক্টৰেট উপাধি লাভ কৰে।

ড° আহমেদ অধ্যাপনাৰ উপৰি মহাবিদ্যালয়ৰ ক্ৰীড়া ক্ষেত্ৰৰ লগত জড়িত হৈ আছিল। লগতে বিজ্ঞানৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰতো তেখেতে অৰিহণা যোগাইছিল। তেখেতৰ অধ্যক্ষতাৰ মহাবিদ্যালয়ৰ পূৰ্বৰ আৱয়বিক ৰূপ সলনি কৰি তেখেতৰ কাৰ্যকালতে কেবাটাও নতুন ভৱন নিৰ্মাণ আৰু পুনৰ্নিৰ্মাণ হ'ল পৰিকল্পিত বৃক্ষৰোপণেৰে মহাবিদ্যালয়ৰ পাৰিপাৰ্শ্বিক চেহেৰা সলনি হৈ পৰিল। এই সময়ত নিৰ্মিত কেইটামান প্ৰধান ভৱন হ'ল— পুথিভঁৰাল ভৱনৰ সংবিধান, ক্ৰীড়াভৱন, ব্যায়ামগাৰ, বহুমুখী ক্ৰীড়াভৱন, কাৰ্যালয় ভৱন, ছাত্ৰী নিবাসৰ ওপৰৰ দুই মহলাৰ সংযোজন ইত্যাদি। বিগত কালছোৱাত মহাবিদ্যালয়ৰ আৱয়বিক ক্ষেত্ৰত এক অভূতপূৰ্ব অগ্ৰগতি ঘটিছে। তদুপৰি বিদ্যায়তনিক ক্ষেত্ৰতো একাধিক বৃত্তিমূলক বিষয় প্ৰৱৰ্তন কৰা হৈছে।

মহাবিদ্যালয়ৰ আৱয়বিক ক্ষেত্ৰত উল্লেখযোগ্য হ'ল— প্ৰশাসনিক ভৱনৰ ওপৰ তলা, পুথিভঁৰালৰ প্ৰথম মহলা (অধ্যয়ন কক্ষ), সভাকক্ষ, দুটা ছাত্ৰী-নিবাস, উদ্ভিদ বিজ্ঞান বিভাগ আৰু তাৰ ওপৰতলা, অৰ্কিড-হাউছ, ছাত্ৰসকলৰ প্ৰস্ৰাৱাগাৰ আদি নিৰ্মাণ, ছাত্ৰ-ছাত্ৰীসকলৰ বিশুদ্ধ খোৱাপানীৰ বাবে একুৱাগাৰ্ডৰ ব্যৱস্থা আৰু বিশেষভাৱে 'সোণালী জয়ন্তী ভৱন' নিৰ্মাণ ।

বিদ্যায়তনিক ক্ষেত্ৰত উল্লেখযোগ্য হ'ল— বি. চি. এ. আৰু পি. জি. ডি. চি এ., ফেশ্বন ডিজাইনিং, স্নাতকোত্তৰ হাৰবেল চাইঞ্চ বিভাগ, IDOLৰ অধীনত স্নাতক,

স্নাতকোত্তৰ পাঠ্যক্ৰম, টি প্লেনটেশ্বন এণ্ড মেনেজমেণ্ট পাঠ্যক্ৰম, কমিউনিটি কলেজ, বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিভিন্ন চাৰ্টিফিকেট পাঠ্যক্ৰম, অনুসূচিত জাতি-জনজাতি আৰু সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰাময় পাঠ্যক্ৰম, সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ নিযুক্তি সহায়ক পাঠ্যক্ৰম, গান্ধীজীৰ মতাদৰ্শ আৰু মানৱাধিকাৰ সম্পৰ্কে মহাবিদ্যালয়ৰ গান্ধী অধ্যয়ন কেন্দ্ৰ, বিবেকানন্দ কেন্দ্ৰ, আম্বেদকাৰ অধ্যয়ন কেন্দ্ৰ নাৰী অধ্যয়ন কেন্দ্ৰ আদি মূল্যবান সংযোজন।

এইবোৰৰ উপৰি মহাবিদ্যালয়ৰ অগ্ৰগতিৰ বাবে বহু কৰ্ম-আঁচনি কৰ্তৃপক্ষৰ হাতত আছে।

যুগুতালে কৈলাস চন্দ্ৰ দাসে

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ উপাধ্যক্ষসকল

**পূৰ্বসূচনা ঃ** আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ আৰম্ভণিৰপৰা একাদিক্ৰমে সেৱা আগবঢ়োৱা উপাধ্যক্ষসকল হ'ল ক্ৰমে — নাৰায়ণ চন্দ্ৰ বৰ্মন, পুষ্পকান্ত বৰা, ড° মলয় কুমাৰ ৰয়, নৰেন্দ্ৰনাথ শইকীয়া, জিতেন্দ্ৰনাথ বৰা, ৰবীন্দ্ৰচন্দ্ৰ বৰা, ভৱকান্ত শৰ্মা, সহজানন্দ ওজা, নগেন্দ্ৰচন্দ্ৰ নাথ, কুশৰাম শইকীয়া, নিত্যানন্দ বৰা, পদ্মকান্ত শৰ্মা, হবিবুৰ ৰহমান, খগেন্দ্ৰ মহেলা, দেৱজিত কুমাৰ শৰ্মা, দেৱপ্ৰসাদ হাজৰিকা আৰু মীনা চৌধুৰী।

এই সকলৰ ভিতৰত নাৰায়ণ চন্দ্ৰ বৰ্মন, নৰেন্দ্ৰনাথ শইকীয়া, জিতেন্দ্ৰনাথ বৰা, ৰবীন্দ্ৰ চন্দ্ৰ বৰা, সহজানন্দ ওজা আৰু নগেন্দ্ৰ চন্দ্ৰ নাথে পিছলৈ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ বাবে তেখেতসকলৰ পৰিচয় প্ৰস্তুত গ্ৰন্থৰ 'আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষসকল' শীৰ্ষক প্ৰবন্ধত দিয়া হৈছে।

## উপাধ্যক্ষ পুষ্পকান্ত বৰা ঃ

নগাঁও চহৰৰ ফৌজদাৰীপট্টিত ৩০-০৬-১৯৩৫ তাৰিখে পুষ্পকান্ত বৰাৰ জন্ম হয়। তেখেতৰ পিতৃ বিমলা বৰা আৰু মাতৃ সৰোজনী বৰা।

পুষ্পকান্ত বৰাই নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৫৩ চনত মেট্ৰিকুলেশ্যন, নগাঁও মহাবিদ্যালয়ৰ পৰা ক্ৰমে ১৯৫৫ চনত আই. এচচি.; ১৯৫৮ চনত ৰাজনীতি বিজ্ঞান বিভাগত অনাৰ্চ সহ বি. এ. আৰু ১৯৬০ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ৰাজনীতি বিজ্ঞান বিভাগত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থানত এম. এ. পৰীক্ষাত (বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম হৈ) উত্তীৰ্ণ হয়। তদুপৰি তেখেতে ১৯৬৩ চনত গুৱাহাটী

বিশ্ববিদ্যালয়ৰপৰা এল. এল. বি. পৰীক্ষাও পাছ্ কৰে (আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত)।

**কৰ্মজীৱন ঃ** পুষ্পকান্ত বৰাদেৱে ১৭-০৭-১৯৬১ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰথমজন পূৰ্ণকালীন অধ্যাপক তথা প্ৰতিষ্ঠাপক মুৰব্বী হিচাপে যোগদান কৰে।

ড° নাৰায়ণ চন্দ্ৰ বৰ্মনদেৱৰ অধ্যক্ষৰ কাৰ্যকালৰ আৰম্ভণি ছোৱাত পুষ্পকান্ত বৰাদেৱে মহাবিদ্যালয়খনিৰ দ্বিতীয়জন উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ্ কৰে ০৭-০৫-১৯৮৫ তাৰিখৰপৰা কিছুদিনৰ বাবে। তেখেতে একান্ত ব্যক্তিগত কাৰণত উপাধ্যক্ষপদৰপৰা অব্যাহতি লৈ সহকৰ্মী অধ্যাপকত্ৰয় ক্ৰমে শশীকান্ত বৰা, সহজানন্দ ওজা আৰু প্ৰীতম সিংদেৱৰ সমূহীয়া প্ৰচেষ্টাৰে ৰাজনীতি বিজ্ঞান বিভাগটোক পূৰ্ণাংগ ৰূপত গঢ় দি তোলাৰ লগতে সুদীৰ্ঘকাল কৃতিত্বৰে সেৱা আগবঢ়াই ৩০-০৭-১৯৯৬ তাৰিখে অৱসৰগ্ৰহণ কৰে।

**মহাবিদ্যালয়ৰ সামাজিক ক্ষেত্ৰত অৰিহণা ঃ** পুষ্পকান্ত বৰাদেৱে বিদ্যায়তনিক দিশৰ উপৰি প্ৰশাসনিক আৰু সাৰ্বিক উন্নয়ন প্ৰক্ৰিয়াত মহাবিদ্যালয় কৰ্তৃপক্ষক সক্ৰিয় সহযোগিতা আগবঢ়াই যোৱাৰ লগতে ক্ৰীড়া, তৰ্ক আৰু আলোচনাচক্ৰ, ব্যংগ সদন, সাংস্কৃতিক আৰু সাহিত্যকলা আদি দিশতো সদা জড়িত আছিল। তদুপৰি মহাবিদ্যালয় পৰিয়ালৰ প্ৰীতি-ভোজ, ভ্ৰমণ আৰু অৱসৰ বিনোদন কাৰ্যসূচী সমূহতো তেখেত আগৰণুৱা আছিল।

সদা ৰসিক, সু-সংগঠক, বাগ্মী আৰু সৰবৰহী ব্যক্তিৰূপে সমাদৃত পুষ্পকান্ত বৰাদেৱে ১২-১০-২০০৩ তাৰিখে ইহলীলা সম্বৰণ কৰে।

## উপাধ্যক্ষ ড° মলয় কুমাৰ ৰয় ঃ

ড° নাৰায়ণ চন্দ্ৰ বৰ্মনৰ অধ্যক্ষৰ কাৰ্যকালৰ শেষৰ ছোৱাত ড° মলয় কুমাৰ ৰয়ে মহাবিদ্যালয়ৰ তৃতীয়জন উপাধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰে— ১৯৯০ৰপৰা ১৯৯৪ চনলৈ।

২৯-০৭-১৯৩৭ তাৰিখে কলকাতাত মলয় কুমাৰ ৰয়ৰ জন্ম হয়। তেখেতৰ পিতৃ সুবোধ ৰঞ্জন ৰয় আৰু মাতৃ জ্যোতিৰ্ময়ী ৰয়।

ড° মলয় কুমাৰ ৰয়ে ঢাকা মাধমিক শিক্ষা পৰিষদৰ অধীনত ১৯৫৩ চনত মেট্ৰিকুলেশ্যন, ৰাজশ্বাহী বিশ্ববিদ্যালয়ৰ অধীনত ১৯৫৬ চনত আই. এ., কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত বাংলা ভাষা আৰু সাহিত্যত ক্ৰমে ১৯৫৮ চনত বি. এ. অনাৰ্চ আৰু ১৯৬১ চনত এম. এ. পৰীক্ষা পাছ্ কৰে।

ড° মলয় কুমাৰ ৰয়ে ০১-০৭-১৯৬২ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বাংলা বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক পদত যোগদান কৰে। তেখেতে মহাবিদ্যালয়খনিত কৰ্মৰত অৱস্থাত ১৯৮১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা 'A Study of the Socio-Cultural Aspects of the Eastern Versions of the Ramayana' বিষয়ত ডক্টৰেট উপাধি লাভ কৰে।

ড° মলয় কুমাৰ ৰয়ে অধ্যাপনাৰ সমান্তৰালকৈ মহাবিদ্যালয়ৰ সামাজিক ক্ষেত্ৰলৈ প্ৰভূত অৰিহণা যোগায়। তেখেতে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা (NSS) গোটৰ প্ৰথমজন যোজনা বিষয়া (১৯৭০ৰপৰা ১৯৯০লৈ) আৰু ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক শিক্ষা যোজনা গোটৰ যোজনা সমন্বয়ক ৰূপে (১৯৮০ৰ পৰা ১৯৯০ লৈকে) সেৱা আগবঢ়ায়।

ড° মলয় কুমাৰ ৰয়ে অসমীয়া, বাংলা আৰু ইংৰাজী সাহিত্য-চৰ্চাৰ লগতে লোক নৃত্যকলাৰ সাধনাও চলাই গৈছে। তেখেতৰ মৌলিক সৃষ্টিৰাজিৰ মাজৰ দুখন গ্ৰন্থৰ লেখ প্ৰণিধানযোগ্য—

১) বাঙ্গালীৰ বেশ-বাস (বাঙ্গালী সম্প্ৰদায়ৰ চিলোৱা পোছাক-পৰিচ্ছদৰ আৰ্হি আৰু ধৰণ-কৰণ— বিৱৰ্তনৰ মাজেৰে উত্তৰণৰ এক খতিয়ান) প্ৰকাশ, জানুৱাৰী, ২০১৩, কলকাতা।

২) জানাৰ মাঝে অজানা— ৰবীন্দ্ৰনাথৰ বিষয়ে এলানি ৰচনা সংকলন শেহতীয়াকৈ কলকাতাৰ পৰা প্ৰকাশ পায়।

ড° মলয় কুমাৰ ৰয়ে তেখেতৰ সৃষ্টিশীল কৰ্মৰাজিৰ স্বীকৃতি স্বৰূপে বিগত সময়ছোৱাত কলা সংগম, কলংপৰীয়া আলোচনাচক্ৰ, নগাঁও; নগাঁও লেখিকা সমাৰোহ, ৰূপৰঙ্গ, সাহিত্য কানন স্মাৰক সন্মান, কলকাতা আৰু নগাঁও বেঙ্গলী এচ'চিয়েশ্বন প্ৰভৃতি সংঘ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰপৰা আনুষ্ঠানিক সম্বৰ্ধনা লাভ কৰে।

ড° মলয় কুমাৰ ৰয়দেৱে এক বৰ্ণিল কৰ্মময় জীৱনৰ অন্তত ৩১-০৭-১৯৯৭ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

**উপাধ্যক্ষ ভৱকান্ত শৰ্মা ঃ**

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ তদানীন্তন মুৰব্বী অধ্যাপক ভৱকান্ত শৰ্মাই ০৮-০২-১৯৯৯ ৰপৰা ২৮-০২-২০০২ লৈকে উপাধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰে।

নগাঁৱৰ মাজপাথৰি গাঁৱত ০১-০৪-১৯৪০ তাৰিখে ভৱকান্ত শৰ্মাৰ জন্ম হয়।

তেখেতৰ পিতৃ শুভকান্ত শৰ্মা আৰু মাতৃ কনকা দেৱী।

ভৱকান্ত শৰ্মাই ডচন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৫৭ চনত মেট্ৰিকুলেশ্যন, নগাঁও মহাবিদ্যালয়ৰপৰা ক্ৰমে ১৯৫৯ চনত আই. এ., ১৯৬২ চনত বি. এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৬৬ চনত এম. এ. পৰীক্ষাত সংস্কৃত বিষয়ত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থানত (বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম হৈ) উত্তীৰ্ণ হয়।

ভৱকান্ত শৰ্মাই ০৮-১০-১৯৬৯ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ দ্বিতীয়জন প্ৰৱক্তাৰূপে যোগদান কৰে। বিভাগটোৰ প্ৰতিষ্ঠাপক মুৰব্বী শৰদ্ মাধৱ কুম্ৰেৰ অৱসৰ গ্ৰহণৰ পাছত ভৱকান্ত শৰ্মাই বিভাগীয় প্ৰধানৰূপে কাৰ্যনিৰ্বাহ কৰে (০১-০৪-১৯৯৫ৰপৰা ২৮-০২-২০০২) লৈকে)।

ভৱকান্ত শৰ্মা বৃহত্তৰ সমাজ জীৱনৰো এজন সক্ৰিয় কৰ্মী। ছাত্ৰাৱস্থাত গাঁৱত 'লাচিত পুথিভঁৰাল', 'পাথৰি শিল্পী সমাজ' আৰু 'পাথৰি ব্ৰাহ্মণ সমাজ' স্থাপন কৰি সেই অনুষ্ঠানসমূহৰ ক্ৰমে সম্পাদক অথবা সভাপতি পদত থাকি সমাজ সেৱা কৰাৰ উপৰি ১৯৬৪-৬৫ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহকত সংস্কৃত বিভাগৰ নিৰ্বাচিত প্ৰতিনিধি হিচাপে কাম কৰি সাংগঠনিক অভিজ্ঞতা সঞ্চয় কৰে। শেহতীয়াকৈ ১৯৯০ চনৰপৰা 'নতুন সাহিত্য পৰিষদ', নগাঁও শাখাৰ সভাপতি হিচাপে বহু বছৰ কাৰ্যনিৰ্বাহ কৰে।

২৮-০২-২০০২ তাৰিখে ভৱকান্ত শৰ্মাদেৱে কৰ্মজীৱনৰপৰা অৱসৰ গ্ৰহণ কৰে।

### উপাধ্যক্ষ কুশৰাম শইকীয়া ঃ

নগেন্দ্ৰ চন্দ্ৰ নাথ ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈ থকা কালছোৱাত ভূগোল বিভাগৰ সহযোগী অধ্যাপক কুশৰাম শইকীয়াই ০১-১২-২০০২ তাৰিখৰ পৰা কিছুদিন উপাধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰে।

নগাঁও চহৰৰ সমীপৱৰ্তী ডিফলু গাঁৱত ০১-০৩-১৯৪৪ তাৰিখে তেখেতে জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ বোপাই শইকীয়া আৰু মাতৃ লেচেং শইকীয়া। কুশৰাম শইকীয়াই নগাঁও চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৬৪চনত একাদশ বৰ্ষৰ শেষান্ত পৰীক্ষা, নগাঁও মহাবিদ্যালয়ৰপৰা ১৯৬৭ বি. এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৬৯ চনত ভূগোল বিষয়ত এম. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। কুশৰাম শইকীয়াই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ভূগোল বিভাগত তদৰ্থ ভিত্তিত নিযুক্তি লাভৰ (২১-১১-১৯৬৯ৰপৰা ১২-৭-১৯৭০লৈ) অন্তত, ১৩-০৭-১৯৭০ তাৰিখে বিভাগটোৰ তৃতীয়জন অধ্যাপকৰূপে নিয়মীয়া

নিযুক্তি লাভ কৰে। শইকীয়াদেৱে এজন উৎসর্গিত শিক্ষকৰূপে ছাত্র-ছাত্রীক পাঠদান কৰিছিল। তেখেতে ভূগোল বিভাগৰ নৈমিত্তিক ভ্ৰমণ কার্যসূচী (Excursion)ৰ সবল নেতৃত্ব প্রদান কৰাৰ লগতে ছাত্র একতা সভাৰ সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়কৰ দায়িত্ব পালন কৰিছিল।

স্মৰ্তব্য, কুশৰাম শইকীয়াই মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোট (NSS)ৰ দ্বিতীয়জন যোজনা বিষয়া পদত ১৯৯০ ৰপৰা ১৯৯৪ লৈ দক্ষতাৰে কার্যনির্বাহ কৰে।

কুশৰাম শইকীয়া বৃহত্তম সমাজ জীৱনৰো এজন সক্রিয় কর্মী। তেখেত অসম সাহিত্য সভাৰ আজীৱন সদস্য। শইকীয়াদেৱে উত্তৰ-পূব ভাৰতৰ সর্ববৃহৎ ধর্ম-সাংস্কৃতিক সংগঠন শ্ৰীমন্ত শংকৰদেৱ সঙঘৰ এজন নিষ্ঠাবান সঙঘী হিচাপে ১৯৭৯ চনৰেপৰা সক্রিয়ভাৱে জড়িত হৈ আহিছে।

তেখেতে সঙঘৰ জিলা শাখাৰ সম্পাদক, কার্যনির্বাহক সদস্য আৰু সঙঘৰ আলোচনী, বার্তালোচনী আদিৰ সম্পাদনা সমিতিৰ সদস্য হিচাপেও সেৱা আগবঢ়াই আহিছে। উল্লেখ্য শইকীয়াদেৱে বৰদোৱা থান পৰিচালনা সমিতিৰ সদস্য হিচাপে একেৰাহে ৬ বছৰ কাল সেৱা আগবঢ়াইছে।

কুশৰাম শইকীয়াদেৱে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহযোগী অধ্যাপক ৰূপে ২৮-০২-২০০৪ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

## উপাধ্যক্ষ নিত্যানন্দ বৰা ঃ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী নিত্যানন্দ বৰাই ০১-০৩-২০০৪ৰ পৰা ২৮-০২-২০০৭ লৈকে মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে কার্যনির্বাহ কৰে।

ধিং আঠগাঁৱত ০১-০৩-১৯৪৮ তাৰিখে নিত্যানন্দ বৰাৰ জন্ম হয়। তেখেতৰ পিতৃ ভদ্রেশ্বৰ বৰা আৰু মাতৃ নীলমাই বৰা।

নিত্যানন্দ বৰাই ধিং কে. বি. উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৬৩ চনত মেট্রিকুলেশ্যন, নগাঁও মহাবিদ্যালয়ৰপৰা ক্রমে ১৯৬৪ চনত প্রাক্-বিশ্ববিদ্যালয়, ১৯৬৭ চনত বি. এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৬৯ চনত বুৰঞ্জী বিষয়ত এম. এ. পৰীক্ষাত উত্তীর্ণ হয়। নিত্যানন্দ বৰাই ০৫-০৭-১৯৭২ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্রবক্তা পদত যোগদান কৰে। তেখেতে ০১-১০-১৯৯৬ৰপৰা ২৮-০২-২০০৭লৈকে বিভাগীয় মুৰব্বী ৰূপে কার্যনির্বাহ কৰে।

নিত্যানন্দ বৰাই ২৮-০২-২০০৭ তাৰিখে মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী আৰু উপাধ্যক্ষৰূপে কর্মজীৱনৰপৰা অৱসৰ গ্ৰহণ কৰে।

## উপাধ্যক্ষ পদ্মকান্ত শৰ্মা ঃ

অধ্যক্ষ ড° ছৰিফউদ্দিন আহমেদৰ কাৰ্যকালত ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক পদ্মকান্ত শৰ্মাই মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰে (০১-০৩-২০০৭ ৰপৰা ০৪-০৯-২০১০) লৈকে।

নগাঁৱৰ মাজপাথৰি গাঁৱত ০৯-০৯-১৯৫০ তাৰিখে পদ্মকান্ত শৰ্মাই জন্মগ্ৰহণ কৰে। তেখেতৰ পিতৃ লুহিৰাম শৰ্মা আৰু মাতৃ কণছোৱালী দেৱী। পদ্মকান্ত শৰ্মাই ডচন উচ্চতৰ মাধ্যামিক বিদ্যালয়ৰপৰা ১৯৬৮ চনত একাদশ শ্ৰেণীৰ শেষান্ত পৰীক্ষা, নগাঁও মহাবিদ্যালয়ৰপৰা ১৯৭১ চনত ডিষ্টিংশ্বন সহ বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৭৬ চনত ইংৰাজী বিষয়ত এম. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। পদ্মকান্ত শৰ্মাই ০১-০৯-১৯৭৭ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰবক্তা পদত যোগদান কৰে। তেখেতে ০১-০৯-২০০৬ ৰপৰা ০৯-০৯-২০১০লৈ বিভাগটোৰ মুৰব্বী অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰে। পদ্মকান্ত শৰ্মাই মহাবিদ্যালয়খনিৰ সৰ্বস্তৰত বহুমুখী সেৱা আগবঢ়ায়। তেখেতে ২০০৪ চনত NAACৰ প্ৰথম Assessment কালত মহাবিদ্যালয়ৰ IQACৰ Chief Co-Orodinator, 'আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়নচক্ৰ'ৰ উদ্যোগত কৰ্তৃপক্ষই প্ৰকাশ কৰি উলিওৱা 'আনন্দৰাম ঢেকিয়াল ফুকন' শীৰ্ষক ব্যতিক্ৰমধৰ্মী নিৰ্বাচিত প্ৰবন্ধৰ পূৰ্ণাঙ্গ গ্ৰন্থৰ সম্পাদক (প্ৰকাশ, ছেপ্টেম্বৰ, ২০০৯), শিক্ষক পৰিষদৰ সম্পাদক, সাহিত্য আৰু আৰু আলোচনী বিভাগ প্ৰমুখ্যে ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ তত্ত্বাৱধায়কৰ দায়িত্বৰ উপৰি উপাধ্যক্ষৰ পদমৰ্যাদাৰে ছাত্ৰ একতা সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যকৰী সভাপতি, ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ সহকাৰী নিৰ্বাচন প্ৰাধিকাৰী বিষয়া আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰ দৰে গুৰুত্বপূৰ্ণ বিষয়বাবসমূহৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰি গৈছে। এইদৰে এক বৰ্ণিল কৰ্মবহুল যাত্ৰাৰ অন্তত পদ্মকান্ত শৰ্মাই ০৯-০৯-২০১০ তাৰিখে কৰ্মজীৱনৰপৰা অৱসৰ গ্ৰহণ কৰে।

## উপাধ্যক্ষ হবিবুৰ ৰহমান ঃ

ড° ছৰিফউদ্দিন আহমেদৰ অধ্যক্ষৰ কাৰ্যকালত আৰবী বিভাগৰ তদানীন্তন মুৰব্বী অধ্যাপক হবিবুৰ ৰহমানে মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰে। (০৪-০৯-২০১০ৰপৰা ৩১-১২-২০১২ লৈকে)

হবিবুৰ ৰহমানে ০১-০১-১৯৫৩ তাৰিখে বৰ্তমানৰ জুৰীয়া থানাৰ অন্তৰ্গত বৰুশগুৰি

গাঁৱত জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ আব্দুল মজিদ আৰু মাতৃ খতিমন নেছা।

হবিবুৰ ৰহমানে জুৰীয়া উচ্চ (বৰ্তমানৰ উচ্চতৰ) মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৭০ চনত হাইস্কুল শিক্ষান্ত, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰপৰা ক্ৰমে ১৯৭১ চনত পি. ইউ.পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত ১৯৭৪ চনত বি. এ. পৰীক্ষাত আৰবী অনাৰ্চত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান (আৰবী বিভাগৰ প্ৰথমজন আৰু সামগ্ৰিকভাৱে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠালগ্নৰেপৰা দ্বিতীয়জন প্ৰথম শ্ৰেণী প্ৰাপকৰ কৃতিত্ব) অৰ্জন কৰি উত্তীৰ্ণ হয়। তেখেতে ১৯৭৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আৰবী বিষয়ত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থানত এম. এ. আৰু ১৯৮৯ চনত এল. এল বি পৰীক্ষাও পাছ কৰে (আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত)।

হবিবুৰ ৰহমানে ০১-১২-১৯৭৭ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ আৰবী বিভাগৰ প্ৰবক্তা পদত যোগদান কৰে। তেখেতে ১৬-০৮-১৯৯২পৰা ৩১-১২-২০১২ লৈকে বিভাগীয় মুৰব্বী পদত কাৰ্যনিৰ্বাহ কৰে।

হবিবুৰ ৰহমানদেৱে ৩১-১২-২০১২ তাৰিখে কৰ্মজীৱনৰপৰা অৱসৰ গ্ৰহণ কৰে।

## উপাধ্যক্ষ খগেন্দ্ৰ মহেলা ঃ

ড° ছৰিফউদ্দিন আহমেদৰ অধ্যক্ষৰ কাৰ্যকালত ভূগোল বিভাগৰ সহযোগী অধ্যাপক খগেন্দ্ৰ মহেলাই মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰে (০১-০১-২০১৩ ৰপৰা ৩১-০৩-২০১৫ লৈকে)।

ধিং ৰাজহচন্দ্ৰৰ চহৰীয়া গাঁৱত ০১-০৩-১৯৫৫ তাৰিখে খগেন্দ্ৰ মহেলাৰ জন্ম হয়। তেখেতৰ পিতৃ বৰ মহেলা আৰু মাতৃ বিহু মহেলা। খগেন্দ্ৰ মহেলাই ধিং কে. বি. উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৭২ চনত একাদশ শ্ৰেণীৰ শেষান্ত পৰীক্ষা, কটন মহাবিদ্যালয়ৰপৰা ভূগোল বিভাগৰ অনাৰ্চ পাঠ্যক্ৰমত ১৯৭৫ চনত বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৭৭ চনত ভূগোল বিভাগত এম. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। খগেন্দ্ৰ মহেলাই ০৩-০২-১৯৭৮ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰবক্তা পদত যোগদান কৰে। তেখেতে ০১-১২-২০০৪ৰপৰা ১১-০৮-২০১৪ লৈ বিভাগটোৰ মুৰব্বীৰূপে কাৰ্যনিৰ্বাহ কৰে। উপাধ্যক্ষ ৰূপে খগেন্দ্ৰ মহেলাই মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য হিচাপেও দায়িত্ব পালন কৰে।

স্মৰ্তব্য, খগেন্দ্ৰ মহেলাই মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC) গোটৰ ক্ৰমে Commission, Lieutenant, Captain আৰু Major পদত ধাৰাবাহিকভাৱে

বহু বছৰ দক্ষতাৰে সেৱা আগবঢ়াই যায়। (১৪-১২-১৯৮১ৰপৰা ২৮-০২-২০১৩লৈকে)।

তেখেতে বিগত বহু বছৰ ধৰি শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সৈতে জড়িত থাকি শেহতীয়াকৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ 'Managing Trusty'ত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি আছে।

খগেন্দ্ৰ মহেলাই ৩১-০৩-২০১৫ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ উপাধ্যক্ষৰূপে কৰ্মজীৱনৰপৰা অৱসৰ গ্ৰহণ কৰে।

## দেৱজিত কুমাৰ শৰ্মা ঃ

ড° ছৰিফউদ্দিন আহমেদৰ অধ্যক্ষৰ কাৰ্যকালৰ সময়ছোৱাত পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক দেৱজিত কুমাৰ শৰ্মাই মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰে (০১-০৪-২০১৫ ৰপৰা ৩২-১২-২০১৬ লৈকে)।

দেৱজিত কুমাৰ শৰ্মাই তৈলনগৰী ডিগবৈত ১৬-১২-১৯৫৬ তাৰিখে জন্মগ্ৰহণ কৰে। তেখেতৰ পিতৃ বসন্তনাথ শৰ্মা আৰু মাতৃ মণিকা দেৱী।

দেৱজিত কুমাৰ শৰ্মাই ডিগবৈ বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৭২ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা, ডিগবৈ মহাবিদ্যালয়ৰপৰা ১৯৭৪ চনত পি. ডিগ্ৰী, কটন কলেজৰপৰা ১৯৭৬ চনত পদাৰ্থ বিজ্ঞান বিভাগত অনাৰ্চ সহ বি. এচচি. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা ১৯৭৮ চনত পদাৰ্থ বিজ্ঞান বিভাগত Electronics and Radio physics- Special paper ৰূপে লৈ এম. এচচি. পৰীক্ষাত উত্তীৰ্ণ হয়।

দেৱজিৎ কুমাৰ শৰ্মাই ২৯-১০-১৯৮০ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ প্ৰবক্তা পদত তদৰ্থ ভিত্তিত নিযুক্তি লাভ কৰে। মহাবিদ্যালয়ৰ বিজ্ঞান শাখা ০১-০৯-১৯৮৩ তাৰিখৰপৰা চৰকাৰৰ ঘাটি মঞ্জুৰী অনুদান আঁচনিৰ অন্তৰ্ভুক্তি হোৱাত, উক্ত তাৰিখৰপৰা তেখেতৰ নিযুক্তি নিয়মীয়া হয় পৰৱৰ্তী পৰ্যায়ত তেখেতে বিভাগটোৰ মুৰব্বী অধ্যাপক হিচাপেও সেৱা আগবঢ়ায় (০৭-০১-২০১১ ৰপৰা ৩১-০৩-২০১৫ লৈকে)। তেখেতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ শিক্ষক পৰিষদৰ সম্পাদক, অসম কলেজ শিক্ষক সংস্থাৰ নগাঁও-মৰিগাঁও মণ্ডলৰ দুটা কাৰ্যকালৰ কাৰ্যনিৰ্বাহক সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰি সাংগঠনিক দক্ষতাৰ পৰিচয় দিয়ে। স্মৰ্তব্য, দেৱজিত কুমাৰ শৰ্মাই ২০০৪ চনত NACC ৰ প্ৰথমবাৰ মূল্যায়ন কালত মহাবিদ্যালয়ৰ IQACৰ তিনিজনীয়া Co-ordination কমিটিৰ সদস্যৰূপেও সেৱা আগবঢ়ায়।

উপাধ্যক্ষ দেৱজিত কুমাৰ শৰ্মাই ৩১-১২-২০১৬ তাৰিখে কৰ্মজীৱনৰপৰা অৱসৰ গ্ৰহণ কৰে।

## দেৱপ্ৰসাদ হাজৰিকা ঃ

ড° ছৰিফউদ্দিন আহমেদৰ অধ্যক্ষৰ কালছোৱাত ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক দেৱপ্ৰসাদ হাজৰিকাই মহাবিদ্যালয়ৰ উপাধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰে (০১-০১-২০১৭ৰ পৰা ৩১-০৩-২০১৭ লৈকে)।

নগাঁৱৰ বিৰহ বেবেজীয়া গাঁৱত ০১-০৩-১৯৫৭ তাৰিখে দেৱপ্ৰসাদ হাজৰিকাৰ জন্ম হয়। তেখেতৰ পিতৃ গোলোক চন্দ্ৰ হাজৰিকা আৰু মাতৃ ঊষা হাজৰিকা।

দেৱপ্ৰসাদ হাজৰিকাই বেবেজীয়া পণ্ডিত কনক চন্দ্ৰ শৰ্মা উচ্চ (বৰ্তমানৰ উচ্চতৰ) মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৭৪ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা, কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰপৰা ১৯৭৬ চনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত, বি. বৰুৱা মহাবিদ্যালয়ৰপৰা ১৯৭৮ চনত ভূগোল বিষয়ত অনাৰ্চসহ বি. এ. আৰু উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়, (NEHU) শ্বিলঙৰপৰা ১৯৮১ চনত ভূগোল বিষয়ত এম. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। তেখেতে উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয় (NEHU), শ্বিলঙৰপৰা ১৯৮৯ চনত এম. ফিল. ডিগ্ৰী লাভ কৰে (আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত কৰ্মৰত অৱস্থাত)।

দেৱপ্ৰসাদ হাজৰিকাই ২০-০১-১৯৮২ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰবক্তা পদত যোগদান কৰে। তেখেতে বিভাগটোৰ মুৰব্বী পদতো কাৰ্যনিৰ্বাহ কৰে (১২-০৮-২০১৪ ৰ পৰা ৩১-০৩-২০১৭ লৈকে)।

উপাধ্যক্ষৰ পদমৰ্যাদাৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰে। দেৱপ্ৰসাদ হাজৰিকা মহাবিদ্যালয়ৰ সামাজিক ক্ষেত্ৰতো সদা সক্ৰিয় আছিল। তেখেতে ৰাষ্ট্ৰীয় সেৱা যোজনা (NSS)ৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় গোটৰ ৩য় জন বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত যোজনা বিষয়াৰূপে একেৰাহে বিশ বছৰৰো অধিককাল কৃতিত্বপূৰ্ণ সেৱা আগবঢ়ায় (১৯৯৪ ৰপৰা ২০১৪ লৈকে)।

ছাত্ৰ একতা সভাৰ 'সমাজ-সেৱা বিভাগৰ' তত্ত্বাৱধায়কৰূপেও তেখেতে একেৰাহে বহু বছৰ সেৱা আগবঢ়ায়। ভূগোল বিভাগৰ নৈমিত্তিক ভ্ৰমণ কাৰ্যসূচী (Excursion) সমূহৰ তত্ত্বাৱধায়কৰ দায়িত্বও তেখেতে বহন কৰে। দেৱপ্ৰসাদ হাজৰিকাই ৩১-০৩-২০১৭ তাৰিখে মহাবিদ্যালয়ৰ উপাধ্যক্ষৰূপে কৰ্মজীৱনৰপৰা অৱসৰগ্ৰহণ কৰে।

মীনা চৌধুৰী ঃ

ড° ছৰিফউদ্দিন আহমেদৰ অধ্যক্ষৰ কাৰ্যকালৰ শেষৰ পিনে প্ৰাণীবিদ্যা বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা মীনা চৌধুৰী মহাবিদ্যালয়ৰ উপাধ্যক্ষা পদত অধিষ্ঠিত হয় (০১-০৪-২০১৭ তাৰিখৰ পৰা বৰ্তমানলৈকে)।

বৰপেটা জিলাৰ পাঠশালাত ০১-১২-১৯৫৯ তাৰিখে মীনা চৌধুৰীৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম উমাকান্ত দেৱচৌধুৰী আৰু মাতৃ মিলন চৌধুৰী।

তেখেতে ১৯৭৪ চনত প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা, ১৯৭৬ চনত কটন কলেজৰপৰা উচ্চতৰ মাধ্যমিক, ১৯৭৮ চনত বজালী কলেজৰপৰা প্ৰাণীবিজ্ঞানক প্ৰধান বিষয় হিচাপে লৈ স্নাতক আৰু ১৯৮২ চনত প্ৰাণী বিজ্ঞানত Fish & Fishery Biologyত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। (অসম আন্দোলনৰ বাবে দুবছৰ ক্ষতি হোৱাত ১৯৮০ চনৰ সলনি ১৯৮২ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে।)

তেখেতে ৭ অক্টোবৰ ১৯৮৩ চনত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত প্ৰবক্তা পদত যোগদান কৰে। তেখেতে ১ এপ্ৰিল, ২০১৭ তাৰিখে বিভাগীয় মুৰব্বী হিচাপে দায়িত্ব লয়। আৰু একেদিনাই উপাধ্যক্ষৰ দায়িত্বও গ্ৰহণ কৰে। উপাধ্যক্ষৰ দায়িত্বভাৰ লোৱাৰ আগতেই মহাবিদ্যালয়ৰ Woman Study Centreৰ আৰম্ভণিৰেপৰা সঞ্চালকৰূপে দায়িত্ব পালন কৰি আছে। তদুপৰি Woman Study and Welfare Centreৰো দুবছৰ সম্পাদকৰ দায়িত্ব পালন কৰে। বিদ্যায়তনিক দিশতো তেখেতে ছাত্ৰ-ছাত্ৰীৰ বাবে দুখন গ্ৰন্থ যুটীয়াভাৱে সম্পাদনা কৰে।

যুগুতালে এম. হবিব উল্লাহে

# মহাবিদ্যালয়ৰ কেন্দ্ৰসমূহ আৰু অন্যান্য

# আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰ

অসমৰ নৱজাগৰণ হোতা আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতি যুগমীয়া কৰি ৰখাৰ হাবিয়াসেৰে অসম সাহিত্য সভাৰ নগাঁও অধিৱেশন (১৯৫৯)ৰ বিশেষ প্ৰস্তাৱ মৰ্মে ১৯৫৯ চনত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় স্থাপন কৰা হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ কৃতিত্বপূৰ্ণ অৱদানৰ সোঁৱৰণ আৰু চৰ্চাৰ ধাৰাবাহিকতাৰ নিমিত্তে এক বিদ্যায়তনিক আৰু বৌদ্ধিক মঞ্চ গঠন কৰাৰ উদ্দেশ্য আগত ৰাখি ২০০১ চনত শ্ৰীযুত সহজানন্দ ওজা অধ্যক্ষ হৈ থাকোঁতে মহাবিদ্যালয় পৰিচালন সমিতিৰ বিশেষ অনুমোদনক্ৰমে 'আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰ' প্ৰতিষ্ঠা কৰা হয়। আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰৰ প্ৰথম কাৰ্যনিৰ্বাহক সদস্যসকল আছিল—অধ্যক্ষ সহজানন্দ ওজা, সভাপতি; অৰিন্দম বৰকটকী, সম্পাদক; সদস্যসকল— গীতিমল্লিকা শইকীয়া, কৈলাস দাস, দেৱজিৎ শৰ্মা, পদ্মকান্ত শৰ্মা, অমৰেন্দ্ৰ শৰ্মা, হবিব উল্লাহ, জীৱন নৰহ আৰু মহেশ্বৰ কলিতা। পৰৱৰ্তী সময়ত সদস্যৰ দায়িত্ব পালন কৰে ড° সদানন্দ পায়েং, নীতা শৰ্মা, ড° ৰজিতা কলিতা, ড° অজিত ভৰালী আৰু ড° মিলন নেওগে।

এই অধ্যয়ন চক্ৰ প্ৰতিষ্ঠা হোৱাৰেপৰা আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্মতিথিৰ দিনা কলেজ কৰ্তৃপক্ষৰ সহযোগত অধ্যয়ন চক্ৰই আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতাৰ আয়োজন কৰি আহিছে। আৰম্ভণিতে এই বক্তৃতা বিষয় ঢেকিয়াল ফুকনৰ প্ৰতিভা আৰু অৱদানকেন্দ্ৰিক আছিল। পৰবৰ্তী সময়ত এই বক্তৃতাৰ বিষয়ে সমাজ, ইতিহাস, দৰ্শন, বিজ্ঞান আদি গুৰুত্বপূৰ্ণ দিশবোৰ সামৰি লৈছিল। এই বক্তৃতা প্ৰদান কৰা বিশিষ্ট ব্যক্তিসকল আছিল—ড° হীৰেন গোহাঁই, ভবেন বৰুৱা, ড° নৰেন কলিতা, ড° ৰাজেন শইকীয়া, ড° কুলেন্দু পাঠক, পি.চি. হালদাৰ, কে. এচ. সুব্ৰমনিয়ান, ড° দীনেশ চন্দ্ৰ গোস্বামী, ড° ধ্ৰুৱজ্যোতি বৰা, ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী, ড° অপূৰ্ব কুমাৰ বৰুৱা, হৰিশংকৰ ব্ৰহ্ম।

২০০৮ চনত আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰই মহাবিদ্যালয় প্ৰকাশন গোটৰ তৰফৰ পৰা 'আনন্দৰাম ঢেকিয়াল ফুকন' শীৰ্ষক এখন উচ্চস্তৰৰ বৌদ্ধিক মানসম্পন্ন প্ৰবন্ধৰ সংকলন প্ৰকাশ কৰি উলিয়ায়। ২০০৩ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম শতবাৰ্ষিকী মহাবিদ্যালয়ত আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰই বিভিন্ন অনুষ্ঠানৰ মাজেদি উদ্‌যাপন কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ প্ৰাকমুহূৰ্তত আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰই মহাবিদ্যালয় প্ৰকাশন গোটৰ তৰফৰপৰা ২০১২ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ কৃতিত্বপূৰ্ণ অৱদান বিষয়ক এখন সুবৃহৎ নিৰ্বাচিত প্ৰবন্ধ সংকলন প্ৰকাশ কৰি উলিয়ায়। উক্ত গ্ৰন্থখন উন্মোচন কৰি ড° নগেন শইকীয়াই লক্ষ্মীনাথ বেজবৰুৱা বিষয়ক ভাষণ প্ৰদান কৰে। ইয়াৰ উপৰি আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰই ২২ ছেপ্তেম্বৰ, ২০১০ তাৰিখে ৰাজনীতি বিজ্ঞান বিভাগৰ সৈতে আৰু ২৮ জুন, ২০০৮ তাৰিখে ইংৰাজী বিভাগৰ সৈতে মানৱ অধিকাৰ বিষয়ক দুগুণ ব্যতিক্ৰমধৰ্মী ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰে। উল্লেখযোগ্য যে প্ৰথমখন আলোচনা চক্ৰত বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱা, অসম পুলিচৰ সঞ্চালক জি এম শ্ৰীবাস্তৱ, কুলধৰ শইকীয়া, বিশিষ্ট মানৱ অধিকাৰ কৰ্মী অঞ্জলি দৈমাৰী আৰু এই সময়ছোৱাৰ ইতিহাসক আলোকচিত্ৰকে ধৰি ৰখা উৎপল বৰুৱাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। দ্বিতীয়খন আলোচনা চক্ৰত বক্তৃতা প্ৰদান কৰে আই.বি.ৰ প্ৰাক্তন সঞ্চালক প্ৰধান এ. সুব্ৰমনিয়ান, বিশিষ্ট লেখক আৰু অসম পুলিচৰ অৱসৰপ্ৰাপ্ত সঞ্চালক প্ৰধান আৰু বিশিষ্ট লেখক হৰেকৃষ্ণ ডেকা আৰু বিশিষ্ট সাংবাদিক সুধীৰ ভৌমিকে। আনন্দৰাম ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰই সময়ে সময়ে চলচ্চিত্ৰ প্ৰদৰ্শন আৰু অন্যান্য বক্তৃতা অনুষ্ঠানৰো আয়োজন কৰি আহিছে। মহাবিদ্যালয়ৰ বুৰঞ্জী প্ৰণয়নৰ প্ৰস্তাৱ আৰু দেৱকান্ত বৰুৱাৰ স্মৃতিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ আৰু কবি সন্মিলন অনুষ্ঠিতকৰণৰ সিদ্ধান্ত অধ্যয়ন চক্ৰৰ কাৰ্যনিৰ্বাহক সভাতেই গ্ৰহণ কৰা হৈছিল।

প্ৰতিষ্ঠা কালৰেপৰা এতিয়ালৈ অধ্যাপক অৰিন্দম বৰকটকীয়ে এই অনুষ্ঠানৰ সম্পাদকৰ দায়িত্ব পালন কৰে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ অনুমোদন আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছৰিফউদ্দিন আহমেদৰ আগ্ৰহ আৰু সক্ৰিয় সহায়-সহযোগিতা লগতে শিক্ষক পৰিষদৰ সদস্যসকলৰ অংশগ্ৰহণেৰে ঢেকিয়াল ফুকন অধ্যয়ন চক্ৰই কাৰ্যনিৰ্বাহ কৰি যাব পাৰিছে। ►►

ইউ জি চিৰ অৰ্থসাহায্যৰে পৰিচালিত

# নাৰী অধ্যয়ন আৰু কল্যাণ কেন্দ্ৰ

২০০৯ চনৰ জানুৱাৰী মাহত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুদানত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়স্থিত (Financial Support) মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদদেৱৰ 'নাৰী অধ্যয়ন কেন্দ্ৰ' (Women Study Centre) স্থাপিত হয়। স্থাপন হোৱাৰ পিছৰপৰাই কেন্দ্ৰৰ দ্বাৰা বিভিন্ন বক্তৃতানুষ্ঠান, সম্প্ৰসাৰণ সেৱা / সজাগতা সভা আদি অনুষ্ঠিত হোৱাৰ লগতে কেন্দ্ৰৰপৰা কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰা হয়। লগতে কেন্দ্ৰৰ এটা Research Project-ও সম্পাদন কৰা হয়।

**A. কেন্দ্ৰৰ দ্বাৰা অনুষ্ঠিত বক্তৃতা অনুষ্ঠান—**

1. ২০১০ চনৰ জুন মাহৰ ১৫ তাৰিখে মহাবিদ্যালয়ৰ সভাকক্ষত '৩৩% নাৰীৰ বাবে সংৰক্ষণ' শীৰ্ষক এটা বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য বক্তা হিচাপে ভাষণ দিয়ে "The Shillong Times" -ৰ সম্পাদিকা, সমাজকৰ্মী, পদ্মশ্ৰী পেট্ৰিচিয়া মুখীমে।

তেখেতে মহিলাৰ বাবে ৩৩% সংৰক্ষণৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। লগতে তেওঁ গ্ৰামীণ মহিলাৰ বিভিন্ন সমস্যাৰ ওপৰতো আলোকপাত কৰে।

2. ২৯-০৬-২০১০ তাৰিখে মহাবিদ্যালয়ৰ সভাকক্ষত 'নাৰী সবলীকৰণ' আৰু 'Gender Justice'-ৰ ওপৰত আন এটা বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। সভাত মূল ভাষণ দিয়ে লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ আইন বিভাগৰ প্ৰাক্তন অধ্যাপক আৰু D.C. Varshney Institute of Law and Indology-ৰ সঞ্চালক Dr. S.K. Varshney.

3. ১১-০৫-২০১১ তাৰিখে মহাবিদ্যালয়ৰ সভাকক্ষত 'Women Studies;

as an Academic Discipline; Issues and Challenges' শীৰ্ষক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। ডাঃ সুশীলা কৌশিক (Co-chairperson of UGC National Consultative Committee for Women Studies) আৰু প্ৰফেছাৰ ডাঃ অৰ্চনা শৰ্মাই (সঞ্চালক আৰু মুৰব্বী অধ্যাপিকা, Women Studies, G.U.) মূল ভাষণ দিয়ে। দুয়োগৰাকীয়ে নাৰী সম্পৰ্কীয় বিভিন্ন দিশৰ ওপৰত (নাৰী শিক্ষা, সমাজত নাৰীৰ স্থান, যৌন নিৰ্যাতন ইত্যাদি) আলোকপাত কৰে আৰু লগতে এইবিলাকৰ নিবাৰণৰ বাবে নাৰী সজাগতা আৰু নাৰী সবলীকৰণৰ ওপৰত জোৰ দি বিভিন্ন তথ্য আগবঢ়ায় আৰু সকলো বিশ্ববিদ্যালয় অথবা মহাবিদ্যালয়তে 'Women Studies', এটা শিক্ষাৰ বিভাগ থকাটো অত্যন্তই জৰুৰী বুলি মত পোষণ কৰে।

**B. কেন্দ্ৰৰ আৰ্থিক সহযোগত অনুষ্ঠিত সম্প্ৰসাৰণ সেৱা—**

1. মহাবিদ্যালয়ৰ নাৰী অধ্যয়ন কেন্দ্ৰৰ আৰ্থিক সহযোগত মহাবিদ্যালয়ৰ নাৰী অধ্যয়ন আৰু কল্যাণ কেন্দ্ৰৰ দ্বাৰা নগাঁৱৰ বিভিন্ন অঞ্চলত ভালেকেইটা সম্প্ৰসাৰণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

কেন্দ্ৰ উদ্যোগত বিগত সময়চোৱাত ভালেকেইটা কৰ্মশালা অনুষ্ঠিত কৰা হয়। তাৰে ভিতৰত Skill Devolopment Programme, ধূপ তৈয়াৰ কৰা প্ৰশিক্ষণ, মেটেকাৰপৰা বিভিন্ন সামগ্ৰী তৈয়াৰী আদি প্ৰধান।

**C. গ্ৰন্থপ্ৰকাশ ঃ**

কেন্দ্ৰৰ আৰ্থিক সহায়ত গণ্য-মান্য লেখকৰ লিখনি সমৃদ্ধ দুখন কিতাপ মহাবিদ্যালয়ৰ অধ্যাপকৰ দ্বাৰা সম্পাদনা কৰি প্ৰকাশ কৰা হয়।

1. বিষয় নাৰী ঃ সম্পাদনা—
   ড° অজিত ভৰালী, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
   ড° ৰজিতা কলিতা, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
2. Women-Issues and Perspective :
   অৰিন্দম বৰকটকী, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ
   নীতা শৰ্মা, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ

ইয়াৰ উপৰি কেন্দ্ৰৰ দ্বাৰা 'A Study on Adolecent School Girls' Empowerment with special reference to Nagaon Municipality Area' শীৰ্ষক এটা 'Research Project সম্পাদন কৰা হয়। ইয়াৰ Investigator-কেইগৰাকী হ'ল—

**Principal Investigator :**

Mrs. Mina Chaudhury, Associate prof. (Co-ordinator, Women Study Centre)

**Co-investigators :**

1. শ্ৰীমতী দীপা শইকীয়া, সহযোগী অধ্যাপিকা
2. শ্ৰীমতী অৰ্পণা তামুলী, সহযোগী অধ্যাপিকা
3. শ্ৰীমতী অপৰ্ণা বৈৰাগী, সহযোগী অধ্যাপিকা
4. শ্ৰীমতী আল্পনা বৰুৱা, সহযোগী অধ্যাপিকা
5. শ্ৰীমতী অঞ্জনা দেৱী, সহকাৰী অধ্যাপিকা
6. শ্ৰীমতী অৰ্চনা দাস, সহকাৰী অধ্যাপিকা
7. শ্ৰীমতী অৰ্চনা তালুকদাৰ, সহকাৰী অধ্যাপিকা

যুগুতালে—

উপাধ্যক্ষা মীনা চৌধুৰীয়ে

# নাৰী অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ

২০০৩ চনৰ ১৬ আক্টোবৰ তাৰিখে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সভাত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত নাৰী অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰ (women study and Research centre) গঠনৰ সিদ্ধান্তও লোৱা হয়। সমাজৰ বিভিন্ন ক্ষেত্ৰত নাৰীৰ অৱস্থান, সমস্যা আৰু সম্ভাৱনাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি নাৰীৰ অৱদান বিষয়ক অধ্যয়নৰ লক্ষ্যৰে এই কেন্দ্ৰটি প্ৰতিষ্ঠা কৰা হৈছিল। গঠন হোৱাৰেপৰা নাৰীৰ সৰ্বাংগীণ বিকাশ আৰু প্ৰয়োজনীয় সচেতনতাৰ বাবে নাৰী অধ্যয়ন কেন্দ্ৰই বিভিন্ন সভা-সমিতি আৰু প্ৰশিক্ষণ শিবিৰ আয়োজন কৰাৰ লগতে প্ৰতি বছৰে বিস্তৃত কাৰ্যসূচীৰে আন্তজাতিক নাৰী দিবস পালন কৰি আহিছে। ২০০৩ চনৰ ১১ নবেম্বৰ তাৰিখে ৰত্নমালা ৰাজখোৱাই প্ৰথমগৰাকী সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

নাৰী অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰই প্ৰতিষ্ঠা কালৰেপৰা ছাত্ৰী আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰৰ নাৰীৰ উৎকৰ্ষ আৰু সবলীকৰণৰ বাবে বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে, বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। প্ৰাৰম্ভতে আয়োজন কৰা পুতলা নিৰ্মাণ, পুষ্প সজ্জা প্ৰশিক্ষণ আদি কাৰ্যসূচীয়ে ছাত্ৰী সমাজ আৰু সমাজৰ পিছপৰা মহিলাসকলৰ মাজত বিশেষ জনপ্ৰিয়তা লাভ কৰিছিল। অধ্যাপিকা ৰত্নমালা ৰাজখোৱা সম্পাদকৰ দায়িত্বত থাকোতেই নগাঁও লেখিকা সমিতিৰ সম্পাদিকা হিমাদ্ৰি দেৱীৰ বীজ ভাষণেৰে পৰিয়ালত নাৰীৰ ভূমিকা শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। ২০০৫ আৰু ২০০৬ চনত প্ৰয়াত সত্যমান দত্ত আৰু ভৱানী বৰাই সম্পাদিকা হিচাপে দায়িত্ব পালন কৰাৰ সময়তো আলোচনাচক্ৰ, কৰ্মশালা আৰু জাম-জেলি প্ৰস্তুতকৰণ কৰ্মশালাকে আদি কৰি বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হয়। এই সময়ছোৱাতেই তথ্য জনাৰ অধিকাৰ শীৰ্ষক এখন আলোচনাচক্ৰত অধিবক্তা আভা বৰা আৰু অধ্যাপক আবু হানিফাই অংশ গ্ৰহণ কৰে। ২০০৭ চনত অধ্যাপিকা গীতা দেৱী ভট্টাচাৰ্যই সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। সেই চনতেই আন্তৰ্জাতিক নাৰী

দিবস উপলক্ষে চলচ্চিত্র প্রদর্শনৰ আয়োজন কৰা হয়। এই সময়ত বানপীড়িত অঞ্চলৰ লোকৰ সজাগতা আৰু কৰ্তব্যৰ বিষয়ে অনুষ্ঠিত হোৱা সজাগতা সভাত আধ্যাপক বিপুল বৰা আৰু অধ্যাপিকা ৰত্নমালা ৰাজখোৱাই অংশ গ্ৰহণ কৰে। ২০০৮ চনৰ ৮ আগষ্টত তেলিয়াগাঁও প্ৰাথমিক বিদ্যালয়ত 'নাৰী আৰু ব্যৱসায়' আৰু 'Domestic violence' শীৰ্ষক সজাগতা সভাত অধ্যাপিকা গীতিমালিকা শইকীয়া আৰু অধ্যাপিকা ৰত্নমালা ৰাজখোৱাই ভাষণ প্ৰদান কৰে। ২০০৮ চনত অধ্যাপিকা মীনা চৌধুৰীয়ে দুটা কাৰ্যকালৰ বাবে সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে। ২০১০ চনৰপৰা বৰ্তমানলৈকে এই কেন্দ্ৰই নাৰীৰ সামগ্ৰিক বিকাশৰ প্ৰতি অৱদান যোগোৱাৰ অৰ্থে সচেতনতা অনুষ্ঠান, সম্প্ৰসাৰণ অনুষ্ঠান, দিৱস উদ্‌যাপনকে আদি কৰি মুঠ সোতৰটা অনুষ্ঠান আয়োজন কৰে।

নাৰী অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ কাৰ্যকৰী সভাপতি আৰু সম্পাদিকাসকল (২০০৩ চনৰ পৰা বৰ্তমানলৈকে)—

| বছৰ | কাৰ্যকৰী সভাপতি | সম্পাদক |
|---|---|---|
| ২০০৩-২০০৪ | ড° ছৰিফউদ্দিন আহমেদ | অধ্যাপিকা ৰত্নমালা ৰাজখোৱা |
| ২০০৪-২০০৫ | ড° মেনকা শইকীয়া | অধ্যাপিকা ৰত্নমালা ৰাজখোৱা |
| ২০০৫-২০০৬ | অধ্যাপিকা গীতিমালিকা শইকীয়া | অধ্যাপিকা সত্যমণি দত্ত |
| ২০০৬-২০০৭ | অধ্যাপিকা গীতিমালিকা শইকীয়া | অধ্যাপিকা ভৱানী বৰা |
| ২০০৭-২০০৮ | অধ্যাপিকা দেহেশ্বৰী বনিয়া | ড° গীতা দেৱী ভট্টাচাৰ্য |
| ২০০৮-২০০৯ | অধ্যাপিকা ভৱানী বৰা | ড° গীতা দেৱী ভট্টাচাৰ্য |
| ২০০৯-২০১০ | অধ্যাপিকা এম.পি. ৰাজখোৱা | অধ্যাপিকা মীনা চৌধুৰী |
| ২০১০-২০১১ | অধ্যাপিকা এম.পি. ৰাজখোৱা | অধ্যাপিকা অৰ্পণা তামুলী |
| ২০১১-২০১২ | অধ্যাপিকা এম.পি. ৰাজখোৱা | অধ্যাপিকা অৰ্পণা তামুলী |
| ২০১২-২০১৩ | অধ্যাপিকা দেহেশ্বৰী বনিয়া | ড° কাকলি বৰুৱা |
| ২০১৩-২০১৪ | অধ্যাপিকা ভৱানী বৰা | ড° ৰবী ভূঞা |
| ২০১৪-২০১৫ | অধ্যাপিকা এম.পি. ৰাজখোৱা | ড° ৰজিতা কলিতা |
| ২০১৫-২০১৬ | অধ্যাপিকা এম.পি. ৰাজখোৱা | ড° ৰজিতা কলিতা |
| ২০১৬-২০১৭ | ড° গীতা ভট্টাচাৰ্য | অধ্যাপিকা নীতা শৰ্মা |

যুগুতালে সহযোগী অধ্যাপিকা নীতা শৰ্মাই

# বিবেকানন্দ অধ্যয়ন কেন্দ্ৰ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যৰে পৰিচালিত 'বিবেকানন্দ অধ্যয়ন কেন্দ্ৰ' প্ৰতিষ্ঠা হয় ০৩-০৮-২০১০ তাৰিখে। তদানীন্তন অধ্যক্ষ ড° ছবিফউদ্দিন আহমেদক সভাপতি আৰু দেহেশ্বৰী বনিয়াক আহ্বায়ক হিচাপে লৈ গঠন কৰা সমিতিখনত মহাবিদ্যালয়ৰ ছগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সদস্য হিচাপে মনোনীত কৰা হয়। ২০১২ চনত সমিতিখন সলনি হয়। পিযুজ দেৱনাথক সমন্বয়ক হিচাপে লৈ গঠন কৰা নতুন সমিতিখনে এই পৰ্যন্ত কাৰ্যনিৰ্বাহ কৰি আছে।

**কেন্দ্ৰটিৰ জৰিয়তে সম্পাদিত কাৰ্যক্ৰমণিকা ঃ**

**১) যোগাসন (১৫ ছেপ্টেম্বৰ ২০১০)**

সমল ব্যক্তি ঃ ৰিতুমণি দত্ত (তেজপুৰ বিবেকানন্দ কেন্দ্ৰৰ সংগঠক)

গৌৰাঙ্গ গোহাঁই (কাৰ্যবাহী সদস্য, গোলাঘাট বিবেকানন্দ কেন্দ্ৰ)

**২) যোগাসন (১২ ডিচেম্বৰ ২০১০)**

সমল ব্যক্তি ঃ নৱ বৰা, ইন্দ্ৰমোহন গোস্বামী

**৩) আলোচনাচক্ৰ ঃ** কেন্দ্ৰই বিভিন্ন সময়ত বিবেকানন্দৰ জীৱন আৰু আদৰ্শ সম্পৰ্কে কেবাখনো আলোচনাচক্ৰৰ আয়োজন কৰে। The Relevance of Swamiji's Message for Modern Age শীৰ্ষক বিষয়ক আলোচনাচক্ৰত সমল ব্যক্তি ৰূপে অংশগ্ৰহণ কৰে শ্বিলঙৰ ৰামকৃষ্ণ মিছনৰ স্বামী অচ্যুতানন্দজী আৰু চেৰাপুঞ্জী ৰামকৃষ্ণ মিছনৰ স্বামী সুমানচান্দজীয়ে। 'স্বামী বিবেকানন্দৰ আদৰ্শ আৰু দৰ্শন' শীৰ্ষক আলোচনাচক্ৰত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে অৰুণাচল প্ৰদেশৰ নৰোত্তম নগৰৰ ইছুমাতনন্দজীয়ে।

তদুপৰি ০৩-০১-২০১১ তাৰিখৰপৰা ১২-১-২০১২ লৈ এলানি বক্তৃতামালাৰ

আয়োজন কৰা হয়। মুঠ দহটা বিশেষ বক্তৃতা লৈ আয়োজিত বক্তৃতালানিত বক্তৃতা প্ৰদান কৰে ক্ৰমে — ড° আৰ এন পাল, (বিজ্ঞানী, আই. চি. এ আৰ), ড° সঞ্জয় ডেকা (দৰং মহাবিদ্যালয়), ড° মানসী দাস (তেজপুৰ বিশ্ববিদ্যালয়), দুলাল দাস (বিবেকানন্দ কেন্দ্ৰ, গুৱাহাটী), বসন্ত বৰা (বিবেকানন্দ কেন্দ্ৰ, গুৱাহাটী), লুইত দেৱশৰ্মা (গীতা অধ্যয়ন কেন্দ্ৰ, লক্ষীমপুৰ), ৰবীন্দ্ৰ সেৱদেকাৰ (অধ্যক্ষ বিবেকানন্দ কেন্দ্ৰ, গোলাঘাট), ৰিতুমণি দত্ত (তেজপুৰ বিবেকানন্দ কেন্দ্ৰ) আৰু স্বপ্নালিকা দেৱী (তেজপুৰ বিশ্ববিদ্যালয়)এ।

২৪ মাৰ্চ ২০১১ তাৰিখে চামগুৰি জিলা শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰত বিবেকানন্দ কেন্দ্ৰৰ উদ্যোগত এটি বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। উক্ত বক্তৃতানুষ্ঠানত তেজপুৰ বিবেকানন্দ কেন্দ্ৰৰ ৰথীন্দ্ৰ পালে মুখ্য বক্তা ৰূপে অংশগ্ৰহণ কৰে।

ইয়াৰ উপৰি কেন্দ্ৰৰ উদ্যোগত মাজে সময়ে ছাত্ৰ-ছাত্ৰীৰ একোটি দলক শ্বিলং-চেৰাপুঞ্জী বা অন্যান্য বিবেকানন্দ কেন্দ্ৰলৈ নি কেন্দ্ৰটিৰ মূল উদ্দেশ্যৰ লগত সংগতি ৰাখি বিবেকানন্দ সম্পৰ্কে বিভিন্ন তথ্যাদি আহৰণৰ সুযোগ দিয়া হৈছে। উল্লেখ্য যে এই কেন্দ্ৰৰ দ্বাৰা আয়োজিত বক্তৃতাৰাজি একত্ৰিত কৰি মহাবিদ্যালয় প্ৰকাশন কোষে এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে।

যুগুতালে সহযোগী অধ্যাপক পীযুষ দেৱনাথে

# আম্বেদকাৰ অধ্যয়ন কেন্দ্ৰ

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ-সাহায্যৰে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ১৭/০৮/২০১০ তাৰিখে ভাৰতৰ সংবিধান প্ৰণয়ন সমিতিৰ সভাপতি, দলিত দৰদী বি. আৰ. আম্বেদকাৰৰ নামেৰে আম্বেদকাৰ অধ্যয়ন কেন্দ্ৰটি স্থাপন কৰা হয়। সমাজৰ পছি পৰি যোৱা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক-মানসিক উত্তৰণৰ লক্ষ্যৰে স্থাপিত এই কেন্দ্ৰটিয়ে প্ৰতিষ্ঠা কালৰে পৰা মহাবিদ্যালয়ৰ ভিতৰতে হওক বা বাহিৰতে হওক সেই উদ্দেশ্য সাধনত ব্ৰতী হৈ আহিছে। অধ্যক্ষ ড° ছৰিফউদ্দিন আহমেদক সঞ্চালক, ড° অনিমা ভট্টাচাৰ্যক সমন্বয়ক আৰু কাকলি বৰুৱা, আমিনুল ইছলাম, সোনাৰাম নাথ, ড° সঞ্জীৱ কুমাৰ বৰকাকতী, ড° অজিত কুমাৰ সিংহ আৰু ড° কুণ্ডুক সদস্য হিচাপে লৈ কেন্দ্ৰটিৰ প্ৰথমখন পৰিচালনা সমিতি গঠন কৰা হৈছিল। ০৫-০১-২০১২ চনত এই সমিতিখন পুৰ্নগঠন সমন্বয়ক ৰূপ দায়িত্ব পালন কৰি আহিছে।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যৰ এই কেন্দ্ৰই বিভিন্ন সময়ত অনুষ্ঠিত কৰা কাৰ্যক্ৰমনিকাৰ এটি আভাস তলত দাঙি ধৰা হ'ল।

১৪-১১-২০১০ তাৰিখে কেন্দ্ৰৰ উদ্যোগত হয়বৰগাঁওস্থিত হৰিজন বস্তিত দিনজোৰা কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় শিশু দিৱস পালন কৰা হয়। অৰ্থ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে উক্ত অনুষ্ঠানত আয়োজিত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাতত অংশ লয়। উক্ত দিনাই বাল্মিকী হিন্দী বিদ্যালয়ত অনুষ্ঠিত আলোচনা সভাত শ্ৰীগনেশ ৰবিদাস, অধ্যাপক কৈলাস দাস আৰু অহিদুৰ জামানদেৱে দলিত আৰু হৰিজনসকলৰ বিভিন্ন সমস্যা আৰু আম্বেদকাৰৰ জীৱন আৰু কৃতি সম্পৰ্কে মনোজ্ঞ আলোচনা আগবঢ়ায়।

৬-১২-২০১০ তাৰিখে আম্বেদকাৰদেৱৰ ৫৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে কেন্দ্ৰই নগাঁও জিলা ভিত্তিক 'ভাৰতীয় সমাজৰ পুনৰ্নিমাণত ড° বি. আৰ. আম্বেদকাৰৰ

বৰগুণি' শীৰ্ষক প প্ৰেক্ষাগৃহত এটি আলোচনা চক্ৰৰো আয়োজন কৰা হয়। মহাবিদ্যালয়ৰ কেইবাগৰাকীও অধ্যাপকৰ উপৰি বিশিষ্ট দলিত নেতা ৰামলাল বাল্মীকিয়ে আলোচনাত ভাগ লয়।

২৮ ডিচেম্বৰ ২০১০ তাৰিখে কেন্দ্ৰই এটি ৰাষ্ট্ৰীয় পৰ্যায়ৰ বক্তৃতা অনুষ্ঠান অনুষ্ঠিত কৰে। মুম্বাইৰ জি.এন. খালচা কলেজৰ অধ্যাপক ড° পি. চেছাশ্ৰী, মুম্বাই বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ অধ্যাপক ড° আৰ. কাম্বলেই উক্ত অনুষ্ঠানত বক্তৃতা প্ৰদান কৰে।

মহাবিদ্যালয়ৰ আম্বেদকাৰ অধ্যয়ন কেন্দ্ৰৰ ব্যৱস্থাপনাত ইতিমধ্যে চাৰিটা গৱেষণা প্ৰকল্প সম্পন্ন হয়। সেই কেইটা হ'ল— অধ্যাপক কৈলাস দাসৰ 'B.R. Ambedkar– A colossus Sung far and wide', অধ্যাপক অহিদুৰ জামানৰ 'Dalit Ulahan main Dr. Ambedkar Aur Premchand', ড° অজিত কুমাৰ সিংহৰ 'An Analysis review of B.R. Ambedkar's literature in North East India' আৰু অধ্যাপক প্ৰশান্ত কুমাৰ গগৈৰ 'Social Economic Profile of Dalit S.C. Community in Nagaon Town with particular reference to their level of Development.'

কেন্দ্ৰই বিভিন্ন সময়ত দলিত সম্প্ৰদায়ৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় বাল্মীকি হিন্দী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীক লৈ বিভিন্ন স্থানলৈ শিক্ষামূলক ভ্ৰমণৰো আয়োজন কৰি আহিছে।

২৮ জুলাই ২০১২ চনত কেন্দ্ৰই মহাবিদ্যালয় প্ৰেক্ষাগৃহত ৰাজ্যিক পৰ্যায়ত এটি বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত অসমৰ কেবাখনো মহাবিদ্যালয়ৰ উপৰি কেবাটাও স্বেচ্ছাসেৱী সংগঠন বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

কেন্দ্ৰই ইতিমধ্যে কেবাখনো মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। এই গ্ৰন্থৰ যথাস্থানত তাৰ বিৱৰণ দিয়া হৈছে।

যুগুতালে ড° অজিত কুমাৰ সিংহই

# গান্ধী অধ্যয়ন কেন্দ্ৰ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত গান্ধী অধ্যয়ন কেন্দ্ৰটিৰ আত্মপ্ৰকাশ ঘটে ২০০৮ চনৰ জানুৱাৰী মাহত। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যৰে প্ৰতিষ্ঠিত এই কেন্দ্ৰটিয়ে আৰম্ভণিৰেপৰা ভালেমান মনোজ্ঞ কাৰ্যসূচীৰ ৰূপায়ণ কৰি আহিছে। অধ্যক্ষক স্থায়ী সভাপতি হিচাপে লৈ গঠন কৰা কেন্দ্ৰটিৰ পৰিচালনা সমিতিখনত প্ৰথম এবছৰৰ বাবে গীতা দেৱী ভট্টাচাৰ্যই সমন্বয়কৰূপে কাৰ্য নিৰ্বাহ কৰে যদিও পৰৱৰ্তী বৰ্ষৰ পৰা ৰত্নমালা ৰাজখোৱাই এই দায়িত্ব পালন কৰি আহিছে। প্ৰতিষ্ঠাৰ প্ৰথম বৰ্ষতে ৬ আগষ্টৰ পৰা ৭ নৱেম্বৰলৈ Foundation Course on Gandhi শীৰ্ষক এটি তিনিমহীয়া Certificate Course অনুষ্ঠিত কৰা হয়। বিভিন্ন সময়ত বক্তৃতানুষ্ঠান, কৰ্মশালা, কুইজ, ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰি অহা কেন্দ্ৰই ২০১০ চনৰ অক্টোবৰত মহাবিদ্যালয়ৰ ২৫জনীয়া ছাত্ৰ-ছাত্ৰী দল এটাক গুজৰাটলৈ নি গান্ধী স্মৃতিচিহ্নবোৰ পৰিদৰ্শন কৰায়। সৌভাগ্যক্ৰমে আহমেদাবাদত দলটোৱে গান্ধীজীৰ নাতি গোপাল কৃষ্ণ গান্ধীকো সাক্ষাৎ কৰিবলৈ পায়। একেদৰে ২৯-১২-১০ তাৰিখে ২৭ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দল এটিক গুৱাহাটীৰ শৰণীয়াৰ গান্ধী আশ্ৰমলৈ শিক্ষামূলক ভ্ৰমণৰ বাবে লৈ যায়।

২০১০ বৰ্ষত কেন্দ্ৰই বুঢ়া ৰজা গাঁৱত ১০ ফেব্ৰুৱাৰীৰ পৰা ১৬ ফেব্ৰুৱাৰীলৈ সপ্তাহযোৰা সাক্ষৰতা অভিযান চলায়। প্ৰতি বছৰে কেন্দ্ৰই নগাঁও জিলা কাৰাগাৰত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰি কয়েদীসকলৰ মাজত বিভিন্ন গ্ৰন্থ বিতৰণ কৰি আহিছে। উল্লেখ্য, কেন্দ্ৰৰ এটা সমৃদ্ধ নিজা পুথিভঁৰাল আছে।

এই কেন্দ্ৰৰ দ্বাৰা প্ৰকাশিত দুখন গ্ৰন্থ —

১) মোহনৰ পৰা মহাত্মালৈ (আবু হানিফাৰ দ্বাৰা লিখিত)

২) Gandhian Concept, Interogation and Exploration : Edited by – Dr. Geeta Devi Bhattacharya, Ratnamala Rajkhowa and Archana Talukdar.

কেন্দ্রৰ দ্বাৰা মহাবিদ্যালয়ৰ শিক্ষকসকলে ইতিমধ্যে চাৰিটা গান্ধী সম্পৰ্কীয় গৱেষণা প্ৰকল্প সম্পন্ন কৰিছে। তেখেতসকল হ'ল ড° গীতা দেৱী ভট্টাচাৰ্য, অৰ্পনা তামুলী, অৰ্চনা তালুকদাৰ আৰু প্ৰাঞ্জল হাজৰিকা।

তলত কেন্দ্ৰই সম্পন্ন কৰা কেইটামান গুৰুত্বপূৰ্ণ কাৰ্যসূচীৰ সবিশেষ দাঙি ধৰা হ'ল—

২৬-৩-২০০৮ তাৰিখে অসম মহিলা সমতা ছ্ছাইটিৰ সহযোগত 'গান্ধী আৰু নাৰী' আৰু 'গান্ধী আৰু শিক্ষা' শীৰ্ষক আলোচনাচক্ৰ। স্থান ঃ সেউজ বিবাহ ভৱন।

৩০-৩-২০১৮ তাৰিখে 'গান্ধী আৰু অহিংসা' শীৰ্ষক বক্তৃতানুষ্ঠান আৰু 'লাগে ৰহো মুন্নাভাই' ছবিৰ প্ৰদৰ্শন। স্থান ঃ নগাঁও জিলা কাৰাগাৰ।

২৯-৪-২০০৮ তাৰিখে 'বৰ্তমান সমাজত গান্ধীৰ প্ৰাসংগিকতা' শীৰ্ষক বক্তৃতানুষ্ঠান আৰু 'লাগে ৰহো মুন্নাভাই' ছবিৰ প্ৰদৰ্শন । স্থান ঃ নগাঁও 'নাৰীগৃহ'

৬-৪-২০০৮ 'গান্ধী আৰু আন্তৰাষ্ট্ৰীয় শান্তি' শীৰ্ষক বক্তৃতানুষ্ঠান। স্থান ঃ মহাবিদ্যালয় প্ৰেক্ষাগৃহ।

২১-১-২০০৮ তাৰিখে 'গান্ধীবাদী সামাজিক সমালোচনা ন্যায়ৰক্ষক, অহিংসা আৰু গণতন্ত্ৰ' শীৰ্ষক কৰ্মশালা। স্থান ঃ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ। সমল ব্যক্তি— ড° মনীষা শৰ্মা, গু.বি.; ড° শিৱনাথ শৰ্মা, গু.বি.; ড° সৌৰভপ্ৰাণ গোস্বামী।

২৪-৮-২০১০ তাৰিখে 'গান্ধীৰ জীৱন আৰু তেওঁৰ দৰ্শন' বিষয়ক আলোচনা চক্ৰ। স্থান ঃ নগাঁও 'নাৰী গৃহ'।

২৫-৯-২০১০ তাৰিখে অসম মহিলা সমতা ছ্ছাইটিৰ সহযোগত 'গান্ধীৰ আধ্যাত্মিকতা আৰু সমাজত তাৰ প্ৰভাৱ' শীৰ্ষক বক্তৃতানুষ্ঠান। স্থান ঃ বগলীপাৰা, নগাঁও

৩১-১০-২০১০ তাৰিখে 'অহিংসাই একমাত্ৰ উপায়' শীৰ্ষক আলোচনা চক্ৰ। স্থান ঃ মহাবিদ্যালয় প্ৰেক্ষাগৃহ। সমল ব্যক্তি ঃ যোগেন্দ্ৰ পাৰিখ, গুজৰাট; হৰিশ কুমাৰ আগৰৱালা।

২৮-৬-২০১২ তাৰিখে Gandhian concept : Interogation and Exploroation শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ।

স্থান ঃ মহাবিদ্যালয় প্ৰেক্ষাগৃহ। সমল ব্যক্তি ঃ গোপাল চন্দ্ৰ খান (বৰ্দ্ধমান বিশ্ববিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অপূৰ্ব কুমাৰ বৰুৱা NEHUআদি।

যুগুতালে—

সহযোগী অধ্যাপিকা ৰত্নমালা ৰাজখোৱাই

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N.C.C)

১৯৪৮ চনত সংসদৰ বিশেষ অধিৱেশনৰ সিদ্ধান্ত অনুসৰি দেশৰ যুৱ শক্তিক সু-সংগঠিত কৰাৰ উদ্দেশ্যে ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ সূচনা কৰা হয় যদিও ১৯৬২ চনৰ চীনা আক্ৰমণৰ পিছতহে সমগ্ৰ ভাৰতবৰ্ষ তথা অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত ব্যাপক হাৰত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীক সহ-পাঠ্যক্ৰম হিচাপে অন্তৰ্ভুক্ত কৰাৰ অভিযান আৰম্ভ হয়।

ঘোষিত লক্ষ্য আৰু উদ্দেশ্যৰ সফল ৰূপায়ণৰ বাবে আমাৰ মহাবিদ্যালয়ৰ তদানীন্তন উপাধ্যক্ষ (পাছলৈ অধ্যক্ষ) ড° নাৰায়ণ চন্দ্ৰ বৰ্মণক Pre-Commission Training সম্পন্ন কৰাই তেখেতৰ তত্ত্বাৱধানত ১৯৬৩ চনত ২০০ জন ছাত্ৰ কেডেটক লৈ ৮ম অসম ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ অধীনত মহাবিদ্যালয়ত এটা Company খোলা হয়। ক্ৰমাগতভাৱে কেডেটৰ সংখ্যা বৃদ্ধিত আৰু এজন বিষয়াৰ প্ৰয়োজন হোৱাত শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক নৰেন্দ্ৰ নাথ শইকীয়াকো Pre-Commission Training সম্পন্ন কৰাই মহাবিদ্যালয়ৰ অংশকালীন NCC বিষয়া হিচাপে নিয়োজিত কৰা হয়। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ৰবীন্দ্ৰ চন্দ্ৰ বৰায়ো অন্তৰ্বৰ্তীকালীন NCC বিষয়া হিচাপে কাৰ্যভাৰ চলায়। উপৰিউক্ত কৰ্মকৰ্তাসকলে NCC বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰাৰ পিছত ভূগোল বিভাগৰ বৰ্তমানৰ মুৰব্বী অধ্যাপক খগেন্দ্ৰ মহেলাই Pre-Commission Training সম্পন্ন কৰি ১৯৮১ চনৰপৰা মহাবিদ্যালয়ৰ NCC বিষয়া হিচাপে কৃতকাৰ্যতাৰে কাৰ্যভাৰ চলাই আছিল যদিও তেওঁ উপাধ্যক্ষৰ আসন অলংকৃত কৰাৰ বাবে ২০১৩ বৰ্ষৰ পৰা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক অজিত ভৰালীয়ে এই দায়িত্ব পালন কৰি আছিছে।

মহাবিদ্যালয়ৰ NCC কেডেটসকলৰ বিভিন্ন দিশৰ সফলতা উল্লেখনীয়। উল্লেখ্য, NCC বিষয়া ড° নাৰায়ণ চন্দ্ৰ বৰ্মণৰ কাৰ্যকালতেই মহাবিদ্যালয়ৰ NCC কেডেট কৃষ্ণ শৰ্মাই দাৰ্জিলিঙস্থিত Jawaharlal Nehru Mountaineering Instituteৰ তত্বাৱধানত অনুষ্ঠিত 42-Basic Mountaineering Campত অংশগ্ৰহণ কৰি, Field Director এভাৰেষ্ট বিজয়ী টেনজিং নৰ্কেৰ অধীনত পাহাৰ, বৰফ বগোৱা অভিযানত বিশেষ কৃতকাৰ্যতা লাভ কৰিবলৈ সক্ষম হয়। কেডেট শৰ্মাই পৰৱৰ্তী কালত সামৰিক বাহিনীত Commissioned বিষয়া হিচাপে যোগদান কৰি Major পদলৈকে পদোন্নতি লাভ কৰি অৱসৰ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ Cadet সকলৰ ভিতৰত NCC-'C' চাৰ্টিফিকেট পাছ কৰি কৰি সামৰিক বিষয়া, অৰ্ধ সামৰিক বিষয়া, আৰক্ষী বিষয়া আৰু অন্যান্য বিভাগত নিয়োজিত হোৱাৰ উদাহৰণ অলেখ।

বৰ্তমান মহাবিদ্যালয়ত NCC কেডেটৰ সংখ্যা ১০০ জন। বিগত তিনি বছৰৰপৰা ৩৩% ছোৱালী কেডেট ভৰ্তি কৰোৱাৰ প্ৰক্ৰিয়া চলি আছে। ছাত্ৰ কেডেটৰ দৰে ছাত্ৰী কেডেটৰ পাৰদৰ্শিতাও কোনো গুণে কম নহয়। সময়ে সময়ে অনুষ্ঠিত হৈ থকা Annual Training Camp, Basic Leadership Camp, Social service Camp, Republic Day Camp আদি বিভিন্ন কেম্পত আমাৰ মহাবিদ্যালয়ৰ কেডেটসকলে পাৰদৰ্শিতা অৰ্জন কৰি আহিছে।

২০১৩ চনৰ পৰা বৰ্তমানলৈকে মহাবিদ্যালয়ৰ এন চি চিৰ চিটিঅ' (CTO) ৰূপে দায়িত্ব পালন কৰি আহিছে অসমীয়া বিভাগৰ অধ্যাপক ড° অজিত ভৰালীয়ে। ২০১৩ বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ খিলেশ্বৰ বসুমতাৰীয়ে নতুন দিল্লীত অনুষ্ঠিত RDC (Republic Day Camp)ত নিজৰ প্ৰতিভাৰ পৰিচয় ডাঙি ধৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

২০১৪ বৰ্ষত নগাঁৱৰ পুৰণিগুদামত অনুষ্ঠিত CATC (Combined Annual Training Camp)ত বিভিন্ন শিতানত মহাবিদ্যালয়ৰ এন চি চি সদস্যই তিনিটা সোণৰ আৰু আঠটা ৰূপৰ পদক লাভ কৰে। মহাৰাষ্ট্ৰত অনুষ্ঠিত NIC (National Integration Camp)ত দুটা সোণৰ পদক আৰু দুটা ৰূপৰ পদকেৰে মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই অনা দলটিয়ে তেজপুৰত অনুষ্ঠিত NIC ত এটা সোণৰ আৰু দুটা ৰূপৰ পদক লাভ কৰে। শ্বিলঙত অনুষ্ঠিত All India Tracking Campত সোণৰ পদকেৰে মহাবিদ্যালয়ৰ নাম উজ্জ্বল কৰা এই দলটিৰ সদস্যই All Assam Mountaincering Campত A+ গ্ৰেড দুজনে আৰু এজনে A গ্ৰেড লাভ কৰে।

২০১৫ বৰ্ষত গণৰাজ্য দিৱসৰ পেৰেডত মহাবিদ্যালয়ৰ এন চি চি সদস্যসকলে

প্ৰথম পুৰস্কাৰ লাভ কৰে। এই বৰ্ষতে CATC ত কেইবাটাও সোণ আৰু ৰূপৰ পদক লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। সদস্য মুনিন্দ্ৰ নাথে নতুন দিল্লীত অনুষ্ঠিত Thal Sainik Camp ত অংশ গ্ৰহণ কৰি নিজৰ যোগ্যতাৰ পৰিচয় দিয়ে।

২০১৬ আৰু ২০১৭ বৰ্ষত মহাবিদ্যালয়ৰ এন চি চি সদস্যসকলে নিয়মীয়াকৈ অনুশীলন আৰু কেম্পত অংশ গ্ৰহণ কৰাৰ লগতে স্বচ্ছ ভাৰত অভিযান, বিনামূলীয়া ৰক্তদান শিবিৰ, বৃক্ষৰোপণ, নিচামুক্তি দিৱস Disaster Management আদি কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰি আহিছে।

যুগুতালে ঃ **খগেন্দ্ৰ মহেলা আৰু ড° অজিত ভৰালীয়ে**

# আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ঃ ৰাষ্ট্ৰীয় সেৱা যোজনা গোট

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ১৯৭০ চনতে ৰাষ্ট্ৰীয় সেৱা যোজনা (National Service Scheme- N.S.S)ৰ এটি গোট (Unit) প্ৰৱৰ্তন কৰা হয়। এই যোজনা অনুসৰি, ৰাষ্ট্ৰীয় অনুদান আয়োগৰ দ্বাৰা একোজন অধ্যাপক (যোজনা-বিষয়া)ৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন জনকল্যাণমূলক কাৰ্য সম্পাদন কৰে।

আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ প্ৰথমজন যোজনা-বিষয়া আছিল অধ্যাপক ড° মলয় ৰয় আৰু দ্বিতীয়জন অধ্যাপক কুশৰাম শইকীয়া। ১৯৯৪ চনৰ শেষৰ ফালে দেৱপ্ৰসাদ হাজৰিকাই খড়গপুৰ আই. আই. টি, নৰেন্দ্ৰপুৰৰ ৰামকৃষ্ণ মিশ্যন আৰু অসম কৃষি বিশ্ববিদ্যালয়ত বিশেষ প্ৰশিক্ষণ গ্ৰহণ কৰে।

আমাৰ মহাবিদ্যালয়ত এখন পাঁচজনীয়া সমিতিৰ পৰামৰ্শমতে ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ কাৰ্যক্ৰম ৰূপায়ণ কৰা হয়। এই সমিতিত অধ্যক্ষ, উপাধ্যক্ষ, যোজনা-বিষয়া, এজন জ্যেষ্ঠ অধ্যাপক আৰু কাৰ্যালয়ৰ মুখ্য সহায়ক থাকে। প্ৰতি বছৰে মহাবিদ্যালয়ৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰে সেৱক-সেৱিকা দল গঠন কৰা হয়। দুজন শ্ৰেষ্ঠ সেৱক-সেৱিকাক কলেজ-সপ্তাহ-সমাৰোহত মানপত্ৰ আৰু পুৰস্কাৰ দিয়া হয়।

আমাৰ পূৰ্ববৰ্তী যোজনা-বিষয়া দুগৰাকীৰ কাৰ্যকালত মহাবিদ্যালয় গোটে অবিভক্ত নগাঁও জিলাৰ বিভিন্ন স্থানত শিবিৰ পাতি পিছপৰা অঞ্চলৰ ৰাইজলৈ সেৱা আগবঢ়াই গৈছে। আমাৰ দিনতো ৰাষ্ট্ৰীয় সেৱা যোজনা গোটে বিভিন্ন কাৰ্যসূচী ৰূপায়ণেৰে সুনাম আৰ্জিবলৈ সক্ষম হৈছোঁ। চাপৰৰ ৰত্নপীঠ মহাবিদ্যালয়, গুৱাহাটীৰ কে. আৰ. বি. গাৰ্লছ মহাবিদ্যালয় আৰু মৰিগাঁও মহাবিদ্যালয়ে পতা বিশেষ শিবিৰত

অংশ লৈ আমাৰ মহাবিদ্যালয় গোটে সুনাম আৰ্জিছে। নগাঁও জিলাৰ 'জলময়' গাঁৱত প্ৰাপ্তবয়স্কৰ শিক্ষাৰ শিবিৰ পাতি বিশেষ সমাদৰ পোৱা হয়।

প্ৰতিবছৰে মহাবিদ্যালয়তো দুই-তিনিটা শিবিৰ পাতি চৌহদ আৰু শ্ৰেণীকোঠাসমূহ চাফা কৰা হয়। বৃক্ষৰোপণ কৰা হয়। মাজে-সময়ে সেৱক-সেৱিকাসকলে ৰক্তদান কৰিয়ো বহু ৰোগীৰ উপকাৰ কৰে। অধ্যক্ষ নৰেন্দ্ৰ নাথ শইকীয়াৰ দিনত এইডছ্ প্ৰতিৰোধৰ বিষয়ে এটি শিৱিৰ পতা হৈছিল। বৰ্তমানৰ অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ তাত ওতপ্ৰোতভাৱে জড়িত আছিল।

২০০৩ চনত প্ৰশান্ত গগৈয়ে এই গোটৰ সমন্বয়ৰ দায়িত্ব লয়। পৰৱৰ্তী সময়ত ছাত্ৰ-ছাত্ৰীসকলক NSSৰ লক্ষ্য উদ্দেশ্য আৰু কাৰ্যপন্থাৰ বিষয়ে জনাবলৈ এলানি আলোচনাচক্ৰ আৰু কৰ্মশালা অনুষ্ঠিত কৰা হয়।

০৩-৯-১৩—১৩-৯-১৩ লৈ দেশজুৰি অনুষ্ঠিত স্বচ্ছতা অভিযানৰ অংশৰূপে মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীয়ে ওচৰ-পাঁজৰৰ অঞ্চলবোৰলৈ গৈ স্বচতা আৰু পৰিৱেশ সংৰক্ষণৰ কাৰ্যসূচী ৰূপায়ণ কৰে আৰু মহাবিদ্যালয়ত 'স্বাস্থ্য আৰু স্বচ্ছতা' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়।

মহাবিদ্যালয়ৰ NSS গোটে কেবাটাও ৰক্তদান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ১০-১০-১৩ তাৰিখে নগাঁৱৰ বি.পি. অসামৰিক চিকিৎসালয়ত অনুষ্ঠিত 'ৰক্তদান শিবিৰ', ১-১১-১৩ তাৰিখে নগাঁও জিলা প্ৰশাসনে অনুষ্ঠিত কৰা 'ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্ত দান' অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ উপৰি ৩০-১০-১৩ তাৰিখে মহাবিদ্যালয়ত মহাবিদ্যালয়ৰ NSSগোটে 'ৰক্তদান কাৰ্যসূচী' ৰূপায়ণ কৰে।

গতানুগতিক কাৰ্যসূচী (Regular Programme)ৰ ভিতৰত মাজে-সময়ে মহাবিদ্যালয়ত কিছু কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তাৰ ভিতৰত 'মানসিক চাপ নিয়ন্ত্ৰণ', 'ইংৰাজী কথোপকথন' আদি বিষয়ত আলোচনাচক্ৰৰ আয়োজন অন্যতম।

০৬-১১-১৩—১৩-১১-১৩ তাৰিখলৈকে নগাঁও জিলা দুৰ্যোগ প্ৰশমন বিভাগৰ দ্বাৰা NCC গোটৰ সহযোগিতাত মহাবিদ্যালয়ত College level Disaster Management programme ৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

১-১২-১৩ তাৰিখে World AIDS Dayৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ NSS আৰু NCC গোটৰ যৌথ উদ্যোগত বাটৰ নাট অনুষ্ঠিত কৰা হয় আৰু এই বাটৰ নাটৰ পৰিৱেশন দূৰদৰ্শনেও সম্প্ৰচাৰ কৰে।

১৬-১-১৪—১৮-১-১৪ তাৰিখলৈ NSS গোটৰ উদ্যোগত আৰু DDMA সহযোগত Doctor's For You শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হয়। ২২-৯-১৪—২৬-৯-

২০১৪ লৈ অনুষ্ঠিত Nagaon Emergency Excursive কৰ্মশালাৰ Table Top আৰু Mock Drill কাৰ্যসূচী মহাবিদ্যালয়ত অনুষ্ঠিত হয়।

২০১৫-১৬ বৰ্ষতো ছাত্ৰ-ছাত্ৰীক পৰীক্ষা আদিৰ চাপৰপৰা মুক্তিৰ উদ্দেশ্যে Stress Management শীৰ্ষক আলোচনাচক্ৰৰ আয়োজন কৰা হয়। ১৮-১০-১৬—২২-১০-১৬ লৈ প্ৰশাসনিক প্ৰতিৰক্ষাৰ উদ্যোগত আয়োজিত কাৰ্যসূচীতো NSS গোটে অংশগ্ৰহণ কৰে।

যুগুতালে ঃ

**দেৱপ্ৰসাদ হাজৰিকা**

**প্ৰশান্ত গগৈয়ে**

# Departmental Profiles

## Department of Arabic

The Department of Arabic was opened in the college in 1961 and was introduced in the pass course. It was from the session 1970-71 that Honours Course was initiated. It is noteworthy that among the Govt. aided colleges of Assam afiliated to Gauhati University, Anandaram Dhekiam Phookan College introduced Honours Course in the subject for the first time. The first lecturer and Head of the department was Prof. Abu Nasar Wahid who joined the department in 1961 and took the task of giving a shape and direction with his untiring devotion; but unfortunately he died a pre-mature death in 1977 while he was in service. The second lecture of the department, Prof. Md. Ayub Hasmi, who came from U.P. to join in the college in 1965, became the H.O.D. of the department after the demise of Prof. Wahid. He retired from service in 1992. Prof. (Mrs.) Raina Khanam Majumdar who joined the department in 1972 left the college in 1990 to join the Arabic department of Gauhati University as lecturer. Prof. Md. Habibur Rahman took charge of the department in 1992 and retired in 2012. Prof. Md. Habib Ullah served the department from 1992 to 2014. There are two other lectures in the department at present, Md. Abdul Karim (HOD) and Dr. Jahirul Islam. It is a matter of pride for the college that the department has so far produced a record number of 1st class Honours graduates under Gauhati University besides many other who have settled in different walks of life.

## Department of Assamese

Assamese, being the lingua-franca of the multiracial North-East region of India, has been started since the college was established in 1959 and has been taught not only as one Major Indian Language but also as a subject for study of literature. At the initial stage it remained confined to pass course until Major course was introduced in 1966. The department has also introduced PG Course in 2014. The first H.O.D. was Dr. Narayan Ch. Barman who retired in 1994 as the Principal of the college. Dr. Keshabananda Dev Goswami who joined the department in 1960 left the college to adorn the Sankardev Chair in Patiala University and thereafter he became the H.O.D. of Assamese in Dibrugarh University. Prof. Hirendra Nath Saikia who retired in 1996 was the lyricist of the college and another teacher Prof. Debendra Nath Saikia who retired in 2000 was a dramatist. Dr. Narendra Chandra Kalita who retired from the department in 2002, has authored a number of valuable books to his credit. Dr. Lilawoti Saikia Bora served the department for a period of three years from 1972 to 1974. Mrs Satyamoni Dutta who joined the department in 1987 served till her untimely death in 2009. Mr. Maheswar Kalita also served the department from 2001 to 2003. The present faculties are Mr. Jiban Narah, Dr. Rajita Kalita, Dr. Ajit Bharali, Dr. Milan Neog, and Dr. Jalin Prakash Chetia. Mr. J Narah was the recipient of "Sabda" Award in 2013 and Mr. A Bharali was awarded "Homen Borgohain Foundation's literary award" for best book of Article collection" in 2013.

## Department of Bengali

Bengali, being one of the major Indian languages of India, has been introduced in the college since its inception in 1959. It still serves as M.I.L. to cater to the needs of the students who desire to take the subject in lieu of Assamese. Major course in Bengali was introduced in 2016. The first lecturer of the department was Dr. Moloy Kr. Ray. He served the department as Head of the depart-

ment till his retirement in 1997. Besides being a teacher he was associated with many other cultural associations of town and was a musician. He gave music to the college anthem. The second lecture of the department Dr. (Mrs) Anima Bhattacharjee served from 1983 to 2012. Dr. Amalendu Bhattacharjee also served the department for a little span of time before he joined G.C. College, Silchar. The present faculties of the department are Dr. Ajit kumar Singha (HOD) and Mr. Nipon Das. Both the present faculties are recipient of literary awards. Dr. A Singh was awarded "Sahitya Ratna Puroskar" by Rashtrabhasha Barak Barta, Silchar in 2014, and Mr. Nipon Das was awarded "Dr. Rabindra Narayan Smriti Puraskar" by Nikhil Bharat Banga Sahitya Sanmillan.

## Department of Botany

The Department of Botany was started along with most of the departments of the science stream of the college in 1978. Initially it was confined to teaching the subject in pass course. Major course in the subject was opened in 1993. Like other departments of the science stream, the department of Botany also had to work under hard conditions in terms of class room facilities and laboratory. The department has been provided with a R.C.C. building with a well equipped laboratory to accommodate both pass course and major course. The first lecturer of the department was Mrs. Minakshi Saikia who served the department from 1978 to 1979. The other faculties who served the department were Mr. Prafulla Deka (from 1979 to 1981), Mrs. Aruna Devi (from 1979 to 2011), Mrs. Rini Tamuli Phukan (from 1980 to 1981), Mrs. Rani Hazarika (1980 to 1982), Mr. Bhabani Borah (from 1981 to 2014) and Mr. Bipul Kr. Bora (from 1982 to 2015). Dr. Sarif Uddin Ahmed who joined the department in 1981 and rendered his service till he became the principal of the college in 2004. The present faculties are Dr. Sonjira Hazarika, Mr. Bijumoni Borah, Mr. Debojit Rabha and Dr. Rajib Kagyung.

## Department of Chemistry

The Department of Chemistry was opened in the college simultaneously with most other departments of the Science stream of the college in 1978. At the initial stage, chemistry deptt. also had to bear much trouble like other departments of Science stream due to lack of proper facilities needed for the department and had to use the limited resource upto their optium level. The first lecturer appointed in the deptt. was Prof. (Miss) Monjushree Goswami who left the college the same year(1979). Prof. Abdul Hannan Choudhury was appointed in Feb. 1979 who along with three other lecturers appointed immediately after him namely Mr. A.N. Sharma, Dr. E. Karim, Mrs. S. Bora, worked hard to bring the department to a new height. Mr.Choudhury died in 2011 while in his service. Since its inception, the department has been offering education in the Pass course and in H.S. classes. Major course was started in 2002. At present, the department has the necessary facilities in terms of laboratories with proper specification both for pass course and Major course and in terms of class rooms. The present faculties of the department are Dr. M.K. Hazarika, Dr. Kishor Shah, Mrs. Sulakshna Brahma and Dr. M. Hormi.

## Department of Economics

The Department of Economics was started from the date of establishment of the college in 1959, although it had been offered affiliation by the G.U. in 1964 when Prof. Baneswar Saikia had been appointed as the first full time lecturer of the department. The department started offering Honours course from 1965. The lecturers who served the department were Mr. Krishna Kanta Phukan (from 1963 to 1996), Mr. Tushar Kanti Choudhury (from 1966 to 1980), Mr. Surendra Chandra Baroi (from 1966 to 1998), Dr. Madhurjya Prashad Bezbaruah, Mr. Biswajit Bhuyan, Mrs. Geeti Mallika Saikai (from 1981 to 2011) and Mr. Pallab Kr. Rajguru

(from 1986 to 1991). Mrs. Arati Bharali also served the department for a period of four years. The present faculties are Dr. Sanjib Kr. Barkakati, Dr. Kakali Baruah, Mrs. Alpana Baruah and Dr. Ganga Rani Das. Dr. Barkakati has been awarded "Chandrakanta Hiraprabha Memorial Vaishnavite Literature Award" in 2008.

## Department of Education

The Department of Education has been there in the college since the establishment of the college in 1959 and the first Head of the department was Prof. Hareswar Goswami. At the initial stage the department was engaged in rendering education in the pass course and Honours course was started in 1970 when the strength of the teachers was raised to four. The other teachers who rendered their service to the department were Narendranath Saikia(from 1962 to 1996), Mr. Jitendra Nath Borah(from 1964 to 1998), Dimbeswar Hazarika (1971-2004) and Dr(Mrs.) Menaka Saikia(1984-2006). The present incumbent H.O.D. Dr. Boby Bhuyan has two other members in the team namely Dr. Sabita Devi and Mrs. Archana Das. So far the department has produced many honours graduates who have established themselves in various walks of life.

## Department of English

As English is a compulsory subject, the Department of English was started from the day of establishment of the college on 7th September 1959. At the initial stage the department had to be kept confined to the teaching of the subject in pass course only. The first H.O.D. was Sri Atul Bora who remained in the college for a very short period of time. Sri Robindra Chandra Bora took over the charge of the department after him till he retired as Principal-in-charge of the college in 1999. Sri R.C. Bora, besides being a good teacher, was a poet and literary critic of repute. The department introduced Major course in the subject in 1986 and in the same year Alternative English was initiated to cater for the needs of the stu-

dents. It was under his stewardship, the department put a step forward towards completion. Mr. L. Prasad joined the department in 1966 and left it to join IAS. The faculties who served the department were Mr. Dhiren Ch. Bordoloi (from 1967 to 1997), Mr. Yamini Phukan, Mr. Nimai Ch. Sahu (from 1976 to 2005), Mr. Padma K. Sarma (from 1977 to 2010), Dr. Nityananda Pattanayak (from 1979 to 2015). Mr. Abdur Rouf rendered his service from 2008 to 2009 before he joined Kamrup College. The faculty now comprises Mrs. Neeta Sharma, Mr. Arindom Borkataki, Mrs. Archana Talukdar, Mr. Pyar Md. Raina and Dr. Chittaranjan Nath. Mr. Borkataki is the recipient of Sahitya Akademy Yuva Award, 2011 and Munin Botkataki Award, 2011, and a member of Assam Publication Board, Deptt. of Education, Govt. of Assam for three terms. The department has so far produced a number of honours graduates who have established themselves in various walks of life.

## Department of Geography

The Department of Geography was established in the college in 1965 simultaneously with the department of Mathematics with a view to catering for the needs and aspirations of the students who had evinced interest in science despite the fact that the college was unable to introduce science stream due to financial constraints at that time. The first lecturer, Prof. Debendra Nath Saikia undertook the charge of introducing the subject and by 1967 & 1970 two other lecturers namely Mr. Nagendra Ch. Nath and Mr. Kusha Ram Saikia joined under him so as to fulfill the needs of the pass course students. Mr. N. C. Nath also remained Principal-in-charge of the college. Major course in Geography was introduced in 1978. Mr. Khagendra Mahela joined the department in 1978 and served till his retirement as Vice-Principal in 2015. Mr. Ratul Kr. Bora served the department from 1980 to 1998 before he joined as Inspector of School. Mr. Deba Prasad Hazarika joined the department in 1982 and retired as the Vice Principal in 2017. The present

faculties are Mr. Prashanta Kr. Gogoi, Dr. Bismita Bora and Mr. Parag Dutta.

## Department of Hindi

The Department of Hindi was started in the college in 1976. Initially Hindi was introduced as MIL and remained in the same stage till 1998 when Advance Hindi was introduced in as one of the elective subjects. Major in the department was introduced in 1999. Mr. Krishna Ram Bora served the department as the first HOD who undertook the task of bringing the department to its present state. He was succeeded by Mr. Ohiduz Zaman who took retirement in 2017 as the HOD. Mr. Zaman is a recipient of "Bidya Pati Shri Award" of Bharatiya Itihas abong Shodh Pratishthan, Balaghad, MP. The present faculties of the department are Mrs. Gitamala Bora (HOD) and Dr. Abdul Mannan.

## Department of History

The Department of History is one of the several departments with which Anandaram Dhekiam Phookan College was established in 1959 initially as a night college. At the beginning, the department was started with intermediate and pass course in degree course, and honours course was introduced in 1966. The first head of the deptt. was Prof. Kandarpa Goswami. Prof Abdul Hye also joined the dept. in 1959 who became the Principal of the college later on. The other lecturers who served the dept. were Mr. D. Bora, Md. M. Shamsuddin, M.K. Baruah. Mr. Nityananda Bora , J.D. Goswami, Ms. M. Sharma, Mr. B.K.Saikia and Mr. Aminul Islam. There are three faculties in the dept. at present. The department so long has produced much worthy students who occupy prominent positions in the society after completion of P.G course. The present group of teachers besides holding regular classes devotes enough time in other academic activities of the students in general. The present faculty comprises Dr. Sadananda Payeng, Dr. Mianamuddin

Ahmed and Dr. Diganta Boroowa. The department has started PG Course from the session 2017-18.

## Department of Mathematics

The Department of Mathematics was initiated in the college simultaneously with the department of Geography in 1965. To fulfill the aspirations of some students who had much interest in science, the department was started even though the college could not think of opening the science stream owing to financial constraints at the time. The Major course in the subject was started in 1978. The first lecturer, appointed in the subject in 1965, was Prof. Ramani Mohan Das in 1965 who discharged his services as H.O.D. till he retired in 2003. Mrs. Ashoka Dev and Mrs. Niroda Deka rendered their services from 1969 to 2006 and 1970 to 2009 respectively. Mr. Dibyajyoti Hazarika served the department from 2011 to 2013 before he joined North Lakhimpur College. Dr. Jiwan Krishna Goswami joined the department in 2013 and served till he joined ACS in 2016. The present faculties who are serving the department are Mrs. Dipa Saikia, Dr. Gayatree Das and Mr. Nitin Sarma.

## Department of Physics

The Department of Physics was started along with the initiation of science stream in 1978 and Major course was started in 1986. The first Head of the Deptt. was Prof. Asraf Ali who died in harness in 2002, and after him Prof. Prabir Kr. Baruah took the charge of the Deptt. as H.O.D. and retired in 2007. Dr. Abu Hanifa joined the department in 1979 and worked till his retirement in 2011. Mr. Debajit Kumar Sharma joined in 1980 and retired as the vice principal of the college in 2016. Mr. Kailash Chandra Das and Mr. Debananda Debnath joined in 1982 and 1985 respectively and served the department till their retirement. Mrs. Deepsikha Kalita joined the department in 2002 and left the college in 2015 to join B.Baruah College. At present Dr. Jayanta Barman, Dr. Bhaskar J

Saikia and Dr. (Mrs.) Lakshmi K Singh are rendering their service to the department.

## Department of Philosophy

The Department of Philosophy was initiated in the college along with other departments of the Arts stream in 1959. The teaching of Philosophy remained confined to pass course till Major course was introduced in 1999. Abu Bakkar Md. Siddique had offered his services as part time lecturer from the beginning, before Prof. Rabindra Nath Sarma joined in the department as the first full time lecturer in 1962 and became the Head of the department. Both of them together contributed much to the growth of the department. Both of them retired from service in 1992. Prof. Ratnamala Rajkhowa was appointed in 1987 and she took over the charge of the department in 1992. Besides Mrs. Rajkhowa, the other two faculties presently serving in the department are Dr. G.D. Bhattacharya and Mrs. A. Tamuly.

## Department of Political Science

The Department of Political Science was started in the college in 1961. AT the early stage teaching of Political Science was confined to Degree, Pass Course and Pre-University classes. Major course was initiated in 1995. The first Head of the department was Prof. Puspa Kanta Bora who with three other lectures under him was instrumental in bringing the department to its completion. Prof. P.K. Bora retired in 1996 and after his retirement Prof. Sahajananda Ojha took the charge of the department. Prof. S. Ojha, besides being a well-known sports organizer of Assam, was member of the B.C.C.I. It is noteworthy, in this context, that he led the Indian cricket team to Pakistan in 1982 as Assistant Manager. Before his retirement in 2002, he had been the Principal-in-charge of the college for two years. The present faculties of the department are Dr. Sunaram Nath, Mr. Pijush Debnath, Mrs. Anjana Devi and Mr. Pranjal Hazarika.

## Department of Sanskrit

The Department of Sanskrit was opened in the college in 1959. At the initial stage teaching of the subject was confined to Pass course only. Major course in the subject was introduced from the session 1973-74. The first lecturer of the department was Prof. Sarad Madhav Kurse who came from Pune to join the department. He retired from service as the first Head of the department in 1995. He was a good social worker. He had a knack for singing and offered the musical note to the college anthem. The second lecturer of the department was Prof. Bhava Kanta Sarma who took the charge of the department after the retirement Prof. S. M. Kusre. Both of them with their erudition in the subject could attract students even from far flung areas. Prof. B.K. Sarma retired in 2000 .The third lecturer Dr. Thaneswar Sarma, after serving the college for a few years, left the college to join as the Reader in the department of Sanskrit of Gauhati University. Prof. Deheswari Bania joined the dept. in 1985 and served till her retirement in 2014.The present faculties of the dept. are Dr. Rangmala Roy, Mrs.Malavika Baruah and Dr. Chandana Deka.

## Department of Statistics

The Department of Statistics was opened in the college in 1988 in order to meet the needs of the students who wanted to take up the subject along with Mathematics and Economics. Prof. Joy Kumar Singh is the first lecturer who has much contribution to the growth of the department in the initial stage. The other faculties serving in the department at present are Mrs. Aparna Bairagi and Mr. Rajib Baruah. All the teachers are hard working and accommodating tö the students not only of the department but also to other students of the college.

## Department of Zoology

The Department of Zoology was started in A.D.P. College as

a part of Biology in Pre-University level in 1979. The under graduate class was introduced in the session 1982-83. Before Major course was started in the department in 2002, the department was mostly engaged teaching the pass course. Prof. Mukhtar Uddin Ahmed was the first lecturer as well as the first Head of the department who undertook the responsibility of giving shape and direction to the department. Mrs. Mamoni Phukon Rajkhowa joined the department in 1982 and served till 2017. Mrs. Depali Das and Mrs. Anjumoni Saikia served the department from 1985 to 1986 and 1987 to 1991 respectively. Mrs. Mina Choudhury joined the department in 1983 and presently working as the Vice-Principal. Other teachers serving in the department at present are Mr. Suranjan Bhowal and Dr. Afifa Kausar.

## Department of Herbal Science and Technology

The department of Herbal Science and Technology was established in 2013, proposed by Department of Botany in collaboration with Department of Chemistry with full grant-in-aid from UGC, New Delhi. Course offered by the department is M.Sc. in Herbal Science and Technology. The department aspires to provide educational opportunities to the students of biological science as well as chemical science. Its main vision is to spread knowledge about herbal science and to integrate traditional knowledge on natural resources with modern science and technology to make a big leap in the development of medicinal plants in North East. The teachers of this department take utmost care in guiding the students for developing intellectual qualities them in shaping their future for a purposeful and meaningful life. Dr. Mandakini Dutta served the department from 2013 to 2014. The present faculties serving in the department are Dr. Mousmi Saikia, Mr. Bapan Banik, and Mr. Pranob Bora.

ADP College, Nagaon is the first college in India to start the M.Sc. in Herbal Science and Technology course under Gauhati Uni-

versity. Now, Six to seven Colleges/Universities in India have M.Sc. programme in Herbal Science including ADP College. Many central universities have recently started similar like programme at graduation and post graduation level. The Department has already received overwhelmed response from across the state and neighboring North Eastern states. On receiving the very good response from the students the department has also approached to Gauhati University seeking permission to start B.Sc. in Herbal Sc. & Technology.

## Department of Computer Science

The existing computer centre which was established in 2004 was upgraded to Department of Computer Sc. in 2006 with introducing Computer Application (general Course) in TDC level with one permanent faculty, Sri Sidhartha Kr. Saikia. Full time regular PGDCA and BCA under GU was introduced in 2007 and 2008 respectively. Computer Science (General course) was introduced in 2011. College has applied for Govt. concurrence for BCA.

The departmental library has a collection of about 100 books. The department laboratory has upgraded with one HP server with 18 nos. of client terminals, three workstations with necessary software. The 2nd laboratory is setup in the year 2017 with total nos. of 30 client terminal and one HP server. The department faculty room has two workstations, one scanner and one laser printer. The department has broadband internet facilities for faculty & Students. The department has one smart classroom with sitting capacity of approximately 70 students. The department has constantly produced 1st class in BCA as well as PGDCA over the years who has established themselves in different areas of IT sector and pursuing higher studies. The faculty now comprises Mr Sidhartha Kumar Saikia, Mr. Deepjyoti Bora, and Mr. Dhiraj Kumar Borah. ⏭

*Prepared by Dr. Chittaranjan Nath and Pyar M. Raina*

# ৰূপালী জয়ন্তী উৎসৱত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদকৰ প্ৰতিবেদন

মাননীয় সভাপতি মহোদয়, নিমন্ত্ৰিত বিশিষ্ট অতিথিবৰ্গ, সমবেত সুধী সমাজ, মোৰ সহকৰ্মী অধ্যাপক আৰু অধ্যাপিকাবৃন্দ আৰু মৰমৰ ছাত্ৰ-ছাত্ৰীসকল! আমাৰ অতি মৰমৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ আজি ৰূপালী জয়ন্তী উৎসৱ আৰু এই বছৰৰ নৱাগত আদৰণি উৎসৱ অনুষ্ঠানটিত আপোনালোকক দুআষাৰ ক'বলৈ পাই পৰম আনন্দিত হৈছোঁ। এই বছৰৰ সাত ছেপ্তেম্বৰ তাৰিখৰ পৰাই আমাৰ এই মহাবিদ্যালয়খনিয়ে পঁচিশ বছৰত প্ৰৱেশ কৰিছে। মহাবিদ্যালয়ৰ পঁচিশ বছৰীয়া যৌৱনৰ ৰূপালী জয়ন্তী উৎসৱটি যিমান আড়ম্বৰপূৰ্ণ কৰি উদ্‌যাপন কৰিব লাগিছিল, সময়ৰ প্ৰতিকূল পৰিৱেশতে সেইদৰে পাতিব পৰা নগ'ল। এই উৎসৱটি যথাযথভাৱেহে আমি পালন কৰিছোঁহক।

আমাৰ মহাবিদ্যালয়খনি আৰম্ভ কৰাৰ আগৰে পৰাই নগাঁও চহৰত এখনি নৈশ মহাবিদ্যালয়ৰ আৱশ্যকতা নগএগ ৰাইজে অনুভৱ কৰি আহিছিল। ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত নগাঁৱত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সপ্তবিংশতিতম অধিৱেশনত অসমৰ সিংহ পুৰুষ স্বৰ্গীয় আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শতবাৰ্ষিকী উৎসৱো পালন কৰা হয়। সাহিত্য সভাৰ কৰ্মকতাসকলে নগাঁও চহৰতে শেষ নিশ্বাস ত্যাগ কৰা এই মহান পুৰুষজনৰ স্মৃতি যুগমীয়া কৰিবৰ কাৰণে নগএগ ৰাইজলৈ গোহাৰি জনায়। এই নতুন উদ্যমৰ পৰিপ্ৰেক্ষিততে নগাঁৱৰ এদল গণ্যমান্য লোকে "আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়" নামেৰে এখনি নৈশ মহাবিদ্যালয় পাতিবলৈ উঠি-পৰি লাগে।

এই উদ্দেশ্যৰেই লোক সেৱক স্বৰ্গীয় হলধৰ ভুএগৰ সভাপতিত্বত বহা এখনি

মুকলি সভাত “আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় পৰিচালনা সমিতি” এখন গঠন কৰা হয়। এই সমিতিখন স্বৰ্গীয় হলধৰ ভূঞা-সভাপতি, অধ্যাপক ললিত শইকীয়া-সম্পাদক, যোগেশ চন্দ্ৰ শৰ্মাক ধন ভঁৰালী হিচাপে লৈ বাইশজন অন্য সদস্যৰে গঠিত কৰি দিয়া হ'ল। ইয়াৰ পাছত আতাউৰ ৰহমান আৰু কুশলদেৱ গোস্বামীক যুটীয়া সম্পাদক হিচাপে লৈ সমিতিখন পুনৰ গঠন কৰা হয়।

এই পৰিচালনা সমিতিখনৰ ঐকান্তিক চেষ্টা, নগাঁও মহাবিদ্যালয়ৰ কেইজনমান অধ্যাপকৰ ত্যাগ আৰু সদিচ্ছা, প্ৰথম দল ছাত্ৰৰ আশাশুধীয়া যত্নত ১৯৫৯ চনৰ সাত ছেপ্তেম্বৰ তাৰিখে নগাঁৱৰ তৎকালীন অতিৰিক্ত চেচন জৰ্জ বি. শৰ্মাদেৱে এই মহাবিদ্যালয়খনৰ শুভ উদ্বোধন কৰে। তাৰ পিছদিনাখনৰ পৰাই স্থানীয় ডচন উচ্চতৰ বহুমুখী বিদ্যালয়ত পাঠদান আৰম্ভ হয়। পৰিচালনা সমিতিৰ আহ্বানক্ৰমেই সমিতিৰ উপ-সভাপতি স্বৰ্গীয় শুকদেৱ গোস্বামীয়ে অধ্যক্ষৰ গুৰুভাৰ লৈ ছাত্ৰ ভৰ্তিকৰণ আদি যাৱতীয় দায়িত্ব বহন কৰি অবৈতনিকভাৱেই কাম চলাই যায়। ১৯৬৪ চনৰ ১৬ অক্টোবৰৰ দিনা আকস্মিকভাৱে ইহলীলা সম্বৰণ কৰা পৰ্যন্ত তেখেত এই পদত অধিষ্ঠিত আছিল। স্বৰ্গীয় গোস্বামীদেৱৰ ত্যাগ আৰু সুযোগ্য পৰিচালনাত মহাবিদ্যালয়খনিয়ে প্ৰথম স্তৰত বহুত ঘাত-প্ৰতিঘাত অতিক্ৰম কৰিবলৈ সমৰ্থ হৈছিল। আজিৰ এই শুভ দিনত আমি তেখেতক গভীৰ শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ আৰু তেখেতৰ স্মৃতিৰ প্ৰতি অকুণ্ঠ সন্মান প্ৰদৰ্শন কৰিছোঁ। ভগৱানে যেন তেখেতৰ আত্মাক চিৰ শান্তিত ৰাখে— তাৰবাবে প্ৰাৰ্থনা জনাইছোঁ।

১৯৫৯ চনত আই. এ. প্ৰথম বাৰ্ষিক শ্ৰেণীত ছাত্ৰৰ সংখ্যা আছিল ২৪২ জন। নগাঁও মহাবিদ্যালয়ৰ ১১ গৰাকী অধ্যাপকে (সকলোৱেই Part timer হিচাপে) পাঠদান কৰিছিল। সেই সময়ত দুজন কাৰ্যালয় সহকাৰী আৰু এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল।

নগাঁও আইন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীনুৰুল আমিন আৰু শ্ৰীনুৰুল ইছলাম ভাতৃদ্বয়ে দিয়া ঘৰ এটিত মহাবিদ্যালয়ৰ কাৰ্যালয় চলোৱা হৈছিল। এই অনুষ্ঠানটিৰ জন্মলগ্নৰ অসহায় অৱস্থাত তেখেতসকলৰ এই অৱদানৰ কথা আমি কৃতজ্ঞতাৰে সোঁৱৰণ কৰিছোঁ। ১৯৫৬, ১৯৬০ আৰু ১৯৬১ চনৰ কালছোৱাত প্ৰথমে ডচন উচ্চতৰ বহুমুখী বিদ্যালয়ত, তাৰ পাছত নগাঁও মহাবিদ্যালয় আৰু নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ত ছাত্ৰসকলক পাঠদানৰ দিহা কৰা হৈছিল। এই তিনিওটি অনুষ্ঠানৰ সেই সময়ৰ কৰ্তৃপক্ষলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নগাঁও মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সেই মহাবিদ্যালয়ৰ এঘাৰগৰাকী অধ্যাপকক মাহিলি পঞ্চাশ

টকীয়া সামান্য পাৰিশ্ৰমিক এটি লৈয়েই আমাৰ এই মহাবিদ্যালয়ৰ জন্ম দিয়াৰ অনুমোদন দিয়াৰ কাৰণেও আজি শ্ৰদ্ধাৰে শলাগ লৈছোঁ। ইতিমধ্যে প্ৰতিষ্ঠাপক অধ্যক্ষ স্বৰ্গীয় শুকদেৱ গোস্বামীদেৱে মহাবিদ্যালয়ৰ কাৰ্যালয়টি তেখেতৰ নিজা বাসভৱনলৈ স্থানান্তৰিত কৰে।

১৯৬০ চনত ৬৬ জন ছাত্ৰৰে তৃতীয় বাৰ্ষিক শ্ৰেণী আৰম্ভ কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৬১-৬২ চনত আই. এ. আৰু ১৯৬২-৬৩ চনত বি. এ. মহলাক স্বীকৃতি দিয়ে।

এই সময়ছোৱাৰ ভিতৰতে বৰ্তমান মহাবিদ্যালয়ৰ এই ঠাইডোখৰতে প্ৰথমে এডোখৰ মাটি কিনি উত্তৰ আৰু দক্ষিণ ফালৰ পকী ঘৰ দুটাৰ কাম আৰম্ভ কৰা হয়। লগতে বৰ্তমানৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ কাৰ্যালয়টি সজোৱা হয়। গৃহ নিৰ্মাণৰ এই কাম চলি থাকোঁতেই ১৯৬১ চনৰ সোতৰ ছেপ্তেম্বৰ তাৰিখৰ পৰাই অস্থায়ী টিনৰ চালিৰ তলত মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ কৰা হয়। ইতিমধ্যে বিভিন্ন বিষয়ত পাঠদানৰ কাৰণে পূৰ্ণাঙ্গ পৰ্যায়ৰ অধ্যাপক নিযুক্তিও দিয়া হৈছে।

১৯৫৯ চনত মহাবিদ্যালয়খনি আৰম্ভ কৰোঁতে ইংৰাজী, অসমীয়া, বাংলা, অসমীয়া ঐচ্ছিক, বুৰঞ্জী, অৰ্থনীতি, সংস্কৃত, আৰবী, শিক্ষা— এই কেইটা বিষয়ৰহে পাঠদানৰ দিহা কৰা হৈছিল। মহাবিদ্যায়খন আৰম্ভণিৰ সময়ত ২৫০০ টকাকৈ দান দিয়াৰ কাৰণে তৰুণ চন্দ্ৰ বৰদলৈ আৰু ইউচুফ আলি আৰু ১০০০ টকা দান দিয়াৰ কাৰণে প্ৰাক্তন স্কুল উপ-পৰিদৰ্শক গোপাল চন্দ্ৰ দাসলৈ মই আজি পুনৰ অভিনন্দন জনাইছোঁ।

১৯৬৩ চনৰ জুলাই মাহৰ পৰা আমাৰ মহাবিদ্যালয়ে ৰাজ্যিক চৰকাৰৰ পৰা ১৫০০ টকীয়া এটি তদৰ্থ মঞ্জুৰী পায়। ১৯৬৪ চনৰ পহিলা এপ্ৰিলৰ পৰা এই মহাবিদ্যালয়খন ৰাজ্য চৰকাৰে ঘাটি মঞ্জুৰী অৱস্থালৈ উন্নীত কৰে। এই সময়ছোৱাৰ পাছৰে পৰাই আমাৰ মহাবিদ্যালয়খনিয়ে পুথিভঁৰাল, ছাত্ৰ-ছাত্ৰী জিৰণি কোঠা, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, ছাত্ৰ-ছাত্ৰী সাহায্য পুঁজি, খেলা-ধূলা আদি বিভিন্ন শিতানত বিশ্ববিদ্যালয়ৰ মঞ্জুৰী আয়োগ আৰু ৰাজ্যিক চৰকাৰৰ পৰা সাময়িক সাহায্য পাবলৈ সমৰ্থ হৈছে। ১৯৬৫ চনতে মহাবিদ্যালয় কৰ্তৃপক্ষই ২,৫০,০০০ টকাৰ পৰিকল্পনাৰে এটি দুমহলীয়া ঘৰ সজোৱাৰ কাম হাতত লয় আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু ৰাজ্যিক চৰকাৰৰ অনুদানৰ লগত সংগতি ৰক্ষা কৰি ২,৬১,০০০ টকাৰ খৰচেৰে ১৯৬৮ চনত এই ঘৰটি সম্পূৰ্ণ কৰা হয়। ১৯৬৮ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱত এই ভৱনটি 'লক্ষ্মীনাথ বেজবৰুৱা ভৱন' নামেৰে অসমৰ সেই সময়ৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাদেৱৰ দ্বাৰা মুকলি কৰোৱা হয়।

১৯৭০-৭১ চনৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলৰ সমূহীয়া অকুণ্ঠ সাহায্য আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৭০,০০০ টকাৰ সহায়ত, ১৯৭৬-৭৭ চনত "নন্ ৰেচিডেণ্ট্ ষ্টুডেণ্ট চেণ্টাৰ" ভৱনটি সম্পূৰ্ণ হৈ উঠে। পাঁচ বছৰৰ আগতেই ছাত্ৰাবাসৰ দুই মহলীয়া ঘৰ এটাৰ পৰিকল্পনা হাতত লৈ কাম আৰম্ভ কৰা হৈছিল যদিও এৰিব নোৱৰা নানা অসুবিধাত পৰি এই ছাত্ৰাৱাসটিৰ এটা অংশতহে ছাত্ৰ থকাৰ ব্যৱস্থা কৰিব পৰা হৈছে। আমি আশা ৰাখিছোঁ, অদূৰ ভৱিষ্যততে এই কাম সম্পূৰ্ণ হৈ উঠিব।

মহাবিদ্যালয়খনি এই ঠাইত আৰম্ভ কৰাৰে পৰাই আহল-বহল মাটিৰ অভাৱে এটি প্ৰধান অন্তৰায় হৈ পৰিছে। পূৰ্বৰ মাটিখিনিৰ আশে-পাশে সময়ে সময়ে অধিক চ'ৰা দামত কম কমকৈ একোডোখৰ মাটি কিনি থাকিবলগীয়া হৈছে। এইদৰে কিনি থকাৰ কাৰণেই বৰ্তমান মহাবিদ্যালয় চৌহদত মুঠ ৯ বিঘা ১ কঠা মাটি হৈছেগৈ। তাৰ কাৰণে যথেষ্ট পৰিমাণৰ ধনো খৰচ কৰিবলগীয়া হৈছে যদিও এইখিনিয়েই এখন মহাবিদ্যালয়ৰ বাবে যথেষ্ট মাটি নহয়।

বৰ্তমান মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত ১৭,০০০ৰ অধিক কিতাপ আছে। প্ৰায় দুকুৰিখনমান সাময়িকী আলোচনী আৰু বাতৰি কাকত লোৱা হয়।

১৯৬৫ চনৰ পৰাই আমাৰ মহাবিদ্যালয়ত সন্মানৰ পাঠ্যক্ৰম আৰম্ভ কৰা হয়। প্ৰথমতে অৰ্থনীতি, ৰাজনীতি বিজ্ঞান আৰু বুৰঞ্জী বিষয়তহে খোলা হৈছিল যদিও কেইবছৰমানৰ ভিতৰতে অসমীয়া, শিক্ষা সংস্কৃত, আৰবী, ভূগোল আৰু গণিত— এই ৯ টা বিষয়ত সন্মানৰ পাঠ্যক্ৰম খোলা হয়। এই বিষয়কেইটাত উল্লেখযোগ্য সুখ্যাতিৰে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হৈছে। অৰ্থনীতি, বুৰঞ্জী, সংস্কৃত, আৰবী আৰু ভূগোল বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি আমাৰ গৌৰৱ আনিছে। প্ৰাক্ বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ পৰীক্ষাত সাধাৰণভাৱে উত্তীৰ্ণ হোৱাৰ হাৰ বিশ্ববিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰতকৈ সদায়েই ওপৰত থাকে কাৰণে আমি গৌৰৱ অনুভৱ কৰোঁ।

নগাঁও জিলাত বিজ্ঞান শাখা থকা দ্বিতীয় এখন মহাবিদ্যালয় আমাৰ এই অনুষ্ঠানটিতেই আৰম্ভ কৰিবলৈ নেৰানেপেৰা চেষ্টা চলাই অহা হৈছিল যদিও সি কাৰ্যত পৰিণত হোৱা নাছিল। অৱশেষত ১৯৭৮ চনৰ শিক্ষা বছৰত আমাৰ এই মহাবিদ্যালয়ত কেৱল স্নাতক মহলাতহে বিজ্ঞান শাখা খুলিবলৈ চৰকাৰে অনুমতি দিলে। সেই অনুসাৰে সেই বছৰ স্নাতক মহলাৰ বিজ্ঞান শাখা খোলা হ'ল। অৱশ্যে ১৯৭৯ চনত পুনৰ প্ৰাক্ বিশ্ববিদ্যালয় স্তৰতো খোলাৰ অনুমতি পাবলৈ আমি সমৰ্থ হ'লোঁ। আগৰ গণিত আৰু ভূগোলৰ লগত নতুনকৈ ৰসায়ন, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান খোলা হ'ল। সেইদৰেই

প্ৰাক্ বিশ্ববিদ্যালয় স্তৰতো গণিত, ভূগোল, ৰসায়ন, পদাৰ্থ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞানৰ বিষয় খোলা হ'ল। দিবা আৰু নৈশ— এই দুয়োটা বিভাগতে পাঠদান দিয়াৰ ব্যৱস্থা হ'ল। কিন্তু আৰম্ভণিৰ দিনৰে পৰাই নানা অনুনয় বিনয় কৰিয়ো ৰাজ্যিক চৰকাৰৰ দ্বাৰা এই বিজ্ঞান শাখাটো ঘাটি মঞ্জুৰী অৱস্থালৈ অনাব পৰা নাই। এই আহুকলীয়া পৰিস্থিতিৰ কাৰণে নিযুক্তি দিয়া অধ্যাপক-অধ্যাপিকাসকলক স্বাভাৱিক প্ৰাপ্য দৰমহা দিব পৰা নাই; বিজ্ঞান শাখাৰ পাঠদানৰ কাৰণে আৱশ্যকীয় ঘৰ সজাব পৰা নাই। আমাৰ ওচৰতে থকা নগাঁও আইন মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সেই মহাবিদ্যালয়ত দিনৰ বিজ্ঞান শাখাৰ পাঠদানৰ ঠাই দিয়াতহে আমি অসুবিধাৰ মাজেৰেই চলিবলৈ সমৰ্থ হৈছোঁ। আজিৰ এই শুভ মুহূৰ্তত, নগাঁও আইন মহাবিদ্যালয়ৰ গুণগ্ৰাহী কৰ্তৃপক্ষক মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। যোৱা তিনি চাৰিটা বছৰত আমাৰ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত সুখ্যাতিৰে কৃতকাৰ্য হৈছে। এই বছৰৰ স্নাতক পৰীক্ষাত ভূগোলৰ সন্মানৰ পাঠ্যক্ৰমত এজনে প্ৰথম শ্ৰেণীৰ চতুৰ্থ স্থান, এজনে গণিতত দ্বিতীয় শ্ৰেণীৰ স্থান আৰু আন এগৰাকী ছাত্ৰীয়ে ডিষ্টিংচন সহ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ তালিকাত প্ৰথম স্থান অধিকাৰ কৰি আমাৰ গৌৰৱ বঢ়াইছে।

খেলা-ধূলা, তৰ্ক প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা আদি বিষয়তো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিগত বছৰকেইটাত যথেষ্ট সুনাম অৰ্জন কৰি আহিছে। মহাবিদ্যালয়ৰ নিজাববীয়াকৈ এখন মুকলি খেলপথাৰ নথকাৰ কাৰণে আমি সদায় এটি এৰিব নোৱৰা আহুকালৰ সন্মুখীন হৈ আহিছোঁ। তথাপি উদ্দীপনাৰ অভাৱ ঘটিছে বুলি ক'ব নোৱাৰো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্পৰ্টচ বোৰ্ডৰ অনুৰোধক্ৰমে ১৯৬৫ চনত আমাৰ মহাবিদ্যালয়ে আন্তঃ বিশ্ববিদ্যালয় ফুটবল প্ৰতিযোগিতা পৰিচালনা কৰে। ১৯৬৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া মহোৎসৱ আৰু ১৯৭২ চনত আন্তঃ কলেজ হকী প্ৰতিযোগিতা দক্ষতাৰে পৰিচালনা কৰে। ১৯৭৫ চনতো আমাৰ মহাবিদ্যালয়ে পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া মহোৎসৱ সুচাৰুৰূপে পৰিচালনা কৰে আৰু এই সমাৰোহত আমাৰ মহাবিদ্যালয়ৰ দলটি শ্ৰেষ্ঠ দল ৰূপে পৰিগণিত হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যিক স্পৰ্টচ বোৰ্ডৰ পৰা ৰাষ্ট্ৰীয় বৃত্তি পাবলৈকো সমৰ্থ হৈছে।

১৯৬৩ চনৰ পৰাই আমাৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণৰ সুবিধা দি অহা হৈছে। ১৯৬৩ চনতেই উপাধ্যক্ষ শ্ৰীনাৰায়ণচন্দ্ৰ বৰ্মন আৰু তাৰ পাছত শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীনৰেন্দ্ৰ নাথ শইকীয়াই প্ৰশিক্ষণ লৈ আহি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ভাৰপ্ৰাপ্ত শিক্ষক হিচাপে কাম কৰি আহিছে। ১৯৭৯ চনত উপাধ্যক্ষ শ্ৰীবৰ্মনে এই বিভাগৰ পৰা অৱসৰ লোৱাত ভূগোল বিভাগৰ অধ্যাপক শ্ৰীখগেন্দ্ৰ

মাহেলাই প্ৰশিক্ষণ লৈ আহিছে। আমাৰ মহাবিদ্যালয়ত যিসকলে প্ৰশিক্ষণ লৈছিল— তাৰ ভিতৰত বহুতেই ভাৰতীয় সেনা বাহিনীত, আৰক্ষী বিভাগত আৰু অন্যান্য বৃত্তিত সোমাই পৰিছে। শ্ৰীকৃষ্ণ শৰ্মা নামৰ এজন ছাত্ৰই বৰ্তমান সেনাবাহিনীত মেজৰ হিচাপে কাম কৰি আছে। এই বাহিনীৰ বছেৰেকীয়া শিবিৰবিলাকত আমাৰ ছাত্ৰই প্ৰতিযোগিতাসমূহত কৃতিত্ব দেখুৱাই আহিছে। সৰ্বভাৰতীয় শিবিৰ বিলাকতো পাৰদৰ্শিতা অৰ্জন কৰে। ১৯৮২ চনৰ পৰ্বত আৰোহণ শিবিৰত অংশ গ্ৰহণ কৰি প্ৰদীপ শইকীয়াই সৰ্বভাৰতীয় সন্মান লাভ কৰিছে। বৰ্তমান আমাৰ মহাবিদ্যালয়ত এটা ট্ৰুপে প্ৰশিক্ষণ লৈ আছে।

১৯৭০ চনৰ পৰাই আমাৰ মহাবিদ্যালযখন জাতীয় সমাজসেৱা আঁচনিৰ অন্তৰ্ভুক্ত কৰা হয়। অসমৰ কেইখনমান বছা বছা মহাবিদ্যালয়ত এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এই আঁচনি অনুসৰি ৰাষ্ট্ৰীয় অনুদান লৈ বিভিন্ন পিছপৰা অঞ্চলত শিবিৰ পাতি ছাত্ৰ-ছাত্ৰীসকলে জনকল্যাণ কাৰ্যসমূহ সম্পাদন কৰে। ডঃ মলয় কুমাৰ ৰয়ৰ তত্ত্বাৱধানত এই বাহিনীটোৱে উল্লেখযোগ্য সফলতাৰে কাম চলাই আহিছে। ১৯৭৩ চনত ডিফুত "দুৰ্ভিক্ষৰ বিৰুদ্ধে যুৱক" আঁচনিত বিশদিনীয়া শিবিৰ, ১৯৭৫ চনত ধিং অঞ্চলৰ দহখন গাঁৱত ২০ দিনীয়া শিবিৰ, ১৯৭৬ চনত মৰিগাঁৱৰ আঠখন গাঁৱত ১০ দিনীয়া শিবিৰ, ১৯৭৭ চনত নগাঁও পৌৰ সভা এলেকাত ১০ দিনীয়া শিবিৰ, ১৯৭৮ চনত ৰহা দীঘলীআটি অঞ্চলৰ আঠখন গাঁৱত ১০ দিনীয়া শিবিৰ, ১৯৮১ চনত পুৰণি গুদামত সাতদিনীয়া শিবিৰ, ১৯৮২ চনত চহৰীয়া জনজাতীয় অঞ্চলত ১০ দিনীয়া শিবিৰ অনুষ্ঠিত হৈ যায়। এই বিভিন্ন শিবিৰসমূহত অসম চৰকাৰৰ জনস্বাস্থ্য বিভাগ, বন বিভাগ, কৃষি আৰু মীন বিভাগ আৰু জন সংযোগ আৰু প্ৰচাৰ বিভাগৰ সহায়-সহযোগিতা সদায় পাই অহা হৈছে। ইয়াৰ উপৰিও প্ৰতি বছৰত একাধিক সাধাৰণ শিবিৰ পাতি সমাজসেৱা আগবঢ়োৱা হয়। এই আঁচনিৰ জৰিয়তেই ১৯৭৮ চনৰ পৰা "প্ৰাপ্তবয়স্কৰ সাক্ষৰতা অভিযান"ৰ কামো হাতত লোৱা হয়। নগাঁও জিলাৰ মুঠ ১১ টা কেন্দ্ৰত এই আঁচনিৰ যোগেদি শিক্ষা দান কৰি মুঠি ৩৩০ জন শিক্ষাৰ্থীক শিক্ষিত পৰ্যায়লৈ তুলি প্ৰমাণ-পত্ৰ দিয়া হৈছে।

বৰ্তমান আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আপেক্ষিকভাৱে বৃদ্ধি হৈছে। ১৯৮৩ চনত মুঠ ২৪০৫ জন ছাত্ৰ-ছাত্ৰী আছে। তাৰে কলা বিভাগত—

| | | |
|---|---|---|
| প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত | দিনত | ৩২৬ জন |
| | ৰাতি | ৮৫ জন |
| | মুঠ | ৪১১ জন |

| | | |
|---|---|---|
| প্ৰাক্ বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকত | দিনত | ৩১৩ জন |
| | ৰাতি | ৮০ জন |
| | **মুঠ** | **৩৯৩ জন** |
| প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত | দিনত | ২৮০ জন |
| | ৰাতি | ১৮৯ জন |
| | **মুঠ** | **৪৬৯ জন** |
| প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত | দিনত | ২৩৩ জন |
| | ৰাতি | ৬৫ জন |
| | **মুঠ** | **২৯৮ জন** |

কলা বিভাগৰ শ্ৰেণীসমূহত মুঠ ১৫৭১ জন ছাত্ৰ-ছাত্ৰী আছে বিজ্ঞান বিভাগত—

| | | |
|---|---|---|
| প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত | দিনত | ১৩২ জন |
| | ৰাতি | ১১৮ জন |
| | **মুঠ** | **২৫০ জন** |
| প্ৰাক্ বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকত | দিনত | ১৫০ জন |
| | ৰাতি | ৬১ জন |
| | **মুঠ** | **২১১ জন** |
| প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত | দিনত | ১১৬ জন |
| | ৰাতি | ১০৫ জন |
| | **মুঠ** | **২২১ জন** |
| প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত | দিনত | ৮১ জন |
| | ৰাতি | ৭১ জন |
| | **মুঠ** | **১৫২ জন** |

বিজ্ঞান বিভাগৰ শ্ৰেণীসমূহত মুঠ ৮৩৪ জন ছাত্ৰ-ছাত্ৰী আছে। এই দুয়োটা বিভাগতে নাম ভৰ্তিকৰণৰ কাৰণে আৱেদন কৰা ভালেমান ছাত্ৰ-ছাত্ৰীক আমি সুবিধা দিবলৈ অপাৰগ হোৱা কাৰণে আমি দুঃখিত।

বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ কলা বিভাগত মুঠ পোন্ধৰটা বিষয়ত পাঠদান কৰা হয়। তাৰে ৯ টা বিষয়ত সন্মানৰ পাঠ্যক্ৰম আছে। সেইদৰে বিজ্ঞান বিভাগতো মুঠ ১০ টা বিষয়ত পাঠদান কৰা হয়। তাৰে দুটা বিষয়ত সন্মানৰ পাঠ্যক্ৰম আছে। অধ্যক্ষকে ধৰি এতিয়া আমাৰ মহাবিদ্যালয়ত মুঠ ৬১ গৰাকী অধ্যাপক-অধ্যাপিকা

আছে। তাৰ ভিতৰত ৪৫ জনৰহে চৰকাৰী অৰ্থ অনুমোদন পোৱা হয়। ১৫ জনৰ দৰমহা মহাবিদ্যালয়ৰ নিজা পুঁজিৰ পৰাই বহন কৰিব লাগে। আন এগৰাকী অংশকালীন অধ্যাপিকাৰ দৰমহাও নিজা পুঁজিৰ পৰাই দিবলগা হয়। এইদৰেই মহাবিদ্যালয়ৰ আৰ্থিক দিশটোৱে আমাক স্বাভাৱিক অগ্ৰগতিত বাধা দি আহিছে।

আজি এইখিনিতে মই স্বীকাৰ কৰোঁ যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষানুষ্ঠানৰ অত্যাৱশ্যকীয় সা-সুবিধাখিনিৰ যোগান আমি ধৰিব পৰা নাই। যি সামান্যভাৱে আগবঢ়োৱা হৈছে, আঢ়ৈ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠান এটাত সি নিচেই সামান্য। এই আশা ৰাখিছোঁ যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ধৈৰ্য আৰু উদ্যম নেহেৰুৱাই আমাৰ অৱস্থাৰ লগত সহযোগিতাৰে আগবাঢ়িলে আমি আগুৱাই যাব পাৰিম। আমাৰ শিক্ষকসকলকো দিবলগীয়া সা-সুবিধাখনি আমি দিব পৰা নাই। তেখেতসকলেও অৱস্থাৰ গুৰুত্ব বুজি অভাৱ-অনাটনলৈ আওকাণ কৰি, ছাত্ৰ-ছাত্ৰীক পাঠদানৰ মূল বিষয়টোৰ প্ৰতি সদা সতৰ্ক হৈ থকাৰ কাৰণে মই আন্তৰিকাৰে তেখেতসকলৰ শলাগ লৈছোঁ।

আজিৰ এই ৰূপালী জয়ন্তী উৎসৱৰ দিনত আমাৰ এই মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰাই জড়িত হৈ থকা পৰলোকগত ব্যক্তিসকলক পৰম শ্ৰদ্ধাৰে সোঁৱৰিছোঁ। তেখেতসকলৰ আদৰ্শ আৰু আশীসবাণী আমাৰ জীৱনত চিৰকালেই পথ প্ৰদৰ্শক হৈ ৰ'ব। ব্যক্তিগতভাৱে কৃতজ্ঞতা জনাবলৈ অপাৰগ হৈ, আজি এই শুভক্ষণতে আমাৰ মহাবিদ্যালয়ৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত সকলো শুভাকাংক্ষীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। এই সুদীৰ্ঘ পঁচিশ বছৰ কালছোৱাত এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি যোৱা সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীলৈ মই হিয়াভৰা ওলগণি জনাইছোঁ। সেই সকল ব্যক্তিলৈ মোৰ এটি সবিনয় অনুৰোধ যে তেখেতসকলে এই মহাবিদ্যালয়খনিলৈ সদায় চেনেহৰ দৃষ্টিৰে চায় আৰু দিহা-পৰামৰ্শৰে সহযোগিতাৰে আমাৰ অগ্ৰগতিত সহায় কৰে।

আমাৰ মহাবিদ্যালয়ৰ পৰা অৱসৰ লোৱা বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় কন্দৰ্পদেৱ গোস্বামী আৰু আৰবী বিভাগৰ মুৰব্বী অধ্যাপক স্বৰ্গীয় আবু নছৰ ৱাহেদক আজিৰ এই ৰূপালী জয়ন্তী উৎসৱত আমি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

নৱাগত আদৰণী উৎসৱটিও একেলগেই উদ্‌যাপিত হৈছে যেতিয়া এই বছৰত প্ৰাক্ বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ প্ৰথম বাৰ্ষিক ছাত্ৰ-ছাত্ৰীসকললৈ মই আন্তৰিকতাৰে আদৰণি জনাইছোঁ। তেখেতসকলে উচ্চ শিক্ষাৰ এটি উজ্জ্বল আশা লৈ ইয়ালৈ আহিছে আৰু সেই উদ্দেশ্য পৰিপূৰণৰ কাৰণে মই কামনা কৰিছোঁ। আমাৰ

মহাবিদ্যালয়ৰ পূৰ্বৰ সন্মানৰ আৰু অধিক শ্ৰীবৃদ্ধি আনিব বুলি আমি আশান্বিত হৈছোঁ। সমাজ জীৱনৰ প্ৰতিযোগিতাত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীকে আহ্বান জনাইছোঁ। মহাভাৰতত কৰ্ণই কোৱাৰ দৰেই "দৈৱায়ত্তম্‌কুলে জন্ম মদায়ত্বং তু পৌৰুষাম্" অৰ্থাৎ দৈব শক্তিৰ অধীনৰ আমি যি কোনো জাতি বা ধৰ্মতেই জন্ম গ্ৰহণ নকৰো লাগিলে, মানৱীয় পুৰুষালি আমি নিজেহে আয়ত্ব কৰিব পাৰিম। জাতি, ধৰ্ম, ধনী-দুখীয়াৰ প্ৰভেদ পৰিহাৰ কৰিবলৈ শিকি প্ৰেম আৰু একতাৰ শক্তিৰে সকলো ছাত্ৰ-ছাত্ৰীয়ে উন্নতিৰ পথত অগ্ৰসৰ হ'ব বুলি বাঞ্ছা কৰিছোঁ।

উনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া পুৰুষসিংহ স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকনৰ নামতে আৰু আদৰ্শত আমাৰ এই মহাবিদ্যালয়খনি উৎসৰ্গা কৰা হৈছে। মহাবিদ্যালয়খনিৰ নামটিৰ লগতে সমগ্ৰ অসমীয়াৰ এটি আবেগিক সহানুভূতিৰ সংযোগ আছে। পুৰণি অসমৰ এটি সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰি উপযুক্ত শিক্ষা অৰ্হতাৰে মিচনেৰীসকলৰ সহযোগিতাত উনবিংশ শতিকাৰ আগভাগত অসমৰ ঐতিহ্যপূৰ্ণ ভাষা-সংস্কৃতিৰ ওপৰত বঙালীসকলৰ অবাঞ্ছনীয় আধিপত্য উফৰাবলৈ চেষ্টা কৰোঁতা তেৱেঁই আছিল প্ৰথম আৰু শ্ৰেষ্ঠ অসমীয়া লোক। তেওঁৰ অদমনীয় সাহস, শ্ৰেষ্ঠ ব্যক্তিত্ব, গভীৰ পাণ্ডিত্য, কৰ্মময় জীৱন, জাতীয়তাবোধ, অসমীয়া ভাষা-সাহিত্যৰ গভীৰ অনুৰাগে তেওঁক এজন অগ্ৰগণী ভাৰতীয় তথা সৰ্বশ্ৰেষ্ঠ অসমীয়া হিচাপে গঢ়ি তুলিছিল। তেওঁৰ একেবাৰে চমু জীৱনৰ কাৰ্যকালে আজিৰ অসমীয়াক সঞ্জীৱিত কৰি ৰাখিছে। এইজনা মহান পুৰুষৰ আদৰ্শ যাতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে হৃদয়ঙ্গম কৰি সৎ আদৰ্শ আৰু মহৎ কৰ্মেৰে গৌৰৱ অৰ্জন কৰিব পাৰে— তাৰ কাৰণে সদায় জাগ্ৰত থকা উচিত। এই মহাবিদ্যালয়ৰ সুনাম আৰু গৌৰৱপূৰ্ণ ঐতিহ্য যাতে ভৱিষ্যতৰ ছাত্ৰ-ছাত্ৰীৰ তথা অসমীয়াৰ আদৰ্শৰ, প্ৰেৰণাৰ উৎস হয়, তাৰ কাৰণে যত্নবান হ'ব বুলি আশা ৰাখিলোঁ।

সদৌ শেষত, আপোনাকক আদৰ অভ্যৰ্থনা কৰাত নানা ত্ৰুটি-বিচ্যুতিৰ কাৰণে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। আনন্দৰাম ঢেকিয়াল ফুকনৰ আদৰ্শ আৰু সপোনৰ বাস্তৱ ৰূপায়ণ আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ গৌৰবোজ্জ্বল দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ। নমস্কাৰ। ইতি।

ৰাইজৰ আশীৰ্বাদ প্ৰাৰ্থী

**মোঃ আব্দুল হাই**

অধ্যক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক।

# সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদকৰ নিবেদন

অসমত আধুনিকতাৰ উন্মেষ ঘটোৱা অসমীয়াৰ নৱজাগৰণৰ মূল হোতা আনন্দৰাম ঢেকিয়াল ফুকনৰ পুণ্যস্মৃতিত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰৰ দিনা নগাঁৱৰ ৰাইজে কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত আমাৰ এই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিছিল। আজি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষত ঢেকিয়াল ফুকনৰ লগতে সেইসকল নগাঁৱৰ ৰাইজৰ অৱদানক আমি শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ। ঢেকিয়াল ফুকনৰ সপোনক এঢাপ আগুৱাই নিবলৈ অসমত বিশেষকৈ নগাঁও জিলাত উচ্চ শিক্ষাৰ সম্প্ৰসাৰণ গাঁৱে-ভূঞে ঘটাবলৈ এইসকল ব্যক্তিয়ে যিদৰে সকলোধৰণৰ প্ৰতিকূলতাৰ বিৰুদ্ধে যুঁজ দিলে তাৰবাবে আমি তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ। এইখিনিতেই মই নাম ল'ব বিচাৰিছোঁ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামী, কলেজৰ প্ৰতিষ্ঠাপক শিক্ষকসকল, প্ৰাৰম্ভিক সময়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ যিসকলৰ সন্মিলিত প্ৰয়াসে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ক আজিৰ পৰ্যায় দিলেহি।

যোৱা পঞ্চাশটা বছৰত মহাবিদ্যালয়খনে সময়ৰ ধাৰাবাহিকতাৰ সৈতে গতি মিলাই স্বৰ্গীয় শুকদেৱ গোস্বামী, স্বৰ্গীয় কন্দৰ্পদেৱ গোস্বামী, স্বৰ্গীয় আব্দুল হাই, ড° নাৰায়ণ চন্দ্ৰ বৰ্মন, শ্ৰীনৰেন্দ্ৰ নাথ শইকীয়া, শ্ৰীজীতেন্দ্ৰ নাথ বৰা, শ্ৰীৰবীন্দ্ৰ চন্দ্ৰ বৰা, ড° ৰামচন্দ্ৰ ডেকা, শ্ৰীসহজানন্দ ওজা আৰু শ্ৰীনগেন্দ্ৰ চন্দ্ৰ নাথৰ দৰে অধ্যক্ষৰ নেতৃত্বত প্ৰভূত উন্নতি লাভ কৰিবলৈ সক্ষম হৈছে। এই উন্নতি মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশৰ উপৰিও আন্তঃগাঁথনি আৰু পাঠ্যক্ৰম সহযোগী আদি অন্যান্য আনুষঙ্গিক ক্ষেত্ৰলৈকো বিস্তৃত। কলা আৰু বিজ্ঞান শাখাৰ পূৰ্ণাংগ পাঠ্যক্ৰমেৰে মহাবিদ্যালয়খনত বৰ্তমান ১৫০০ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা লাভ কৰি আছে আৰু মুঠ ১০৮ গৰাকী শিক্ষক আৰু কৰ্মচাৰীয়ে কাৰ্যনিৰ্বাহ কৰি আছে। মহাবিদ্যালয়খনত ১৬টা বিষয়ত

প্ৰধান পাঠ্যক্ৰম আৰু ১৯টা বিষয়ত সাধাৰণ পাঠ্যক্ৰমৰ উপৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ-সাহায্যত কেইবাটাও বিষয়ত বৃত্তিমূলক পাঠ্যক্ৰমত পাঠদানৰ ব্যৱস্থা আছে। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত Self Financing ব্যৱস্থাত পি জি ডি চি এ, Fashion Designing আৰু বি চি এ পাঠ্যক্ৰমো আৰম্ভ কৰা হৈছে।

মহাবিদ্যালয়খনৰ মুঠ ৯ বিঘা ১ কঠা মাটি আছে য'ত তেৰটা ভৱন, দুটা চাইকেল ষ্টেণ্ড, এখন কেণ্টিন, এটা কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ আৰু এখন খেলপথাৰ আছে। প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰোপৰি দুটা ছাত্ৰী-নিবাসো মহাবিদ্যালয়ৰ চৌহদতে আছে। ২০০৬ চনৰপৰা আমাৰ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক শ্ৰেণীত নামভৰ্ত্তিৰ বাবে এক ন্যূনতম নম্বৰৰ সীমা বান্ধি দিয়া হয় আৰু তাৰ সুফল যোৱা কেইবছৰত আমি লাভ কৰিবলৈ সক্ষম হৈছোঁ। ২০০৯ চনত উচ্চতৰ মাধ্যমিক কলা আৰু বিজ্ঞান শাখাত ক্ৰমে ৭১% আৰু ৯৪% ছাত্ৰ-ছাত্ৰী উৰ্ত্তীণ হৈছে। বিজ্ঞান শাখাত স্নাতক মহলাত এই বছৰ অধিক মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে, যাৰবাবে মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনা আমি দেখিছোঁ। শেহতীয়াকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত দেখুওৱা উল্লেখযোগ্য ফলাফলে মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশটোৰ উন্নতিকেই প্ৰতিফলন কৰিছে। এইবছৰ বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত মহাবিদ্যালয়ৰ কলা শাখাৰ চাৰিজন আৰু বিজ্ঞান শাখাৰ তিনিজন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণী আৰু এগৰাকীয়ে প্ৰথম বিভাগ লাভ কৰিবলৈ সক্ষম হৈছে। এই আঠগৰাকীৰ ভিতৰত ৬ গৰাকীয়ে ডিষ্টিংচন লাভ কৰিছে। ইতিমধ্যে মহাবিদ্যালয়ত UGC Sponsored Mushroom Cultivation, Bio-Fertilizer, Electronic Instrument Maintenance, Computer Application আদি বৃত্তিমুখী পাঠ্যক্ৰম শ্ৰেণী চলি থকাৰ উপৰি শেহতীয়াকৈ Fashion designing আৰু Dress makingৰ পাঠ্যক্ৰমো আৰম্ভ কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত মহাবিদ্যালয়ত ইংৰাজী, অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, বুৰঞ্জী, শিক্ষা, ৰসায়ন বিজ্ঞান আদি বিভাগত নিৰাময় পাঠ্যক্ৰমৰ শ্ৰেণীসমূহ চলি আছে। ২০০৭ চনৰপৰা প্ৰৱৰ্তন হোৱা এই পাঠ্যক্ৰমে বিশেষকৈ দৰিদ্ৰ-সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰভূত সহায় কৰিছে। ইয়াৰোপৰি এইবছৰৰপৰা কৰ্মসংস্থাপনৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰি তুলিব পৰা পাঠ্যক্ৰমৰ দিহা কৰা হ'ব।

আমাৰ বাবে অতি আনন্দৰ কথা যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত মহাবিদ্যালয়ত এটা 'গান্ধী-অধ্যয়ন কেন্দ্ৰ' স্থাপন কৰা হৈছে। এই কেন্দ্ৰটোৱে ইতিমধ্যে গান্ধী-দৰ্শনৰ সৈতে জড়িত কৰ্মশালা, বক্তৃতা অনুষ্ঠান, চেমিনাৰ আৰু অন্যান্য সম্প্ৰসাৰণ অনুষ্ঠানৰ আয়োজন কৰিছে। মহাবিদ্যালয়ে একে সময়তে গান্ধী দৰ্শন আৰু

মানৱ অধিকাৰৰ দৰে বিষয়ত চাৰ্টিফিকেট পাঠ্যক্ৰমৰো প্ৰৱৰ্তন কৰিছে। যোৱা বছৰটোত মহাবিদ্যালয়খনত বিভিন্ন বিষয়ত কেইবাখনো উল্লেখযোগ্য আলোচনাচক্ৰ অনুষ্ঠিত হৈছে য'ত ৰাজ্যৰ কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি আমাক উৎসাহিত কৰিছে। বাছকবনীয়া গ্ৰন্থ সম্ভাৰেৰে আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটো যিকোনো গ্ৰন্থপ্ৰেমীৰ বাবেই আকৰ্ষণৰ বিষয় হ'ব। গ্ৰন্থাগাৰৰ লগতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ সুবিধা প্ৰদানৰ বাবে এক বিশাল অধ্যয়ন কোঠাও নিৰ্মাণ কৰা হৈছে। যোৱা কেইবছৰৰ ভিতৰত বেজবৰুৱা ভৱনৰ দ্বিতীয় মহলাৰ একাংশত এখন স্থায়ী টিনৰ চালি দিয়া হৈছে। অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থসাহায্যত দুমহলীয়া প্ৰশাসনীয় ভৱনটোও নিৰ্মাণ হৈ উঠিছে। এইসময়তে নিৰ্মাণ হোৱা দুটা ছাত্ৰী নিবাসে দূৰণিৰ ছাত্ৰীসকলৰ থকা-মেলাৰ সমস্যা আঁতৰ কৰিব বুলি আশা কৰা হৈছে।

একে সময়তে নিৰ্মাণ কৰা হৈছে লেবৰটৰি আৰু প্ৰথম মহলাত শ্ৰেণীকোঠাৰ সৈতে উদ্ভিদ বিজ্ঞান বিভাগ, বেজবৰুৱা ভৱনত সভাকক্ষ, প্ৰথম মহলাত শ্ৰেণীকোঠাৰ সৈতে সোণালী জয়ন্তী ভৱন, অৰ্কিড হাউচ, কম্পিউটাৰ ভৱন আদি। এই সময়ছোৱাতেই মহাবিদ্যালয়খনে নিজাববীয়াকৈ ট্ৰেন্সফৰ্মাৰ স্থাপন কৰাৰ লগতে ছটা জেনেৰেটৰো ক্ৰয় কৰে, যাতে কাৰ্যালয় আৰু শ্ৰেণীসমূহলৈ অবিচ্ছিন্নভাৱে বিদ্যুৎ যোগান ধৰিব পৰা যায়। শেহতীয়া প্ৰযুক্তিৰ সুবিধা গ্ৰহণেৰে কাৰ্যালয়ৰ আধুনিকীকৰণৰ কামো চলি আছে আৰু শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে বিশুদ্ধ খোৱাপানী পাবৰ নিমিত্তে মহাবিদ্যালয়ৰ বিভিন্ন স্থানত মুঠ দহটা একোৱাগাৰ্ড স্থাপন কৰা হৈছে। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত বৰ্তমান এটা বিজ্ঞান ভৱনৰ নিৰ্মাণ, কলেজ কেণ্টিনৰ নিৰ্মাণ, ৰসায়ন বিজ্ঞান বিভাগ আৰু লেবৰেটৰি নিৰ্মাণ আৰু প্ৰশাসনীয় ভৱনক পৰিৱৰ্ধন কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে।

বৰ্তমান আমাৰ মহাবিদ্যালয়খনে অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। মই আশা কৰোঁ অসম চৰকাৰৰ সহায়-সহানুভূতিত, নগাঁও জিলাৰ উপায়ুক্ত তথা আমাৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° জে. বালাজীৰ পৰিচালনাত, পৰিচালনা সমিতিৰ সদস্যসকলৰ দূৰদৰ্শী সিদ্ধান্তৰে, আমাৰ শিক্ষকসকলৰ ত্যাগেৰে, কাৰ্যালয় কৰ্মচাৰীসকলৰ নিষ্ঠাৰে, ছাত্ৰ-ছাত্ৰীসকলৰ কঠোৰ পৰিশ্ৰমেৰে আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সাধাৰণ ৰাইজৰ শুভ ইচ্ছা আৰু আশীৰ্বাদেৰে মহাবিদ্যালয়খন উন্নতিৰ জখলাৰে বহুদূৰ আগুৱাই যাব পাৰিব।

মহাবিদ্যালয়খন সোণালী জয়ন্তী বৰ্ষৰ বিদায় বেলাত উপনীত হৈছেহি। সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী হিচাপে তিনিটা সোণালী জয়ন্তী বৰ্ষ স্মাৰক বক্তৃতা অনুষ্ঠিতকৰণ, আনন্দৰাম ঢেকিয়াল ফুকনৰ বিষয়ে এখন গ্ৰন্থ প্ৰণয়ন, সোণালী জয়ন্তী

ভৱন নিৰ্মাণ আদি বহুতো কাৰ্যসূচী হাতত লোৱা হৈছে। সামৰণী কাৰ্যসূচী আগন্তুক ছেপ্টেম্বৰ মাহৰ প্ৰথম ভাগতে অনুষ্ঠিত কৰা হ'ব। সোণালী জয়ন্তী সমাৰোহত হৈ যোৱা কাৰ্যসূচীত যিসকলে যোগদান কৰি আমাক কৃতাৰ্থ কৰিলে, সেইসকললৈ আমাৰ কৃতজ্ঞতা জনালোঁ। সামৰণী কাৰ্যসূচীলৈও সংশ্লিষ্ট সকলোকে সাদৰে আমন্ত্ৰণ জনালোঁ। সোণালী জয়ন্তী সমাৰোহৰ উদ্‌যাপনৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, অধ্যাপক-অধ্যাপিকাসকল, ছাত্ৰ-ছাত্ৰীসকল, কাৰ্যালয়ৰ কৰ্মচাৰীসকল, গ্ৰন্থাগাৰিক আৰু গ্ৰন্থাগাৰৰ কৰ্মচাৰীসকল আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণে আমালৈ সহায়-সহযোগিতা আগবঢ়াইছে। সকলোলৈকে আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষভাৱে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ মুখ্য পৃষ্ঠপোষক, বন-পৰ্যটন আদি বিভাগৰ মন্ত্ৰী ৰকিবুল হুছেইনদেৱক তেখেতৰ সহায়-শুভেচ্ছা আৰু বদান্যতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সোণালী জয়ন্তী উদ্‌যাপনৰ আদৰণী সমিতিৰ সম্পাদক হিচাপে হ'ব পৰা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিলোঁ।

জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়।

তাৰিখ ঃ ৩১-৮-২০০৯

**ড° ছৰিফ উদ্দিন আহমেদ**
অধ্যক্ষ তথা সম্পাদক
সোণালী জয়ন্তী উদ্‌যাপন সমিতি

# পৰিশিষ্ট

## পৰিচালনা সমিতিৰ সভাপতিসকল (১৯৬৪-২০১৭)

| | | | |
|---|---|---|---|
| ১) | টি. আৰ. কৃষ্ণমূৰ্তি (তদানীন্তন উপায়ুক্ত) | | ১৯৬৪ |
| ২) | ৰূপৰাম সুত | | ১৯৬৬ |
| ৩) | ভুবনেশ্বৰ গোস্বামী | | ১৯৮০ |
| ৪) | এচ. কাবিলন (তদানীন্তন উপায়ুক্ত) | | ১৯৮২ |
| ৫) | এচ. চেটাৰ্জী (তদানীন্তন উপায়ুক্ত) | | ১৯৮৩ |
| ৬) | বি. চি. ৰাজীৱ (তদানীন্তন উপায়ুক্ত) | | ১৯৮৩ |
| ৭) | জে. খোচ্‌লা (তদানীন্তন উপায়ুক্ত) | | ১৯৮৫ |
| ৮) | ভুৱনেশ্বৰ গোস্বামী | | ১৯৮৬ |
| ৯) | ইউ. চি. ভুঞা (তদানীন্তন উপায়ুক্ত) | | ১৯৮৮ |
| ১০) | সুভাস দাস (তদানীন্তন উপায়ুক্ত) | | ১৯৮৯ |
| ১১) | ধ্ৰুৱকুমাৰ শইকীয়া | | ১৯৯০ |
| ১২) | দেৱেন্দ্ৰনাথ বৰা | | ১৯৯৪ |
| ১৩) | মহেশ চন্দ্ৰ দাস | | ১৯৯৭ |
| ১৪) | প্ৰতীক হাজেলা (তদানীন্তন উপায়ুক্ত) | | ২০০২ |
| ১৫) | ড° জে. বি. এক্কা (তদানীন্তন উপায়ুক্ত) | | ২০০৫ |
| ১৬) | ড° জে. বালাজী (তদানীন্তন উপায়ুক্ত) | | ২০০৬ |
| ১৭) | সহজানন্দ ওজা (ভাৰপ্ৰাপ্ত) | | ২০০৯ |
| ১৮) | ড° নাৰায়ণ চন্দ্ৰ বৰ্মন | | ২০১০ |
| ১৯) | সহজানন্দ ওজা | | ২০১৫ |

## আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
## ছাত্ৰ একতা সভাৰ সভাপতিসকল

| | |
|---|---|
| ২০১৫-১৬ | অম্লান প্ৰতিম হাজৰিকা |
| ২০১৬-১৭ | অনুপম ৰাজখোৱা |

## ছাত্ৰ একতা সভাৰ উপ-সভাপতিসকল

| | |
|---|---|
| ১৯৯০-৯১ | জাকিৰ হুছেইন চৌধুৰী |
| ১৯৯১-৯২ | মুৰলী বৰুৱা |
| ১৯৯২-৯৩ | গুপ্ত মেধি |
| ১৯৯৩-৯৪ | জ্ঞানমণি শৰ্মা |
| ১৯৯৪-৯৫ | পংকজ ডেকা |
| ১৯৯৫-৯৬ | ছাদিকুজ জামান আকন্দ (মনোনীত) |
| ১৯৯৬-৯৭ | নজৰুল হক |
| ১৯৯৭-৯৮ | অপল কুমাৰ নাথ |
| ১৯৯৮-৯৯ | প্ৰাঞ্জল বৰদলৈ |
| ১৯৯৯-২০০০ | ইলটাফ হুছেইন |
| ২০০০-০১ | ৰাজিউল্লাহ কবিৰ |
| ২০০১-০২ | ইনামুল হক আনছাৰী |
| ২০০২-০৩ | পৰাগ বৰা |
| ২০০৩-০৪ | উপকূল মেধি |
| ২০০৪-০৫ | দিপাংকৰ শৰ্মা |

| | |
|---|---|
| ২০০৫-০৬ | আমিনুল খান |
| ২০০৬-০৭ | দিপাঙ্কৰ গোস্বামী |
| ২০০৭-০৮ | পলাশ প্ৰতিম মেধি |
| ২০০৮-০৯ | বিকি কুমাৰ লস্কৰ |
| ২০০৯-১০ | আব্দুজ ছালাম চৌধুৰী |
| ২০১০-১১ | |
| ২০১১-১২ | গীতাৰ্থ প্ৰতিম শইকীয়া |
| ২০১২-১৩ | |
| ২০১৩-১৪ | সন্দীপ কুমাৰ সিং |
| ২০১৪-১৫ | বিশ্ব ভূৱন বসুমতাৰী |

## ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক

| | |
|---|---|
| ১৯৫৯-৬০ | উপেন বৰা |
| ১৯৬০-৬১ | খনেগ বৰা |
| ১৯৬১-৬২ | ললিত হাজৰিকা |
| ১৯৬২-৬৩ | চন্দ্ৰ কুমাৰ শইকীয়া |
| ১৯৬৩-৬৪ | অনেশ্বৰ শইকীয়া |
| ১৯৬৪-৬৫ | মোহন চন্দ্ৰ হাজৰিকা |
| ১৯৬৫-৬৬ | প্ৰবীণ চন্দ্ৰ হাজৰিক |
| ১৯৬৬-৬৭ | ৰাজেন শইকীয়া |
| ১৯৬৭-৬৮ | ফণীধৰ বৰা |
| ১৯৬৮-৬৯ | আবু চৰিফ |
| ১৯৬৯-৭০ | ডম্বৰুধৰ শইকীয়া |
| ১৯৭০-৭১ | পূৰ্ণ বৰুৱা |
| ১৯৭১-৭২ | নৰেন বৰুৱা |
| ১৯৭২-৭৩ | দেৱ বৰা |
| ১৯৭৩-৭৪ | প্ৰেমধৰ কাকতি |
| ১৯৭৪-৭৫ | ৰচিদুল ইছলাম শইকীয়া |
| ১৯৭৫-৭৬ | .............. |

| | |
|---|---|
| ১৯৭৬-৭৭ | তৰুণ শইকীয়া |
| ১৯৭৭-৭৮ | গুণেশ্বৰ বৰা |
| ১৯৭৮-৭৯ | চুৰেন মহন্ত |
| ১৯৭৯-৮০-৮১ | লোহিত চন্দ্ৰ ভূঞা |
| ১৯৮১-৮২-৮৩ | তৰুণ চন্দ্ৰ শইকীয়া |
| ১৯৮৩-৮৪ | লাচিত বৰদলৈ |
| ১৯৮৪-৮৫ | খনিন্দ্ৰ কুমাৰ গোস্বামী |
| ১৯৮৫-৮৬ | খগেন্দ্ৰ চন্দ্ৰ বৰুৱা |
| ১৯৮৬-৮৭ | ৰণেন্দ্ৰ মোহন পণ্ডিত |
| ১৯৮৭-৮৮ | পৰমানন্দ হাজৰিকা |
| ১৯৮৮-৮৯ | ত্ৰৈলোক্য মোহন বৰুৱা |
| ১৯৮৯-৯০ | কিৰণ শইকীয়া |
| ১৯৯০-৯১ | মিলন শইকীয়া |
| ১৯৯১-৯২ | জ্যোতিশঙ্কৰ নাৰায়ণ বৰুৱা |
| ১৯৯২-৯৩ | পবিত্ৰ কুমাৰ দাস |
| ১৯৯৩-৯৪ | জিয়াউৰ নবী |
| ১৯৯৪-৯৫ | নাৰায়ণ ডেকাৰাজা |
| ১৯৯৫-৯৬ | কুমুদ কুমাৰ ডেউৰী |
| ১৯৯৬-৯৭ | বাবুল কুমাৰ দাস |
| ১৯৯৭-৯৮ | মজিবুৰ ৰহমান |
| ১৯৯৮-৯৯ | সীমান্ত দাস |
| ১৯৯৯-২০০২ | ৰাজিউল্লাহ কবিৰ |
| ২০০০-২০০১ | ৰাজু নাথ |
| ২০০১-০২ | ইক্ৰাম হুছেইন |
| ২০০২-০৩ | অজিত মুদৈ |
| ২০০৩-০৪ | অপূৰ্ব কুমাৰ দাস |
| ২০০৩-০৪ | জ্যোতি প্ৰসাদ দাস (ভাৰপ্ৰাপ্ত) |
| ২০০৪-০৫ | ধনমণি বৰদলৈ |
| ২০০৫-০৬ | চিতুমণি শইকীয়া |
| ২০০৬-০৭ | তাহিৰুল ইছলাম |

| | |
|---|---|
| ২০০৭-০৮ | ৰঞ্জিত শৰ্মা |
| ২০০৮-০৯ | আৰশ্বাদ হুছেইন<br>(মনোনীত, সোণালী জয়ন্তী বৰ্ষ) |
| ২০০৯-১০ | পাপু মজুমদাৰ |
| ২০১০-১১ | পাৰ্থ প্ৰতিম কলিতা |
| ২০১১-১২ | ইফতিকাৰ হুছেইন |
| ২০১২-১৩ | নুৰছাদ উদ্দিন আহমেদ |
| ২০১৩-১৪ | আব্দুল বাছিদ<br>(মনোনীত) |
| ২০১৪-১৫ | ছাজ্জাদ আলম |
| ২০১৫-১৬ | নৱজ্যোতি কাকতি |
| ২০১৬-১৭ | নৌমান ইছলাম |

## জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনত ছহিদ হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ



ভূধৰ ডেকা



নৰেন্দ্ৰ কুমাৰ নাথ



আতব আলি




আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত অৱস্থিত
আনন্দৰাম ঢেকিয়া ফুকনৰ আৱক্ষ মূৰ্তি




আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত অৱস্থিত
প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীৰ আৱক্ষ মূৰ্তি





*শিল্পীৰ তুলিকাত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামী আৰু আব্দুল হাই*




*মহাবিদ্যালয়ৰ এটি অনুষ্ঠানত ভাষণ দি থকা অৱস্থাত বৰ্তমানৰ অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ*



আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ নিৰ্মিয়মান প্ৰথমটো শ্ৰেণীকোঠা গৃহৰ সন্মুখত অধ্যক্ষ শুকদেৱ গোস্বামীৰ সৈতে অন্যান্যসকল



আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সাম্প্ৰতিক আৱয়বিক ৰূপ




আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সাম্প্ৰতিক প্ৰৱেশ পথ



গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত
শ্ৰেষ্ঠ স্থান প্ৰাপ্ত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ দলটি





ড° ৰাজেন শইকীয়া আৰু যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ সমন্বিতে
মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰৰ একাংশ




মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে উলিওৱা
সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰি ভাষণৰত পৰিচালনা সমিতিৰ সভাপতি তথা
তদানীন্তন উপায়ুক্ত জে. বালাজী



মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উপলক্ষে উলিওৱা
সাংস্কৃতিক শোভাযাত্ৰাৰ এটি দৃশ্য



মহাবিদ্যালয় পুথিভঁৰালৰ এটি অধ্যয়ন কক্ষ



মহাবিদ্যালয়ত সংস্থাপিত অত্যাধুনিক ব্যায়ামাগাৰ




ৰাষ্ট্ৰীয় মূল্যয়ন আৰু প্ৰত্যায়ন পৰিষদৰ (NAAC) দলৰ সৈতে
মহাবিদ্যালয়ৰ অধ্যক্ষ




মহাবিদ্যালয়ত উদ্‌যাপিত ৰঙালী বিহুৰ অনুষ্ঠানত বক্তব্য প্ৰদান কৰা মুহূৰ্তত
লোকসংস্কৃতিবিদ চাও লোকেশ্বৰ গগৈ





নতুন দিল্লীৰ গান্ধী পীচ ফাউণ্ডেচনত মহাবিদ্যালয়ে প্ৰকাশ কৰি উলিওৱা
গ্ৰন্থৰ উন্মোচনী সভাত ভাষণৰত কুলদীপ নায়াৰ




নতুন দিল্লীৰ গান্ধী পীচ ফাউণ্ডেচনত মহাবিদ্যালয়ে প্ৰকাশ কৰি উলিওৱা
গ্ৰন্থ উন্মোচন কৰি ভাষণৰত ভাৰত চৰকাৰৰ গৃহ সচিব জি. কে. পিল্লাই




*বি. আৰ. আম্বেদকাৰ বিষয়ক গ্ৰন্থ উন্মোচন কৰা অনুষ্ঠানত*
*আৰক্ষী  সঞ্চালক প্ৰধান জি. এম. শ্ৰীবাস্তৱ আৰু পি. চি. হালদাৰ, আই. পি. এচ.*




*মানৱ অধিকাৰ বিষয়ক বক্তৃতা অনুষ্ঠানত ক্ৰমে- হৰেকৃষ্ণ ডেকা,*
*আই. বি.-ৰ পূৰ্বৰ সঞ্চালক কে. এচ. সুব্ৰমনিয়ম আৰু সাংবাদিক সুবীৰ ভৌমিক*



মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহত
ভাষণৰত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰতি উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰী




মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহত
ভাষণৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° মৃদুল হাজৰিকা




মানৱ অধিকাৰ বিষয়ক এটি অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট সাংবাদিক হাইদৰ হুচেইন আৰু
গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ননীগোপাল মহন্ত




'মহিলাৰ বাবে ৩৩ শতাংশ সংৰক্ষণ' শীৰ্ষক বক্তৃতা অনুষ্ঠানত
ভাষণৰত পদ্মশ্ৰী পেট্ৰীচিয়া মুখিম




মহাবিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠানত সংগীত পৰিৱেশন কৰা মুহূৰ্তত
খগেন মহন্ত আৰু অৰ্চনা মহন্ত




মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাত ভাষণৰত
বিশিষ্ট অতিথি মলয়া গোস্বামী




মহাবিদ্যালয়ত আয়োজিত এটি বক্তৃতা অনুষ্ঠানত
ভাষণৰত ড° সুশিলা কৌশিক




মহাবিদ্যালয়ত আয়োজিত এটি বক্তৃতা অনুষ্ঠানত
মুখ্য বক্তা ড° এচ. কে. ভাৰ্চনীক আদৰণি




দেৱকান্ত বৰুৱা বিষয়ক ৰাষ্ট্ৰীয় আলোচনাচক্ৰত ক্ৰমে কবি জ্ঞান পূজাৰী,
সমালোচক প্ৰভাত বৰা আৰু অধ্যাপিকা কৰবী ডেকা হাজৰিকা




ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা অনুষ্ঠানত বিশিষ্ট সমাজবিজ্ঞানী ড° অপূৰ্ব কুমাৰ বৰুৱা




আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা প্ৰদান কৰা অৱস্থাত
ভাৰতৰ প্ৰাক্তন মুখ্য নিৰ্বাচনী আয়ুক্ত হৰিশংকৰ ব্ৰহ্ম




মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী সভাত
ভাষণৰত বিশিষ্ট সাংবাদিক সমুদ্ৰগুপ্ত কাশ্যপ





মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাৰ
মুখ্য অতিথি বিশিষ্ট ঔপন্যাসিক ৰীতা চৌধুৰীক আদৰণি






দেৱকান্ত বৰুৱা বিষয়ক ৰাষ্ট্ৰীয় আলোচনাচক্ৰত
ক্ৰমে প্ৰদীপ আচাৰ্য্য, মহিম বৰা আৰু কৰবী ডেকা হাজৰিকা


## মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থসমূহ


















বিষয় ঃ নাৰী
সংকলন সম্পাদক
ড° অজিত ভৰালী, ড° বজিতা কলিতা



DR. B. R.
AMBEDKAR
MESSIAH OF THE DALITS
Edited by Sabita Devi



বিষয় বিবেকানন্দ
এলানি বক্তৃতা
সংকলন সম্পাদক ঃ অৰ্চনা তালুকদাৰ



B. R. Ambedkar
A COLOSSUS: SUNG FAR AND WIDE
Kailash Das



Gandhian Concepts
Interrogation
and
Exploration
Editors :
Ratnamala Rajkhowa
Geeta Devi Bhattacharya
Archana Talukdar


CONTEMPORARY
WOMEN ISSUES
A REFLECTION
Edited by
Mina Choudhury


মোহনৰ পৰা মহাত্মালৈ
আবু হানিফা


আম্বেদকাৰবাদ
বনাম
সামাজিক পৰিবৰ্তন
মূল ঃ ৰাজমল সিংহ 'ৰাজ'
অনুবাদ ঃ বিনু লস্কৰ ঠাকুৰীয়া




গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত একেৰাহে তিনিবাৰকৈ
শ্ৰেষ্ঠ আলোচনীৰ সন্মান লাভ কৰা **'আনন্দলেখা'**

